# কটনিয়ান

# "COTTONIAN"

৬৩ তম সংখ্যা,

১৯৮৮–৮৯।

**63rd Volume,**

**1988-89.**

সম্পাদক ঃ দ্বীপেন শৰ্মা।

সম্পাদনা সমিতি ঃ

ডঃ হেমন্ত কুমাৰ শৰ্মা (সভাপতি),
অধ্যাপক ৰাজেন মহন্ত,
অধ্যাপক শ্যামা প্ৰসাদ শৰ্মা,
অধ্যাপক ৰবীন গোস্বামী,
অধ্যাপক পৱন বৰুৱা,
দ্বীপেন শৰ্মা, সম্পাদক, 'কটনিয়ান', আৰু
সাধাৰণ সম্পাদক, কটন কলেজ ছাত্ৰ একতা সভা।

বেটুপাতৰ ছবি ঃ

হিৰণ্য কুমাৰ নাথ ।

অলংকৰণ ঃ

হিৰণ্য কুমাৰ নাথ,
লিজুম আঙ্গু ।

প্ৰকাশক ঃ

কটন কলেজ ছাত্ৰ একতা সভা, ১৯৮৮-৮৯ ।

মুদ্ৰক ঃ

হেমকোষ প্ৰিন্টাৰ্চ, শিলপুখুৰী, গুৱাহাটী ।

# স্মৃতি-তৰ্পণ

প্ৰাক্তন অধ্যক্ষ উপেন্দ্ৰ কুমাৰ দত্ত,
বুৰঞ্জী বিভাগৰ প্ৰাক্তন মুখ্য অধ্যাপিকা লক্ষ্মী দেৱী,
বাংলা বিভাগৰ প্ৰাক্তন মুখ্য অধ্যাপকদ্বয় যতীন্দ্ৰ মোহন ভট্টাচাৰ্য্য আৰু হিৰন্ময় ভট্টাচাৰ্য্য।

স্নাতকোত্তৰ (প্ৰাৰম্ভিক) মহলাৰ ছাত্ৰী ৰঞ্জুমী কোঁৱৰ,
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ প্ৰণৱ ভট্টাচাৰ্য্য।

সন্ত্ৰাসবাদীৰ গুলীত নিহত প্ৰাক্তন কটনিয়ান মৃণাল ভূঞা আৰু অজয় চৌধুৰী,
ক্ৰিকেট বিভাগৰ প্ৰাক্তন সম্পাদক দিগন্ত কুমাৰ দাস।

নৃতত্ত্ব বিভাগৰ গৱেষণাগাৰ সহায়ক মহেন্দ্ৰ কলিতা,
ৰসায়ণ বিভাগৰ গৱেষণাগাৰৰ কৰ্মচাৰী তাৰিণী বৈশ্য,
আবাসৰ ৰান্ধনি ৰামদেৱ গোস্বামী,
পুথিভঁৰালৰ কৰ্মচাৰী শান্তিৰাম দাস,
নৈশ চকীদাৰ সিং বাহাদুৰ,
শ্ৰমিক বানোৱাৰীলাল বাছফোৰ আৰু শান্তি বাছফোৰ।

আমাৰ অজ্ঞাতেই আঁতৰি যোৱা কটন মহাবিদ্যালয়ৰ শুভাকাংক্ষীসকল,

আৰু

মানৱ কল্যাণ আৰু মানৱ অধিকাৰ ৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া
নিঃস্বাৰ্থ কৰ্মীসকল।



OFFICE OF THE PRINCIPAL, COTTON COLLEGE, GUWAHATI-1.

## *Principal's Message*

I am glad that the 63rd issue of 'Cottonian' is going to be published soon. I am confident, this issue would fulfil, as ever before, the literary and scientific aspirations of the staff and the students of Cotton College and for that matter, of the society at large.

Sd. Dr. K. D. Krori,
Principal, Cotton College,
Guwahati-1.

# আমাৰ দৃষ্টিত

**শিক্ষাৰ প্ৰয়োগ ঃ** গুহামানৱৰ পৰা আজিৰ যন্ত্ৰ মানৱলৈ এইছোৱা বিশাল বিৱৰ্তনৰ পথত জীৱনৰ সংজ্ঞা বহুখিনি সলনি হৈ গৈছে। মগজুৰ বিকাশৰ লগে লগে ন ন প্ৰয়োজন, প্ৰশ্ন আৰু সমস্যাৰো উদ্ভৱ হ'ব ধৰিছে। স্বাভাৱিকতেই মানৱ ইতিহাসৰ বিকাশশীল এই ধাৰাটো অক্ষুণ্ণ ৰখাৰ বাবে আমি জন্মসূত্ৰে দায়বদ্ধ। বিবেকসম্পন্ন আধুনিক মানুহ বুলি আত্মসন্তুষ্টি লভাৰ আগেয়ে প্ৰকৃত শিক্ষাৰে আমি মানৱ সভ্যতাৰ বিকাশৰ পথত আগবাঢ়িব লাগিব। এইখিনিতে প্ৰশ্ন হয়, প্ৰকৃত শিক্ষাৰনো স্বৰূপ কেনে ?

জন্ম আৰু মৃত্যুৰ মাজৰ কালছোৱাত জীৱনবোধ আহৰণ কৰি নিজৰ লগতে আনৰ সুখ-সমৃদ্ধিৰে বন্ধুত্বপূৰ্ণ এখন সমাজ প্ৰতিষ্ঠাৰ হকে অনুপ্ৰাণিত কৰিব পৰা বিধৰ শিক্ষাই হয়তো প্ৰকৃত শিক্ষা। তেনে শিক্ষাত ব্যক্তিৰ সামাজিক অৱস্থিতিটোহে মুখ্য, ব্যক্তিগত লাভালাভৰ কথা গৌণ। কিন্তু তাৰ বিপৰীতে বৰ্তমানৰ শিক্ষাব্যৱস্থা আৰু সামাজিক গাঁথনিৰ পৃষ্ঠপোষকতাত এটা আত্মক্ষয়ী "আত্মপ্ৰতিষ্ঠাবাদে" (Careerism) মূৰ দাঙি উঠিছে। আৰু সেইবাবেই এটা 'সুবিধা-জনক' সংস্থান পোৱাৰ লগে লগে বেছিভাগ 'চোকা চোকা মগজু'ৰে জ্ঞান লাভৰ স্পৃহা স্তব্ধ হৈ যায়, হ'বলৈ বাধ্য। তাৰ পৰিবৰ্তে ক্ষমতা আৰু অৰ্থ লাভৰ বজাৰত দৰ-দাম কৰাৰ প্ৰশিক্ষণ আৰম্ভ হৈ যায়। "নিজৰ নিজৰ 'উন্নতি' হ'লেই দেশ চহকী হ'ব" জাতীয় যুক্তিৰ অজুহাতত সামাজিক দায়িত্ব অস্বীকাৰ কৰি, আজি আমি সকলো ক্ষেত্ৰতে দুৰ্নীতি আৰু অবিশ্বাসৰ বিষ-বাষ্প বিয়পাই আছোঁ। আৰ্থিক স্বচ্ছলতাৰ আঁৰ-বেৰত আত্মগোপন কৰিলেও যে এই সামাজিক প্ৰদূষণৰ দুৰ্ভোগৰ পৰা হাত সাৰিব পৰা নাযায় তাৰ প্ৰমাণ বাস্তৱত পোৱা হৈছে। আৰু সেইবাবেই এই বিফল ব্যৱস্থাৰ সংশোধনী অথবা বিকল্পৰ প্ৰয়োজন হৈছে। অৱশ্যে এনে পৰিবৰ্তন অনা কথাটো ভাৰতীয় সংবিধান সংশোধনৰ লেখীয়াকৈ উজু নহয়।

এনেবোৰ কথাত আজিকালি নতুনত্ব নাই। জন্মৰে পৰা দুৰ্নীতি আৰু কৰ্ম বিমুখতা দেখি দেখি ভাৰতীয় মানুহ অভ্যস্ত হৈ পৰিছে— যেন ইও এটা নতুন নীতি। পাঠ্যপুথিৰ সকলো জ্ঞান আৰু আদৰ্শ যেন মুখস্থ কৰি পৰীক্ষাত লিখিবৰ বাবে অথবা সুবিধা বুজি পাণ্ডিত্য জাহিৰ কৰিবৰ বাবেহে। ব্যক্তিগত জীৱনত তাৰ প্ৰয়োগ নকৰিবলৈ আমাৰ জ্যেষ্ঠসকলে আমাক পৰোক্ষভাৱে সততে সঁকীয়াই থাকে। যি চলি আছে সেয়াই যেন শুদ্ধ। আনকি 'হাইস্কুল'ৰ সন্মানীয় শিক্ষক সকলেও মাহেকীয়া দৰমহাৰ টকাকিটা সময়মতে পাবলৈ বিভাগীয় কাৰ্য্যালয়ত উপঢৌকন দিব লগাত পৰে। আইনবিদ, শান্তি-ৰক্ষী, মন্ত্ৰী-বিষয়া কাকো কোনেও বিশ্বাস আৰু সন্মান নকৰা অৱস্থা এটাৰ সৃষ্টি হৈছে।

মুঠতে, আজি এক ভীষণ ক্ৰান্তিকাল উপস্থিত। এপিনে ঐতিহ্য-পূৰ্ণ ভাৰতীয় আদৰ্শ আৰু দৰ্শনৰ নামত ঢাকঢোল বজাই থকা হৈছে, আনপিনে বাস্তৱ ক্ষেত্ৰত ভাৰতবৰ্ষত সুবিধাবাদৰ ৰাজত্ব চলিছে। আজি হেজাৰ বছৰে ভাৰতীয় দৰ্শনে আমাক তেন্তে শিকালে **কি ?** আচলতে যুক্তিতকৈ বিশ্বাসক বেছিকৈ প্ৰাধান্য দিয়াৰ ফলত আমি ক্ৰমান্বয়ে বাট হেৰুৱাবলৈ ধৰিছোঁ আৰু ভুলকেই ভাল বুলি বিশ্বাস কৰি অজ্ঞতাৰ শান্তি লাভ কৰি আছোঁ।

মনৰ জোৰত নহয়, ধনৰ জোৰতহে আজিকালি সামাজিক সন্মান পোৱা যায়। এহাতে প্ৰকৃত শিক্ষাৰে গঢ়ি উঠা সৃষ্টিশীল মনৰ পোহৰত এখন সুখী সমৃদ্ধিশালী সমাজ, আনহাতে ধনতান্ত্ৰিক ব্যৱস্থাৰে ব্যক্তিকেন্দ্ৰিক বিলাস, এই দ্বন্দ্বৰ মাজতেই আধুনিক মানুহ আজি দিশহাৰা। এই মৌলিক দ্বন্দ্বৰ সমাধান অবিহনে আন সকলো সমস্যাই চিৰস্থায়ী হোৱাটো নিশ্চিত। এই ক্ষেত্ৰত আমি শিক্ষাৰ্থী সকলে প্ৰকৃত শিক্ষাৰ তাৎপৰ্য্য ব্যক্তিগত আৰু বাস্তৱ জীৱনত প্ৰয়োগ কৰি চোৱাৰ সাহস নিশ্চয় গোটাব লাগিব।

## 'কটনিয়ান'ৰ প্ৰসঙ্গতঃ

'কটনিয়ান'ৰ সম্পাদক সকলে প্ৰতিবছৰে কটন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু কৰ্তৃপক্ষৰ উপৰিও ছপাকামৰ বিভিন্ন পৰ্য্যায়ৰ লগত জড়িত হৈ বিভিন্ন ধৰণৰ অভিজ্ঞতা লাভ কৰাৰ অন্তত মহাবিদ্যালয় এৰি গুচি যায়। ফলত প্ৰতিবছৰে প্ৰতিগৰাকী সম্পাদকে এই গোটেই প্ৰক্ৰিয়াটোৰ সৈতে মুখামুখি হ'বলৈ প্ৰাৰম্ভিক প্ৰস্তুতি কৰোঁতেই ভালেখিনি সময় পাৰ হৈ যায়। লেখা বিচাৰি দিয়া বিভিন্ন জাননী সমূহেও সিমান সঁহাৰি নাপায়। অৱশ্যে তাৰ মাজতো এচাম কবি আৰু গল্পকাৰৰ উৎসাহ প্ৰশংসাযোগ্য।

প্ৰকৃতপক্ষে কটন মহাবিদ্যালয়ত এটি স্থায়ী প্ৰকাশন গোটৰ প্ৰয়োজন, যিটো গোটে বিভিন্ন উপসমিতিৰ যোগেদি 'কটনিয়ান'ৰ উপৰিও কটন মহাবিদ্যালয়ৰ বিভিন্ন স্মৰণিকা আৰু প্ৰকাশন সমূহৰ প্ৰকাশৰ দায়িত্ব ল'ব পাৰে। ৰাজ্যসভাৰ লেখীয়াকৈ এই সমিতিৰো আংশিক সদস্য সলনিৰ ব্যৱস্থা কৰিব পাৰি। 'কটনিয়ান'ৰ সম্পাদনা সমিতিত দুই-তিনিগৰাকী ছাত্ৰ সদস্য অন্তৰ্ভুক্ত কৰিলে সম্পাদকে ভালেখিনি সকাহ পাব পাৰে। বছৰে বছৰে কাগজৰ দাম আৰু ছপা খৰচ বৃদ্ধি হোৱাৰ বিপৰীতে 'কটনিয়ান'ৰ পুঁজি ভালেখিনি সীমিত। প্ৰতিবছৰে মহাবিদ্যালয়ৰ ধন খৰচ কৰি তৈয়াৰ কৰা বিভিন্ন 'ব্লক' সমূহ সংৰক্ষণ কৰি প্ৰয়োজন সাপেক্ষে পুনৰ ব্যৱহাৰ কৰিব পাৰি। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা-ক্ৰীড়া-পৰিবেশ আদিৰ দৰে সামাজিক বিষয়ৰ দুই-এটি চৰকাৰী বিজ্ঞাপন প্ৰকাশৰ ব্যৱস্থা কৰিলে বিত্তীয় অসুবিধা ভালেখিনি আঁতৰ হ'ব বুলি আশা কৰিব পাৰি।

সম্পাদনাও এবিধ কলা। সম্পাদনাৰ এই গুৰু দায়িত্ব পালনৰ বাবে সম্পাদকে যিমান সময় খৰচ কৰিব পাৰে, তাতকৈ বহুগুণে বেছি সময় ব্যয় কৰিব লগাত পৰে লেখা আৰু তথ্য সংগ্ৰহৰ বাবে বিভিন্ন জনক অনুৰোধ কৰা, লেখক-লেখিকা, অংকণকাৰী, কৰ্মচাৰী আৰু কৰ্তৃপক্ষৰ সৈতে অহৰহ যোগাযোগ কৰা, বানান শুধৰণি কৰা, প্ৰেছ কপি প্ৰস্তুত কৰা, প্ৰুফ চোৱা ইত্যাদিত। ফলত বিষয়বস্তু, অংগসজ্জা, তথ্য আদিৰ ক্ষেত্ৰত সিমান গুৰুত্ব দিব পৰা নহয়।

এই সম্পাদকে বিগত বছৰটোৰ কটন মহাবিদ্যালয় সম্পৰ্কীয় বিভিন্ন ঘটনাৰ এখন দিনপঞ্জী প্ৰস্তুত কৰিবৰ বাবে বিভিন্ন বিভাগ, কৰ্তৃপক্ষ আৰু অনুষ্ঠানক অনুৰোধ জনাইছিল, কিন্তু প্ৰয়োজনীয় সঁহাৰি আৰু তথ্যৰ অভাৱত ই সম্ভৱ নহ'ল।

তথাপিতো বিভিন্ন জনৰ সহযোগিতাৰ অন্তত এই সংখ্যা 'কটনিয়ান' সম্পূৰ্ণ হৈ উঠিছে। আমাৰ আশা-আকাংক্ষাৰ পূৰ্ণাঙ্গ 'কটনিয়ান' খনৰ বাবে অনাগত দিনত আৰু অধিক সমূহীয়া প্ৰচেষ্টাৰ আৱশ্যক হ'ব। এই প্ৰচেষ্টাত অবিহনা যোগোৱা বিভিন্ন জনলৈ কৃতজ্ঞতা জনাই সামৰিছোঁ।

দ্বীপেন শৰ্মা,
সম্পাদক, 'কটনিয়ান'।

# ॥ সূচীপত্ৰ ॥


## প্ৰবন্ধ ঃ

| | পৃষ্ঠা | |
|---|---|---|
| স্বাধীনোত্তৰ অসমীয়া কবিতাৰ চৰিত্ৰ | ॥ ৩ ॥ | প্ৰদীপ আচাৰ্য্য |
| ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু সমস্যা | ॥ ৫ ॥ | উদয়াদিত্য ভৰালী |
| ভাৰতীয় সংগীতৰ ইতিহাস | ॥ ৮ ॥ | সঞ্জয় কুমাৰ শইকীয়া |
| শংকৰদেৱৰ দৃষ্টিত নাৰী | ॥ ১১ ॥ | মহেশ্বৰ কলিতা |
| সমাজ আৰু প্ৰেম | ॥ ১৫ ॥ | ধ্ৰুৱ মহন্ত |
| কাৰ্বি জন-সমাজত গীত-মাত | ॥ ১৭ ॥ | অষ্টম কাঠাৰ |
| জীৱ সৃষ্টিৰ অন্তৰালত | ॥ ১৯ ॥ | পান্নালাল গোস্বামী |
| কেইজনমান ভাৰতীয় পৰিচালকৰ স্মৰণীয় কথাছবি | ॥ ২১ ॥ | বৰ্ণালী শইকীয়া |
| ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত নজৰুল কাব্যৰ ভূমিকা | ॥ ২৩ ॥ | খন্দকাৰ মজিবুৰ ৰহমান |
| অসমীয়া সাহিত্যৰ বিকাশৰ পথ | ॥ ২৫ ॥ | ভূষণ চন্দ্ৰ পাঠক |
| অসমীয়া কথাছবিৰ সন্দৰ্ভত | ॥ ২৭ ॥ | মনোৰম গগৈ |

## কবিতা ঃ

| | | |
|---|---|---|
| স্বপ্ন-স্মৃতি-বিষাদৰ গাথা, কবিতাৰ জন্মদিন | ॥ ৩১ ॥ | বিপুলজ্যোতি শইকীয়া |
| পোহৰ-ছবি; বসন্ত; বাসনা | ॥ ৩২ ॥ | বিপুল চন্দ্ৰ কলিতা; ৰুণিমা শৰ্মা; গৌতম মালাকাৰ |
| গান্ধাৰী; সময়ৰ স্তৱক; বন্ধুবৰ্গলৈ | ॥ ৩৩ ॥ | শান্তনু পূজাৰী; বৈকুণ্ঠ ৰাজবংশী; নজৰুল ইছলাম |
| চিঠি লিখিবলৈ শিৰোনামা নাথাকিলে; ইতিহাসৰ ডায়েৰীৰে | ॥ ৩৪ ॥ | ৰমনী বৈশ্য, ৰত্না ভৰালী |
| প্ৰত্যুত্তৰ; মোৰ সপোন আৰু আনুষংগিক | ॥ ৩৫ ॥ | স্বামিনা নাছৰিন মিলন; বনানি চক্ৰৱৰ্তী |
| দুৰ্জন সময়; সভ্যতাৰ নঙঠা শৰীৰ; এইবেলি | ॥ ৩৬ ॥ | ধীমান তালুকদাৰ; অৰূপ জ্যোতি দাস; দীপজ্যোতি ভূঞা |
| বিশ বছৰৰ পাছত; জীৱনত | ॥ ৩৭ ॥ | জয়ন্ত কুমাৰ মান্তা; সুনন্দ ফুকন |
| অগ্নিস্নান; সংকল্প; এটি স্তৱক | ॥ ৩৮ ॥ | ৰূপেশ্বৰ বৈশ্য; হেমন্ত কুমাৰ ৰাজবংশী; কৰবী মহন্ত |
| বৰষুণ; প্ৰতিবিম্ব | ॥ ৩৯ ॥ | লিলি দেৱী; ইন্দুভূষন কাকতি |
| আয়োজন, নাগৰিক; অসমীয়া আধুনিকাৰ উক্তি; পৰিসংখ্যা-বিদৰ প্ৰেম | ॥ ৪০ ॥ | দ্বীপেন শৰ্মা; বিষ্ণুপ্ৰসাদ শইকীয়া; ৰিদুলা শৰ্মা |

## গল্প ঃ

| | | |
|---|---|---|
| অৱলম্বন | ॥ ৪৩ ॥ | অচ্যুত কুমাৰ পাটোৱাৰী |
| বৰঘৰৰ মেকুৰী | ॥ ৪৫ ॥ | পইনুৰুদ্দিন আহমদ |
| অসংলগ্ন চৰিত্ৰৰ প্ৰলাপ | ॥ ৪৮ ॥ | অঞ্জন ভূঞা |
| চিকাৰ | ॥ ৫১ ॥ | মূল ঃ ভগৱতী পাণিগ্ৰাহী, অনু ঃ চমছেৰ আলি |
| জলপৰীৰ হাঁহি | ॥ ৫৩ ॥ | হেমচন্দ্ৰ দলে |
| সুখ-দুখৰ ৰং | ॥ ৫৭ ॥ | জোনালী হাজৰিকা |

## ব্যঙ্গ ৰচনা ঃ

| | | |
|---|---|---|
| খেলি-মেলি | ॥ ৬১ ॥ | ডঃ ৰমেশ পাঠক |

## একাংকিকা নাট ঃ

| | | |
|---|---|---|
| লাচৰ সন্ধানত লাচৰ মিছিল.... | ॥ ৬৩ ॥ | শ্যামা প্ৰসাদ শৰ্মা |

## প্ৰাচীৰ পত্ৰিকা শিতান ঃ

| | | |
|---|---|---|
| জীবনানন্দৰ কবিতা আৰু কিছু কথা; চুৰিয়েলিষ্ট শিল্পী ছালভাদৰ ডালি | ॥ ৭০ ॥ | বিপুলজ্যোতি শইকীয়া; ধ্ৰুৱজ্যোতি বৰগোহাঁই |
| এটি কবিতা ঃ অনুভৱৰ; সন্ধ্যা-আলিংগন | ॥ ৭১ ॥ | বিনীতা বৰা; অংকুৰ ডেকা |
| দুখ আৰু মই | ॥ ৭২ ॥ | স্বপ্নশিখা সন্দিকৈ |
| হৈমন্তিক আবেলি;—'মৎস্যগন্ধা'; দুখৰ দুপৰ; ধাৰাপাত | ॥ ৭৩ ॥ | গিৰীশ ডেকা; যতীন বুঢ়াগোহাঁই; উদয়ন গোস্বামী; অমৰজ্যোতি তাঁতী |
| Safdar Hashmi—A Profile; ভাষা আয়োগ | ॥ ৭৪ ॥ | Labanu Saikia; অভিজিৎ বৰা |

## দৃষ্টিভঙ্গী ঃ


| | | |
|---|---|---|
| অসমৰ জনজাতীয় সমস্যা আৰু ইয়াৰ সমাধান | ॥ ৭৫ ॥ | মঃ ছালিম আলি আহমেদ; ভূপেন কুমাৰ নাথ, মঞ্জিৰা শৰ্মা, বিদ্যুৎ বৰা, অপৰ্ণা দেৱী, শঙ্কৰকৃষ্ণ দাস, ৰীণা ৰাণী বৰদলৈ, অনুৰাধা বৰুৱা |
| চাহ শ্ৰমিকৰ সমস্যা; শিৱসাগৰৰ অৱহেলিত ঐতিহাসিক কীৰ্তিচিহ্ন | ॥ ৭৮ ॥ | অমৰজ্যোতি তাঁতী; জ্যোতিপ্ৰসাদ শইকীয়া |
| মানৱৰ ঐতিহ্য | ॥ ৭৯ ॥ | এম্ আব্দুল হক |
| চিঠি লিখাৰ চলেৰে | ॥ ৮০ ॥ | অমৰেন্দ্ৰ কলিতা |
| কটন কলেজ ঃ মোৰ বাবে এক দীঘল কবিতা | ॥ ৮১ ॥ | আকাশ কানন লহকৰ |


## বিবিধ ঃ


| | | |
|---|---|---|
| ভাৰতলৈ নেলচন মেণ্ডেলাৰ চিঠি | ॥ ৮৩ ॥ | অনু ঃ হীৰেন শইকীয়া |
| ডঃ লক্ষ্মী দেৱী ঃ এটি শ্ৰদ্ধাঞ্জলি | ॥ ৮৫ ॥ | |
| পুথি-পৰিচিতি | ॥ ৮৬ ॥ | |


## কটন কলেজ ছাত্ৰ সন্থা ঃ


| | | |
|---|---|---|
| বিভাগীয় প্ৰতিবেদন | ॥ ৮৭ ॥ | |


# *Contents*


| **Article :** | **Page** | |
|---|---|---|
| Character of the Indian National Movement | ॥ 3 ॥ | Deepak Kumar Sarma |
| Quantising Gravity | ॥ 8 ॥ | Dr. Pabitra Borgohain |
| Environmental Problems—A Geographical Perspective | ॥ 10 ॥ | Madhurjya Kumar Dutta |
| Photography : The Irrelevance of Compassion | ॥ 13 ॥ | Pradip Acharyya |
| A rare genious that was—Dr. H.C. Bhuyan | ॥ 14 ॥ | Dr. K.D. Krori |
| The International Judiciary : A Brief Historical Outline | ॥ 16 ॥ | Hiren Saikia |
| Foreign Aid and Developing Countries | ॥ 19 ॥ | Mukunda Jyoti Sarma |
| Autonomy to Cotton College—Problems & Prospects | ॥ 21 ॥ | Dhrubajyoti Sharma |
| Role of Youth in India's National Problems | ॥ 23 ॥ | Bidisha Chakravarty |
| Those wonderful semi-things—semi conductors | ॥ 25 ॥ | Vijoy A. Nebhrajani & Rupam Choudhury. |
| A teacher's tribute to Dr. Subratananda Duarah | ॥ 27 ॥ | Dr. Tarakeswar Choudhury |
| **Poem :** | | |
| The Confrontation; The Beggar Boy; Where We Are; Two Faces of Love | ॥ 29 ॥ | Nitoo Das; Chiranjib Baruah; Basanta Goswami; Md. Sabir Nishat |
| Tide; Loneliness | ॥ 30 ॥ | Sheela Nair; Runumi Konwar |
| **Story :** | | |
| Realization | ॥ 31 ॥ | Rashmi Baruah |
| A Different Legacy | ॥ 32 ॥ | Rajib Handique |

# প্রবন্ধ



# স্বাধীনোত্তৰ অসমীয়া কবিতাৰ চৰিত্ৰ

**প্ৰদীপ আচাৰ্য্য**
ইংৰাজী বিভাগ।

স্বাধীনতা লাভৰ পাছৰ অসমীয়া কবিতাত স্বাধীনতাৰ আনন্দৰ আতিশয্য নাই। কিবা ভ্ৰান্তিৰ পাছৰ ভ্ৰমভঙ্গহে পৰিলক্ষিত হয়। ৰাজনৈতিক স্বাধীনতায়েই সকলো নহয় বুলি জনাত কালিৰ আন্দোলন আজি কেৱল মাত্ৰ স্মৃতিত পৰিণত হ'ল, ফলত স্বাধীনতাৰ আগৰ অতিৰঞ্জিত ৰোমান্টিচিজিমো পৰিহাৰ কৰিবলগীয়া হয়। ফলস্বৰূপে কিছু মননশীলতা অসমীয়া কবিতাত আহি পৰা হয়তো স্বাভাৱিক। পৃথিৱীৰ আন ঠাইৰ লগতে আমাৰ ইয়াতো স্বভাৱতেই অন্তৰ্মুখী লিৰিক বা গীতিধৰ্মী কবিতাই প্ৰাধান্য লাভ কৰে। অন্তৰ্ধ্যানী এইবিধ কবিতাত পৃথিৱীৰ আন ঠাইত আঙ্গিক লৈ নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা হৈছিল যদিও আমাৰ ভাষাত মননশীল আৰু অন্তৰ্লোকী হোৱা সত্বেও আঙ্গিক কিন্তু অদ্ভুত ধৰণে পুৰণিকলীয়া হৈয়েই থাকিল। বিদেশী আঙ্গিক আৰু আদৰ্শৰ সৈতে পৰিচয় ঘনিষ্ঠ হোৱাত অৱস্থাৰ কিছু গুণগত পৰিবৰ্তন হৈছিল, কিন্তু আঙ্গিকৰ লগতে যি বহিৰ্বাৱস্থাৰ পৰা তেনে আঙ্গিকৰ উদ্ভৱ হয় তাকো সশৰীৰে ডাঙি আনিব লগা হৈছিল— কিয়নো আমাৰ ইয়াত তেনে পৰিস্থিতি অবিদ্যমান, ফলত আৰম্ভণিৰ কবিতাখিনি কিছু ঠেকছিগা, অস্পষ্ট আৰু দুৰ্বোধ্য। সভ্যতাৰ, লগতে সাহিত্যৰো, কোনো ধৰণৰ সঙ্কটৰ লক্ষণ বা আগজাননী কোনো প্ৰকাৰেই সৰ্বজনবিদিত নাছিল। নৱকান্ত বৰুৱাই নিজৰ সংশ্লেষণী প্ৰতিভাৰে নিজৰ জীৱনধাৰাৰে জীৱনক জানিবলৈ চেষ্টা নকৰালৈকে নতুন চামৰ আধুনিক কবিতা সকলোৰে আদৰিব পৰা হোৱা নাছিল। তেখেতৰ বহুমুখী চিন্তাধাৰাৰ অৱলম্বন হিচাপে লোক-সংস্কৃতি, লোক-বাস্তৱৰ অনুধাৱনত আধুনিক অসমীয়া কবিতাৰ স্বকীয় সৰ্বজনগৃহীত ভাষাই গঢ় লয়। তেওঁতে আৰম্ভ হোৱা মননশীল আধুনিকতা এতিয়ালৈ চলি আহিছে আৰু সুদৃঢ় এক গতি লাভ কৰিছে। নৱকান্ত বৰুৱাৰ পৰাই অসমীয়া কবিতাৰ দুটা সুকীয়া ধাৰাৰ আৰম্ভ। গধুৰ মননশীল ধাৰাটো আৰু টনকিয়াল কৰিছে নীলমণি ফুকন আৰু ভবেন বৰুৱাই আৰু বিশুদ্ধ গীতিধৰ্মী ধাৰাৰ পৰিণতি ঘটিছে হীৰেন ভট্টাচাৰ্য্যত।

প্ৰভাৱৰ পুৰাণৰ আলোচনা মোৰ বিষয় নহয়, মই কেৱল জীয়া, চলি থকা পৰম্পৰাৰ মৌলিক উপাদান আৰু সঁচা সাদৃশ্যৰ কথাহে আঙুলিয়াই দেখুৱাব খুজিছোঁ। নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটি আলোচনা কৰিলেই আমি দেখিম যে কেৱল অবিৰত গীতিধৰ্মিতাই নহয়— এক শৰীৰী মননশীলতাইও তেওঁক ভৱিষ্যতৰ প্ৰত্যাহ্বান স্বীকাৰ কৰিবলৈ আৰু নতুন প্ৰজন্মৰ প্ৰতি সহজ আস্থা পোষণ কৰিবলৈ সহায় কৰিছে ঃ

আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম। সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত
জাতিস্মৰৰ হাঁহি উঠা সাধু। সপোন অন্ধ যি গলিত
আমি থাকো তাৰে নয়ানজুলিত সিহঁতৰ ভৱিষ্যত।

সাম্প্ৰতিক বাস্তৱৰ প্ৰতি তেওঁৰ প্ৰতিক্ৰিয়া কবি নৱকান্ত বৰুৱাই প্ৰকাশ কৰিছে বিভিন্ন সূত্ৰৰ সমাহাৰত। তদুপৰি 'ইয়াত নদী আছিল' কবিতাত আৰু ইয়াৰ সমগোত্ৰীয় কবিতাত বিভিন্ন সূত্ৰৰ ভাষা বা পদে ব্যক্তিগত আৰু নৈৰ্ব্যক্তিক মননশীলতা, সামাজিক আৰু নান্দনিক—এই সকলো দিশে পৰস্পৰে পৰস্পৰৰ ৰূপক হিচাপে সমস্যাৰাজিক প্ৰগাঢ় কৰিছে আৰু কবিতাৰ সমাহাৰত সহজো কৰিছে ঃ

এইদৰে শেষ হোৱা--এই যে ৰোমাঞ্চ মৰণৰ--
ইযে প্ৰৌঢ়া ৰমণীৰ ৰমণ-বিলাস, অনভিজ্ঞ
কিশোৰৰ স'তে, য'ত
গ্লানিৰ অতৃপ্তি নাই, তৃপ্তিৰ অশান্তি নাই
ধ্বংসৰ সৌন্দৰ্য্য নাই—কেৱল ক্ষয়ৰ আবিলতা,
অনায়াস গ্ৰহণৰ কেৱল ক্লীৱতা।
বালিৰ বতাহে জানো পাহাৰত ভাস্কৰ্য্য গঢ়েহি ?
গঢ়ে বিভীষিকা।

এনে কবিতাই আৰু ইয়াতকৈ নিম্নস্বৰৰ 'সূৰ্য্যোদয়' আদি কবিতাৰ পৰা নীলমণি ফুকনৰ অধিক সাৰ্থক সৃষ্টিসমূহলৈ—ই এক স্বাভাৱিক আৰু যৌক্তিক উত্তৰণ। নীৰৱতা আৰু একাকীত্বৰ কবি হিচাপে পৰিগণিত শ্ৰীফুকনে আৰম্ভণিতে এক প্ৰবাহমান দৃষ্টিকোণৰ পৰা কথা ক'ব নোৱাৰিছিল আৰু তেখেতৰ প্ৰথমৰ কবিতাখিনিত কিছু গজদন্ত মিনাৰীয় স্বাতন্ত্ৰ্য দেখা গৈছিল। কিন্তু এটি অনবদ্য আৰু তীক্ষ্ণ সৃষ্টিত তেখেতে তেখেতৰ সম্পূৰ্ণ সত্তাৰে উপলব্ধ অসুন্দৰ অথচ এৰাব নোৱৰা এক বাস্তৱ ডাঙি ধৰিছে ঃ

নৈখনৰ পাৰেৰে বাটটো
আধা পোত গৈ পৰি থকা
সাপ এটাৰ দৰে বাটটোৰে
চুলি মেলি ঘূৰি আহিল
এগৰাকী তিৰোতা

নুমাই যোৱা নক্ষত্ৰৰ দেৱী
আৰু পিচে পিচে
জোনটোলৈ আঙুলিয়াই অহা
বোবা এটি শিশুৰ
শীতল পদশব্দ।

সাধাৰণ কাহিনী কোৱাৰ নৈৰ্ব্যক্তিক বিৱৰণাত্মক বচন-ভঙ্গী আৰু গভীৰ দুখৰ বিষয় বস্তুৰ মাজতে কবিতাটোৰ অৰ্থ। মহিলাগৰাকী গৈছিল ক'ৰবালৈ—এতিয়া নিজৰ কাম সমাধা কৰি ঘূৰি আহিছে। আধা পোত খোৱা অকোৱা পকোৱা সাপৰ নিচিনা বাটটোৰে তেওঁ গৈছিল। নিচেই কম কথাত খুব সহজভাৱে এই সাপৰ ৰূপকটোৰে কবিয়ে যেন নিজৰো অজ্ঞাতসাৰে একে অশুভ, অমঙ্গলীয়া এক ভাৱৰ অৱতাৰণা কৰিছে। এয়া নিশ্চয় সাধাৰণ, গতানুগতিক ভ্ৰমণ বা পায়চাৰি নহয়—সেই অকোৱা-পকোৱা সাপৰ নিচিনা বাটেৰে যাবলৈ তাই বাধ্য আৰু তাই বিহ্বলো, বিপন্নও—কিয়নো তাইৰ চুলি মেলা। কেশ সজ্জা কৰিবলৈ তাইৰ

অৱকাশ নাই—মন বা যুক্তিও নাই। চিত্ৰ-ৰূপকৰ লগতে আছে সময়ৰ কথা—অশৰীৰী আঙুলিয়ে জোনটোক আঙুলিয়াই দেখুৱায়—দোষাৰোপ কৰি হয়তো! এতিয়া ৰাতি আৰু জোনৰ পোহৰ হয়তো তাই বিচৰা নাই, আৰু কেৱল তাইৰ কাণতহে পৰা তাইক খেদি ফুৰা শীতল পদশব্দ। তাই ল'ৰাটোক পুতি থ'বলৈ গৈছিল নেকি—ৰাতিখন—ঘৰৰ বাহিৰলৈ—নৈৰ পাৰলৈ? ভালকৈ পোতা হৈছেনে নে আধা পোতাহে হৈছে সাপৰ নিচিনা বাটটোৰ দৰে? সেই নিঃশব্দ পদধ্বনিয়ে তাইক ৰাতিও টোপ-নিতো খেদি নুকুৰিব জানো? জীৱনত এই শব্দৰ পৰা এই দোষী দোষী মনোভাৱৰ পৰা তাইৰ নিস্তাৰ আছে জানো? কিয়নো তাইতো মাত্ৰ মৰি শেষ হৈ যোৱা তৰা এটাৰহে ঈশ্বৰ। হয়তো ল'ৰাটো মৰাই নাই, মাত্ৰ তাক বোবা কৰি পেলোৱা হৈছে।

প্ৰাত্যহিক বাস্তৱতো এনে গীতিধৰ্মিতাৰ সম্ভাৱনাৰ পিছত আমি আহো ভৱেন বৰুৱাৰ গধুৰ মননশীলতালৈ। তেওঁৰ পূৰ্বসূৰী অজিৎ বৰুৱাৰ দৰে ভৱেন বৰুৱায়ো গীতিধৰ্মিতাৰ বিপৰীতে এক গদ্যময় ব্যঞ্জনাতহে বিশ্বাসী যেন লাগে। কিন্তু আমি আলোচনা কৰা কবিতা কেইটিয়েই হয়তো পাঠকক ইতিমধ্যেই পতিয়ন নিয়াইছে যে মননশীলতা আৰু গীতিধৰ্মিতা পৰস্পৰবিৰোধী নহয়। আচলতে অজিৎ বৰুৱা আৰু ভৱেন বৰুৱাৰো বেছি সাৰ্থক সৃষ্টিসমূহে বাস্তৱক গীতিধৰ্মিতাৰে আঁকোৱালি লোৱা দেখা যায়ঃ

কিন্তু এতিয়া
ম'জে মাজে কেৱল সন্দেহ হয়
কিজানি তেওঁ কান্দিব পাৰিছিল?
আৰু সিদিনা
হীৰাৰ দৰে সংযমত
কেৱল উৰ্দ্ধত আছিল

০ ০ ০

যি জাহাজ ভাহে পোহৰত—তাৰ স্বৰ্ণপ্ৰভ
পালৰ পোহৰ
আমাৰ তেজৰ ৰং উচ্ছল কঁপনি তুলি
সূৰ্য্যৰ মুখত।
যি বাজি আনে লৈ সোণালী জাহাজে
সি প্লাৱন-ভূমিৰ
ক্লেদৰ নিৰ্যাস ভৰা শস্যৰাশি! নীলা য'ত
ডুবে সোণালীত?

হীৰেন ভট্টাচাৰ্য্যৰ গীতি-ধৰ্মী প্ৰত্যয় সম্পূৰ্ণ সুকীয়া। স্বাধীনোত্তৰ কালৰ কবিসকলৰ ভিতৰত হয়তো সবাতোকৈ অধিক প্ৰভাৱবিশিষ্ট কবি হীৰেন ভট্টাচাৰ্য্য। নৱকান্ত বৰুৱাৰ পৰীক্ষামূলক চালুকীয়া দুটি কবিতাৰ সহজ আৰু সাৰ্থক পৰিণতি পাওঁ ভট্টাচাৰ্য্যৰ কবি-তাত। প্ৰাত্যহিক বাস্তৱৰ খুটি-নাটি চৰিত্ৰ ডাঙি ধৰোঁতেও শ্ৰীভট্টাচাৰ্য্যৰ কবিতাত ফুটি উঠে এক স্ব-মগ্ন প্ৰত্যয়। তেওঁ ভাষাৰ পৰম্প-ৰাগত অনুষঙ্গ নেওচি গৈ শব্দক নতুন অৰ্থ দিব পাৰে। তেওঁৰ কবিতাৰ প্ৰতিটো শব্দৰে এক অদ্ভূত পশ্চাদভূমি আছে—কেইটামান শব্দেৰেই তেওঁৰ অনুভূত আৰু স্বকীয় বাস্তৱ-সমীক্ষা; যেনে এই কবিতাটিত ঃ

গছবোৰে সামৰি থ'লে সিহঁতৰ গাৰ ছাঁ,
বিৰ দি গুচি গ'ল দিন।
মোৰ চোতাল গৰকি থাকিল এন্ধাৰ, দুখৰ দৰে
অস্পষ্ট অনুত্তেজ ম্লান উদ্যমহীন।

এক ধৰণৰ বিবেকৰ তাড়নাত আসে মতা নতুন চাম প্ৰগতিশীল কবিতকৈ তেওঁৰ কবিতাৰ 'প্ৰগতিশীল' উপাদান বেছি মানৱীয় আৰু প্ৰত্যয়দীপ্ত—তাত ইস্তাহাৰৰ গোন্ধ নাই। অৱনী চক্ৰৱৰ্তীৰ পিছৰ কবিতাখিনিত সম্পূৰ্ণ স্বকীয় এক বচনভঙ্গীৰ বলিষ্ঠতা দেখা যায়। নতুন চামৰ ভিতৰত সমীৰ তাঁতিয়ে অভিনৱ কিছু প্ৰমূল্যৰ আস্বাদ দিছে অসমীয়া ভাষাক। ফলত তেওঁৰ কবিতাৰ উপজীৱ্য কিছু ভিন্ন স্বাদৰ। নতুন প্ৰতিভাৰ ভিতৰত বিনা দ্বিধাই নাম ল'ব পাৰি বিপুলজ্যোতি শইকীয়াৰ। এতিয়াও সম্পূৰ্ণ ঠন ধৰি উঠা নাই যদিও কবীন ফুকনৰ কবিতাৰ শব্দ-চেতনা আকৰ্ষণীয়। এই চুটি নিবন্ধত মই আঙ্গিকৰ ফালৰ পৰা কিছু নতুন অৱদান দিয়া কবি কেইজনমানৰহে নাম উল্লেখ কৰিছোঁ—আনধৰণে উল্লেখযোগ্য বহুত কবিৰ কথা স্বাভাৱিকতে বাদ পৰিছে। +++

"কলা-সাহিত্যৰ শেষ লক্ষ্য বা উদ্দেশ্যৰ (Terminal Value) ধাৰণাটো প্ৰাচীন কালতে উদ্ভাৱন হৈ 'ৰেনেছাঁ'ৰ সময়ছোৱাত গুৰুত্বপূৰ্ণ হৈ পৰিছিল। আৰু এই সময়তে নীতিশিক্ষা প্ৰদানতকৈ (Teaching) আনন্দ প্ৰদানহে (Pleasing) কলা সাহিত্যৰ শেষ লক্ষ্য বুলি গণ্য কৰা হৈছিল। ...কাণ্টে সৌন্দৰ্য্যতত্বৰ (Aestheticism) গুৰুত্ব দৃঢ়তাৰে উত্থাপন কৰি কলা-সাহিত্যক নীতি-নিৰ্দেশক (Didactic) ধাৰণাৰ পৰা পৃথক বৈশিষ্ট্য প্ৰদান কৰিছে।...

অস্কাৰ ৱাইল্ডৰ মতে ৰচনাশৈলী বা প্ৰকাশ ভঙ্গীয়েই সাহিত্যৰ সৰ্বস্ব। ..কিন্তু এই শতিকাৰে এজন বিশিষ্ট ইংৰাজ নাট্যকাৰ জৰ্জ বাৰ্ণাড'শ্বৰ মতাদৰ্শ স্পষ্টভাৱেই 'কলা কৈবল্যবাদ' বিৰোধী আছিল। তেওঁ নিজেই ব্যক্ত কৰিছিল—কেৱল কলাৰ বাবেই কলাৰ খাতিৰত মই এটা বাক্যও নিলিখিলোহেতেন।....কলা সাহিত্যৰ তাত্বিক দিশত টলষ্টয়ৰ ধাৰণা স্পষ্টভাৱে 'সৌন্দৰ্য্যতত্ব বিৰোধী (Antiaesthetic) আছিল। উল্লেখযোগ্য যে টলষ্টয়ৰ আক্ৰমণাত্মক সমালোচনাৰ পৰা বিশিষ্ট কবি, নাট্যকাৰ, চিত্ৰশিল্পী ডাণ্টে, ছেক্সপীয়েৰ, মিল্টন, গেটে, মাইকেল এঞ্জেল,' ৰাফেল, বিথভান আদিৰ কাব্য নাটক আৰু চিত্ৰ শিল্পৰ লগতে নিজৰ উপন্যাস সমূহেও অব্যাহতি পোৱা নাছিল। ...তেওঁ নিজৰ বিষয়েও লিখিছিল—ভ্ৰান্ত প্ৰসূত বিকাৰগ্ৰস্ত ৰুচিবোধৰ ব্যক্তি সকলৰ ভিতৰৰে মইয়ো এজন। ..ছেক্সপীয়েৰৰ বিৰুদ্ধে টলষ্টয়ৰ প্ৰধান অভিযোগ হৈছে—তেওঁৰ নাটক সমূহত সমকালীন সামাজিক প্ৰমূল্যৰ বিকৃত প্ৰতিফলন, সামন্তবাদৰ প্ৰতি শ্ৰদ্ধানুৰাগ আৰু শ্ৰমজীৱী মানুহৰ প্ৰতি উদাসীন মনোভাব। সেইদৰে ব'ডালেয়াৰ, ভাৰলিন, মেটাৰলিঙ্ক আদিৰ কাব্য-সাহিত্য টলষ্টয়ে কঠোৰভাৱে সমালোচনা কৰিছিল।"

—ৰবীন্দ্ৰ চন্দ্ৰ বৰা ("সাহিত্য সমীক্ষা")।

# ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু সমস্যা

উদয়াদিত্য ভৰালী
বুৰঞ্জী বিভাগ

ইতিহাস যিহেতু অতীত ঘটনাৱলীৰ সৈতে জড়িত এটা বৌদ্ধিক শৃংখলা, সেয়েহে ইয়াৰ সৃষ্টি মাথোন সমলৰ ভিত্তিতহে সম্ভৱ। কাৰণ অতীজতে এখন সমাজত কি ঘটিছিল তাক কৰোতাজনৰ বা দেখোঁতাজনৰ মাধ্যমেৰে বেছি ক্ষেত্ৰতেই জনাৰ উপায় নাই। সেয়েহে সকলো সমাজৰ বুৰঞ্জী লিখা হয় ঐতিহাসিক সমলক লৈ। আনহাতেদি এটা ঘটনা ঘটাৰ পাছ-মুহূৰ্ততেই অথবা ঘটি থকাৰ কালত তাক লৈ কৰা ব্যাখ্যাই ঘটনাটোৰ প্ৰকৃত তাৎপৰ্য্যক নেদেখিবও পাৰে। ঘটি থকাৰ সময়ত বিৰাট তাল-আস্ফাল লগোৱা এটা ঘটনাৰ ভৱিষ্যত ফলাফল বিশেষ তাৎপৰ্য্যপূৰ্ণ নহ'বও পাৰে। তাৰ বিপৰীতে, ঘটন কালত সিমান চকুত নপৰা এটা ঘটনাৰ ভৱিষ্যত ফলাফল অতি সুগভীৰ হ'ব পাৰে। এই ক্ষেত্ৰত, দ্বিতীয় ঘটনাটোৱেহে বুৰঞ্জীত অধিক গুৰুত্ব পাব। কাৰণ, এটা ঘটনাৰ গুৰুত্ব নিৰ্ভৰ কৰে তাৰ ফলাফলৰ তাৎপৰ্য্যৰ ওপৰতহে। সেয়েহে বুৰঞ্জীবিদসকলে এটা ঘটনাৰ প্ৰকৃত তাৎপৰ্য্য মূল্যায়ন কৰোতে ঘটনাটো অলপ পুৰণা হ'বলৈ দিয়ে। উদাহৰণ স্বৰূপে অলপতে হৈ যোৱা অসম আন্দোলনটো বৰ্তমানে মূল্যায়ন কৰিবলৈ যিখিনি সুবিধা হৈছে, সেই সুবিধা ই চলি থকা কালত নাছিল। ভৱিষ্যতে এই সুবিধা অধিক বাঢ়িব, কাৰণ দিন যোৱাৰ লগে লগে এই আন্দোলনটোৰ প্ৰকৃত ফলাফলসমূহৰ তাৎপৰ্য্য কিমানদূৰ ইতিবাচক আৰু কিমানদূৰ নেতি-বাচক সি অধিক স্পষ্টতৰ হৈ আহিব।

ঐতিহাসিক সমলসমূহ মূলতঃ দুবিধ— (১) প্ৰাথমিক সমল, (২) সহায়কাৰী সমল। বিবেচনাধীন বিষয়বস্তুৰ সৈতে যিবোৰ সমল প্ৰত্যক্ষভাৱে জড়িত সেই সমলসমূহক গৱেষণাৰ ক্ষেত্ৰত প্ৰাথমিক সমল বুলি কোৱা হয়, যেনে— সেইকালৰ নথি-পত্ৰ, বিষয়বস্তুটোক কেন্দ্ৰ কৰি সেই যুগতেই ৰচনা কৰা বস্তুনিষ্ঠ বিৱৰণ, সেই সময়ৰ শিল্প-কলা, মুদ্ৰা, লিপি অথবা আন স্মৃতিচিহ্ন ইত্যাদি। আনহাতেদি বিবেচনাধীন বিষয়বস্তুৰ লগত যিবোৰ সমলৰ পৰোক্ষ যোগ-সূত্ৰহে আছে, তেনে সমলক গৱেষকসকলে সহায়কাৰী সমল বুলি কয়, যেনে কিংবদন্তী, প্ৰকৃত সত্যক অস্পষ্ট কৰি তোলা অলংকৃত কাহিনী, আন কিবা বিৱৰণত আলোচ্য বিষয়-বস্তুৰ বিষয়ে কোৱা অস্পষ্ট উল্লেখ, পাছৰ যুগত বিষয়বস্তুটোৰ বিষয়ে কোনোবাই দিয়া আনুমানিক অথবা পক্ষপাতদুষ্ট ব্যাখ্যা অথবা বিৱৰণ ইত্যাদি।

ইতিহাস ৰচনাৰ ক্ষেত্ৰত এই দুবিধ সমলৰ ভিতৰত প্ৰথম বিধৰ গুৰুত্ব অধিক। যি ইতিহাস মূলতঃ প্ৰথমবিধ সমলৰ ভিত্তিত লিখা হৈছে সেই বুৰঞ্জী অধিক বস্তুনিষ্ঠ। প্ৰথমবিধ সমলৰ প্ৰাচুৰ্য্য যি সমাজতেই বেছি, সেই সমাজৰ ইতিহাস ৰচনা সিমান সুচল। যিখন সমাজৰ ৰচিত ইতিহাস অধিক বস্তুনিষ্ঠ সেই সমাজখনেই নিজ অতীত সম্পৰ্কে অধিক স্পষ্টতৰভাৱে সচেতন।

অতীত সম্পৰ্কে সচেতন হোৱা কিয় প্ৰয়োজনীয়? যি ঘটিছিল সি ঘটিলেই, তাক লৈ চিন্তা-চৰ্চা কৰাটো ওপৰে ওপৰে চালে গুৰুত্বপূৰ্ণ যেন নালাগে। কিন্তু গভীৰভাৱে লক্ষ্য কৰিলে দেখা যায় যে এনে অধ্যয়নৰ বিশেষ গুৰুত্ব আছে। দুটা দিশৰ পৰা আমি অতীত সম্পৰ্কে সজাগ হোৱা উচিত।

প্ৰথম দিশটো হ'ল—প্ৰতিটো একে চৰিত্ৰৰ কাৰণৰ ফলাফল সদায় একেই। ই এক বৈজ্ঞানিক সত্য। অতীতত এখন সমাজত কোনবোৰ কাৰণে দেখা দিয়াৰ ফলত কেনেধৰণৰ ফলাফলসমূহে দেখা দিছিল তাক আমি অতীতৰ বিজ্ঞানসন্মত অধ্যয়নেৰে জানিব পাৰো। যেনে, ইতিমধ্যে যিবোৰ সমাজত জাতীয়তাবাদ বিজয়ী হৈছে, সেই সমাজৰ বুৰঞ্জী পঢ়িলে আমি গম পাওঁ কোনবোৰ শক্তিয়ে এখন সমাজত জাতীয়তাবাদ ঠন ধৰি উঠাত সহায় কৰে। সেই উপাদানসমূহ সঠিক-ভাৱে চিনাক্ত কৰিব পাৰিলে আমি গম পাম ভৱিষ্যতে কোনবোৰ সমাজত জাতীয়তাবাদ ঠন ধৰি উঠিব। ঠিক তেনেদৰেই অতীতৰ যিবোৰ শুভ-শক্তিয়ে একোটা জাতিক সুষ্ঠ জাতীয় চিন্তাৰে মহীয়ান কৰিছিল, ভৱিষ্যতেও সেই শক্তিবোৰেই নতুনকৈ উঠি অহা আন এটা জাতিৰ জাতীয়তাবাদক মহীয়ান কৰিব। তাৰ বিপৰীতে, যিবোৰ অশুভ শক্তিয়ে এখন সমা-জত অতীজতে জাতীয়তাবাদক বৰ্বৰ উগ্ৰ জাতীয়তাবাদলৈ অধঃপতিত কৰিছিল সেই একেবোৰ অসুস্থ ফেচীবাদী (Fascist) উপা-দানে নতুনকৈ উঠি অহা আন এটা জাতীয়তা-বাদী শক্তিক সেই জাতীয় বিপৰ্য্যয়ৰ গহ্বৰলৈ সদায় ঠেলি নিব। অতীতৰ বস্তুনিষ্ঠ অধ্যয়নৰ পৰা লোৱা শিক্ষাই নতুনকৈ উঠি অহা জাতীয় নেতৃত্বক কি কৰা উচিত আৰু কি কৰা অনুচিত তাৰ সঠিক সংকেত দিয়ে। নতুন নেতৃত্বই এই শিক্ষা ল'বনে নলয় সি সম্পূৰ্ণ নিৰ্ভৰ কৰে নেতৃত্বৰ বস্তুনিষ্ঠ ঐতিহাসিক জ্ঞান আহৰণ আৰু ক্ষুদ্ৰ ব্যক্তিগত স্বাৰ্থক পৰিহাৰ কৰি বৃহৎ জাতীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ ওপৰত। অতীত সম্পৰ্কে সচেতন হোৱাৰ প্ৰয়োজনীয়তাৰ ই এটা বিশেষ দিশ।

একে চৰিত্ৰৰ কাৰণৰ ফলাফল সদায় একে বাবেই কোৱা হয়—"History Repeats Itself"। ইয়াৰ অৰ্থ এইটো নহয় যে ১২১২ চনত যি ঘটিছিল ২৪২৪ চনত সেইটোৱে ঘটিব। ইয়াৰ অৰ্থ এইটোহে যে যিবোৰ কাৰণৰ ফলত প্ৰথম বিশ্বযুদ্ধ লাগিছিল, সেই চৰিত্ৰৰ কাৰণ-বোৰে পুনৰ দেখা দিয়াৰ বাবে দ্বিতীয় বিশ্ব-যুদ্ধও লাগিছিল আৰু সেই চৰিত্ৰৰ কাৰণবোৰে যদি পুনৰ দেখা দিয়ে, তেন্তে তৃতীয় বিশ্বযুদ্ধ লগাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। অৰ্থাৎ, প্ৰথম বিশ্বযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধৰ কাৰণসমূহৰ অধ্যয়নৰ মাধ্যমেৰে আমি তৃতীয় বিশ্বযুদ্ধৰ সম্ভাৱনাৰ বিষয়ে আগতীয়াকৈ সজাগ হ'ব পাৰো আৰু তাক বাধা দিব পাৰো। ইতিহাস অধ্যয়নৰ গুৰুত্ব সেইখিনিতেই।

এইখিনিতে আমি জনা ভাল যে একোটা কাৰণ যেতিয়া আমাৰ দৃষ্টিগোচৰ হয়, তেতিয়া তাৰ বাহ্যিক স্বৰূপটোহে আমাৰ চকুত পৰে। কিন্তু আমি তাৰ বাহ্যিক স্বৰূপটো বিবেচনা কৰিলে নহ'ব। প্ৰকৃত সাৰমৰ্মৰ চৰিত্ৰটোহে বিচাৰি উলিয়াব লাগিব। কাৰণ, একেটা ঘট-নাৰ বাহ্যিক স্বৰূপটো স্থান বিশেষে একে নহ'বও পাৰে। যেনে, শিল্প বিপ্লৱ আৰম্ভ হোৱাৰ পাছত ইংলণ্ডৰ সমাজে যি বাহ্যিক

ৰূপ লৈছিল সেই বাহ্যিক ৰূপ শিল্প বিপ্লৱ আৰম্ভ হোৱাৰ পাছত জাপানত বেলেগ আছিল। কিন্তু সাৰমৰ্মত দুয়োখন সমাজব্যৱস্থাৰ চৰিত্ৰ একেই। ৰাজহাড়ত দুখ পাই কাৰোবাৰ হাতৰ আঙুলি অকৰা হ'ব পাৰে, কাৰোবাৰ ভৰিৰ আঙুলিও অকৰা হ'ব পাৰে। বাহ্যিক লক্ষণ দুটা বেলেগ বেলেগ হ'লেও সাৰমৰ্মৰ কাৰণ একেটাই। লক্ষণকে কাৰণ বুলি ভাবিলে আমি কাৰণৰ সন্ধান কেতিয়াও নাপাম।

ওপৰৰ আলোচনাৰ পৰা আমি বুজা উচিত যে ইতিহাস অধ্যয়ন মানে মৃত অতীতৰ নিষ্প্ৰাণ অথবা আবেগিক ৰোমন্থন নহয়। ইতিহাস অধ্যয়নৰ দ্বাৰা আমি বৰ্তমানৰ আলোকেৰে অতীতক ফঁহিয়াই চাবলৈ যত্ন কৰো যাতে আমি বৰ্তমানক বেছি ভালকৈ বুজি পাওঁ আৰু ভৱিষ্যত সম্পৰ্কে শুদ্ধ ধাৰণা ল'ব পাৰো।

ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তাৰ দ্বিতীয় দিশটো প্ৰথমটোৰ পৰিপূৰক। আমাৰ আজিৰ বাস্তৱ এক অসংযোজিত কাহিনীকাল নহয়। ইয়াৰ এক অতীত আছিল আৰু আছে ভৱিষ্যত। আজি কিবা এটা কৰিব খুজিলে ক'ৰ পৰা আমি আৰম্ভ কৰিম আৰু কলৈ যাম সি সুনিৰ্দিষ্ট হ'বই লাগিব। নহ'লে সেই কামত কেনা লাগিবই। আমি ক'ৰ পৰা আৰম্ভ কৰিম তাক জানিবলৈ হ'লে আমি কোন স্তৰত ইতিমধ্যে উপনীত হৈছো সেয়া জানিবই লাগিব। আমি একমাত্ৰ অতীতৰ বস্তুনিষ্ঠ অধ্যয়নৰ মাধ্যমেৰেহে আমাৰ বৰ্তমান স্থিতি সম্পৰ্কে সজাগ হ'ব পাৰো। যেনে, আমি আজি অসমীয়া জাতিৰ উন্নতিৰ কথা সঘনাই আলোচনা কৰিছোঁ। কিন্তু সমাজ বিবৰ্তনৰ প্ৰক্ৰিয়াত অসমীয়া জাতি বৰ্তমানে কি স্তৰত উপনীত হৈছে তাক নজনাকৈয়ে আমি উন্নতিৰ পৰিকল্পনা ক'ৰ পৰা আৰম্ভ কৰিম তাক বিজ্ঞানসন্মতভাৱে থিৰাং কৰা সম্ভৱ নহয়। আনুমানিক ধাৰণাৰ ভিত্তিত লোৱা পৰিকল্পনা লক্ষ্যহীন হোৱাৰ সম্ভাৱনাই সৰহ। ইতিমধ্যে বিদ্যালয়ৰ দেওনা পাৰ হোৱা এজনক পুনৰ অ, আ শিকাবলৈ গ'লে তেওঁৰ উন্নতিতকৈ অৱনতিহে হ'ব। আনহাতেদি তেওঁক পোনছাটেই স্নাতকোত্তৰ শ্ৰেণীত নাম ভৰ্তি কৰোৱালে হিত বিপৰীত হ'বলৈ বাধ্য। এজন ব্যক্তিৰ ক্ষেত্ৰত এই কথা যেনেকৈ খাটে, এখন সমাজৰ ক্ষেত্ৰতো খাটে। অৱশ্যে ব্যক্তি এজনৰ বিষয়ে বুজিবলৈ যিমান সহজ, সমাজ এখনৰ বিষয়ে বুজা সিমান সহজ নহয়। ইয়াৰ বাবে প্ৰয়োজন ইতিহাসৰ কঠোৰ অধ্যয়ন।

দুটা উদাহৰণেৰে আমি এই দিশটো বিবেচনা কৰি চাব খোজোঁ। বৰ্তমানৰ এটা সামাজিক সমস্যা সমাধান কৰিবলৈ যাওঁতে ইয়াৰ অতীত সম্পৰ্কে বিশ্লেষণ কৰা কিমান প্ৰয়োজনীয় সেই কথা উপলব্ধি কৰিবলৈ আমি এক দৃষ্টান্তৰ সহায় ল'ব পাৰো---এজন ৰোগী কোনো এক চিকিৎসকৰ ওচৰলৈ ৰোগ নিৰাময়ৰ বাবে গ'লে চিকিৎসকে প্ৰথমে ৰোগৰ কাৰণ নিৰ্ণয় কৰিবলৈ লক্ষণৰ অতীত সম্পৰ্কে জানিব খোজে। এজন ৰোগীৰ বেমাৰটোৰ বুৰঞ্জী (Case history) নজনাকৈ ৰোগ নিৰাময়ৰ উপায় অৱলম্বন সম্ভৱ নহয়। ঠিক তেনেকৈয়ে আজিৰ বাস্তৱ সমস্যা এটা সমাধান কৰিবলে যাওঁতে সমস্যাটোৰ অতীতৰ আঁতিগুৰি নাজানিলে তাৰ বিজ্ঞানসন্মত সমাধান বিচাৰি পোৱা সম্ভৱ নহয়। এই আঁতি-গুৰি একমাত্ৰ ইতিহাস অধ্যয়নৰ মাধ্যমেৰেহে জানিব পাৰি। আমি ক'ব পৰা আৰম্ভ কৰিম---এই সমস্যাৰ ক্ষেত্ৰতো আন এটা উদাহৰণ দিয়া যায়। আজি আমাৰ বহুতৰে মাজত এটা ভ্ৰান্ত ধাৰণা আছে যে অসমীয়া ভাষা-সংস্কৃতি তাতোকৈ উন্নততৰ সংস্কৃতিৰ গৰাহত পৰি জাহ যাব পাৰে। ই আমাৰ ভুল ঐতিহাসিক মূল্যায়নৰ ফল। ভাষা-সংস্কৃতিৰ দুটা দিশ আছে---ভেঁটি (Base) আৰু উপৰিসৌধ (Super structure)। ভাষা এটোটাৰ ভেঁটি গঠন হয়---ব্যাকৰণ, শব্দ-সম্ভাৰ, শব্দ প্ৰয়োগ আদিৰ দ্বাৰা। বৰ্তমান পৃথিৱীৰ সকলো উন্নত ভাষাৰ সৈতেই ভেঁটিৰ ক্ষেত্ৰত অসমীয়া ভাষাই একাষৰ পৰা চাবলৈ গ'লে ফেৰ মাৰিব পাৰে। পৃথিৱীৰ এনে কোনো গ্ৰন্থ নাই যাক অসমীয়া ভাষালৈ অনুবাদ কৰিব নোৱাৰি। যাৰ বিপৰীত অৰ্থ হ'ল পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থখন অসমীয়া ভাষাত ৰচনা কৰাও সম্ভৱ। সেই কথাটো তেনেই অনুন্নত এটা ভাষাৰ ক্ষেত্ৰত প্ৰযোজ্য নিশ্চয় নহ'ব। কিন্তু পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থখন অসমীয়া ভাষাত ৰচিত হ'বনে নহয় সি সম্পূৰ্ণ নিৰ্ভৰ কৰে আমাৰ নিজৰ বৌদ্ধিক প্ৰচেষ্টাৰ ওপৰত। অৰ্থাৎ এই প্ৰশ্নটো সম্পূৰ্ণৰূপে উপৰিসৌধৰ প্ৰশ্ন, আৰু উপৰিসৌধৰ সংৰক্ষণ তথা পৰিবৰ্দ্ধন সম্পূৰ্ণ নিৰ্ভৰ কৰে একোটা জাতিৰ ৰচকসকলৰ নিজ প্ৰচেষ্টাৰ ওপৰত। আন বহু জাতিয়ে অসমীয়া ভাষাৰ ভেঁটিৰ দৰে ভেঁটি এটা লৈয়েই নিজ প্ৰচেষ্টাৰে এক বিশাল উপৰিসৌধৰ সৃষ্টি কৰিছে, আৰু আমি প্ৰয়োজনীয় নিজ প্ৰচেষ্টাৰ অভাৱত তাক গঢ়িব পৰা নাই। এই সাধাৰণ সত্যটোকে আমি ইতিহাসৰ বস্তুনিষ্ঠ মূল্যায়ন নকৰা বাবে সম্পূৰ্ণৰূপে উপলব্ধি কৰিব পৰা নাই। ফলত আমি ক'ৰ পৰা আৰম্ভ কৰিম তাত যেন কেনা লাগিছে, আৰু আমাৰ নিজ দুৰ্বলতাৰ বাবে আনক জগৰীয়া কৰি আত্মতুষ্টি লভি আছোঁ।

ইতিহাস হ'ল আমাৰ পূৰ্বপুৰুষসকলৰ জীৱনৰ অভিজ্ঞতাৰ সাৰ-সংকলন। অভিজ্ঞতা অবিহনে কোনো কামেই নিয়াৰিকৈ কৰা নাযায়। অভিজ্ঞতা সদায়েই অতীততহে নিহিত হৈ থাকে। এই সাৰ-সংকলনৰ অধ্যয়নে এফালেদি যেনেকৈ আমাক দুৰ্লভ অভিজ্ঞতাৰ সৈতে চিনাকি কৰি দিয়ে ঠিক তেনেকৈয়ে ই আমাক দিয়ে বিৰল প্ৰেৰণা। সেয়েহে ইতিহাসক জ্ঞানৰ অফুৰন্ত ভঁৰাল বুলি কোৱা হয়। ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তাৰ ই এটা বিশেষ দিশ।

ইতিহাস ৰচনাৰ ক্ষেত্ৰত সাধাৰণতে দুটা ধাৰা দেখা যায়। এটা ধাৰাই শাসক শ্ৰেণীৰ কৰ্মকাণ্ডক প্ৰাধান্য দিয়ে। আনটো ধাৰাই প্ৰাধান্য দিয়ে সেই যুগৰ ৰাইজৰ জীয়া কাহিনীক। সামাজিক মূল্যৰ দৃষ্টিৰে দ্বিতীয় ধাৰাটো অধিক মূল্যবান। কিন্তু দ্বিতীয় ধাৰাৰ সাঁচত ইতিহাস ৰচনা কৰাটো অধিক কষ্টসাধ্য। ইয়াৰ প্ৰধান কাৰণ হ'ল সমাজৰ সুবিধাভোগী শ্ৰেণীটোক কেন্দ্ৰ কৰিয়েই ঐতিহাসিক সমল সমূহৰ অধিকাংশ গঢ় লৈছে, আৰু এই সমলসমূহৰ বেছিখিনি ৰচকো সেই শ্ৰেণীটোৰ। সভ্যতাৰ স্ৰষ্টা খাটি খোৱা জনৰ বিষয়ে খুব কম উল্লেখহে সমলসমূহত প্ৰত্যক্ষভাৱে পোৱা যায়। সেয়েহে তেওঁলোকক অগ্ৰাধিকাৰ দি ইতিহাস ৰচনা কৰিব খুজিলে ৰচকসকলে বহু বেছি কষ্টকৰ গৱেষণাত ডুব মাৰিব লগা হয়। আনহাতেদি বেছি ক্ষেত্ৰতেই ৰচকসকল নিজেই সুবিধাভোগী শ্ৰেণীৰ দৃষ্টিভংগীসম্পন্ন লোক হোৱা বাবে সাধাৰণ ৰাইজক নিজ ৰচনাৰ বিষয়বস্তু কৰিব নোখোজে। ৰাইজৰ জীৱন্ত কাহিনী বহুক্ষেত্ৰত ৰচকৰ নিজৰেই শ্ৰেণীস্বাৰ্থৰ বিৰুদ্ধে যায়। তেনে সংঘাত আহিলে ৰচকে এই বিষয়ত পক্ষপাতদুষ্ট নীৰৱতা অৱলম্বন কৰা অথবা ভ্ৰান্তিকৰ ব্যাখ্যা দিয়া সঘনাই চকুত পৰে।

হওঁতে ইও সঁচা যে তথ্যৰ কোনো পক্ষ নাই বা থাকিব নোৱাৰে। যি ঘটিছিল সি ঘটিছিলেই। কোনো গৱেষকৰ ব্যাখ্যাই ঘটাটোক নঘটা আৰু নঘটাটোক ঘটা কৰিব নোৱাৰে। ইতিহাস যিহেতু অতীত ঘটনাৱলীৰ সঁচা বিৱৰণ, এতেকে ইয়াত পক্ষপাতিত্বৰ স্থান দেখাত নাই। কিন্তু সমস্যা সেইখিনিতেই। কাৰণ ইতিহাসৰ কাহিনী যিহেতু জড় পদাৰ্থৰ নিষ্প্ৰাণ বিৱৰণ নহয়, জীয়া মানুহৰ জীয়া

কাহিনীহে, এতেকে ব্যাখ্যাৰ প্ৰশ্ন আহি পৰে। মানুহে কিবা এটা কৰিলে কামটোহে আমি দেখা পাওঁ, কি ভাবি কৰিলে তাক আমি নেদেখো। কিন্তু কামটো যিহেতু ভাবনা (Thought) আৰু কৰ্ম (Action) দুয়োটা মিলিহে হৈছে এতেকে কামটো বুজিবলৈ হ'লে ভাবনাখিনিকো বুজিবলৈ চেষ্টা কৰিব লাগিব। লগে লগে আহি পৰিব ব্যাখ্যাৰ প্ৰশ্ন। ভিন ভিন জনে একেটা বস্তুৰ ব্যাখ্যাকেই নিজ দৃষ্টিভংগী অনুযায়ী বিভিন্ন ধৰণে কৰে। ব্যাখ্যাক গঢ় দিয়ে বিশ্ব দৃষ্টিভংগীয়ে আৰু বিশ্ব দৃষ্টিভংগীয়ে গঢ় লয় শ্ৰেণী অৱস্থানৰ সাঁচত। ফলত একেটা ঘটনাই ভিন ভিন জনৰ চকুত বিভিন্ন ৰূপেৰে দেখা দিয়ে। সেয়েহে একেটা ঐতিহাসিক ঘটনাৰ ব্যাখ্যা একে নহ'বও পাৰে। ১৮৫৭ চনৰ ভাৰতত ঘটা ঘটনাক কিছুৱে ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম বুলি আখ্যা দিয়ে আৰু কিছুমানে আকৌ এই ঘটনাক ঠেক পৰিসৰৰ চিপাহী বিদ্ৰোহ বুলিহে ক'ব খোজে। অসমৰ বিগত আন্দোলনক এচামে যেনেকৈ অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ শেষ সংগ্ৰাম আখ্যা দিছিল, আন এচামে তাক অসমীয়া শাসকবৰ্গই জাত্যাভিমানেৰে গঢ়ি তোলা নিজ আধিপত্য ৰক্ষাৰ যুঁজ বুলিও কৈছিল। ব্যাখ্যা হওঁতে যিয়েই নহওঁক, সত্য পিছে সত্যই। ইতিহাস ৰচনাৰ ক্ষেত্ৰত ব্যাখ্যা যিমানেই সত্যৰ ওচৰ চাপে, সি সিমানেই বস্তুনিষ্ঠ হয় আৰু তাৰ সামাজিক মূল্য সিমানেই বাঢ়ে। আমাৰ বৰ্তমানক বুজাত যি ঐতিহাসিক ব্যাখ্যাই অধিক সহায় কৰে সেই সৃষ্টিয়েই অধিক সফল।

ইতিহাস ৰচনাৰ ক্ষেত্ৰত আন দুটা ধাৰাও আমি দেখা পাওঁ। এটা ধাৰাই ঘটনাৰ আক্ষৰিক বিৱৰণ দিবলৈ যায়। আনটো ধাৰাই এই বিৱৰণৰ লগতে বিবেচিত ঘটনাৱলীৰ বিজ্ঞানসন্মত মূল্যায়ন কৰিবলৈকো চেষ্টা কৰে। সামাজিক মূল্যৰ দৃষ্টিকোণৰ পৰা দ্বিতীয় ধাৰাৰ ৰচনা অধিক তাৎপৰ্য্যপূৰ্ণ। হওঁতে এই ধাৰাৰ ৰচনা যথেষ্ট জটিল। হেৰ'ডটাছ আৰু থুকিডাইডিছ এই দুজন প্ৰাচীন গ্ৰীচৰ বুৰঞ্জীবিদে যদিও প্ৰাচীন গ্ৰীচৰ কাহিনীকে লৈ ইতিহাস ৰচনা কৰিছিল আৰু দুয়োৰে মাজত বয়সৰ পাৰ্থক্যও কিছু বছৰৰহে আছিল, তথাপিও হেৰ'ডটাছ আৰু থুকিডাইডিছৰ লিখনিৰ পাৰ্থক্য আছিল কেইবাটাও শতাব্দীৰ। প্ৰথমজনা আছিল প্ৰথমটো ধাৰাৰ কাহিনীকাৰ আৰু দ্বিতীয়জনা আছিল দ্বিতীয়টো ধাৰাৰ বুৰঞ্জীবিদ।

আমি আগতেই কৈছোঁ সহায়কাৰী সমলতকৈ প্ৰাথমিক সমলৰ ভূমিকা ইতিহাস ৰচনাত অধিক গুৰুত্বপূৰ্ণ। প্ৰাথমিক সমলৰ অভাৱ এখন সমাজৰ বাবে এক ঐতিহাসিক দুৰ্বলতা। কাৰণ সহায়কাৰী সমলসমূহ বেছিক্ষেত্ৰতেই অনুমানভিত্তিক। ফলত এনে সমলৰ ভিত্তিত ৰচিত ইতিহাসো আনুমানিকহে, য'ত আনুমানিক ব্যাখ্যাৰ স্থলো যথেষ্ট প্ৰশস্ত। প্ৰাচীন অসমৰ বুৰঞ্জী ৰচনা কৰোতে এই সমস্যাটো খুব ভালকৈ উপলব্ধি কৰিব পাৰি। প্ৰাথমিক সমলৰ অভাৱৰ বাবে সহায়কাৰী সমলৰ আনুমানিক ব্যাখ্যাৰ ওপৰতে আমাৰ প্ৰাচীন ইতিহাস ৰচনা কৰিব লগা হৈছে। ফলত দুটা সমস্যাই দেখা দিছে—প্ৰথম সমস্যাটো হ'ল আমাৰ সুদূৰ অতীত সম্পৰ্কে আমাৰ ধাৰণা যিমান স্পষ্ট হ'ব লাগিছিল সি তেনে নহৈ এটা অস্পষ্ট অনুমানহে হৈ আছে। প্ৰাচীন অসমৰ বুৰঞ্জী কিংবদন্তিৰ সংকলন নে বাস্তৱ ঘটনাৰ প্ৰতিলিপি তাক বুজা বহু সময়ত কঠিন হৈ পৰে। ফলত সেই অধ্যনয়ৰ জ্ঞানখিনিক বৰ্তমানৰ বাস্তৱক বুজিবলৈ প্ৰয়োগ কৰাটো বৰ পাকলগা হৈ পৰিছে। আনহাতেদি প্ৰকৃত ঘটনাৰ ছবিখন যথেষ্ট অস্পষ্ট বাবে ই বুৰঞ্জীবিদসকলৰ আনুমানিক ব্যাখ্যাৰ ওপৰত যথেষ্ট নিৰ্ভৰশীল। নিজ দৃষ্টিভংগী অনুযায়ী ব্যাখ্যাত তাৰতম্য দেখা দিয়াৰ ফলত সেই অতীতক সঠিকভাৱে বুজাটো যথেষ্ট জটিল হৈ পৰিছে। সাধাৰণজনে যিহেতু এনে বৌদ্ধিক জটিলতাত সোমাব নোখোজে বা নোৱাৰে, সেয়েহে তেওঁলোকৰ বাবে সেই কালছোৱাৰ সৈতে আজিৰ বাস্তৱৰ বিশেষ যোগসূত্ৰ নথকাৰ দৰে। কিন্তু সত্য আচলতে এনে নহয়। কাৰণ সেই অতীতেই বহু পৰিমাণে সৃষ্টি কৰিছে আজিৰ বৰ্তমানক।

আমি নিজ অতীত সম্পৰ্কে স্পষ্ট ধাৰণা লোৱাটো কিমান কঠিন তাক প্ৰাচীন অসমৰ বুৰঞ্জী মেলিলেই ধৰিব পাৰো। প্ৰাচীন অসমৰ বুৰঞ্জী আৰম্ভ হৈছে নৰকাসুৰ, ভগদত্ত, ভীষ্মক, বাণাসুৰ আদি দানৱ আৰু অসুৰবংশী ৰজা সকলেৰে। কিন্তু নৰকাসুৰ, ভগদত্ত, ভীষ্মক অথবা বাণৰ কাহিনীসমূহ এনেদৰে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিয়া হয়, যাৰ দ্বাৰা বৰ্তমান অসমৰ সমাজ-জীৱনৰ সৈতে এই কাহিনীবোৰৰনো কি সম্পৰ্ক আছিল তাক ধৰা টান হৈ পৰে। ফলত ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ পৰীক্ষাত আহিব পৰা প্ৰশ্ন হিচাপে সাধু কথাৰ লেখীয়াকৈ পঢ়ে। খুব বেছি অসমীয়া জাতীয় সত্তাক সুৰসুৰনি দিবৰ বাবে 'বাণ-ভগদত্তৰ বংশধৰ' আদি উক্তি দিয়া হয়। এনে ধৰণৰ অধ্যয়নে আজিৰ অসমৰ সমাজক বুজাত কোনো ধৰণৰ সহায়ো কৰিব নোৱাৰে।

অথচ নৰকাসুৰ-বাণ-ভগদত্তৰ কাহিনী মূলতঃ অসমত আৰ্য্যীকৰণৰ প্ৰক্ৰিয়াৰ সৈতে জড়িত। ই মন কৰিবলগীয়া কথা যে এই সকলোবোৰ ৰজা-মহাৰজাই দানৱ বা অসুৰ-বংশীয়। অৰ্থাৎ অনাৰ্য্য মূলৰ। কোনো আৰ্য্য মূলৰ দানৱ অথবা অসুৰৰ উদাহৰণ কোনো কাব্যত সাধাৰণতে পোৱা নাযায়। অথচ সাংস্কৃতিক দিশত এওঁলোক আৰ্য্য প্ৰভাৱেৰে আবৃত। অৰ্থাৎ এই কাহিনীসমূহ অনাৰ্য্য মূলৰ বাসিন্দাৰ বাসভূমি প্ৰাচীন অসমত অনাৰ্য্য আৰু আৰ্য্য সাংস্কৃতিক জীৱনৰ যি দ্বন্দ্ব আৰু লগতে আৰ্য্য প্ৰভাৱৰ আধিপত্যৰ সৈতে অনাৰ্য্যৰ যি সংহতি আৰু বিৰোধ তাৰেই প্ৰতিফলন। ই মন কৰিবলগীয়া কথা যে এফালেদি স্বয়ং ভূমিদেৱী নৰকাসুৰৰ মাতৃ (যাৰ অৰ্থ স্থানীয়/ভূমিপুত্ৰ হ'ব পাৰে), আনফালেদি হিন্দু সভ্যতাৰ শ্ৰেষ্ঠ প্ৰতীক স্বয়ং বিষ্ণু তেওঁৰ পিতৃ। নৰক শব্দৰ অৰ্থও হ'ল মূৰ বা শিৰ (জীৱৰ শ্ৰেষ্ঠ অংগ)। আৰ্য্য সভ্যতাৰ সংস্পৰ্শই অনাৰ্য্যক কেনেকৈ জীৱশ্ৰেষ্ঠলৈ ৰূপান্তৰিত কৰিছিল তাৰো পৰোক্ষ ইংগিত উপাখ্যানটোৱে বহন কৰা যেন লাগে। আনহাতেদি বাণাসুৰ আছিল সেইজন শিৱৰ ভক্ত, যিজন অনাৰ্য্য সমাজৰ সবাতোকৈ প্ৰিয় দেৱতা। বাণাসুৰৰ সংস্পৰ্শই বোলে নৰকাসুৰৰ সাংস্কৃতিক অধঃপতনৰ কাৰণ, যাৰ ফলতেই দেৱশ্ৰেষ্ঠ আৰ্য্যৰ প্ৰতীক শ্ৰীকৃষ্ণই তেওঁক বধ কৰি সমাজত পুনৰ ধৰ্মক প্ৰতিষ্ঠা কৰে, অৰ্থাৎ আৰ্য্যীয় ব্যৱস্থাক বাহাল ৰাখে। বাণ আৰু কৃষ্ণৰ যুদ্ধত স্বয়ং মহাদেৱৰ পৰাজয়ে আৰ্য্য-প্ৰভাৱৰ শ্ৰেষ্ঠতাকে সূচায় বুলিব পাৰি। ঠিক তেনেদৰে ভগদত্তই আৰ্য্য শ্ৰেষ্ঠতাৰ পক্ষ পাণ্ডৱৰ সলনি কৌৰৱ পক্ষত যোগ দিয়াৰ কাৰ্য্যক এই অঞ্চলৰ আৰ্য্য- অনাৰ্য্য দ্বন্দ্বৰ প্ৰতিফলন বুলি ব্যাখ্যা কৰা যায়। আনকি বজ্ৰদত্তয়ো যুধিষ্ঠিৰৰ অশ্বমেধৰ ঘোঁৰা আটক কৰি এই দ্বন্দ্ব জীৱন্ত কৰি ৰখা যেন লাগে।

এনেধৰণৰ ব্যাখ্যাই অসমৰ বৰ্তমান সমাজখন কি এক জটিল প্ৰক্ৰিয়াৰে আৰ্য্যীকৰণৰ অংগীভূত হৈছিল তাক জনাত নিশ্চয় সহায় কৰিব আৰু এই ধাৰণাবোৰ স্পষ্ট হ'লে আজিৰ অসমৰ জটিল সামাজিক পৰিস্থিতিক আমি নিশ্চয় অধিক স্পষ্টতাৰে বুজিলোহেঁতেন। কিন্তু য'ত সকলো বৌদ্ধিক কৰ্ম-কাণ্ডক নিয়ন্ত্ৰণ কৰে বিশিষ্ট গোষ্ঠীস্বাৰ্থই, তাত যুক্তিক আবেগৰ ওপৰত স্থান দি মেকুৰীৰ ডিঙিত টিলিঙা আৰিব কোনে? ফলত অসমত ইতিহাস অধ্যয়নৰ প্ৰকৃত প্ৰয়োজনীয়তা সম্পৰ্কে যি জনসচেতনতাৰ দৰকাৰ, সি এতিয়াও পুতৌ লগাকৈ সীমিত। স্বাৰ্থজড়িত আবেগিক অতীত ৰোমন্থনেই এতিয়াও ইতিহাস অধ্যয়নৰ স্থান দখল কৰি আছে আৰু ইয়াৰ অনিবাৰ্য্য ফলাফল জাতীয় দুৰ্ভোগৰ বাদে আন একো নহয়।***

# ভাৰতীয় সংগীতৰ ইতিহাস

**সঞ্জয় কুমাৰ শইকীয়া**
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা)।

[বিশ্বৰ সংগীত ইতিহাসত ভাৰতীয় সংগীতৰ এখন সুকীয়া আসন আছে। ইয়াৰ প্ৰাচীনত্ব সম্পৰ্কে আজিও পণ্ডিতসকল একমত নহয়। প্ৰবন্ধটোৰ যোগেদি প্ৰাক্ বৈদিক যুগৰ পৰা আৰম্ভ কৰি মুছলমানসকলৰ আগমনৰ সময়লৈকে ভাৰতীয় সংগীতৰ ক্ৰমবিকাশ সম্বন্ধে সম্যক আলোচনা আগবঢ়োৱা হৈছে।]

"গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীতমুচ্যতে।"
—সংগীত ৰত্নকাৰ।

গীত, বাদ্য আৰু নৃত্য এই তিনিওবিধৰ সম্মিলিত ৰূপেই হ'ল সংগীত। ভাৰতবৰ্ষত সংগীতৰ চৰ্চা অতি প্ৰাচীন। সংগীতৰ সৃষ্টিৰ সম্পৰ্কত নানা আখ্যান, কিংবদন্তী আদি ভাৰতত প্ৰচলিত আছে যদিও সেইবোৰ কোনো ঐতিহাসিক তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। উদাহৰণস্বৰূপে, বহু লোকৰ মতে সংগীতৰ উৎস ব্ৰহ্ম। শিৱই ব্ৰহ্মাৰ পৰা, সৰস্বতীয়ে শিৱৰ পৰা আৰু নাৰদে সৰস্বতীৰ পৰা সংগীত শিক্ষা গ্ৰহণ কৰে আৰু সৰ্বশেষত নাৰদে এই শিক্ষা গন্ধৰ্ব, কিন্নৰ আৰু অপ্সৰাসকলক প্ৰদান কৰে। নাৰদ, ভৰত আৰু হনুমানৰ যোগেদি হেনো এইবিধ বিদ্যা মৰ্ত্যত প্ৰচলিত হয়। আন একশ্ৰেণী লোকৰ মতে শিৱই পাৰ্বতীৰ শয়ন মুদ্ৰাৰ সুন্দৰ ৰূপত মোহিত হৈ ৰূদ্ৰ-বীণা তৈয়াৰ কৰে আৰু তাৰ লগে লগে পাঁচোটি ৰাগৰো সৃষ্টি কৰে। এই পাঁচোটি ৰাগ ক্ৰমে ভৈৰৱ, হিন্দোল, মেঘ, দীপক আৰু শ্ৰী। আনহাতে পাৰ্বতীৰ মুখৰ পৰাও কৌশিক নামৰ আন এটি ৰাগৰ সৃষ্টি হয়। 'ওঁম' শব্দও সংগীতৰ উৎস বুলি বহু লোকে মত পোষণ কৰে। সাম্প্ৰতিক কালত অৱশ্যে ওপৰত উল্লেখ কৰা কাল্পনিক আৰু ঐতিহাসিক তথ্যহীন মতসমূহ কোনোমতেই গ্ৰহণযোগ্য নহয়।

মনোবৈজ্ঞানিক দৃষ্টিৰ ফালৰ পৰাও সংগীত সৃষ্টিৰ তত্ত্ব দাঙি ধৰিব পাৰি। যেতিয়াই মানুহে নিজৰ মনৰ ভাৱ ব্যক্ত কৰাৰ স্পৃহা অনুভৱ কৰিলে তেতিয়াই ধ্বনিৰ সহায় ল'ব লগা হ'ল। ইয়াক ডঃ কৰ্ট সচে 'ভাৱাভিব্যক্তিৰ সহায়ত' সংগীতৰ জন্ম বুলি ব্যাখ্যা কৰিছে। ক্ৰমবিবৰ্তনত মানুহে ভাষাৰ নিৰ্মাণ কৰিলে আৰু তাৰ লগে লগে এটা দুটা স্বৰৰ সহায়ত সৰু সৰু ধুনো (সুৰ) তৈয়াৰ কৰি ল'লে। সংগীতৰ উৎপত্তিৰ লগত প্ৰকৃতিৰ সম্বন্ধও নুই কৰিব নোৱৰা ধৰণৰ। যিদৰে প্ৰকৃতিৰ মনোহৰ দৃশ্যৰাজি দেখি চিত্ৰকলাই আৰু প্ৰাকৃতিক শিলাৰ সৌন্দৰ্য্য দেখি মূৰ্তিকলাই জন্ম ল'লে, তেনেদৰে নদীৰ সৰু-বৰ ঢৌ আৰু সাগৰৰ উত্তাল তৰংগৰ ধ্বনি, পক্ষীৰ কলৰৱ আৰু সমীৰৰ মৃদুধ্বনি শুনিয়েই মনুষ্যই সুৰ আৰু সংগীতৰ সৃষ্টি কৰিলে।

সৃষ্টিৰ আৰম্ভণিৰ পৰা সিন্ধু সভ্যতাৰ আগৰ ছোৱালৈ ভাৰতীয় সংগীতে বিবৰ্তনৰ পথত কেনেদৰে অগ্ৰসৰ হ'ল সেই বিষয়ে সুস্পষ্ট তথ্যৰ খুবেই অভাৱ। তলত সিন্ধু সভ্যতাৰ সময়ৰ পৰা ৰাজপুত সকলৰ (এঘাৰ শতিকা) সময়লৈকে ভাৰতীয় সংগীতৰ বিভিন্ন স্তৰসমূহ আলোচনা কৰা হ'ল।

[১] **সিন্ধু সভ্যতাৰ সময়ঃ** মহেঞ্জোদাৰো আৰু হৰাপ্পাৰ ভগ্নাৱশেষসমূহে এই সময়ছোৱাৰ সংগীতৰ বিকাশ সম্পৰ্কত কিছু আভাস দিয়ে। উদাহৰণ স্বৰূপে ভগ্নাৱশেষৰ পৰা পোৱা এটি মুদ্ৰাত নৰ্তকী এগৰাকী খোদিত কৰা আছে। ইয়াৰ উপৰিও শিৱৰ তাণ্ডৱ নৃত্যৰত মূৰ্তি, হাতত ৰহুতো খাৰুৰে সৈতে নৃত্য ভংগীমাত উপবিষ্ট নগ্ন নাৰী মূৰ্তি আদিও আৱিষ্কৃত হৈছে। অৰ্থাৎ এই সভ্যতাৰ লোকসকলৰ নৃত্য কলাৰ প্ৰতি বিশেষ ৰাপ আছিল। আনহাতেদি ভগ্নাৱশেষৰ বেৰসমূহতো বহু সাংগীতিক চিত্ৰ পোৱা হৈছে। কিছুমান চিত্ৰত বীণাৰ মূল ৰূপটো দেখিবলৈ পোৱা যায়। তদুপৰি এটি মাটিৰে নিৰ্মিত মূৰ্তিৰ ডিঙিত ঢোলৰ দৰে বাদ্য এবিধ ওলোমাই ৰখা হৈছে। কিছুমান কৰতালসদৃশ বাদ্যৰ লগতে পোৱা আন কিছুমান বাদ্যযন্ত্ৰক আধুনিক মৃদংগৰ পূৰ্বজ বুলি অনুমান কৰা হয়। এই কালত গায়ক, বাদক আৰু নৰ্তকীসকলে সাৰ্বজনীন উৎসৱসমূহত স্বকীয় কলা প্ৰদৰ্শন কৰিছিল। এই উদাহৰণসমূহে সূচায় যে সিন্ধু সভ্যতাৰ সময়ছোৱাত ভাৰতীয় সংগীতে বিকাশৰ পথত বহুদূৰ অগ্ৰসৰ হৈছিল।

[২] **বৈদিক কালঃ** বৈদিক কাল হ'ল ভাৰতীয় সংগীতৰ এক গৌৰৱময় অধ্যায়। প্ৰত্যেক পৰিয়ালতেই সংগীতে উচ্চাসন লভিবলৈ সমৰ্থ হৈছিল। ঈশ্বৰোপাসনাত গায়নৰ লগত বাদ্যৰ প্ৰয়োগ এই কালৰ সংগীতৰ অন্যতম বৈশিষ্ট্য। এই সময়ছোৱাত বিভিন্ন সংগীত সভাৰ আয়োজন কৰা হৈছিল। ইয়াৰ উল্লেখযোগ্য উদাহৰণ হ'ল 'সমন' 'সমন'ত সকলো বৰ্গৰ পুৰুষ-নাৰীয়েই সমবেত হৈছিল আৰু বিশেষকৈ যুৱক-যুৱতীসকলে কলা প্ৰদৰ্শনত আগভাগ লৈছিল। নৃত্যানুষ্ঠানসমূহত নৰ্তকীসকলে মনোমোহা বস্ত্ৰ-অলংকাৰেৰে সুশোভিতা হৈছিল। স্ত্ৰী আৰু পুৰুষে একেলগে কৰা নৃত্যত আঘাতী নামৰ এবিধ বাদ্য ব্যৱহাৰ কৰা হৈছিল। এই সময়ছোৱাতে চাৰিও প্ৰকাৰৰ বাদ্যৰ প্ৰচলন ঘটে। বিভিন্ন ধৰণৰ বীণা, দুন্দুভি, ভূমি দুন্দুভি ইত্যাদি হ'ল অবনদ্ধ বাদ্য। আঘাতী আছিল ঘন বাদ্য আৰু নাদি, তুম্ব (এক প্ৰকাৰৰ বাঁহী) আছিল সুষিৰ বাদ্যৰ অন্তৰ্গত। বহুতো বিদ্বান লোকে পোষণ কৰা মতানুসৰি আধুনিক ভাৰতীয় সংগীতৰ আধাৰ হ'ল বৈদিক কালৰ সংগীত আৰু ইয়াৰ উৎপত্তি হৈছে সাম্‌বেদৰ পৰা। কিন্তু এই মত গ্ৰহণযোগ্য নহয়, কিয়নো আধুনিক সংগীতৰ

লগত সাম্‌বেদ সন্নিবিষ্ট সংগীতৰ বিশেষ সামঞ্জস্য দেখা নাযায়। বৈদিক কালত শাস্ত্রীয় সংগীত অতি কম সংখ্যক লোকৰ মাজত প্রচলিত আছিল, অৱশ্যে লোক সংগীতৰ ধাৰা সম্পূর্ণ অটুট আছিল। সংগীতজ্ঞসকলে লোক-সংগীত ৰচনা কৰাৰ উপৰিও সর্বসাধাৰণক সংগীতৰ জ্ঞান দিছিল। মুঠতে বৈদিক কালত সংগীতে বিশেষ ব্যুৎপত্তি লাভ কৰিছিল।

**[৩] মহাকাব্য কালৰ সংগীত ঃ** ভাৰতৰ প্রাচীনতম মহাকাব্য ৰামায়ণত লংকাধিপতি ৰাৱণ আৰু তেওঁৰ পত্নী মন্দোদৰী উভয়কে সংগীত-কুশলী ৰূপে পোৱা যায়। ৰামচন্দ্রৰ বিবাহোৎসৱ, চৈধ্য বছৰীয়া বনবাসৰ অন্তত অযোধ্যালৈ ৰামৰ প্রত্যাৱর্তন আদি অনেক স্থানত সংগীত-উৎসৱৰ আয়োজনৰ বিৱৰণ আছে। উত্তৰাকাণ্ড ৰামায়ণৰ কাহিনী অনুসৰিও বাল্মীকিৰ আশ্রমত লৱ-কুশক সংগীতৰ শিক্ষা দিয়া হৈছিল। এই সম্পর্কে মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে উত্তৰাকাণ্ড ৰামায়ণত এইদৰে লিখিছে—

"লভি পাছে ৰামৰ আদেশ দুয়ো ভাই।
দিলা ৰাগ ৰঙ্গে পৰি পঞ্চম উচ্ছাই॥
তাৰ ঘোৰ মন্ত্র নাদে দুয়ো গীত গাৱে।
একজনে তাল আউৰ জনে যন্ত্র বাৱে॥"

সেই সময়ত বিভিন্ন বাদ্য যেনে ভেৰী, ঘট, ডিম্‌ডিম্‌, মুদ্‌দুক আদিৰ প্রচলনৰ বর্ণনা পোৱা যায়।

পৰৱর্তী মহাকাব্য মহাভাৰতত সপ্তস্বৰ আৰু গান্ধাৰ গ্রামৰ লগতে সম্বাদিত্য (Theory of Consonance) ৰো কিছু উল্লেখ আছে। শ্রীকৃষ্ণৰ বাঁহীৰ বিচিত্র সুৰ আৰু ৰাসলীলা নৃত্যও এই কালৰ সংগীতৰেই আকর্ষণীয় অংগ। কোৱা হয়, অর্জুনে বৃহন্নলাৰ বেশ লৈ বিৰাটৰ কন্যা উত্তৰাক সংগীত শিক্ষা দিছিল। সাংগীতিক উৎসৱসমূহৰ অন্যতম আছিল পুষ্পচয়ন, ওধান ক্রীড়া আদি। অৱশ্যে দুখ-জনক কথা এয়ে যে ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র এই চাৰি বর্ণৰ প্রত্যেকৰেই সাংগীতিক আৰু অন্যান্য উৎসৱসমূহ পৃথক পৃথক আছিল। মহাভাৰতৰ উত্তৰকালত জন্মেজয়ৰ প্রপৌত্র বৎসৰাজ উদয়নে সংগীতৰ জৰিয়তে দেশত একতা স্থাপনৰ চেষ্টা কৰিছিল। ('স্বপ্নবাসৱ-দত্তা'ত মহাৰাজ উদয়নৰ বীণা বাদনৰ নিপুণ-তাৰ উল্লেখ আছে।)

**[৪] বৌদ্ধ কালৰ সংগীত ঃ** শাস্ত্রীয় সং-গীতৰ বিকাশ বৌদ্ধকালৰ সংগীতৰ এক বিশেষ বৈশিষ্ট্য। বুদ্ধই ভিক্ষু-ভিক্ষুণীসকলক দিয়া উপদেশসমূহ ক্রমে 'থেৰগাথা' আৰু 'থেৰী-গাথা'ত সন্নিবিষ্ট কৰা হৈছে। এই উপদেশ-সমূহ বৌদ্ধ ভিক্ষু-ভিক্ষুণীৰ দ্বাৰা সুৰ লগাই গোৱা হৈছিল। ইয়াৰ উপৰিও 'মৎস্য জাতক'ৰ মতে মেঘগীতি আৰু 'গুপ্তিল জাতক'ৰ মতে সপ্ততন্ত্রী বীণাৰ বাদনত গন্ধর্ব গুপ্তিল কুমাৰক পার্গত বুলি কোৱা হৈছে। এই কালৰ গায়নত বীণা ব্যৱহৃত হৈছিল। শাস্ত্রীয় সংগীতে পূর্ণ যৌৱন লাভ কৰিছিল আৰু সংগীত আছিল বাসনা গোন্ধবিহীন।

**[৫] জৈন সাহিত্য আৰু সংগীত ঃ** জৈন কালত ব্রাহ্মণ আৰু বর্ণাশ্রমৰ আধিপত্য হ্রাস কৰাৰ প্রচেষ্টা চলিছিল। ফলস্বৰূপে সংগীতৰ ওপৰত থকা ব্রাহ্মণৰ প্রভুত্ব সর্ব-সাধাৰণলৈও হস্তান্তৰিত হয়। বর্ণবাদী বিভাজন অনুসৰি শূদ্র আৰু অন্যান্য পিছপৰা শ্রেণীৰ স্থান লাভ কৰা লোকসকলৰো কলাত্মক চেতনা জাগ্রত হ'বলৈ ধৰিলে; সংগীতৰ ধৰাতল পুনৰ ওখ হৈ উঠিল। এই যুগত পৰিৱাদিনী, ৱিপাঞ্চী, নকুলী আদি বিভিন্ন প্রকাৰৰ বীণাৰ প্রচলন আছিল। যোগদানৰ কোনো প্রতিবন্ধক নথকা সংগীত প্রতিযোগিতাসমূহত বিজেতাসকলক পুৰস্কাৰ দিয়াৰ প্রথা প্রচলিত আছিল। ৱাল-টায়ৰ (Waltair)ৰ মতে এই সময়ছোৱাত বীণাৰ লগত মৃদংগ, দুন্দুভি আদি বাদ্যও সংগত কৰা হৈছিল। সার্বজনীন উৎসৱসমূহত নৃত্য প্রদর্শন কৰা কুমাৰীসকলক ৰাজকীয় সন্মান যঁচা হৈছিল।

**[৬] মৌর্য্যকালৰ সংগীত ঃ** মেগাস্থিনিচৰ 'ইণ্ডিকা' অনুসৰি চন্দ্রগুপ্ত মৌর্য্যৰ ৰাজত্ব-কালত বহুতো নাট্যশালা আৰু সংগীত গৃহৰ নির্মাণ হৈছিল। চন্দ্রগুপ্ত মৌর্য্যই চেলুকচ (সিকন্দৰৰ সেনাপতি)ৰ কন্যা এথেনাৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱা বাবেই হয়তো তেওঁৰ ৰাজত্বকালৰ সংগীতত য়ুনানী প্রভাৱ বিদ্যমান হয়। সাধাৰণ জনতাৰ মাজত মৃদংগ, ঢোল, মঞ্জিৰা, বাঁহী আদি বাদ্যযন্ত্রৰ প্রচলন আছিল। এওঁ নিজৰ 'শ্বাহ-ই-মহল'ত গায়ন, বাদন আৰু নৃত্যৰ প্রদর্শনী পাতি মনোৰঞ্জন কৰিছিল। এওঁৰ ৰাজত্ব কালত লোকগীত আৰু লোক নৃত্যৰো বহুল প্রসাৰ ঘটে।

তুলনামূলকভাৱে বিন্দুসাৰৰ ৰাজত্বকাল বৈচিত্র্যহীন যদিও সম্রাট অশোক (চন্দ্রগুপ্তৰ নাতি)ৰ শাসনকালত সংগীত জগতৰ লক্ষণীয় পৰিবর্তন হয়। অশোকৰ দিনত শৃংগাৰিক গীতৰ প্রচলন প্রায় বন্ধ হৈ যায়। আনহাতেদি সংগীতৰ জৰিয়তে মানসিক বিকাশ সাধনৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। সম্রাজ্ঞী তিষ্যৰক্ষিতা (অশোকৰ পত্নী)ৰ পৰিচাৰিকা 'চাৰুমিত্রা' বীণা বাদনত নিপুণ আছিল বুলি কোৱা হয়। সম্রাট অশোকে ভাৰতৰ বাহিৰৰ যিবিলাক ঠাইত ধর্ম প্রচাৰ কৰোৱাইছিল, সেইবিলাকত ভাৰতীয় সংগীতৰ ছত্রছায়া নিজে নিজেই বিয়পি পৰিছিল। মৌর্য্যকালৰ পাছত শৃংগ, কণ্ব, সাতবাহন, শক আৰু পহ্লৱসকলৰ নাম পোৱা যায় যদিও সংগীত সম্বন্ধীয় তেনে কোনো বিশেষ তথ্য প্রাপ্ত নহয়।

**[৭] কুষাণ সাম্রাজ্যৰ সময় ঃ** কুষাণ বংশৰ ৰজা কণিষ্কৰ ৰাজত্ব কালত আয়োজিত সংগীত সমাৰোহসমূহত কাশ্মীৰ, আফগানি-স্তান, চীন আদিৰ পৰা নিমন্ত্রিত কলাকাৰ-সকলেও ভাগ লৈছিল। এই সময়ছোৱাতে 'ভাৱনৃত্য' আৰু 'কল্পনা নৃত্য'ই অগ্রাধিকাৰ লাভ কৰে। এই কালৰ মহান সংগীতজ্ঞ আৰু দার্শনিক অশ্বঘোষে বহুতো সংগীতজ্ঞক লগত লৈ ভাৰত ভ্রমণ কৰিছিল। এই সম্পর্কত বি, এ, পিংগলে (B. A. Pingle) 'ইণ্ডিয়ান মিউজিক' (Indian Music) গ্রন্থত এনেদৰে লিখিছে—"It is a historical fact that Ashvaghosa (first century A. D.) was successful in converting a number of orthodox Hindus to Buddhism by means of his tenets in singing." অশ্বঘোষৰ 'বুদ্ধচৰিত' এখন অপূর্ব সংগীতময় পুথি। এই সময়ছোৱাত সংগীতৰ প্রয়োগ মাথোঁ মনোৰঞ্জন আৰু ভক্তিৰসৰ বাবেই নাছিল, বৰং যুদ্ধ আৰু মৃত্যুৰ সময়তো ইয়াৰ আৱশ্যকতা আছিল।

কণিষ্কৰ মৃত্যু হয় ১২০ খ্রীঃত। ইয়াৰ পাছত ৩২০ খ্রীঃত গুপ্ত কালৰ আৰম্ভণি। এই দুশ বছৰ কালৰ ইতিহাস প্রায় অন্ধকাৰত বুৰ যোৱা বিধৰ। হ'লেও এই সময়ছোৱাত সংগীত স্তব্ধ হৈ পৰা বুলি ক'ব নোৱাৰি। পীতলাখাড়াৰ গুহা, জাৱাৰ গুহা, অমৰাৱতীৰ স্তূপ আদিৰ ভালেমান শিলত কটা মূর্তি সেই সময়ছোৱাৰ সাংগীতিক চিহ্নৰূপে স্বীকৃত হৈছে।

**[৮] গুপ্ত কালৰ সংগীত ঃ** এই কালৰ প্রথমজন ৰজা চন্দ্রগুপ্তই যুদ্ধ কৰা, নিজ সাম্রাজ্যৰ সীমা বঢ়োৱা আৰু প্রশাসন ব্যৱস্থাৰ সংস্কাৰ সাধন ইত্যাদিতে বেছিভাগ সময় অতি-বাহিত কৰিছিল। আনহাতে এওঁৰ পুত্র সমুদ্র-গুপ্তই মাতৃ কুমাৰীদেৱীৰ পৰা সংগীতৰ শিক্ষা লৈছিল। কোৱা হয় যে সমুদ্রগুপ্তই এনেকুৱা

নাটক ভাগ পাইছিল যিবিলাকত গীত আৰু নৃত্যৰ পয়োভৰ আছিল। গুপ্তকালতেই ৰাগ-ৰাগিনী আৰু লোক সংগীতে যথেষ্ট প্ৰাচুৰ্য্য লাভ কৰে। এই সময়ছোৱাতেই ভাৰতীয় সংগীতৰ বিদেশত (ইটালি, ফ্ৰান্স, ইংলণ্ড, আয়াৰলেণ্ড আদিত) প্ৰসাৰ ঘটিছিল। আৰবসকল ভাৰতীয় সংগীতৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হৈছিল বাবেই সংগীত বিষয়ক ভাৰতীয় গ্ৰন্থ আৰবী ভাষালৈও অনূদিত হয়। স্পেনৰ এজন বিদ্বান পুৰুষ কাজী চৈয়দ অন্দলাসীয়ে লিখিছে যে তেওঁলোকৰ প্ৰাপ্ত 'নাফৰ' নামক গ্ৰন্থখনিত ভাৰতীয় সংগীতৰ ৰাগ আৰু স্বৰৰ বৰ্ণনা আছে।

গুপ্ত কালৰ খ্যাতিমন্ত ৰজা বিক্ৰমাদিত্য 'চেত্তাৰ' বাদনত পাৰ্গত আছিল। এওঁৰেই ৰাজসভাৰ 'নৱৰত্ন'ৰ এজন, বিদগ্ধ পণ্ডিত কালিদাসৰ মতে নাটক এখনত গায়ন, বাদন আৰু নৃত্য এই তিনিওৰে আৱশ্যক। কালিদাসৰ 'অভিজ্ঞানম্ শকুন্তলম্'ক বিশ্বসাহিত্যৰ অনুপম সংগীতময় নাট হিচাপে অভিহিত কৰা হৈছে। এখেতৰ অন্যান্য নাটসমূহতো বিভিন্ন ৰাগৰ সুৰ সংযোজন কৰা হৈছিল। এই সম্পৰ্কে জি এইচ ৰানাডেই (G. H. Ranade) 'হিন্দুস্তানী মিউজিক' (Hindustani Music) গ্ৰন্থত এনেদৰে লিখিছে, "Kalidas is found to have composed songs in one or two *Ragas*. We can say this definitely atleast of one song viz. that which the *Nati* sings in the prelude to the opening act of the 'Abhijnan-Shakuntalam'. This song, as it appears, was to be sung in *Sarang* (Madhyamadi)..." এইকালত সাধাৰণ জনতাৰো সাহিত্য, সংগীত আৰু অন্যান্য কলাৰ প্ৰতি সমাদৰ আছিল। এনেবোৰ কাৰণতেই গুপ্ত কালক ভাৰতীয় সংগীতৰো 'স্বৰ্ণ-যুগ' বুলিব পাৰি।

**[৯] হৰ্ষবৰ্দ্ধনৰ সময়ঃ** চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ ভাৰত বৰ্ণনা অনুসৰি হৰ্ষবৰ্দ্ধন সংগীতৰ ক্ষেত্ৰত সমুদ্ৰগুপ্তৰ সমপৰ্য্যায়ৰ আছিল। সাহিত্য আৰু কলাৰ অনুৰাগী হৰ্ষবৰ্দ্ধনে তিনিখন নাটক ('ৰত্নাৱলী', 'প্ৰিয়দৰ্শিকা' আৰু 'নাগনন্দ') লিখিছিল আৰু এইকেইখনত উচ্চস্তৰৰ ভাৰতীয় সংগীতৰ প্ৰয়োগ দেখা যায়। এখেত নিজেও এজন ৰাগ-ৰাগিনীৰ জ্ঞানপ্ৰাপ্ত সুগায়ক আৰু নিপুণ বীণাবাদক আছিল। এই সময়তে দক্ষিণ ভাৰতত ভক্তি-আন্দোলনে গা কৰি উঠে। ফলস্বৰূপে ভক্তি-মূলক গীতৰ জৰিয়তে সংগীতৰ বিকাশ ভালেখিনি হৈছিল। এই সময়ছোৱাৰ বিদগ্ধ পণ্ডিত বাণভট্টই ৰচনা কৰা 'কাদম্বৰী' গ্ৰন্থত ভাৰতীয় সংগীতৰ যৌৱন বিৰাজমান।

**[১০] ৰাজপুত ৰজাসকলৰ সময়ঃ** ৰাজপুতসকলে যুদ্ধ বিগ্ৰহৰ পৰা অৱসৰ নোপোৱা বাবেই এই সময়ত সংগীতৰ বোৱতী সুঁতি থমকি ৰ'ব লগা হৈছিল। অৱশ্যে ৰজাসকলে সংগীতজ্ঞসকলক সন্মান কৰিছিল। আৰবৰ প্ৰসিদ্ধ 'অলবেৰুণী'ৰ লেখাত পোৱা যায় যে ৰাজপুত ছোৱালীবিলাকে সংস্কৃত জানিছিল আৰু নৃত্যত পাৰ্গত আছিল। অৱশ্যে সংগীতজ্ঞসকলৰ মাজত সদ্ভাৱৰ অভাৱ এই কালৰ এক গুৰুত্বপূৰ্ণ বিষয়। কলাকাৰসকলে নিজৰ পৰিয়ালৰ বাদে অন্য লোকক সংগীত শিকোৱা নাছিল। এই সংকীৰ্ণতা ইমান দূৰলৈ বিয়পিছিল যে সংগীতজ্ঞসকলে আনকি কোনো সংগীত বিষয়ক গ্ৰন্থও লিখা নাছিল। কোনোবা কলাকাৰ নিঃসন্তান হ'লে সংগীত বিদ্যা তেওঁৰ লগতে সমাপ্ত হৈছিল। অৱশ্যে ৰজাৰ দৰবাৰত স্বীকৃতি আৰু সন্মান লাভ কৰা কোনো কোনো সংগীতজ্ঞই ৰাগ-ৰাগিনীৰ লিপিও প্ৰস্তুত কৰিছিল। এই কালছোৱাতেই শৃংগাৰপূৰ্ণ সংগীতৰ প্ৰাচুৰ্য্য ঘটে আৰু সংগীতে নিজৰ নৈতিক মৰ্য্যাদা বহু পৰিমাণে হেৰুৱায়। শাস্ত্ৰীয় সংগীত জনসাধাৰণৰ পৰা পৃথক হৈ পৰা বাবে লোক সংগীতৰ ভেঁটি টনকিয়াল হ'বলৈ ধৰে।

ৰাজপুতসকলৰ সময়তেই (এঘাৰ শতিকাত) পাঠানসকলৰ আক্ৰমণৰ পাছৰে পৰাই ভাৰতীয় সংগীতত এক পৰিবৰ্তনে দেখা দিয়ে আৰু মুছলমানী সংগীতৰ প্ৰভাৱ ভাৰতীয় সংগীতৰ ওপৰত পৰিবলৈ ধৰে। দক্ষিণ ভাৰত এই আক্ৰমণৰ দ্বাৰা প্ৰভাৱিত নাছিল বাবে ইয়াৰ সংগীতৰ পূৰ্বৰ বৈশিষ্ট্য অটুট আছিল। কিন্তু ভাৰতৰ উত্তৰাঞ্চলত এই আক্ৰমণে বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰে। ইয়াৰ ফলতেই উত্তৰ আৰু দক্ষিণ ভাৰতৰ সংগীতৰ ধাৰা পৃথক পৃথক হ'বলৈ আৰম্ভ কৰে।


সহায়ক গ্ৰন্থপঞ্জী ঃ

১। ভাৰতীয় সংগীতকা ইতিহাস'— ভগৱত শৰণ শৰ্মা।
২। 'সংগীত কৌমুদী'--অধ্যাপক বি, এচ, নিগম।
৩। 'নিবন্ধ সংগীত'—লক্ষী নাৰায়ণ গৰ্গ।
৪। 'A History of Indian Music'-- Swami Pragyananda.
৫। 'Hidustani Music'—G. H. Ranade.


"মোৰ মতে ভাৰতত তিনিটা ঘাই সংগীত পদ্ধতি আছে; হিন্দুস্থানী সংগীত, কৰ্ণাটকী সংগীত পদ্ধতি আৰু কামৰূপীয়া সংগীত পদ্ধতি। কামৰূপী পদ্ধতিৰ নিজস্ব তাল আছে, ৰাগ আছে। আৰু নৃত্য আছে। তালৰ মাত্ৰ বিচিত্ৰা বিজ্ঞান সন্মত। তাল বহু আছে, যেনে ৰূপক, একতালী, পৰিতাল যতি, খৰমান ইত্যাদি। ৰাগও তেনে, যেনে—বেলোৱাৰ, আশাৱৰী, কানাড়া, পূৰবী, কল্যাণ ইত্যাদি। এই ৰাগবিলাকৰ বৰ্ণনা মালিতাও আছে। নৃত্যৰ কথা নকওঁৱেই। এই কামৰূপীয়া নৃত্য ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ। তদুপৰি পৃথিৱীত নোহোৱা ভাৰতীয় নৃত্য শাস্ত্ৰৰূপ "অসমীয়াৰ" শ্ৰী হস্ত মুক্তাৱলী আছে। গতিকে সংগীতত অসমীয়াৰ এনে বহুমূলীয়া সম্পদ থাকিও আজি জগতৰ আগত অসমীয়াৰ নৃত্য কলা দেখুৱাবলৈ অসমীয়াই অপাৰগ। তাৰ বাবে লাগে পুঁজি, চৰ্চা, সাধনা আৰু সাধনা আশ্ৰম। তাৰ বাবে লাগে বাট দেখুৱাওতা অসমীয়া বিষ্ণু ভাট খাণ্ডে।"—কলাগুৰু বিষ্ণুৰাভা।

# শংকৰদেৱৰ দৃষ্টিত নাৰী

**মহেশ্বৰ কলিতা,**
স্নাতক ৩য় বৰ্ষ (কলা)।

( সাম্প্ৰতিক কালত নাৰী স্বাধীনতাৰ প্ৰসংগই দেশে বিদেশে যথেষ্ট গুৰুত্ব লাভ কৰিছে। আমাৰ অসমতো বৰপেটাৰ কীৰ্তনঘৰত নাৰীৰ প্ৰৱেশাধিকাৰক লৈ চলা বাদানুবাদৰ অন্ত পৰা নাই। এই প্ৰবন্ধটোত লিখকে শ্ৰীমন্ত শংকৰদেৱৰ নাৰীৰ প্ৰতি থকা দৃষ্টিভংগী সন্দৰ্ভত এটি আলোচনা আগবঢ়াইছে। পাঠক সমাজে নিৰপেক্ষ দৃষ্টিৰে প্ৰবন্ধটো বিচাৰ কৰি চাব বুলিয়েই আমাৰ বিশ্বাস। ---সম্পাদক।)

( এক )

আগকথা ঃ

ধন্য ধন্য ভাৰতবৰিষ বুলি গৌৰৱেৰে মাতৃ-ভূমিৰ বন্দনা কৰি যোৱা মহাপুৰুষ শ্ৰীশংকৰদেৱৰ 'অসম মুলুক'ৰ অধিবাসীসকলৰ এক বৃজন অংশ আজি বেছ অশান্ত। ৰাষ্ট্ৰ-যন্ত্ৰই দিবলগীয়াখিনি নিদিয়া বা ৰাষ্ট্ৰ-যন্ত্ৰৰ পৰা পাবলগীয়াখিনি নোপোৱাকে 'কাৰণ' হিচাপে লৈ বিভিন্ন পৰ্য্যায়ত উগ্ৰজাতীয়তাবাদ ওৰফে বিচ্ছিন্নতাবাদৰ ধ্বজা উৰুৱাবলৈ চেষ্টা আৰু কষ্ট কৰি থকা লোকৰ সংখ্যাও কম নহয়। আমাৰ জাতীয় জীৱনৰ আজিৰ সংকটাপন্ন অৱস্থাত সুধীসমাজে গুৰুজনাৰ কথা সোঁৱৰে। শংকৰদেৱৰ উত্তৰ-পুৰুষসকলৰ এয়া কি হ'ল বুলি ভকত-বান্ধৱসৱে হুমুনিয়াহ কাঢ়ে। বুদ্ধিজীৱী মহলে শংকৰদেৱৰ পাছত আৰু এজন চিন্তাবিদ নোলাল বুলি কেতিয়াবা আক্ষেপ কৰে। শংকৰী চিন্তাৰ মূল বক্তব্যই তেওঁৰ ৰাজ্যখনৰ লোকসকলৰ কিছুমানক আকৰ্ষণ নকৰা হৈছে। ই কেৱল সময়ৰ পৰিবৰ্তনৰ কাৰণেই হৈছে বুলি মানি ল'ব নোৱাৰি। আজি কুৰি শতিকাত মধ্যযুগৰ ধ্যান-ধাৰণাই শোভা নাপায় সঁচা, কিন্তু মধ্যযুগৰ আধ্যাত্মিক-চিন্তাই আমাৰ সমাজখনৰ বৃজন সংখ্যক লোকৰ দুখ-অশান্তি হতাশাৰ সময়ত যে সুখ-শান্তি-সাহস যোগোৱাত অবিহণা যোগাই আছে—ইয়াকো অস্বীকাৰ কৰাৰ উপায় নাই।

আজি গাঁৱে-ভূঞে, চহৰে-নগৰে নতুন ধৰণৰ আকৰ্ষণীয় মঠ-মন্দিৰ কেতবোৰ গঢ়ি উঠিছে। তাকে দেখি আমাৰ কোনো বাপ-বান্ধৱে তাহানি বেজবৰুৱা ডাঙৰীয়াই কৰি যোৱা আক্ষেপটোকে কৰিব পাৰে ঃ

গুৰু লাগে মই শিক্ষিত শিষ্য
বুলি জগতক জাননী দিলোঁ
জগতৰে গুৰু শঙ্কৰ ঘৰতে
অন্ধলাই নেদেখিলোঁ---

কিন্তু ডঃ হীৰেন গোহাঁইদেৱৰ দৰে আমিও অনুভৱ কৰোঁ—"অসমীয়া জাতি আৰু জাতীয় সংস্কৃতিৰ বাবে মধ্যযুগৰ মহাপুৰুষীয়া ধৰ্মমত তথা ধৰ্ম আন্দোলন কেনে গুৰুত্বপূৰ্ণ উপাদান সকলোৱে জানে, আৰু প্ৰতিজন অসমীয়াই বিশেষ বিশেষ মুহূৰ্তত গভীৰভাবে উপলব্ধিও কৰে। কিন্তু সেই অৱদানৰ ব্যাখ্যা এনে ধৰণে হৈ আছে যে শংকৰ-মাধৱৰ অনুগামীসকলৰ বাহিৰে বাকী বহুসংখ্যক অসমীয়াই মুক্তকণ্ঠে কথাটো স্বীকাৰ কৰিবলৈ কিছু সংকোচ বোধ কৰা হৈছে। ফলত জাতীয় বিকাশৰ অন্যতম মূলধাৰা এটা সাম্প্ৰদায়িক বালিৰ তলত হেৰাই যাব ধৰিছে। এই পৰিস্থিতি অধিক কদৰ্য হৈ পৰাৰ আগতে সুস্থ বৈজ্ঞানিক চিন্তাৰে তাৰ প্ৰতিকাৰ কৰা প্ৰয়োজন।" (—অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, পৃষ্ঠা 'ক'।)

( দুই )

তথাকথিত 'নাৰী স্বাধীনতা'ৰ বতৰাই আমাৰ কাকত-আলোচনীৰ পৃষ্ঠাবোৰ মাজে মাজে গৰম কৰি তোলে। 'নাৰী-নিৰ্য্যাতন', 'নাৰী ব্যৱসায়', 'নাৰীৰ প্ৰতি অবিচাৰ' ইত্যাদি কথাবোৰে সম্প্ৰতি এনে বিস্ফোৰক ৰূপ লৈছে যে এই সম্পৰ্কত কিছু লোকক 'দোষী' সাব্যস্ত কৰি 'চূড়ান্ত শাস্তি' প্ৰদানৰ ব্যৱস্থাও অসমৰ সংগঠন এটিয়ে কৰিবলৈ লৈছে! এনে অৱস্থাত, এই সমস্যাটো আমাৰ সমাজত কিদৰে উদ্ভৱ হৈ প্ৰসাৰতা লাভ কৰিলে, ইয়াৰ সমাধান কিদৰে কৰিব পৰা যায় ঃ বুদ্ধিজীৱী আৰু চিন্তাশীল লোকসকলে বস্তুনিষ্ঠ আৰু বিজ্ঞান-সম্মত আলোচনা আগবঢ়োৱাৰ প্ৰয়োজন আহি পৰিছে। পৰিৱেশ, পৰিস্থিতি আৰু ব্যক্তিগত তিতা অভিজ্ঞতাৰ তাড়নাত আমাৰ নমস্য পূৰ্বপুৰুষসকলৰ দুই এজনে কেতিয়াবা অসাৱধানতাবশতঃ গোটেই নাৰীজাতিৰ প্ৰতি যি আপত্তিকৰ মন্তব্য প্ৰকাশ কৰি গৈছে (স্মৰ্তব্য—"তিৰী, মিৰি, ভাটৌ, কোৱা—এই চাৰিৰ আসৈ নোপোৱা।") তাকে যদি মতান্ধ হৈ সমৰ্থন কৰা যায়, নাইবা আবেগপ্ৰৱণ হৈ 'নাৰী স্বাধীনতা জিন্দাবাদ' বুলি আকাশ-বতাহ কঁপাব বিচৰা হয়, নাইবা গোটেই সমস্যাটো সম্পৰ্কত পলায়নবাদী মনোভাৱ পোষণ কৰা যায় ঃ তেন্তে ই হ'ব জাতীয় জীৱনৰ কাৰণেই ক্ষতিকাৰক।

( তিনি )

ভাৰতীয় সমাজ জীৱনৰ নিয়ম-নীতিৰ স্ৰষ্টা প্ৰাচীন ঋষি-মুনিসকলৰ একাংশই নাৰীৰ ওপৰত যি সামাজিক আধ্যাত্মিক কলংকৰ এঠা মচি থৈ গ'ল, তাৰ কৰাল আজি পৰ্য্যন্ত সমাজৰ সিংহভাগ পুৰুষ-নাৰীৰ অন্তৰত লাগি থাকিল। ইয়াৰ বাবেই আজি তথাকথিত নাৰী-স্বাধীনতাই সামাজিক সমস্যা ৰূপে পীড়া কৰিবলৈ লৈছে। প্ৰাচীন শাস্ত্ৰত নাৰীৰ কৰ্তব্য সম্পৰ্কত কোৱা হৈছে ঃ

অপত্যং ধৰ্মকাৰ্য্যানি শুশ্ৰূষা ৰতিৰুত্তমা।
দাৰাধীনস্তথা স্বৰ্গঃ পিতৃনামাত্মনশ্চ।
(৯।২৮, মনু সংহিতা)

অর্থাৎ--পুত্রপ্রাপ্তি, ধর্মকার্য্য, ৰতি, নিজৰ আৰু পিতৃৰ স্বৰ্গলাভ---এইবোৰতে নাৰীৰ কৰ্তব্য সোমাই আছে।

ধৰ্মীয় শাসনৰ ডোলেৰে বান্ধি থোৱা সমাজ-খনত পুৰুষ আৰু নাৰী উভয়ৰে 'অধিকাৰ' মুখ্যতঃ ধৰ্মই নিয়ন্ত্ৰণ কৰি ৰাখিছে। ধৰ্ম-চিন্তাই সমাজলৈ পৰিবৰ্তন আনে। অশান্তি আঁতৰাই শান্তি স্থাপন কৰে। কিন্তু কেতিয়াবা দেখা যায়---এই চিন্তাই প্ৰগতিশীল সমাজৰ গতি ৰুদ্ধ কৰিবলৈও যত্নপৰ হয়। বিজ্ঞান-বস্তুবাদৰ প্ৰতি ই যেন প্ৰত্যাহ্বানহে জনায়! তথাপি, ধৰ্মই তাৰ স্বকীয় অনুশাসনেৰে মানুহৰ গাত থকা পশুত্বক নিয়ন্ত্ৰণ বা নিৰ্মূল কৰি সমাজখন সভ্য আৰু মানৱীয় গুণৰ আকৰ কৰি তোলাত অৰিহণা যোগাইছে। সেইবাবেই ধৰ্মৰ ওচৰত আমি নতজানু হওঁ। ধৰ্মই অৱশ্যে সকলো ক্ষেত্ৰতে সমাজৰ দুই প্ৰতি-নিধি---পুৰুষ আৰু নাৰীৰ প্ৰতি সমবিচাৰ কৰিছে বুলি ক'ব নোৱাৰি। সমাজৰ কিছু সংখ্যক নাৰীয়ে কেৱল মাথোন ধৰ্মীয় বান্ধোনৰ বাবেই আজিও পৰ্দাৰ আঁৰত থাকিয়ে সাংসাৰিক জীৱন-যাপন কৰি আছে।

অসমীয়া সমাজৰ অন্যতম অংশ সত্ৰীয়া বা মহাপুৰুষীয়া সমাজতো নাৰীৰ অধিকাৰক লৈ বিতৰ্কৰ অন্ত নাই। নামঘৰত নাৰীৰ প্ৰৱেশ নিষেধ ঃ এই সম্পৰ্কৰ উখনা-উখনিৰ বতৰাই মাজে-সময়ে বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাও দখল কৰিছে। অসমীয়া জাতিৰ ত্ৰাণকৰ্তা অগ্ৰদূত তথা মহাপুৰুষীয়া সমাজৰ পিতৃ-পুৰুষ শ্ৰীশংকৰদেৱে নাৰীৰ প্ৰতি কেনে বিচাৰ কৰিছে আৰু তেওঁৰ উত্তৰাধিকাৰী গুৰু-ভকতসৱে সেই 'বিচাৰ' কেনেদৰে লৈছে সেই সম্পৰ্কে এই আলোচনাত অলপ জুকিয়াই চাম।

o o o

শংকৰদেৱৰ জীৱন প্ৰৱাহৰ পিনে লক্ষ্য কৰিলে দেখা যায় যে ঘাট-মাউৰা শংকৰে অন্য এক নাৰী খেৰসুতীৰ প্ৰভাৱত আৰু আশ্ৰয়ত ডাঙৰ দীঘল হৈছে। তেওঁ গাৰ্হস্থ্য জীৱন-যাপনো কৰিছে। তেওঁৰ শিষ্যসকলো গৃহস্থী হোৱাটো তেওঁ বিচাৰিছিল। প্ৰিয় শিষ্য মাধৱ-দেৱলৈ তেওঁৰ নিজৰ জীয়ৰীকে বিয়া দিবলৈ প্ৰস্তাৱ আগবঢ়াইছিল বুলি গুৰু চৰিতত উল্লেখ আছে। মাধৱদেৱে পাছে "বিষয়-বিষবহ্নিত নেপেলাব ঠেলি" বুলি সবিনয়ে গুৰুৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। এই সম্পৰ্কত ডঃ বাণীকান্ত কাকতিৰ বক্তব্য হ'ল ঃ "Sankar Deva was a house-holder. He married a second time after his return from the first pilgrimage. He did not countenance celibacy in his followers for the purpose of devotion to *Visnu*. But his apostolic successor Madhava Deva was a celibate and he created an order of celibate monks called *Kevaliyas*, who live in small huts within the precincts of religious temples called *Satras*." (p. 75, 'The Mother Goddess Kamakhya', 1961)

কিন্তু শংকৰোত্তৰ যুগত ৰচিত গুৰু-চৰিত-বোৰত এনে কিছুমান বৰ্ণনা আছে যাৰ মূল বক্তব্য হ'ল---শংকৰে নাৰীক শৰণ নিদিয়ে, কাৰণ---'স্ত্ৰী পাপমতি', 'সদায় মিছা কথা কয়', তাই 'মহিমা ভকতিৰ' নুবুজে। গুৰু-চৰিতবোৰক যদিও আমাৰ মধ্যযুগৰ ইতিহাস বুলি কোৱা হয়, কিছু ক্ষেত্ৰত ইবোৰত যে সত্যৰ অপলাপ হৈছে, বৰ্ণনাবোৰ যে অতি-ৰঞ্জনৰ পৰা মুক্ত নহয়---এই কথা মানৱ শংকৰক অলৌকিক ঈশ্বৰ ৰূপত প্ৰতিষ্ঠিত কৰিব বিচৰাটোৰ পৰাই ধৰিব পাৰি। শংকৰ-দেৱে বৰ্ণনা কৰি যোৱা 'কৃষ্ণ' চৰিত্ৰৰ আহিতো শংকৰোত্তৰ গুৰু-ভকতসৱে 'শংকৰ' চৰিত্ৰ গঢ়াৰ প্ৰয়াস কৰে ঃ ৰামচৰণ ঠাকুৰৰ 'গুৰু চৰিত'ৰ 'শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ', 'শ্ৰীমন্ত শংকৰদেৱৰ পচতি উৎসৱ', 'শ্ৰীমন্ত শংকৰৰ শিশুলীলা' আৰু 'বৰদোৱা গুৰু-চৰিত'ৰ তৃতীয় অধ্যায়ত থকা চকৰিফেটী সাপৰ ফণা-ছত্ৰ, শংকৰৰ চতুৰ্ভুজ ৰূপ ইত্যাদি বিষয়ক বৰ্ণনাৰ পৰা এই কথা জানিব পাৰি। প্ৰসংগক্ৰমে এইটো ক'বলগীয়া যে মধ্যযুগৰ (আদি যুগৰো) পণ্ডিতসকলে যিখন 'স্বৰ্গৰাজ্য'ৰ বৰ্ণনা কৰি-ছিল, যি দেৱতা-চৰিত্ৰৰ চিত্ৰ অংকণ কৰিছিল, আজিৰ বৈজ্ঞানিক আৱিষ্কাৰে তাক অলীক বা আধ্যাত্মিক কল্পনা বুলি প্ৰমাণ কৰিছে। পৌৰাণিক কালৰ 'চন্দ্ৰ' দেৱতা আজি মানুহে পাম পতা এটা উপগ্ৰহ মাত্ৰ! এই চৰিত্ৰবোৰৰ সম্পৰ্কত আজি আমি ক'ব লাগিব ঃ পৌৰাণিক পণ্ডিতসকলে ইবোৰক ৰূপক হিচাপে লৈ অজ্ঞ-অসভ্য মানুহক সভ্যতাৰ দীক্ষা দিছিল। আদিযুগ বা মধ্যযুগৰ এই অলৌকিক বৰ্ণনা-বোৰকে 'ইতিহাস' বুলি কোৱাটো হ'ব অজ্ঞান-তাৰ পৰিচায়ক।

তথাপি, গুৰু-চৰিতবোৰত কিছু ঐতিহাসিক সত্যও নিহিত হৈ আছে, ইও ঠিক। এই ক্ষেত্ৰত, আমি নিশ্চিত হ'ব পাৰোঁ যে চৰিত পুথিৰ পৰা শংকৰী যুগ আৰু শংকৰোত্তৰ যুগৰ অসম তথা ভাৰতৰ ধৰ্মনীতি, সমাজনীতি, ৰাজনীতিৰ লগতে গুৰু-ভকতসৱৰ মনৰ খবৰো কিছু পোৱা যায়। নাৰীৰ প্ৰতি যে শংকৰোত্তৰ যুগৰ কিছু সংখ্যক গুৰু-ভকতৰ অন্তৰত বিৰাগ ভাৱ আছিল ইয়াকো এই পুথিৰ পৰা জানিব পৰা যায়। 'মানুহ শংকৰ-দেৱ' শীৰ্ষক প্ৰবন্ধত (আজিৰ সময়, বিশেষ বসন্ত সংখ্যা, ১৯৮৬) ডঃ হীৰেন গোহাঁই ডাঙৰীয়াই মতামত দিছে ঃ "শংকৰদেৱ নিজেও যে কিছু পৰিমাণে সমসাময়িক পৰিবেশৰ প্ৰভাৱাধীন আছিল তাৰ প্ৰমাণ পোৱা যায় নাৰী জাতিৰ প্ৰতি তেওঁৰ মনোভাৱত। গণ-তান্ত্ৰিক ভাবধাৰাৰ অন্যতম প্ৰধান অংগ হ'ল নাৰী-পুৰুষৰ সমতা প্ৰতিষ্ঠা। এই ক্ষেত্ৰত শংকৰদেৱৰ মনোভাৱ গণতান্ত্ৰিক নাছিল। চৰিত পুথিবিলাকৰ সাক্ষ্য এই বিষয়ত পৰিষ্কাৰ ঃ

'পৰম অধৰ্মী স্ত্ৰী পাপৰ শৰীৰ।
তাই কিবা জানিবে মহিমা ভকতিৰ ॥'

(ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিত)

'স্ত্ৰী পাপমতি, মিছা কথা কয়। মিছা ভিন্ন সঁচা নাই।'

(বৰদোৱা গুৰু-চৰিত, পৃঃ ১৬৭।)"

উল্লেখযোগ্য যে উপৰ্যুক্ত দুয়োটা উদ্ধৃতিয়ে শংকৰদেৱৰ মুখৰ বাণী বুলি গুৰু-চৰিতত উল্লেখ কৰা হৈছে। প্ৰথমটো 'নৰনাট সামৰিবে মনে ইচ্ছা কৰি' শংকৰদেৱে 'শ্ৰীমাধৱদেৱৰ ওপৰত ধৰ্মৰাজ্য স্থাপন' কৰাৰ মানসেৰে মাধৱক উপদেশ দিছে---এই প্ৰসংগৰ (গুৰু-চৰিত, পৃঃ ৮২১, দত্তবৰুৱা ১৯৮৫)। উদ্ধৃতি-টোৰ সাৰ কথা হ'ল---নাৰীক শৰণ দিব নালাগে। কিয়? উদ্ধৃতিটো বহলাই দিলে পাঠকে 'কাৰণ'বোৰ ভালকৈ বুজিব পাৰিব ঃ

পৰম অধৰ্মী স্ত্ৰী পাপৰ শৰীৰ।
তাই কিবা জানিবে মহিমা ভকতিৰ ॥ ৩৮৩৭
অসত্যত পৰে আৰো সত্যবাণী নাই।
কামকেসে মন পাপকেসে ফুৰে ধাই ॥
পাপ কৰি আসি তাতো শপত কৰয়।
দেখিয়ো সাক্ষাতে তেন কিছু নাহিকয় ॥
৩৮৩৮

দ্বিতীয়টো উদ্ধৃতিও একে প্ৰসংগৰে ঃ শংকৰদেৱে গণককুছিত মাধৱদেৱৰ লগত ধৰ্মালোচনা কৰোঁতে মাধৱক দিয়া উপদেশৰ অংশ বিশেষ।

আনহাতে, শংকৰদেৱৰ ৰচনাৰাজিলৈ চালে আমি দেখোঁ যে তেওঁ হৰি-ভক্তিৰ কথা বুজ দিয়াৰ ক্ষেত্ৰত স্ত্ৰী আৰু শূদ্ৰসকলৰ ওপৰতো গুৰুত্ব দিছে। যথা—

দাম্ভিক শঠত নকহিবা ইটো তত্ত্ব।
সদা উপদেশ দিবা বৈষ্ণৱ জনত ॥
স্ত্ৰী শূদ্ৰে কৰে যদি আম্মাত ভকতি।
তাহাত কহিবা ইটো জ্ঞান মহামতি ॥ ১৮২৬
(শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ/কীৰ্তন)

'ৰুক্মিণী' যদিও ৰাজ-নন্দিনী, শংকৰী কাপত এওঁ সাধাৰণ নাৰী ৰূপতহে ধৰা দিছে বুলিব পাৰি। সমাজৰ সাধাৰণ নাৰী এগৰাকীৰ দৰে প্ৰিয়জনৰ লগত মিলনৰ বাটত বাধা অহাত হতাশাত ভাগি পৰিছে। সমাজৰ সাহসী বালিকাইতৰ দৰেই গুপুতে প্ৰেমিকক মাতি আনিছে, আৰু 'তোহো শত্ৰুতো অধিক ভেলি' বুলি জ্যেষ্ঠ ভ্ৰাতৃৰ বিৰুদ্ধে এক-প্ৰকাৰ বিদ্ৰোহ ঘোষণা কৰিয়ে মনৰ গৰাকীৰ সৈতে পলায়ণ কৰিছে। অৱশেষত, নাৰী-হৃদয়ৰ স্বাভাৱিক চেনেহ আৰু অনুকম্পা প্ৰকট কৰি, 'ভায়া'ক নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা কৰিবলৈ ৰুক্মিণীয়ে কৃষ্ণক অনুনয় কৰিছে ঃ "হে স্বামী, ভায়াক দুখ দেখি প্ৰাণ ফুটি যাই। ওহি অধমক জীৱ ৰক্ষা কৰহ।" (ৰুক্মিণী হৰণ নাট)।

দ্বিতীয়তে, প্ৰাণকৃষ্ণক পাবলৈ ৰুক্মিণী যিদৰে ব্যাকুল হৈ পৰিছে, সেইদৰে কৃষ্ণয়ো 'প্ৰাণ-প্ৰিয়া' ৰুক্মিণীক পাবলৈ ব্যাকুল বা অস্থিৰ হৈ পৰিছে ঃ "---যো দিবস সে প্ৰিয়াক ৰূপগুণ শুনল সেহন্তে ৰুকমিণীক মাত্ৰ ধ্যান কয় হামো ৰয়ল থিক। সে প্ৰাণ প্ৰিয়াক অৱস্থা কথা শুনিয়ে কৈচে জীৱন ধৰোঁ--" (ৰুক্মিণী হৰণ নাট)।

ভক্তৰ অধীন ভগৱান—এই তত্ত্বকে ইয়াত প্ৰকাশ কৰিব বিচৰা হৈছে যদিও ইয়াৰ দ্বাৰা নাৰীৰ অন্তৰৰ আবেগ-অনুভূতি আৰু মৰম-চেনেহৰ প্ৰতিও মূল্য দিয়া হৈছে। এইদৰে, শংকৰদেৱৰ ৰচনাৰাজি বিশ্লেষণ কৰি চালে দেখা যায় যে তেওঁৰ অন্তৰত নাৰীৰ প্ৰতি বিৰাগ বা বিতৃষ্ণা ভাব নাছিল। নাৰীৰ অধিকাৰৰ ক্ষেত্ৰত তেওঁ উদাৰ আৰু মৰমীয়াল আছিল। 'গড় বান্ধি যুঁজিবলৈ' (বৰদোৱা গুৰু-চৰিত, পৃঃ ৯৭ দ্ৰষ্টব্য) অৰ্থাৎ বিবাহ কৰাই ধৰ্ম-কৰ্ম কৰি যাবলৈ উপদেশ দিয়া শংকৰদেৱে সংসাৰ যাত্ৰাত নাৰীৰ সহযোগ প্ৰয়োজনীয় বুলিয়ে ভাবে। গতিকে, নাৰী 'পাপৰ শৰীৰ', 'পৰম অধৰ্মী' আৰু কেৱল কামনাৰ আকৰ বুলি শংকৰদেৱে ভাবিছিল— এনে ধাৰণা জন্মোৱা গুৰু-চৰিতৰ বৰ্ণনাবোৰ শংকৰী চিন্তাৰ অপলাপ বা অতিৰঞ্জিত বৰ্ণনা বুলি ভবাৰ অৱকাশ আছে।

এইটো উল্লেখনীয় যে শংকৰী পদৰ ভুল ব্যাখ্যাও কেতিয়াবা শংকৰোত্তৰ গুৰু-ভকতে কৰিছে। তেনে এটি উদাহৰণ চাওক ঃ কথা গুৰু-চৰিতত পোৱা মতে এদিন সুন্দৰী নাৰী-সৱে বৰকৈ সাজি-কাচি অহাৰ কাৰণে মাধৱদেৱে তেওঁলোকক গালি পাৰে আৰু তেওঁ-লোকৰ পিনে পিঠি দি প্ৰসাদ বিতৰণ কৰে। ইয়াৰ উপৰিও তেওঁ শংকৰদেৱৰ কীৰ্তনৰ হৰমোহন খণ্ডৰ পৰা পদ আওৰাই নাৰী জাতিক ভৰ্ৎসনা কৰে ঃ

ঘোৰ স্ত্ৰী মায়া সৰ্বমায়াতে কুৎসিত।
মহা সিদ্ধ মুনিৰো কটাক্ষে হৰে চিত্ত ॥
দৰশনে কৰৈ তপ জপ যোগ ভঙ্গ।
জানি জ্ঞানীগণে কামিনীৰ এৰৈ সঙ্গ ॥ ৫২৮

চৰিত পুথিৰ এই বৰ্ণনা সঁচা নে মিছা, অৰ্থাৎ মাধৱদেৱে তেনে আচৰণ কৰিছিল নে নাই কৰা—তাক নিৰ্ণয় কৰাৰ আগতে এইটো জানি থোৱা ভাল যে ওপৰৰ উদ্ধৃতিফাঁকি শংকৰে নাৰীৰ ওপৰত কলংকৰ এঠা মচিবলৈ অৱতাৰণা কৰা নাই। হৰতকৈ হৰি শ্ৰেষ্ঠ—এই কথা প্ৰতিপন্ন কৰিবলৈ, তথা কামাতুৰ হৰক কামনা-বহ্নিৰ পৰা মুক্ত হৈ থাকিবলৈ সাৱধান বাণী হিচাপেহে (মহাদেৱৰ প্ৰতি কৃষ্ণৰ উক্তি হিচাপে) এই পদৰ অৱতাৰণা কৰা হৈছে। আলোচ্য পদৰ পাছৰ পদতে এই কথাটো স্পষ্ট হৈ পৰিছে ঃ

সিটো স্ত্ৰী ৰূপক দেখিবা কোন কাজে।
তুমি ভোল ভৈলে হাসিবেক সামৰাজে ॥

আনহাতে, মাধৱদেৱৰ জীৱন-প্ৰবাহৰ পিনে লক্ষ্য কৰিলে দেখা যায় যে প্ৰথমতে তেওঁ বলি-বিধানত বিশ্বাসী ঘোৰ শাক্ত আছিল। পাছত, শংকৰদেৱৰ লগত যুক্তি-তৰ্ক কৰিবলৈ আহি হাৰ মানে আৰু শংকৰৰ শিষ্যত্ব গ্ৰহণ কৰে। বিয়া কৰাবলৈ বুলি জোৰণ পিন্ধাই থোৱা 'কন্যা পৰিত্যাগ কৰি অলংকাৰ ফেৰা' ওভোতাই আনে আৰু কেৱলীয়া জীৱন-যাপন কৰে। ডঃ বাণীকান্ত কাকতিয়ে এই 'কেৱলীয়া' সম্পৰ্কত কৈছে ঃ The word *Kevaliya* does not seem to designate the *Vaisnavite* monks of any other system in Northern India who are called by different names. *Ramanuja* in recognition of this class of *Bhaktas* 'who desire final deliverance of seek the consciousness of their pure soul' uses the word *Kevalin* (Bhandarkar : p. 54)" ('The Mother Goddess Kamakhya', p. 75)

মাধৱদেৱৰ ৰচনাৰাজিত বাল্যকালৰ ৰূপ-ৰেখা আৰু নিষ্কাম দাস্য ভক্তিৰ সুৰ ফুটি উঠিছে। সংসাৰৰ জটিল বিষয়-সুখ-বাসনাৰ পৰা সম্পূৰ্ণ মুক্ত হৈ তেওঁ কেৱল কৃষ্ণবন্দনাতে ডুব গৈ আছিল। সেইবাবে, শংকৰী ৰচনাৰ পৰা লেখকৰ অন্তৰত নাৰী সম্পৰ্কে থকা ধাৰণাৰ উমান পোৱাৰ দৰে মাধৱদেৱৰ ৰচনাৰ পৰা তেনে ধাৰণা পোৱা নাযায়। অৱশ্যে, শংকৰোত্তৰ যুগত নাৰী সম্পৰ্কে যি বিৰূপ ধাৰণাই একাংশ গুৰু-ভকতৰ মনত বাহ লৈছিল, সি মনু আদি প্ৰাচীন যুগৰ আচাৰ্য্য সকলৰ ৰচনাবোৰৰ পৰা আহিছে বুলি ভবাৰ থল আছে যদিও মাধৱদেৱৰ কেৱলীয়া জীৱন-দৰ্শনেও ইয়াত কিছু ইন্ধন যোগাইছিল বুলি অনুমান হয়। এই সম্পৰ্কত 'শংকৰদেৱৰ দৃষ্টিত নাৰী' শীৰ্ষক নিবন্ধত ডঃ অপৰ্ণা মহন্তই আগবঢ়োৱা মতামত চাবলগীয়া ঃ

"---শংকৰদেৱে নাৰীক ভকত হিচাপেও গ্ৰহণ কৰাৰ কেইবাটাও উদাহৰণ গুৰু-চৰিতত পোৱা যায়। শংকৰদেৱৰ নিজৰ উদাৰতাৰ পৰিবৰ্তে মাধৱদেৱক কেন্দ্ৰ কৰি হোৱা নাৰী বিদ্বেষমূলক প্ৰচাৰে মহাপুৰুষীয়া ধৰ্মত নাৰীৰ স্থান নিৰ্ণয়ত ক্ৰিয়া কৰিছিল বুলি ভবাৰ থল আছে। কথা গুৰু-চৰিতৰ মতে এবাৰ শংকৰদেৱে নিজৰ সৰু জীয়েক বিষ্ণুপ্ৰিয়াৰ লগত মাধৱৰ বিবাহৰ প্ৰস্তাৱ দিছিল। মাধৱদেৱ অমান্তি হৈছিল এই কাৰণতেই যে 'মায়াময় বিষয় পশুপক্ষীৰ শৰীৰতো পায়, আক লাগি আশা ভাৰষা কৰা নাই' আৰু শংকৰদেৱক প্ৰাৰ্থনা কৰে যেন 'বিষয় বিষ বহ্নিত নেপেলাব ঠেলি' (কথাগুৰু চৰিত পৃঃ ৮৯)। এই বৈৰাগ্যৰ বলি হ'ল দুখিনী নিষ্পাপী বিষ্ণুপ্ৰিয়া। গুৰুচৰিতৰ মতে তাইৰ দিব্যৰূপৰ মায়াৰ

শক্তিৰ আশংকাত গুৰুৱে দৈবিক শক্তিৰে তাইৰ ৰূপ হৰণ কৰাত তাইৰ অকাল মৃত্যু ঘটিল। ইয়াৰ দ্বাৰাই দেখুউৱা হ'ল যে নাৰীৰ মায়া এটা ভয়ংকৰ বস্তু।" (শংকৰদেৱৰ চিন্তাত প্ৰগতিশীলতা, পৃঃ ১৭-১৮)

আমি আগতে উল্লেখ কৰি আহিছোঁ যে গুৰু-চৰিতৰ বৰ্ণনাবোৰ সৰ্বাংশে সঁচা বা অতিৰঞ্জনৰ পৰা মুক্ত নহয়। এই বৰ্ণনাৰ পৰা অন্ততঃ এইটো সিদ্ধান্তলৈ আহিব পাৰি যে শংকৰী আৰু শংকৰোত্তৰ যুগত এচাম গুৰু-ভকত আছিল, যিসকলে নাৰীক অন্তৰেৰে বুজিবলৈ অপাৰগ আছিল। নাৰী সদায় পুৰুষৰ অধীন---এনে এটি বদ্ধমূল ধাৰণাও আছিল। শংকৰী আদৰ্শৰ পিনে লক্ষ্য ৰাখি পুৰণি শাস্ত্ৰৰ অলাগতিয়াল অংশ বাদ দি লাগতিয়াল অংশেৰে পদ ৰচোঁতা অনন্ত কন্দলিয়ে লিখিছে ঃ

চৱাল কালত বাপে ৰাখিবে কন্যাক।
যুবা ভৈলে স্বামী সংগে লাগে বঞ্চিবাক ॥
বৃদ্ধকাল ভৈলে পুত্ৰে পোষে যত্ন কৰি।
তিনিয়ো কালত নাৰী নোহে স্বতন্ত্ৰী ॥ ৩৪
(কুমৰ হৰণ)

অৱশ্যে মধ্যযুগৰ সামাজিক পৰিবেশৰ কাৰণেও সেই সময়ৰ বহুলোকে নাৰী সম্পৰ্কে প্ৰচলিত ধাৰণাৰ পৰা মুক্ত হ'ব পৰা নাছিল। একাংশ গোড়া গুৰু-ভকতে যে নিজৰ অন্তৰৰ ধাৰণাবোৰ সবলতাৰে প্ৰতিষ্ঠা কৰিবলৈ শংকৰদেৱৰ নামত (বা উক্তি হিচাপে) পদ ৰচনা (প্ৰক্ষিপ্ত) কৰি শংকৰী চিন্তাত মধ্যযুগতে বিকৃতি সুমুৱালে, ই ঠিক। এহাতে বিভিন্ন কলংক দি নাৰীক ধৰ্ম ধৰিবৰ কাৰণে অযোগ্যা বুলি কোৱা হৈছে, আনহাতে শ্ৰীশংকৰদেৱৰ নাতিবোৱাৰী কনকলতা আৰু ভোগেশ্বৰী দেৱী সত্ৰাধিকাৰৰ নিচিনা পদতো অধিষ্ঠিতা হৈছিল বুলি কোৱা হৈছে---এনে কথায়ো আমাৰ সিদ্ধান্তৰ ভেটি সবল কৰিব।

এইটো কোৱা হয় যে মহাপুৰুষীয়া ধৰ্মত নাৰীৰ প্ৰৱেশ নিষেধ হোৱাত ধৰ্মমতটি লাভৱানহে হৈছে। কাৰণ, নাৰীক ধৰ্মৰ বাহিৰত ৰখাত যৌন ব্যভিচাৰ আদিৰ গ্ৰাসৰ পৰা ই মুক্ত হৈ থাকি প্ৰসাৰতা লাভ কৰিছে। এনে মতামত যুক্তিযুক্ত বুলি মানি ল'ব নোৱাৰি। কিয়নো নাৰীক সমান স্থান দিও খ্ৰীষ্টান ধৰ্মই এটি শুদ্ধ সবল ধৰ্ম ৰূপত বেছ প্ৰসাৰতা লাভ কৰিছে।

উপসংহাৰ ঃ

গুৰু-চৰিতৰ কথাবোৰক বিশ্বাসত লৈ 'মহাপুৰুষৰ বাণী' বুলি শিৰোগত কৰি মহাপুৰুষীয়া সমাজে নাৰীৰ প্ৰতি 'বিচাৰ' আগবঢ়োৱাটো উচিত নহ'ব। যিহেতু গুৰুসকল দোষ-গুণবিশিষ্ট মহাপুৰুষহে আছিল (অলৌকিক অৱতাৰ বা 'ঈশ্বৰ' নাছিল!), তেওঁলোকৰ চিন্তাত যে অলপ অচৰপ খুঁত থাকিব পাৰে---ইও ঠিক। এই 'চিন্তা' যুগৰ লগত খাপ খোৱাকৈ বিজ্ঞানসন্মতভাৱে কিছু পৰিমাৰ্জন কৰি ধৰ্ম-নীতি যুগুত কৰা উচিত। নামঘৰত নাৰীৰ প্ৰৱেশ, নাৰীৰ শৰণ-ভজন ইত্যাদি কথাবোৰ শ্ৰীশংকৰৰ উদাৰ দৰ্শন আৰু দেশৰ গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি শ্ৰদ্ধা জনাই পুনৰ মূল্যায়ন কৰাটো প্ৰয়োজনীয়। সবাতোকৈ ডাঙৰ কথাটো হ'ল নাৰীসৱে তথাকথিত সংস্কাৰ আৰু নীচাত্মিকাবোধৰ পৰা মুক্ত হোৱাটো। যুগ যুগ ধৰি 'পুৰুষৰূপী বৃক্ষৰ ছাঁত জিৰণি' লৈ থাকি নাৰীয়ে নিজৰ চিন্তা-চৰ্চাক সুপ্ত অৱস্থাত ৰখাটোৱে চাগৈ আলোচ্য সমস্যাৰ বৃহৎ উপাদান!

গুৰুসকলৰ ৰচনা-ৰাজিক যদি দৰ্শন বা সাহিত্য বুলি ধৰা যায়, তেন্তে পঞ্চাশ বছৰ আগতে ডঃ বাণীকান্ত কাকতিয়ে কৰা এটি মন্তব্য এই ক্ষেত্ৰতো উল্লেখযোগ্য ঃ

"---সাহিত্যত নাৰী-হৃদয় আৰু নাৰী স্বভাৱৰ যি বিকাশ দেখা যায়, সি কিমান পৰিমাণে পুৰুষ গ্ৰন্থকাৰসকলৰ কাল্পনিক আৰোপ আৰু কি পৰিমাণে প্ৰকৃত স্ত্ৰী-চৰিত্ৰৰ স্বাভাৱিক অভিব্যক্তি, সেইকথা বৰ্তমান শিক্ষা-বিস্তাৰৰ যুগত মৌলিক প্ৰতিভাশালী স্ত্ৰী-লেখিকা কেতবোৰ নোলায় মানে চিৰকলীয়া সমস্যা হৈয়ে থাকিব।" (নাৰী হৃদয়)

গ্ৰন্থপঞ্জী ঃ

১। বৰদোৱা গুৰু-চৰিত ঃ সম্পাদনাত---ডঃ মহেশ্বৰ নেওগ (১৯৭৭)।
২। ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিত ঃ সম্পাদক---হৰিনাৰায়ণ দত্তবৰুৱা (১৯৮৫)।
৩। কীৰ্তন আৰু নাম-ঘোষা ঃ সম্পাদক---হৰিনাৰায়ণ দত্তবৰুৱা (১৯৮০)।
৪। ৰুক্মিণী হৰণ নাট ঃ সম্পাদক---অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা (১৯৮৪)।
৫। 'The Mother Goddess Kamakhya' by Banikanta Kakati (1961)
৬। 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা'---ডঃ হীৰেন গোহাঁই (১৯৮৭)।
৭। 'শংকৰদেৱৰ চিন্তাত প্ৰগতিশীলতা' ঃ প্ৰকাশক---প্ৰস্তাৱ গোষ্ঠী, ডিব্ৰুগড় (১৯৮২)।
৮। বাণীকান্ত চয়নিকা ঃ সম্পাদক---ডঃ মহেশ্বৰ নেওগ (১৯৮১)।
৯। আজিৰ সময় ঃ বিশেষ বসন্ত সংখ্যা (১৯৮৬)
১০। কুমৰ হৰণ ঃ সম্পাদক---অধ্যাপক প্ৰসন্নৰাম দাস (১৯৮৮)।

"---আজি আমাৰ দেশৰ সমাজ ঘাইকৈ পুঁজিবাদী। ইয়াত সামন্তযুগীয় ধ্যানধাৰণা ক্ৰমে পৰিত্যক্ত। ধৰ্মই এতিয়া শোষক শাসককহে পোনে পোনে সহায় কৰে। আনহাতে সমগ্ৰ মানৱজাতি আজি সমাজতান্ত্ৰিক সমাজ ব্যৱস্থালৈ উত্তৰণ কৰিবৰ নিমিত্তে বাস্তৱপথ অৱলম্বনত উদ্যোগী। এই অৱস্থাত শংকৰ-মাধৱৰ ধৰ্মীয় চিন্তাই বিপ্লৱী চৰিত্ৰ হেৰুৱাইছে। আমি অকল অসমৰ চাৰিসীমাৰ মাজতে চকুপকাই থাকিলে বিশ্ব দৃষ্টিভংগী আয়ত্ব কৰিব নোৱাৰিম। মহাপুৰুষীয়া ধৰ্মমতৰ সিকালৰ বিপ্লৱী চৰিত্ৰ বাস্তৱ দৃষ্টিভংগীৰেই চাব লাগিব। এতিয়া যিহেতু ধৰ্মীয় চিন্তাৰ দৈন্যতকৈ সমাজ পৰিবৰ্তনৰ চিন্তাইহে অধিক গুৰুত্ব লাভ কৰিছে, আৰু এই চিন্তাইহে সামাজিকভাৱে মৌলিক সমস্যাসমূহৰ মুক্তিৰ পথ দেখুৱাব প'ৰে, সেইহেতু আমাৰ প্ৰধান কাম সমাজ পৰিবৰ্তনৰ কামত আত্মনিয়োগ কৰা। সাংস্কৃতিক ক্ষেত্ৰতো প্ৰগতিবাদী চিন্তাইহে মল পৰিবৰ্তনত সহায় কৰিব।

এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত মহাপুৰুষীয়া ধৰ্ম আৰু শংকৰ-মাধৱৰ কৰ্মৰাশিৰ অধিক বস্তুসন্মত আলোচনা হোৱাটো বাঞ্চনীয়।"

---ৰমা বৰা।

("শ্ৰীমন্ত শংকৰ-মাধৱৰ ধৰ্মমত আৰু বৰ্তমান সমাজৰ পৰিপ্ৰেক্ষিতত ইয়াৰ চিন্তা", 'কটনিয়ান', ৫৪তম সংখ্যা'।)

# সমাজ আৰু প্ৰেম

**ধ্ৰুৱ মহন্ত.**
স্নাতক ২য় বৰ্ষ (কলা শাখা)।

মানুহ সমাজপ্ৰিয় জীৱ। মানুহৰ বিকাশৰ স্বাভাৱিক ধাৰায়েই মানুহক জন্মৰ পৰা মৃত্যু পৰ্য্যন্ত সমাজৰ সৈতে নিবিড়ভাৱে সম্পৰ্কিত কৰি ৰাখে। সমাজ আৰু সামাজিক স্থিতিয়েই মানুহক ব্যক্তিস্বাতন্ত্ৰ্যৰ ধাৰণা প্ৰদান কৰে। সামাজিক অস্তিত্ব অবিহনে মানুহৰ ব্যক্তি-স্বাতন্ত্ৰ্যৰ ধাৰণাও অচল। ইয়াৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিকতেই আমি ৰুচোৰ প্ৰাকৃতিক বিকাশৰ মতবাদটো স্বীকাৰ কৰি ল'ব নোৱাৰো, কাৰণ সমাজৰ অস্তিত্বহীন এনে বিকাশে মানুহক আদিম বন্য পৰ্য্যায়লৈ ওভোতাই নিয়াৰহে সম্ভাৱনা অধিক। মানুহৰ সামাজিক স্থিতি মানুহৰ নিজৰ স্বাৰ্থতেই আৱশ্যকীয় আৰু নিজৰ প্ৰয়োজনতেই মানুহে সমাজৰ অস্তিত্ব স্বীকাৰ কৰি লয়। অৱশ্যেই এজন মানুহ সমাজৰ অন্তৰ্ভুক্ত হ'লে সমাজখনৰ অন্যান্য অংশীদাৰ-সকলৰ সৈতে তেওঁ সম্পৰ্কিত হৈ পৰে। কিন্তু মানুহৰ সৈতে মানুহৰ এই সম্পৰ্কটোক কিহে নিৰূপণ কৰে? নিশ্চিতভাৱে মানুহৰ এই সামাজিক সম্পৰ্কবোৰ নিৰূপণৰ ক্ষেত্ৰত প্ৰেমেই মধ্যস্থতাকাৰীৰ ভূমিকা লয় আৰু মূলতঃ এই প্ৰেমৰ সম্পৰ্কয়েই সমাজবিকাশৰ প্ৰক্ৰিয়াটোৰ নিয়ন্ত্ৰকৰ দায়িত্ব পালন কৰে।

প্ৰেম মানুহৰ এক স্বাভাৱিক অনুভূতি। প্ৰেম শৰীৰৰ উদ্দীপকৰ দ্বাৰা আক্ৰান্ত আচৰণৰ এক সহজাত প্ৰকাশ। সমাজ, সামাজিক দায়বদ্ধতা আৰু ব্যক্তিত্বৰ গঠন অনুযায়ী প্ৰেমে বিভিন্ন কাৰ্য্যৰ মাজেৰে স্বতঃস্ফূৰ্তভাৱে আত্মপ্ৰকাশ কৰে। অৱশ্যে প্ৰেমত কিছু পৰিমাণে বৈষয়িক শক্তি (কামভাৱ) নিহিত থাকে যদিও মূলতঃ সামাজিক সত্তাৰ সৈতে ই ওতঃপ্ৰোতভাৱে সম্পৰ্কিত আৰু প্ৰেমেই আমাৰ সামাজিক সম্পৰ্কবোৰৰ যথাযথ মূল্যায়ণ কৰে। আনহাতে প্ৰেমৰ এই সামাজিক স্থিতিয়েই মানুহৰ মনত সামাজিক দায়বদ্ধতা আৰু মানৱীয় মূল্যবোধৰ সৃষ্টি কৰে। স্পষ্ট অৰ্থত, প্ৰেমে সামাজিক আৰু যৌন, এই দুয়োবিধ মানৱীয় সম্পৰ্ককে সূচায়। আনহাতে আমি আমাৰ মানসিকতাত প্ৰেমৰ উপস্থিতি অনুভৱ কৰো। আৰু প্ৰেমৰ অস্তিত্বৰ এই অনুভৱৰ বাবেই আমি প্ৰেমক স্বৰ্গীয় বুলি অভিহিত কৰিব নোৱাৰো। **প্ৰেমৰ কোনো স্বৰ্গীয় ৰূপ থাকিব নোৱাৰে, বৰঞ্চ মানুহৰ সৈতে মানুহৰ সম্পৰ্কয়েই ইয়াক ধাৰণ কৰে।** মানৱীয় প্ৰেম মানুহৰ প্ৰাণ-শক্তিতে নিহিত থাকে আৰু প্ৰতিজন মানুহৰ কাম-কাজেই এই প্ৰেমৰ সম্পৰ্কটোক নিৰ্দিষ্ট ভিত্তি প্ৰদান কৰে। প্ৰেমে যৌন দিশৰ পৰা স্ত্ৰী-পুৰুষক, বন্ধুত্বৰ জৰিয়তে মানুহৰ সৈতে মানুহক, আত্মীয়তাৰে সন্তানৰ সৈতে পিতৃ-মাতৃক আৰু বিভিন্ন সামাজিক সম্পৰ্ক-বোৰক জীয়াই ৰাখে। পৰোক্ষভাৱে, প্ৰেমেই সমাজৰ চালিকা শক্তি যিয়ে আমাৰ পাৰস্পৰিক সম্পৰ্কবোৰৰ সঠিক মূল্যায়নৰ জৰিয়তে সমাজ বিকাশৰ প্ৰক্ৰিয়াটোক ত্বৰান্বিত কৰে। আনহাতে, যিহেতু প্ৰেমেই আমাৰ সামাজিক সম্পৰ্ক-বোৰৰ মধ্যস্থতা কৰে, সেয়েহে মানুহৰ অসচেতন সামাজিক সম্পৰ্কবোৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই অতীন্দ্ৰিয়বাদে প্ৰয়োজনীয় শক্তি আহৰণ কৰিছে। তদুপৰি, প্ৰেমৰ ওপৰত নিৰ্ভৰ কৰিয়েই ধৰ্ম সমাজৰ শক্তিশালী নিয়ন্ত্ৰক শক্তিলৈ পৰিণত হৈছে। নিঃসন্দেহে এই বিষয়-সমূহে এটা পৰ্য্যায়লৈকে আমাৰ বিকাশৰ প্ৰক্ৰিয়া-টোকে আগবঢ়াই নিছে। কিন্তু সীমাবদ্ধতা আহি পৰিছে তেতিয়াই, যেতিয়াই আমি প্ৰেমৰ সম্পৰ্কবোৰৰ সঠিক মূল্যায়নত ব্যৰ্থ হৈছোঁ আৰু তাত কৃত্ৰিমতাৰ প্ৰলেপ পৰিবলৈ দিছোঁ। ইয়াৰ বিপৰীতে এই কথাও সত্য যে প্ৰেমেই সামাজিক ৰক্ষণশীলতাৰ বিপৰীতে প্ৰগতিশীল মানসিকতাৰো জন্ম দিছে। কিন্তু প্ৰাথমিক সমস্যাটো হৈছে, প্ৰায়ক্ষেত্ৰতে আমি প্ৰেমৰ সম্পৰ্কটোক এক স্থিৰ ধাৰণাৰূপে গ্ৰহণ কৰো। ফলত বহু সময়ত ই সমাজ-বিকাশৰ প্ৰক্ৰিয়া-টোক নিশ্চিত কৰাৰ পৰিবৰ্তে বাধাগ্ৰস্তহে কৰে। আমি জানো যে আমাৰ চিৰন্তন সত্যৰ ধাৰণাটোৱেই এক ভ্ৰান্তি। সেয়েহে সময়-সাপেক্ষে প্ৰেমৰ ধাৰণাই বিস্তৃত পৰিসৰত বিভিন্ন ৰূপ ধাৰণ কৰে। কিন্তু এই সহজ সত্যটো স্বীকাৰ কৰি নোলোৱা বাবেই বিভিন্ন সময়ত নানাবিধ সামাজিক সংঘাতৰ সৃষ্টি হয়, যি প্ৰগতিশীল ধ্যান-ধাৰণাক বিপৰ্য্যস্তহে কৰে। অৱশ্যে প্ৰগতিশীলতাৰ নামত গঢ়ি তুলিব বিচৰা উশৃংখলতাকো আমি স্বীকাৰ কৰি ল'ব নোৱাৰো, কাৰণ ই সমগ্ৰ সামাজিক গাঁথনিটোকেই বিপৰ্য্যস্ত কৰে।

অৱশ্যে ফ্ৰয়েডীয়সকলে ব্যাখ্যা কৰাৰ দৰে প্ৰেমৰ সমস্ত সম্পৰ্কই ৰূপান্তৰিত কাম বা লক্ষ্যবিচ্যুত যৌনতা নহয়, হ'ব নোৱাৰে। সহজ অৰ্থত, শিশুৰ ভালপোৱাক আমি কেতিয়াও ৰূপান্তৰিত বা বাধাগ্ৰস্ত যৌনচেতনা বুলি অভিহিত কৰিব নোৱাৰো। পিতৃ-মাতৃৰ সৈতে শিশুৰ সহজাত প্ৰেম কেতিয়াও ৰুদ্ধ যৌনতা হ'ব নোৱাৰে। আনহাতেদি একে লিংগবিশিষ্ট দুগৰাকী ব্যক্তিৰ স্বভাৱসুলভ বন্ধুত্বক যদি বাধাগ্ৰস্ত যৌনপ্ৰেম আখ্যা দিয়া হয়, তেন্তে সমকামিতাক আমি কি বুলি অভিহিত কৰিম? যদিহে মানুহৰ প্ৰতি মানুহৰ স্বাভাৱিক প্ৰেমক ৰূপান্তৰিত কামৰূপে আখ্যায়িত কৰা হয়, তেন্তে নিশ্চিতভাৱেই সামাজিক বিকাশৰ ধাৰা-টোকে অস্বীকাৰ কৰা হ'ব। এই কথা নিশ্চিত যে মানুহৰ প্ৰতি মানুহৰ স্বাভাৱিক প্ৰেমৰ বাবেই মানুহে সামাজিক দায়বদ্ধতাক স্বীকাৰ কৰি লয় আৰু সামাজিক দায়বদ্ধতাৰ এই অনুভৱেই প্ৰগতিশীল ধ্যান-ধাৰণাৰো জন্ম দিয়ে। নিঃসন্দেহে প্ৰগতিশীল চিন্তা-চৰ্চাই ঘটোৱা সামাজিক উত্তৰণ কেতিয়াও যৌনবিকৃতিৰ ফল হ'ব নোৱাৰে। 'আচলতে মানুহৰ সামাজিক সম্পৰ্কসমূহ যৌন সম্পৰ্কৰ পৰা উদ্ভূত বুলি কোৱাৰ পৰিবৰ্তে যৌন সম্পৰ্ককহে এক সামাজিক সম্পৰ্ক ৰূপে নিৰ্ণয় কৰা উচিত। যৌনতা আমাৰ সমাজ জীৱনৰ এক অংশহে, ই কেতিয়াও স্বতন্ত্ৰ বা পূৰ্ণাংগ নহয়।' আমাৰ

সামাজিক সম্পৰ্কবোৰত যৌন সম্পৰ্কৰ প্ৰভাৱ অৱশ্যেই আছে, কিন্তু যৌন সম্পৰ্কই সামাজিক সম্পৰ্কৰ একমাত্ৰ উপাদান নহয়, ইয়াত অৰ্থনৈতিক তথা অন্যান্য সম্পৰ্কবোৰো গভীৰভাৱে সন্নিবিষ্ট হৈ আছে। এটা সহজ উদাহৰণ লওঁ---প্ৰাকৃতিক দুৰ্য্যোগ বা দুৰ্ভিক্ষৰ সময়ত পৰিবেশসাপেক্ষে মানুহৰ ভালপোৱা হ্ৰাসো পায়, বৃদ্ধিও হয়। 'মূলতঃ মানুহৰ অৰ্থনৈতিক সম্পৰ্কৰ সৈতে প্ৰেমৰ সম্পৰ্কক সঠিকভাৱে যুক্ত কৰিব পাৰিলেহে সামাজিক সচেতনতাই পৰিপূৰ্ণতা লভে।' অৱশ্যে কেৱল অৰ্থনৈতিক সম্পৰ্কৰ মাজেৰে সামাজিক সম্পৰ্ক নিৰ্ণয়ৰ ধাৰণাটো কিমানদূৰ সঠিক, সেয়া নিশ্চিতভাৱে ক'ব নোৱাৰি, যিহেতু অৰ্থনৈতিক সম্পৰ্কৰ ধাৰণাটোও স্বতন্ত্ৰ নহয়।

স্বাভাৱিকতেই ব্যক্তি আৰু সমাজ উভয়েই পাৰস্পৰিক অবিচ্ছেদ্যভাৱে সম্পৰ্কিত। সমাজক এৰি ব্যক্তিৰ স্বতন্ত্ৰ অস্তিত্ব সম্ভৱ নহয়। আনহাতে প্ৰেমৰ মাজেৰে গঢ়ি উঠা আমাৰ সামাজিক সম্পৰ্কবোৰেই ব্যক্তিত্ব গঠনৰ জৰিয়তে মানুহক ব্যক্তি স্বাধীনতা প্ৰদান কৰে। কিন্তু প্ৰেমৰ সম্পৰ্কৰ সুস্থ মূল্যায়নৰ অবিহনে ব্যক্তি স্বাধীনতাৰ এই ধাৰণাই উশৃংখলতাৰ ৰূপতহে আত্মপ্ৰকাশ কৰে। তেনেক্ষেত্ৰত সামাজিক দায়বদ্ধতা আৰু নাৰী-পুৰুষৰ সুষম বুজাবুজিৰ অভাৱত যৌনপ্ৰেম অন্ধ কামনালৈ পৰ্য্যবসিত হয়, যাৰফলত প্ৰেমিক-প্ৰেমিকা দেখাত ধুনীয়া হোৱা, নাৰীক পুৰুষৰ ব্যক্তিগত সম্পত্তিৰ দৰে ব্যৱহাৰ কৰা আদি বিবেচনাইহে অগ্ৰাধিকাৰ লাভ কৰে। স্বাভাৱিকতেই প্ৰেমৰ নামত এনেবোৰ উশৃংখলতাই সমাজবিকাশৰ ধাৰাটোকেই বিপৰ্য্যস্ত কৰে। এনে অন্ধ আবেগে মানুহৰ মানৱীয় মূল্যবোধকো বিধ্বস্ত কৰে, যিয়ে সামাজিক সম্পৰ্কবোৰৰ দ্ৰুত অৱনতি ঘটায়। আমি ব্যক্তি-স্বাধীনতাক স্বীকাৰ কৰি ল'বলৈ হ'লে সামাজিক সম্পৰ্কবোৰকো স্বীকাৰ কৰি ল'ব লাগিব আৰু তেনে ক্ষেত্ৰত নাৰী-পুৰুষৰ যৌনপ্ৰেমৰ বিকাশো সামাজিক সম্পৰ্কৰ মাজেৰেই ঘটিব লাগিব।

**এই প্ৰেমৰ সম্পৰ্কটো জাপি দিয়া বা কামনা সৰ্বস্ব হোৱাৰ পৰিবৰ্তে এক সুস্থ বুজাবুজিহে হোৱা উচিত, যিয়ে সামাজিক দায়বদ্ধতাক সম্পূৰ্ণৰূপে স্বীকাৰ কৰি লয়।** আমাৰ সকলো ধৰণৰ প্ৰেমৰ সম্পৰ্কই এক সামাজিক সম্পৰ্কহে আৰু নিশ্চিতভাৱেই এই সম্পৰ্কৰ বিকাশ মানৱীয় মূল্যবোধৰ মাজেৰে ঘটিব লাগিব, যিয়ে মানুহক সৈতে মানুহৰ পাৰস্পৰিক সম্পৰ্কৰ লগতে সামাজিক উত্তৰণৰ প্ৰক্ৰিয়াটোকো এক শক্তিশালী ভিত্তি প্ৰদান কৰিব। ***

"---পৃথিৱীৰ আটাইবোৰ লোকগীতৰ অধিকাংশই দেখা যায় ডেকা-গাভৰুৰ মাজত হোৱা প্ৰেমৰ আলমত গঢ়ি উঠিছে। প্ৰেম মানুহৰ সহজাত আদিম প্ৰবৃত্তি। জীৱনলৈ যৌৱন অনাহুতভাৱে আহে; কিন্তু যৌৱন আহোঁতে অকলশৰে কেতিয়াও নাহে। ই লগত লৈ আহে প্ৰেম, কামনা, বাসনাৰ এক তীব্ৰ অভীপ্সা। নাৰী-পুৰুষৰ মাজত মিলনৰ দুৰ্বাৰ আকাংক্ষাই হয়তো প্ৰেমৰ সৃষ্টি কৰে; নাইবা বিশ্ববিখ্যাত মনোবৈজ্ঞানিক ফ্ৰয়দৰ মতে ক'বলৈ হ'লে নাৰী-পুৰুষৰ আদিম যৌন-প্ৰবৃত্তিক নিবৃত্তি কৰাৰ প্ৰবল আকাংক্ষাৰ অভিব্যক্তিয়েই প্ৰেম হ'ব পাৰে। ফ্ৰান্সৰ এটি লোকগীতত আছে ঃ "It's love, it's love that makes the world go round." সেই নিচিনাকৈ আমাৰ অসমীয়া কবিয়েও কৈছে, "প্ৰেমত ঘূৰিছে ভূ-মণ্ডল, প্ৰেমত ফুলিছে শতদল।" প্ৰেম পৃথিৱীৰ আদিম সৃষ্টি, ইয়াক অস্বীকাৰ কৰাৰ ক্ষমতা কাৰো নাই। প্ৰাচীন লোক সমাজৰ ডেকা-গাভৰুৰ মাজত যি প্ৰেমৰ সৃষ্টি হৈছিল তাক প্ৰকাশ কৰিবলৈ তেতিয়াৰ দিনত একমাত্ৰ গীতত বাহিৰে আন একো নিৰ্ভৰযোগ্য সঁজুলি নাছিল। বহুত ডেকা-গাভৰুৱে প্ৰথম প্ৰেমৰ কবলত পৰি মনৰ ইচ্ছামতে জোৰাই জোৰাই গীত গাইছিল। 'পীৰিতিৰ আবেগত উথলি উঠা মনত আঁৰ নেথাকে। নিজান পৰিবেশৰ সুবিধা লৈ মনৰ তলিৰ গোপন কথাবোৰ হিয়া উদিয়াই কৈ দিব খোজে। তাকে কওঁতে ভাষাই পাৰ ভাঙি যায়, শব্দই মুক্তি বিচাৰে, কথাবোৰ কবিতা হৈ যায়, কবিতাবোৰ পমি গীত হৈ সিৰে সিৰে সোমাই যায়।'---"

—ক্ষীৰেন্দ্ৰ চন্দ্ৰ ৰয়, "গোৱালপৰীয়া লোকগীতত প্ৰেম", 'কটনিয়ান', ৩৮শ সংখ্যা।

# কাৰ্‌বি জন-সমাজত গীত-মাত

**অষ্টম কাঠাৰ,**
স্নাতক ১ম বৰ্ষ (কলা শাখা)।

কাৰ্‌বি।

তিব্বত বৰ্মীয় গোষ্ঠীৰ এটা ঠাল। কাৰ বি সকল অসমৰ ভৈয়াম আৰু পাৰ্বত্য দুয়োটা অঞ্চলতে সিঁচৰতি হৈ আছে। কাৰ্‌বি লোক-সকলৰ শিক্ষা আৰু আৰ্থিক দিশটো পিছপৰা বাবে জীৱন যাপনৰ পদ্ধতিত এক সহজ-সৰল আৰু তুলনামূলকভাৱে আনআন জনগোষ্ঠীতকৈ নিম্ন বুলিব পাৰি। অৱশ্যে এষাৰ কথা আছে, "যি জাতিৰ নিজা সাহিত্য আছে, যি জাতিৰ সংগীত আছে, নৃত্য আছে সি জাতি চহকী নহলেও দুখীয়া নহয়।" গতিকে সেই কথাৰ আলমত চাবলৈ গ'লে কাৰ্‌বিসকল কোনো গুণে কোনোফালে কম নহয়। কাৰ বি-সকল কৃষ্টি-সংস্কৃতিৰে পুষ্ট এটা জাতি। কৃষ্টিৰ পুজাৰী কাৰ্‌বিসকলৰ মাজত লিখিত পদ-পুথিৰ তুলনাত মৌখিক গীত-মাতেই বেছি। কাৰ্‌বিসকলৰ পূৰ্বপুৰুষসকল শিক্ষিত নোহোৱা-টোৱেই ইয়াৰ মূল কাৰণ। কাৰ্‌বি লোক-সাহিত্যসমূহ ছন্দোবদ্ধ আকাৰত কবিতাৰ ৰূপত পোৱা যায়। কাৰ্‌বি জনসমাজৰ মাজত প্ৰচলিত 'ৰেত কিনং আলুন' (ঝুম খেতি কৰা গীত), 'লুন ফাৰৰঃ' (বনগীত), 'দমাহী কিকান আলুন' (বিহুগীত), 'অছ কিপাদক আলুন' (নিচুকনি গীত), 'মিচংক্ৰেৎ আলুন' (যঁতৰৰ গীত), 'ছংনক কাছিংদাং আলুন' (ঢাল-তৰোৱাল গীত) আদিয়ে কাৰ্‌বি জনজীৱনক সুৰেৰে-গানেৰে বান্ধ খুৱাই ৰাখিছে। কাৰ্‌বি জনজীৱনৰ স্বাক্ষৰ স্বৰূপ এই গীতসমূহ পৰ্য্য-বেক্ষণ কৰি পৰ্য্যালোচিত প্ৰণালীৰে বিচাৰ কৰি চোৱা যাওক।

কাৰ্‌বিসকল স্বভাৱতেই কৃষিজীৱী। পাহাৰী জাতি হিচাপে তেওঁলোকৰ শস্যক্ষেত্ৰ পাহাৰ বোৰেই আছিল। পাহাৰৰ এচলীয়া খণ্ডসমূহ খেতিৰ ক্ষেত্ৰ হিচাপে এবছৰৰ বাবে নিৰ্বাচন কৰি লয় আৰু তাত শস্য ছটিয়ায়। পাহাৰৰ অটব্য বননি চিকুণাই গুটি সিঁচিবৰ সময়ত ডেকা-গাভৰু, বুঢ়া-বুঢ়ীসৱে মিলি শাৰী পাতি কোবেৰে মাটি চহায় আৰু 'ৰেত কিনং আলুন' গাই গাই এক বিশেষ ভংগীমাৰে নৃত্য কৰি সমস্বৰে গায়ঃ

> ইংহে ৱা অ হয়লে হাই সৰি লাও
> হাই হাই।---অ' ৱাংৱে অ' লাছে
> কাৰবি আপানিং আহি ৱাংৱে--॥

'ৰেত কিনং আলুন'বোৰত বিৰহবেদনা বিধুৰ বৰ্ণনা পোৱা যায়। এই গীতসমূহৰ জৰিয়তে বীৰত্বপূৰ্ণ ৰস-বৰ্ণনাও পোৱা যায়।

"কপাহ কাৰ্‌বি জাতিৰ মান।" সেয়েহে কাৰবিসকলে ঝুম খেতিৰ লগতে কপাহৰ গুটি সিঁচি নিজৰ মান-মৰ্য্যাদা ৰক্ষা কৰে আৰু নিজকে কাৰবি বুলি পৰিচয় দিয়ে। কপাহৰ পৰা সূতা নেওঠা সময়ত কাৰ্‌বি বোৱাৰী-জীয়ৰীসকলে 'মিচংক্ৰেৎ আলুন' (যঁতৰৰ গীত) গায়ঃ

> ফলহ নেমপ টি-টি-নে
> ইথান ইমান ছিপাৰজাপ নাং---
> ৰেৎ ছঃ নং লা জন্ জন
> ফলহ নেমপঃ টি টি নে
> ইথান-ইমান ছিপাৰজাপ নাং।

'মিচংক্ৰেৎ আলুন'সমূহত প্ৰেম-পিৰীতি স্বদেশ প্ৰেমৰ সুৰ সাৰ্বজনীন।

অসমীয়া 'বনগীত'ৰ লেখীয়া কাৰ বি জনসমাজতো 'লুন ফাৰৱঃ' নামৰ এজাত গীত আছেঃ

> ক্ৰুত মামা পাঁচি কিলেত
> ফাৰকং আৰি আৰকেং নাংলেপ
> আৰকেং কিমেন-বিথি কিমেন
> লাদৈ-ভাদৈ আফাৰ লেপ।

(অ' পাঁচিৰ ফাঁকেৰে পাৰ হৈ যোৱা ছটফটীয়া মামাটো! শিমলুগছৰ গুৰিত বহি তামোল এখন কাটাহি---পকা তামোলৰ ৰঙৰ দৰে লাদৈ (এজনী ছোৱালীৰ নাম) আৰু পকা পানৰ ৰঙৰ নিচিনা ভাদৈ; ইহঁতৰ আজি কিয়বা ইমান চঞ্চলতাৰ বা'---) এই জাতীয় গীত সমূহত প্ৰেমৰ উচ্ছ্বাস আৰু অৱদমিত যৌৱনৰ আভাস পোৱা যায়। কাৰ্‌বি 'লুন ফাৰৱ'-সমূহ বিশেষকৈ ডেকা গাভৰুৰ যৌৱনসুৰীয়া। ইয়াত প্ৰেমেই মুখ্য স্থান পায়।

অসমৰ বাপতিসাহোন বিহু আৰু কাৰবি-সকলৰ 'দমাহী কিকান'ৰ এটা পাৰ্থক্য পৰি-লক্ষিত হোৱা দেখা যায়। 'দমাহী কিকান'সমূহ ঢাল-তৰোৱাল লৈহে নাচে, ইয়াত গীত প্ৰায় নায়েই। 'ঢোল' আৰু 'কালি'ৰে দীঘলীয়া সুৰৰ ৰাগিনী তুলি নচা হয়। অসমীয়া হুচৰি গীতৰ নিচিনাকৈ দমাহী কিকানৰ পিছত ৰাইজে গৃহস্থৰ ঘৰত মঙ্গল কামনা কৰি 'বৰ' দিয়ে।

কাৰ্‌বি জনসমাজৰ 'অছঃ কিপাদক আলুন' (নিচুকনি গীত) সমূহ অসমীয়া নিচুকনি গীতৰ লগত মিল থকা দেখা যায়। এইবোৰ গীতৰ উপজীব্যসমূহ হ'ল ভূত-প্ৰেত, বাঘ-ভালুক, জোন-বেলি, বান্দৰ আদি। শিশুৰ মনত সাচ বহুৱাব পৰাকৈ সেইবোৰৰ বৰ্ণনা পোৱা যায়। শিশুৰ মনক পতিয়ন নিয়াব পৰা সুন্দৰ বৰ্ণনাৰে এই 'অছ কিপাদক আলুন'সমূহ সমৃদ্ধঃ

> অ' মালং পে পে
> অ' মালং পে পে
> নাংছকে নাংছকে
> মুমুহ ছপন দেত দেত।
> পাছপন তিনে পাছপন নাং
> ডুমুৰু আঠে মেন জহ-জহ
> কামপি চপন দেত।

(অ' জোনবাই, অ' জোনবাই, তোমাৰ পেংনাটিক চিলনীয়ে লৈ গ'ল---নিলে নিব দিয়া, তাত বহুত ডিমৰু গুটি পকি আছে। ৰঙা-ৰঙা ডিমৰুবোৰ বান্দৰে খাই শেষ কৰিব; গতিকে তাকেহে আনিবলৈ পোনাটি গৈছে।)

সেইদৰে---

> অ' বেঙ ছেৰেৰেট---অ' বেঙ ছেৰেৰেট
> সমবাৰ আনি ৱাঙে তাং
> হামব্ৰিক ইংটৰেন-লকাই
> হামব্ৰিক ইংটৰেন।

[ অ' জিলিজনী, অ' জিলিজনী তোমাৰ মাৰা সোমবাৰে হেনো আহিব; জলকীয়া ছিডি থবা। অহা মাত্ৰকে মুখ ভৰাই জলকীয়া এগাল খুৱাই দিবা। (জিলিৰ মৃত্যু মাকৰ অত্যাচাৰৰ বাবে হৈছিল)। ] মুঠতে হুৰেক ৰকমৰ অছ'-কিপাদক আলুনেৰে কাৰ্বি বোৱাৰী জীয়ৰী-হঁতে বোকোচাৰ কেচুৱা নিচুকাই তেনেদৰে গায়।

কাৰ্বিসকলৰ 'থেংলাছ আলুন' বা খৰি আনিবলৈ যোৱা গীতসমূহো সংস্কৃতিৰেই এনাজৰী। পুৱাৰ বাহী বন কৰি উঠি কাৰ্বি বোৱাৰী-জীয়ৰীহঁতে বুকুত মেখেলা আৰু কঁকালত 'ৱানকক' লৈ হাতত 'ছিনাম' আৰু 'নকপাক' লৈ পাহাৰৰ লুঙলুঙীয়া পথেৰে খৰি আনিবলৈ জাক পাতি আগবাঢ়ে 'কিফহ আজু' লৈ। অৱশ্যে গাভৰু ছোৱালীয়ে বুঢ়ী আৰু বোৱাৰীসকলৰ লগত সাধাৰণতে একেলগে নাযায়। গাভৰু ছোৱালীবোৰে একগোট হৈ 'কিফহ আজু'লৈ যায়।

খৰিৰ বোজাসমূহ এঠাইত থৈ গাভৰু ছোৱালীবোৰে মনৰ গোপন বতৰাবোৰ ইজনীয়ে সিজনীক জনায় আৰু গায় 'থেংলাংছ আলুন'। গাভৰু ছোৱালীবোৰে আনন্দতে কিৰিলি পাৰে। পাহাৰৰ গহীনতা নেওচি সুৰবোৰ ফাটি আহি ঠেকা খায় টিলাই টিলাই—

ইংলংপে আজন জন
ৰ-হাৰ ৰবেক—ৰহাৰ ৰহবেক
মঙলহাট আগা দাম তিনে
নে ৱান পিক ইচাং আলেক।

(পাহাৰৰ গছ-বনৰ আঁৰে আঁৰে অলেখ বনৰীয়া চৰাই, হেৰা, মঙলবৰীয়া হাটলৈ গ'লে এডাল মণি আনিবা দেই চেনাই।)

'ছেংনক কাচিংদাং আলুন' (ঢাল-তৰোৱাল ল নচা গান) কাৰ্বি সংস্কৃতিৰ এক উজ্জ্বল নিদৰ্শন। হাতত 'ছেং' (ঢাল) আৰু 'নক' তৰোৱাল) লৈ 'মুৰি'ৰ (কালি) সুৰে সুৰে এক দ্ভু সুৰৰ ভংগীমাৰে নাচে।

কাৰ্বিসকলে মাংগলিক কাৰ্য্য বা পূজা পাতল বিশেষ বিশেষ গীত-মাতৰ জৰিয়তে সম্পন্ন কৰে। বৰ্তমানে প্ৰায় বিলুপ্তিৰ পথত থকা কাৰ্বিসকলৰ 'ছমাংকান' এক বিশেষ নৃত্য গানৰ সমাহাৰ। এই নৃত্য-গীতৰ অন্তৰালত থাকে কাৰুণ্যৰ ছাপ। কোনো এজন ব্যক্তিৰ মৃত্যুৰ পিছত শৱটোক বগা কাপোৰেৰে ঢাকি আঠ-ন দিন পৰ্য্যন্ত ৰখি মৃতদেহ-টোৰ চৌপাশে ঘেৰি ডেকা-গাভৰুবোৰে করুণ সুৰেৰে মানৱ দেহাৰ অস্থায়িত্বক স্বীকাৰ কৰি জীৱন কালত সজ কৰ্মৰ জৰিয়তে যে স্বৰ্গ প্ৰাপ্ত হ'ব পাৰে এই কথা ঘোষণা কৰে। মুঠতে মিলিত কণ্ঠেৰে গোৱা করুণাত্মক গীতৰ মাজে মাজে এক বিশেষ সুৰ দি ঢোল বজাই পৰিবেশটো জয়াল কৰি তোলে। পুৱাৰ পৰা মাজ নিশালৈ এই করুণ গীত গাই বিশেষ ভংগীমাৰে নাচে। অৱশ্যে আজিকালি ই একেবাৰে লোপ পোৱাৰ দৰে হৈছে। ইয়াৰ লোপ পোৱাৰ কাৰণসমূহ বিচাৰ কৰি চালে দেখা যায় যে মৃতদেহ এটাৰ চৌপাশ ঘেৰি দিনে-নিশাই নাচি নাচি মুহূৰ্তবোৰ পাৰ কৰাই দিলে স্বাস্থ্যৰ পক্ষে অনিষ্টকৰ। ইয়াৰ উপৰিও ডেকা-গাভৰুসকলক মৃতকৰ পৰিয়ালে খোৱা-বোৱাৰ যোগান ধৰিব লগা হোৱাত ব্যয়বহুল হৈ পৰে। ইয়াক আজিকালি মঞ্চত সংৰক্ষণ কৰি ৰখাহে হৈছে। ইয়াৰ বাহিৰে অন্য উপায় নাই।

এইবোৰ অতীতৰ কাৰ্বি জীৱনত নিত্য-ব্যৱহাৰ্য বস্তু আছিল। কিন্তু আধুনিকতাৰ মহা-মন্ত্ৰই আজি ভূপৃষ্ঠৰ অনু-পৰমাণুকো যেন অব্যাহতি দিয়া নাই। ইয়াৰ প্ৰভাৱ কাৰ্বি জনজীৱনৰ ওপৰতো নপৰাকৈ থকা নাই। অপ্ৰিয় হ'লেও সঁচা যে তাহানিৰ জংঘলী-জংঘলী স্বভাৱটো পৰিহাৰ কৰিছে আজিৰ কাৰবি জনসমাজে। সময়ৰ গতি যুঁজত কাৰ্বি সকল বিজয়ী নহয় বুলি ধৰিলেও পৰাজিত সৈনিক বুলিও ধৰিব নোৱাৰি। প্ৰগতিৰ পথেৰে তেওঁলোক আগবাঢ়িছে। আধুনিক সমাজ-খনৰ জটিল আবেষ্টনি ওফৰাই কাৰ্বিসকলেও জগতখনক এবাৰ চাবলৈ চকুত সপ্তৰঙী কাজল লগাই পোহৰৰ বাটে দৃষ্টি মেলাইছে, নতুন ভংগীমাৰে নতুনক আদৰিবলৈ আজিৰ কাৰ্বিসকল হৈ পৰিছে ক্ষুব্ধ। সেই প্ৰবাহৰ ধাৰাৰে জন্ম হৈছে 'লুনু কিমি' (Modern Songs), 'কাছিংবাৰ আলুন' (Chorus)। আধুনিক সমাজৰ ভাবধাৰাৰে এইবোৰ ৰচিত। 'লুন কিমি'ৰ নিদৰ্শন বিচাৰ কৰি চালে দেখা যায় যে - - -

"অ' থেংৰাক পিয়ক ছিংফাৰমান নাং
পিয়ক ইংজুল মান ?
ইংজুল ইংজুল ছি দমান
লা শুমছি মিৰ ক্ৰংমান
লাতা ক্ৰেঙদেত মান—নাং পিয়ক
ইংজুল মান ?--"

(অ' থেংৰাক (এবিধ বনৰীয়া ফুল), তই বাৰু কিয় ফুল ? তই বাৰু ভৰ ৰূপ যৌৱনেৰে কিয় সৰি যাব ? তলসৰা 'থেংৰাক' গোটাই মই এধাৰি মালা গাথোঁ। কিন্তু সিও এসময়ত মৰহি শুকাই যায়।)

'কাচিংবাৰ আলুন' (সমবেত সংগীত) আজিকালি জনপ্ৰিয় হৈ পৰিছে। ইয়াত কাৰ বি জনজীৱন কিয় ইমান অজ্ঞতাৰ ডোলত বন্দী, ইয়াৰ মুক্তি প্ৰাণোদিত সুৰৰ মূৰ্চ্ছনা পোৱা যায়—

দামেনাং দৌ—দামে নাংদৌ
কিথেক আলং কিৰে লং
ছিপ্ নাং দৌ।
---আও কিদাম ফেৰেৰে
হানে ঐ আফেল কিদাম ফেৰেৰে
দামমেনাং দৌ---॥

(বল বল বল—আগবাঢ়ি যাওঁ বল। পূৰ্ণ জ্ঞান ভাণ্ডাৰেৰে আমি আগুৱাম—আগবাঢ়ি যাওঁ বল--)

***

"কোনো জনজাতিৰ বিষয়ে জানিবলৈ হ'লে সেই জনজাতিৰ ধৰ্ম, ভাষা, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে জ্ঞান আৰু অধ্যয়ন থাকিব লাগিব আৰু সেইবোৰৰ বিষয়ে জানিবলৈ হ'লে সেই জনজাতিৰ হিয়াৰ আমঠু, কলিজাৰ এডুখৰি আৰু বুকুৰ এফাল হ'বলৈ শিকিব লাগিব।" —কলাগুৰু বিষ্ণু ৰাভা।

# জীৱ সৃষ্টিৰ অন্তৰালত

**পান্নালাল গোস্বামী,**
ৰসায়ন বিজ্ঞান বিভাগ।

["Theory of Panspermia" বা শুক্ৰাণু-তত্ত্ব মতে ভিন ভিন গ্ৰহৰ পৰা পৃথিৱীৰ বুকুলৈ শুক্ৰাণু ভাহি আহিলে (ফুলৰ পৰাগৰেণু বিস্তাৰৰ দৰে) আৰু তাৰপৰা ক্ৰমাগত জৈৱিক বিবৰ্তনৰ মাজেদি জন্ম হ'ল বিভিন্ন উদ্ভিদ আৰু প্ৰাণীৰ। বাইবেলৰ উক্তি হ'ল ঈশ্বৰৰ দ্বাৰা এই পৃথিৱীলৈ আদম আৰু ঈভৰ প্ৰেৰণ আৰু তেওঁলোকৰ বাবে প্ৰয়োজনীয় আন আন বস্তুৰ সৃষ্টি, অৰ্থাৎ জীৱসৃষ্টিৰ মূলতে বহিৰ্জগতৰ ক্ৰিয়াকলাপ। ভাৰতীয় দৰ্শনমতে জীৱ মাত্ৰই অমৃতৰ সন্তান। নিঃসন্দেহে এইবোৰ পৌৰাণিক আৰু অনুমানভিত্তিক মতবাদ।

আকৌ, জীৱজগতক বিশ্লেষণ কৰিলে দেখা যায় যে ই কেইবাটাও মৌলিক উপাদান (যেনে কাৰ্বন, অক্সিজেন, হাইড্ৰোজেন, নাইট্ৰোজেন ইত্যাদি)ৰ দ্বাৰা গঠিত। এই উপাদানবোৰে বিভিন্ন যৌগিক প্ৰক্ৰিয়াৰ জৰিয়তে আমাৰ এই পৃথিৱী নামৰ ৰসায়নাগাৰত উৎপন্ন কৰিলে নানাবিধ জৈৱযৌগ আৰু এইবোৰেই ক্ৰমান্বয়ে বিভিন্ন জৈৱ বিৱৰ্তন মাজেদি জন্ম দিলে এই জীৱ জগতক। ইয়াৰেই যৌক্তিকতাৰ পম খেদি--- ]

নানাবিধ জীৱাশ্ম আদি পৰীক্ষা কৰি প্ৰমাণ পোৱা গৈছে যে পৃথিৱীৰ জন্মলগ্নৰ এশ কোটি বছৰৰ পাছৰ পৰাই জীৱজগতৰ প্ৰাথমিক স্তৰৰ সূচনা হয়। জীৱসৃষ্টিৰ বাবে প্ৰয়োজনীয় অনুকূলতম পৰিবেশ গঠন হ'বলৈয়ে এই দীঘলীয়া সময়ছোৱাৰ আৱশ্যক হয়। স্বাভাৱিকতেই প্ৰশ্ন হয়, এই এশ কোটি বছৰৰ ভিতৰত পৃথিৱীৰনো কেনে ধৰণৰ পৰিবৰ্তন হয়। এইক্ষেত্ৰত বিশেষভাৱে মন কৰিবলগীয়া কথা হ'ল, জীৱৰ বাবে অত্যাৱশ্যকীয় অক্সিজেন তেতিয়াৰ পৰিবেশত মুক্ত অৱস্থাত নাছিল। তেতিয়া আছিল জলীয় বাষ্প, মিথেন, এমোনিয়া, কাৰ্বন-ডাই-অক্সাইড, কাৰ্বন-মন'ক্সাইড, হাইড্ৰ'জেন-ছালফাইড ইত্যাদি নানাবিধ যৌগ।

মহাবিস্ফোৰণৰ পাছত পৃথিৱীৰ উপৰিভাগ প্ৰাথমিক তপ্ত অৱস্থাৰ পৰা ক্ৰমান্বয়ে পানীৰ বাষ্পীভৱন তাপমাত্ৰাৰ তললৈ নামি আহে। ফলত জলীয় বাষ্পসমূহে পানীৰ ৰূপ ল'বলৈ ধৰে আৰু এনেদৰেই সমুদ্ৰৰ সৃষ্টি হয়। ইয়াৰ উপৰিও বায়ুমণ্ডলত থাকে পূৰ্ব উল্লিখিত গেছসমূহ। এই অৱস্থাটো হ'ল এক বিজাৰণ-ক্ষম অৱস্থা (Reduction atmosphere)। অক্সিজেন নথকাৰ হেতুকে তেতিয়া বায়ুমণ্ডলত ওজ'ন স্তৰো নাছিল। ফলত অতি বেঙুনীয়া ৰশ্মি (Ultra--Violet rays) পৃথিৱীলৈ আহিব পাৰিছিল আৰু ই কৰিব ধৰিছিল 'মুক্ত-মূলক'ৰ লীলাখেলা (free-radical reaction), অৰ্থাৎ, ভাঙোন আৰু যোজন। ইয়াৰ উপৰি আকৌ মহাকাশত চলিছিল 'অতি উচ্চমাত্ৰাৰ তড়িৎ বিভৱ সম্পন্ন বৈদ্যুতিক স্ফুলিংগ' (High voltage electric spark)ৰ তাণ্ডৱ। এইবোৰ পৰিঘটনাৰ লগতে আছিল পৃথিৱীৰ বুকুত সঞ্চিত হৈ থকা বিভিন্ন তেজস্ক্ৰিয় পদাৰ্থৰ বিকীৰণ আৰু উল্কাপিণ্ড আদিৰ আঘাতজনিত শক্তি। উল্লিখিত ৰাসায়নিক ক্ৰিয়াসমূহৰ সন্মিলিত প্ৰভাৱতে যোজনবিযোজন প্ৰক্ৰিয়াৰে প্ৰাণ-বিন্দুৰ উপাদান (এমিনো এচিড ইত্যাদি) সৃষ্টি হ'বলৈ আৰম্ভ কৰিলে।

এই সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত ইউৰে আৰু মিলাৰ নামৰ দুগৰাকী বিজ্ঞানীৰ পৰীক্ষাৰ কথা উল্লেখ কৰিব পাৰি। তেওঁলোকে এটা বিশেষ ধৰণৰ 'ফ্লাস্ক'ত মিথেন, জলীয়বাষ্প, এমোনিয়া ইত্যাদি কেইটামান যৌগ (পৃথিৱীৰ আৰম্ভণিৰ সময়ত থকা বায়ুমণ্ডলৰ যৌগবোৰ) লৈ কৃত্ৰিম চাপৰ সৃষ্টি কৰি তাৰ মাজেদি কেইবাঘণ্টা ধৰি অতি উচ্চ মাত্ৰাৰ তড়িৎ বিভৱ সম্পন্ন বৈদ্যুতিক স্ফুলিংগ চালিত কৰিছিল। পাছত দেখা গ'ল যে তাত কেইবাধৰণৰ জৈৱ ৰাসায়নিক বস্তু (এলডিহাইড, কাৰ্বক্সাইলিক এচিড, এমিনো এচিড ইত্যাদি) উৎপন্ন হৈছে। উপৰোক্ত গৱেষণাটো অতি সাধাৰণ পৰ্য্যায়ৰ আছিল, তথাপিতো ই যথেষ্ট তাৎপৰ্য্য বহন কৰিছে। এনেদৰেই যোজন-বিযোজনৰ প্ৰক্ৰিয়াৰে প্ৰকৃতিয়ে কেইবা (প্ৰায় ডেৰশ) কোটি বছৰ ধৰি লাহে লাহে ৰাসায়নিক সংশ্লেষণ (Chemical synthesis) কৰিছিল বিভিন্ন এমিনো এচিড,, যেনে— লিউচিন, আইছ'লিউচিন, থ্ৰিয়'নিন, লাইচিন ইত্যাদিৰ (প্ৰোটিন প্ৰস্তুত কৰাৰ কাৰণে); বিভিন্ন ধৰণৰ চেনি, যেনে ৰিবোজ, ডি-অ'ক্সি-ৰিবোজৰ; বিভিন্ন ধৰণৰ ক্ষাৰীয় পদাৰ্থ, যেনে এডেনোচিন, গুৱানিন ইত্যাদিৰ; বিভিন্ন ফচফেটৰ (নিউক্লিক এচিডৰ কাৰণে); আৰু প্ৰস্তুত কৰিছিল লিপিড ফ্লেবিন ইত্যাদি ৰাসায়নিক যৌগ। এই উপাদানসমূহে জীৱ-সৃষ্টিৰ পথত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বুলি সহজেই অনুমান কৰিব পাৰি।

এমিনো এচিডবোৰ হ'ল Monomers, আনহাতে প্ৰোটিনবোৰ Polymers। একে ধৰণে নিউক্লিক এচিডো Polymer। দেখা গ'ল যে Polymer ৰ সৃষ্টিৰ কাৰণে monomer কেইটা একেলগ হ'ব লাগিব। ইয়াৰ কাৰণে সিহঁতৰ সম্ভাব্য বাহক পানীও হ'ব পাৰে বুলি কেইজনমান বিজ্ঞানীয়ে মত দিলে। কিন্তু পানীৰ পৰিবেশত বহুলাংশীকৰণ (Polymerisation) হ'ব জানো? কিয়নো এমিনো এচিড 'বহুলাংশীকৰণ'ত Polymer ৰ লগত পানীও Product হিচাপে ওলায়; এই অৱস্থাত পানীৰ মাজত এই বিক্ৰিয়া হোৱাৰ সম্ভাৱনা কম (Le-Chatelier's principle মতে), তদুপৰি পানীৰ মাজত কিছু পৰিমাণে হ'লেও ইয়াৰ ভাঙি যোৱাৰ (Hydrolysis হৈ) প্ৰৱণতাক নুই কৰিব নোৱাৰি। তেনে হ'লে 'বহুলাংশীকৰণ' পানীত হোৱা নাই, ই হয়তো পানীৰ দ্বাৰা বাহিত হৈ ভূখণ্ডলৈ গৈ তাত শোষিত হয় আৰু শুষ্ক অৱস্থাত 'বহুলাংশীকৰণ' হোৱা কালত উৎপাদিত পানী আকৌ ভূখণ্ডয়ে শোষণ কৰে।

জীৱজগতৰ মূল ধাৰাক দুই ভাগত বিভক্ত কৰিব পৰা যায়। প্ৰথমটো হ'ল বিপাকীয়

ক্ষিতি আৰু দ্বিতীয়টো হ'ল প্ৰজনন। বিপাকীয় কাৰ্য্যৰ কাৰণে প্ৰয়োজন Enzyme ৰ আৰু প্ৰজননৰ কাৰণে Nucleic acid ৰ। যিয়েই হওক, আগতে কোনটো সৃষ্টি হৈছিল—জীৱন ধাৰণৰ কাৰণে বিপাকীয় পদ্ধতিৰ প্ৰয়োজনত Enzyme নে প্ৰজননৰ কাৰণে নিউক্লিক এচিড ? ই যেন সেই সাঁথৰ---"পহেলে আণ্ডা না পহেলে মূৰ্গা ?"। এই দ্বন্দ্বৰ অৱসান ঘটাবলৈ এনে এটা যুক্তি আগবঢ়োৱা হ'ল যে এই Enzyme আৰু Nucleic acid এটা আনটোৰ পৰিপূৰক হিচাপে একে লগতে সৃষ্ট হৈছে। কিয়নো Enzyme ৰ সৃষ্টিৰ কাৰণে Nucleic acid ৰ প্ৰয়োজন আনহাতে Nucleic acid ৰ বংশানুলিপি গঠনৰ কাৰণে প্ৰয়োজন Enzyme ৰ।

এইখিনিতে প্ৰশ্ন হয়—জীৱৰ প্ৰাণকোষ সঞ্চাৰৰ কাৰণে এইবোৰ এটা নিৰ্দিষ্ট অনুপাতত মিলাই দিলেই হ'বনে ? তেতিয়াই আহি পৰে কলয়ড তত্ত্ব। অতি সূক্ষ্ম বিন্দুৰ দৰে এই কলয়ডক কোৱা হয় 'কোচাৰভেট্চ' (Co-ocervates)। ইয়াতে প্ৰোটিন, কাৰ্বোহাইড্ৰেট, নিউক্লিক এচিড, ফচফৰাইলেজ এনজাইম আদি যুক্ত হৈ ক্ৰমাগতভাৱে আয়তন বৃদ্ধি হ'বলৈ ধৰে আৰু ইয়েই এটা সময়ত ভাঙি গৈ আকৌ নতুন একেবিধৰ Co-ocervates ৰ সৃষ্টি কৰে। এই ধৰণে প্ৰয়োজনীয় জৈৱযোগৰ যোগান পাই পাই গঠন (formation) আৰু বিভাজন (breakage) ৰ কাম চলি থাকে আৰু এইদৰেই হয়তো সৃষ্টি হ'ল প্ৰাথমিক জীৱকোষ—'চায়ানো-বেক্টেৰিয়া', যাৰ অস্তিত্ব দক্ষিণ আফ্ৰিকাৰ পাললিক শিলাস্তৰত আজিৰ পৰা প্ৰায় তিনিশ কোটি বিশ লাখ বছৰ আগতে আছিল আৰু যি আনকি নাইট্ৰোজেনৰ পৰিবেশতে জীয়াই থাকিব পাৰিছিল।

ইয়াৰ পাছত আৰু ইমান বছৰ পাৰ হৈ গ'ল। পৃথিৱীৰ বায়ুমণ্ডলত প্ৰথমে আছিল বিজাৰণক্ষম অৱস্থা। পাছত লাহে লাহে পানীৰ পৰা অক্সিজেনৰ উৎপাদন হ'ল। অক্সিজেনে আকৌ সৃষ্টি কৰিলে ওজ'নৰ। ই ঠাই ল'লে আমাৰ বায়ুমণ্ডলৰ উপৰিভাগত আৰু শোষণ কৰিব ধৰিলে অতি বেঙুনীয়া ৰশ্মি, ফলত জৈৱ-যৌগৰ সালোক সংশ্লেষণ (Photo-synthesis) ৰ মাত্ৰা'ও কমি আহিল। ইয়াৰ পাছৰ পৰা জাৰণক্ষম বায়ুমণ্ডলত প্ৰকৃত জৈৱিক বিবৰ্তন আৰম্ভ হ'ল আৰু লাহে লাহে আহি পালে জীৱসৃষ্টিৰ বৰ্তমান অৱস্থা। ***

"---প্ৰথম অৱস্থাত প্ৰকৃতিৰ সকলো ঘটনাই মানুহৰ মনত বিশৃংখল বুলি ধাৰণা হৈছিল। ধুমকেতু-উল্কাৰ আৱিৰ্ভাৱ, ঋতু পৰিৱৰ্তন, এই বিলাকৰ মূলতে কোনোবা অতি মানবিক শক্তিৰ প্ৰভাৱ আছে বুলি তেওঁলোকৰ ধাৰণা আছিল। কিন্তু লাহে লাহে তেওঁলোকৰ ধাৰণা হ'ল যে প্ৰকৃতিত সকলো বস্তুৰে কাৰণ আছে। পৃথিৱীত কোনো ঘটনাই অতি মানবিক শক্তিৰ দ্বাৰা সংঘটিত নহয়।---বিশ্বৰ বৰ্তমান অৱস্থা অতীতৰ কাৰণ কিছুমানৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছে আৰু ভৱিষ্যতকো নিয়ন্ত্ৰণ কৰিব বৰ্তমানৰ ঘটনাসমূহে। এইদৰেই কাৰ্য্যকাৰণবাদৰ প্ৰতিষ্ঠা হ'ল। নিউটনেই এই কাৰ্য্যকাৰণবাদৰ গভীৰ পৰিপোষক। ---১৮৯৯ চনত বিজ্ঞানী প্লাংকে পদাৰ্থ আৰু বিকীৰণৰ সাম্যস্থিতি সম্বন্ধে অধ্যয়ণ কৰোঁতে ক্ৰমে এই সিদ্ধান্তলৈ আহিল যে বিকীৰণ প্ৰক্ৰিয়া ধাৰাবাহিক নহয়। ই অধাৰাবাহিক প্ৰক্ৰিয়া। ইয়াৰ নাম দিয়া হ'ল কোৱান্টাম মতবাদ বা কোৱান্টাম থিয়োৰী। এই কোৱান্টাম মতবাদে কাৰ্য্যকাৰণবাদ মতবাদৰ মূলতে আঘাত কৰিলে।---নিউটনৰ পৰবৰ্তী সকলৰ মতে স্থান আৰু কালৰ কোনো সম্বন্ধ নাই। ---কিন্তু আইনষ্টাইনৰ বিখ্যাত আপেক্ষিকতাবাদ তত্ত্বই প্ৰাচীন স্থানকালৰ ধাৰণাৰ মূল ভিত্তিতে আঘাত কৰিলে। ---কোনো এটা বস্তুৰ আকৃতি, বা গতি নিৰ্ভৰ কৰে চাওতাৰ স্থানৰ ওপৰত। কোনো এজন মানুহে কোনো বিশেষ স্থানত থিয় হৈ এটা বস্তুৰ যি অৱস্থা বা গতি দেখিব, অন্য এজন মানুহে অন্যঠাইত থিয় হৈ তাক একে নেদেখে। —ক্লাচিকেল বিজ্ঞানত ধাৰণা আছিল যে ইলেকট্ৰন আদি পদাৰ্থৰ ক্ষুদ্ৰতম অংশ সমূহ কিছুমান কণা মাত্ৰ। কিন্তু কিছুমান পৰীক্ষাৰ দ্বাৰা দেখা গ'ল যে কোনো কোনো ক্ষেত্ৰত ইহঁতে তৰংগৰ ধৰ্ম মানি চলে।---এই তৰংগসমূহক পদাৰ্থৰূপে পোৱাটোও সম্ভাৱনাৰ ওপৰত নিৰ্ভৰ কৰে, য'তে তৰংগসমূহ থকাৰ সম্ভাৱনা বেছি তাতে কণাৰূপে বিৰাজ কৰে। সকলো chance ৰ খেলা মাত্ৰ। আইনষ্টাইনে এই বিষয়ে লিখিছে, 'I would not respect to God, who spends his whole energy in games of chances only.---"

—অধ্যাপিকা সৰোজ দত্ত, 'বিজ্ঞানত দৰ্শন', "কটনিয়ান", ৩৬ শ সংখ্যা।

# কেইজনমান ভাৰতীয় পৰিচালকৰ স্মৰণীয় কথাছবি

**বৰ্ণালী শইকীয়া,**
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)।

১৯৫৫ চনত এজন ৩৫ বছৰীয়া যুৱকে যেতিয়া 'পথেৰ পাঁচালি' নিৰ্মাণ কৰিছিল, তেতিয়া হয়তো বহুতেই ভবা নাছিল যে এই ছবিখনেই এদিন হ'বগৈ আধুনিক ভাৰতীয় কথাছবি জগতৰ দিশ নিৰ্ণয়কৰ্তা। প্ৰকৃতপক্ষে এই কথাছবিখনত কোনো কৃত্ৰিমতা নাছিল, আছিল মাথোঁ গ্ৰাম্য পটভূমিৰ এক ৰূঢ় বাস্তৱৰ স্বাক্ষৰ। নিঃসন্দেহে সত্যজিত ৰায়ৰ 'পথেৰ পাঁচালি' আধুনিক চলচিত্ৰ জগতৰ এখন শ্ৰেষ্ঠ দলিল। এজন সমালোচকৰ ভাষাত ঃ "It is like a phenomenon, in the sense that we never find any artificiality in it, it comes like a beautiful sunrise on our green paddy field...." তাৰ মাত্ৰ এটা বছৰ পাছত, ১৯৫৬ চনত, চলচিত্ৰ জগতলৈ আহিছিল আন এজন পৰিচালক। নাম মৃণাল সেন। 'পথেৰ পাঁচালি' যেন আছিল মৃণাল সেনৰ বাবে এক প্ৰেৰণা, আছিল সুস্থ ছবি নিৰ্মাণৰ এক আদৰ্শ ভেটি। মৃণাল সেনৰ ভাষাত ঃ "Pather Panchali set the ball-rolling, a case for a new trend was sharply defined and the ethics of the movie was most eloouently brought in......" হয়তো সেই বাবেই মৃণাল সেন থমকি ৰোৱা নাছিল। প্ৰায় এটা দশকৰ ভিতৰত মৃণাল সেনে পৰিচালনা কৰিছিল এখন এখনকৈ প্ৰায় আঠখন কথাছবি। বিশ্যৰ সুবৰ্ণই যিদৰে তেওঁক দিছিল এক নতুন মৰ্য্যাদা, তেনেদৰে 'ভুবন সোম'ত ফুটি উঠিছিল দক্ষ পৰিচালনাৰ এক মূৰ্ত প্ৰকাশ। উৰিয়া ছবি 'মাটিৰা মনিচা'ই আন হাতেদি মৃণাল সেনক কৰিছিল এক সমন্বয়ৰ সেতু। এই কথাছবিখন পৰিচালনা কৰাৰ সময়ত তেওঁ নিজেই কৈছিল, চলচিত্ৰৰ কোনো স্বকীয় ভাষা নাই, চলচিত্ৰৰ ভাষা এটাই—মানুহৰ ভাষা। ১৯৬৬ চনত বঙ্গদেশত হৈছিল আলোড়নকাৰী খাদ্য আন্দোলন। ১৯৬৭ চনত গঠন হৈছিল সংযুক্ত দলৰ চৰকাৰ। বহু যুৱকে অহিংসাৰ পথ পৰিহাৰ কৰি 'নক্সালাইট' আন্দোলনৰ পথ লৈছিল, বহুতে গ্ৰহণ কৰিছিল মাৰ্ক্সীয় দৰ্শনৰ আদৰ্শ। মৃণাল সেনৰ ছবি ইয়াৰ ব্যতিক্ৰম নাছিল। সাম্যবাদী এই আদৰ্শই তেওঁক দিছিল এক নতুন সাহস, মুখামুখি হৈছিল এক নতুন প্ৰত্যাহবানৰ। নিৰ্মিত হৈছিল 'কলিকতা ৭১'। আমাৰ দুৰ্নীতি-গ্ৰস্ত সমাজ ব্যৱস্থাত পদে পদে আছে শোষণ, নিপীড়ন, আছে দৰিদ্ৰ জনতাৰ জীয়া কাহিনী। আছে দৰিদ্ৰতাৰ বিৰুদ্ধে কৰা জীৱন সংগ্ৰাম। প্ৰতিজন শোষিত মানুহৰ মনত লুকাই আছে ক্ষোভ। কিন্তু এই প্ৰচণ্ড ক্ষোভ আমি কেনেকৈ প্ৰকাশ কৰিম? 'কলিকতা ৭১' যেন তাৰেই এক বলিষ্ঠ প্ৰকাশ। 'কলিকতা ৭১'ৰ যিদৰে এটা ৰাজনৈতিক পটভূমি আছিল, তেনেদৰে 'পদাতিক' আৰু 'কোৰাচ' কথাছবিয়ে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল আন কেতবোৰ সমস্যাৰ সন্দৰ্ভত। বহু সমালোচকে ভাবে যে 'পদাতিক'লৈ থকা মৃণাল সেনৰ 'anti-thesis phase' 'synthesis phase' লৈ ৰূপান্তৰিত হৈছিল 'মৃগয়া'ত। মৃণাল সেনৰ আন এখন শ্ৰেষ্ঠ ছবি হৈছে 'অকা অৰি কথা'। প্ৰেমচান্দৰ গল্পৰ আধাৰত নিৰ্মিত এই ছবিৰ কাহিনীভাগ উত্তৰ প্ৰদেশৰ এখন গাঁৱৰ এটি ঘটনাৰ প্ৰতিফলন বুলি জনা যায়। মৃণাল সেনৰ আনকেইখনমান উল্লেখযোগ্য কথাছবি হৈছে 'পৰশুৰাম', মধ্যবিত্ত জীৱনৰ ওপৰত নিৰ্মিত 'এক দিন প্ৰতি দিন' আৰু 'আকালেৰ সন্ধানে'।

মৃণাল সেনৰ দৰে সত্যজিত ৰায়েও সৃষ্টি কৰি গৈছিল এখনৰ পিছত আন এখনকৈ বহু যুগান্তকাৰী কথাছবি। ৰায়ৰ অপূৰ্ব সৃষ্টিৰ অন্যতম উদাহৰণ হৈছে 'পৰশ পাথৰ'। যদিও ই 'The Miracle in Milan'ৰ সমতুল্য নহয় বুলি বহু সমালোচকে ক'ব খোজে, তথাপিও নিঃসন্দেহে এই ছবিখন ভাৰতীয় শ্ৰেষ্ঠ ছবি-সমূহৰ ভিতৰত অন্যতম। এখন মহানগৰৰ মধ্যবিত্ত লোকসকলৰ বহু সমস্যা আছে, আছে লুকাই বহু পুঞ্জীভূত ক্ষোভ। তাৰ প্ৰকাশ ৰায়ৰ 'মহানগৰ' ত সুন্দৰভাবে ফুটি উঠিছিল। ঠিক তেনেদৰে উচ্চ মধ্যবিত্ত সমাজৰ পটভূমিত ৰায়ে সৃষ্টি কৰিছিল 'নায়ক'। সি যি কি নহওক, ৰায়ৰ দ্বাৰা নিৰ্মিত শ্ৰেষ্ঠ ছবিসমূহৰ অন্যতম স্বাক্ষৰ হৈছে 'জন অৰণ্য'। এপিনে মধ্যবিত্তৰ সংগ্ৰাম, আনপিনে ৰাজনৈতিক দুৰ্নীতি, 'জন অৰণ্য'ত তাকে অতি সহজ সৰল ভাবে ফুটাই তুলিছে পৰিচালকে। ৰায়ৰ নিজৰ ভাষাত ঃ "Jana Aranya will make us aware of certain factors which basically relate to our socio-economic condition" (Youth Times, Jan. '76)। ৰায়ৰ দ্বাৰা পৰিচালিত আনকেইখনমান উল্লেখযোগ্য কথাছবি হৈছে 'শতৰঞ্জ কি খিলাৰী', 'প্ৰতিদ্বন্দ্বী' আৰু 'হীৰক ৰাজাৰ দেশে'।

৭০ৰ দশকত শ্যাম বেনেগালৰ আগমন ভাৰতীয় সুস্থ চলচিত্ৰ নিৰ্মাণৰ আন এক উল্লেখযোগ্য অধ্যায়। প্ৰথম ছবি 'অংকুৰ'এ দিছিল আমাৰ সমাজ ব্যৱস্থাত চলি অহা অনিয়ম-অতিচাৰৰ আভাস। ছবিখনৰ শেষৰ দৃশ্যত জমিদাৰৰ ঘৰলৈ শিলৰ টুকুৰা এটা দলিয়াই পৰিচালকে শোষিত মানুহৰ মনত উদয় হোৱা ক্ৰমবৰ্ধমান ক্ষোভৰ ইংগিত দিছে। ক'বলৈ গ'লে 'অংকুৰ' হৈছে গাঁৱলীয়া পটভূমিত নিৰ্মিত এখন উল্লেখযোগ্য কথাছবি। ইয়াৰ পিছত তেওঁ পৰিচালনা কৰিছিল 'নিচান্ত'। কিন্তু বেনেগালৰ সবাতোকৈ উল্লেখ-যোগ্য অৱদান হ'ল 'মন্থন'। কথাছবিখনত লোকসংগীতৰ আধাৰত আৱহ সংগীতৰ সঘন পৰিবেশনে বহুদিনলৈ দৰ্শকৰ মনত এটা গহীন আৰু কৰুণ ভাব সজীৱ কৰি ৰাখে। অৱশ্যে এই ছবিৰ পাছত বেনেগালৰ ছবিত গ্ৰাম্য পটভূমিৰ ঠাই ল'লে নগৰীয়া জীৱন-যাত্ৰা আৰু নগৰীয়া সমস্যাই। 'ভূমিকা' তেনে এখন কথাছবি। এই ছবিত আন এক অৱদান

হৈছে ভাৰতৰ এগৰাকী শ্ৰেষ্ঠা অভিনেত্ৰী স্মিতা পাটিলৰ সৃষ্টি। গোটেই কাহিনীটো Flash-back ত দেখুৱাই বেনেগালে এই ছবিত দিছিল এক আধুনিকতাৰ স্বাক্ষৰ। তেওঁৰ আন দুখন উল্লেখযোগ্য ছবি হৈছে 'জুনুন' আৰু 'কাল-যুগ'।

জি, অৰবিন্দনৰ স্থান হয়তো শ্যাম বেনে-গালৰ দৰে নহয়, কিন্তু তথাপিও তেওঁ পৰি-চালনা কৰা কেইখনমান ছবিয়ে নিশ্চয় বহু শ্ৰেষ্ঠ ভাৰতীয় কথাছবিৰ সৈতে একে শাৰীতে স্থান পাব। ১৯৪২ চনৰ স্বাধীনতা আন্দোলন আৰু সেই সময়ৰ পৰিস্থিতিৰ পটভূমিত ১৯৭৪ চনত অৰবিন্দনে পৰিচালনা কৰা 'উত্তৰ নাৰায়ণ' ভাৰতৰ বাহিৰতো বহু ঠাইত প্ৰশংসিত হয়। মাত্ৰ ১.৭০ লাখ টকা খৰচ কৰি নিৰ্মাণ কৰা এই কথাছবিখনৰ উল্লেখযোগ্য দিশ হ'ল এটা ৰাজনৈতিক বিষয়ক অ-ৰাজনৈতিক দৃষ্টি-ভংগীৰে সমাধান কৰিবলৈ ওলোৱা পৰিচালকৰ সাহসী প্ৰচেষ্টা। তেওঁৰ আন দুখন উল্লেখ-যোগ্য কথাছবি হৈছে 'কাঞ্চনসীতা' আৰু 'থামপু'। দক্ষিণ ভাৰতৰ আন এগৰাকী উল্লেখনীয় পৰিচালক হৈছে আদুৰ গোপাল-কৃষ্ণন। তেওঁৰ দ্বাৰা পৰিচালিত শ্ৰেষ্ঠ ছবিখন হৈছে 'স্বয়ম্বৰম'। ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ কথাছবিৰ দৰে ইয়াৰো কেন্দ্ৰীয় চৰিত্ৰটি নাৰী আছিল। ছবিৰ মুখ্য নাৰী চৰিত্ৰটো (সীতাৰ) এনেদৰে পৰিচালকে ফুটাই তুলিছিল, যাৰ বাবে 'স্বয়ম্বৰম'এ পাইছিল শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ কথাছবি আৰু শ্ৰেষ্ঠ ফটোগ্ৰাফাৰৰ পুৰস্কাৰ। আদুৰ গোপালকৃষ্ণনৰ আন দুখন উল্লেখযোগ্য ছবি হৈছে, 'কডিয়াটেম' আৰু 'এলিপাটাম'।

৭০ৰ দশকত আগমন হোৱা আন এজন লেখত ল'বলগীয়া পৰিচালক হৈছে চৈয়দ আখটাৰ মীৰ্জা। তেওঁৰ দ্বাৰা পৰিচালিত 'আৰবিন্দ দেশাই কি আজিব দাস্তান', 'এলবাৰ্ট পিন্টো কো গুচ্ছা কিউ আতা হ্যায়"য়ে মীৰ্জাক ভাৰতীয় কথাছবি জগতত এক বিশেষ স্থান দিছে। তেওঁৰ আন এখন উল্লেখযোগ্য কথা-ছবি হ'ল 'মোহন যোশী হাজিৰ হো'। এই সময়ছোৱাতে লেখত ল'বলগীয়া আন এগৰাকী পৰিচালক হৈছে মণি কৌল। সত্যজিত ৰায়ৰ ভাষাত ঃ "There is no doubt that kaul has wilfully adopted a very special and very private mode of expression. As the first director in the history of Indian Cinema to have done so, he is a phenomenon to reckoned with. He has not only done array with most of the cliches of narrative cinema but with most of its axioms too !" মণি কৌলৰ শ্ৰেষ্ঠ ছবিসমূহ হৈছে 'উচকী ৰোটি', 'আচেদ কা একদিন', 'দুৱিধন' আৰু 'চাতাহ চে উঠতে আদমী'। ৭০ ৰ দশকৰ আন এজন পৰিচালকৰ নাম নল'লে ভুল কৰা হ'ব। তেওঁ হৈছে এম, এছ, সথ্য। ভাৰতীয় চলচিত্ৰ জগতলৈ তেওঁৰ শ্ৰেষ্ঠ উপহাৰ হৈছে 'গৰম হাৱা'।

এই সময়ছোৱাতে অসমীয়া চলচিত্ৰই ভাৰতীয় তথা আন্তৰ্জাতিক বোলছবি জগততো এক সুকীয়া স্থান ল'বলৈ সক্ষম হৈছে। ডঃ ভবেন্দ্ৰনাথ শইকীয়া আৰু জাহ্নু বৰুৱাৰ কথা-ছবিসমূহে দেশৰ বাহিৰে-ভিতৰে যথেষ্ট সমাদৰ লাভ কৰিছে। ডঃ ভবেন্দ্ৰনাথ শই-কীয়াৰ 'সন্ধ্যাৰাগ', 'অনিৰ্বাণ' আৰু 'অগ্নি-স্নান'ক আঞ্চলিক ভাষাত নিৰ্মিত ভাৰতৰ শ্ৰেষ্ঠ কথাছবিসমূহৰ মাজৰ বুলি দাবী কৰিব পাৰি। পদুম বৰুৱাৰ 'গঙা চিলনীৰ পাখী' কথাছবিয়েও বহু সমালোচকক আকৰ্ষণ কৰিছিল। গাঁৱলীয়া জীৱনযাত্ৰাৰ নিখুঁত উপস্থাপন ৰীতিয়ে কথাছবিখনক জনপ্ৰিয় কৰি তোলে। তেনেদৰে অতুল বৰদলৈৰ 'কল্লোল' আন এখন যুগান্তকাৰী কথাছবি। সন্ত্ৰাসৰ সৃষ্টি কৰা সাগৰীয় 'ছাৰ্ক' মাছৰ আগমন আৰু জমিদাৰৰ অত্যাচাৰ আৰু শোষণক সমান্তৰালভাৱে উপস্থাপন কৰি বৰদলৈয়ে অতুলনীয় দক্ষতাৰ পৰিচয় দিয়ে। শেহতীয়া-ভাৱে জাহ্নু বৰুৱাৰ 'হালধীয়া চৰায়ে বাওধান খায়' ছবিখনত দেখুওৱা হৈছে প্ৰতি পদে পদে থকা দুৰ্নীতি, লেতেৰা ৰাজনীতি, সুবিধাভোগীৰ শোষণ, দুখীয়া খেতিয়কৰ দুৰৱস্থা আৰু আমাৰ জৰ্জৰিত প্ৰশাসন ব্যৱস্থা।

সন্দেহ নাই, ওপৰত উল্লেখ কৰা প্ৰতিজন পৰিচালকৰ আছে এক স্বকীয় চিন্তা, বাস্তৱৰ প্ৰতি এক সচেতন দৃষ্টি আৰু আছে এক স্বকীয় আদৰ্শ। তেওঁলোক আৰু আন সকলৰ এই বিশাল প্ৰতিভাক এটা চমু প্ৰবন্ধতে সকলো দিশ সামৰি আলোচনা কৰাটো উচিত নহয়। আমি মাথোঁ এই প্ৰবন্ধত নাম মনলৈ অহা কেইজনমান পৰিচালকৰ কথাছবি কেইখন-মানৰ বিষয়েহে সম্যক ধাৰণা দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ। সেইবাবে আন বহুতো শ্ৰেষ্ঠ ছবিৰে এই প্ৰবন্ধত উল্লেখ নথকাটো স্বাভাৱিক। কিন্তু তথাপিও এটা বিষয়ত সন্দেহ নাই যে এই পৰিচালকসকলে কঢ়িয়াই আনিছে আমাৰ চল-চিত্ৰলৈ এক সামাজিক সচেতনতাৰ ধাৰা, সুষ্ঠ আৰু সৃষ্টিশীল ছবি নিৰ্মাণৰ এটা নতুন গতি। যিমানেই এনে ছবিৰ সংখ্যা বাঢ়িব, সিমানেই আমাৰ চলচিত্ৰ জগতৰ বাবে, সমাজৰ বাবে, দেশৰ বাবে মংগল। কাৰণ এই কথাছবিবোৰ গতানুগতিক নহয়, ইয়াৰ এক স্বকীয় পৰিচয় আছে। আদুৰ গোপাল কৃষ্ণনৰ ভাষাত ঃ "The New Cinema in India, as anywhere else in the world manifests the declaration of independence from the conventional, the traditional, the common." ***

"—প্ৰত্যেক শিল্পীয়েই পক্ষ অৱলম্বন কৰিব লগা হয়। হয়তো তেওঁ শোষকশ্ৰেণীৰ পক্ষ অৱলম্বন কৰে, অথবা শোষিত শ্ৰেণীৰ। জাৰ্মানীত লেনী লাইফেনষ্টাইনে পক্ষ অৱলম্বন কৰিছিল হিটলাৰৰ, আৰু গোটেই পৃথিবীজুৰি ইয়োৰিস ইভেন্সে পক্ষ অৱলম্বন কৰিছিল শোষিত শ্ৰেণীৰ। এজনৰ আছিল পুঁজিবাদী-সাম্ৰাজ্যবাদী চেতনা, দ্বিতীয় মানুহজনৰ আছিল আইজেনষ্টাইনৰ সূত্ৰ ধৰি সমাজতান্ত্ৰিক চলচিত্ৰ চেতনা। আজি ভাৰতবৰ্ষত এপিনে আছে কেন্দ্ৰীয় চৰকাৰ নিয়ন্ত্ৰিত ফিল্মচ ডিভিজনৰ তথ্যচিত্ৰ-সংবাদ চিত্ৰ আৰু মিছাৰ আশ্ৰয় লোৱা তেওঁলোকৰ ভাৰাতীয়া শিল্পীসকল; আনপিনে ভাৰতবৰ্ষই অপেক্ষা কৰি আছে সেইসকল অনাগত শিল্পীবৃন্দৰ বাবে যিয়ে কোটি কোটি নিৰন্ন উলংগ জনগণৰ পক্ষ অৱলম্বন কৰিব।"

—সনৎ দাশগুপ্ত, 'সংবাদচিত্ৰ ও শ্ৰেণী-প্ৰসঙ্গ', 'তথ্যচিত্ৰ পৰিচালনা ও নিৰ্মাণ'।

# ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত নজৰুল কাব্যৰ ভূমিকা

**খন্দকাৰ মজিবুৰ ৰহমান,**
স্নাতকোত্তৰ শ্ৰেণী, প্ৰাৰম্ভিক বৰ্ষ।

কাজী নজৰুল ইছলামৰ কাব্য প্ৰতিভা বহুমুখী আৰু বিচিত্ৰ হ'লেও তেওঁ সেই সময়ৰ ভাৰতবৰ্ষৰ তৰুণ সমাজৰ ওচৰত যাইকৈ বিদ্ৰোহী কবি হিচাপে পৰিচিত আছিল। তেওঁ যে কেৱল কাব্য ৰচনাতেই বিদ্ৰোহী আছিল তেনে নহয়—তেওঁৰ শৰীৰৰ প্ৰতি শিৰাই শিৰাই বিদ্ৰোহৰ তেজ প্ৰবাহিত হৈছিল। তাৰ বাবে তেওঁ বহুবাৰ কাৰাবাসো খাটিব লগা হৈছিল। তথাপি তেওঁৰ তেজাল লেখনী বন্ধ হোৱা নাছিল। তেওঁৰ প্ৰতিটো কবিতা, গীত আদি প্ৰকাশ পোৱাৰ লগে লগে এফালে যেনেকৈ তৰুণ চামক স্বাধীনতা সংগ্ৰামত যোগ দিবলৈ উৎসাহ যোগাইছিল; আনফালে সাম্ৰাজ্যবাদী শাসকসকলৰ মূৰৰ বিষ দুগুণে বৃদ্ধি পাইছিল। এই সাম্ৰাজ্যবাদী চক্ৰটোৱে কবিক দমন কৰিবৰ বাবে কিমান যে কৌশল অৱলম্বন কৰিছিল তাৰ লেখ জোখ নাই। তথাপি কবিয়ে লিখি গৈছিল তেওঁৰ বিদ্ৰোহ ভাবাপন্ন কবিতাসমূহ। তেওঁৰ বিখ্যাত 'বিদ্ৰোহী' নামৰ কবিতাটি এনেদৰে আৰম্ভ হৈছে—

"বল বীৰ—
বল,—উন্নত মম শিৰ
শিৰ নেহাৰি' আমাৰি নত-শিৰ ওই শিখৰ হিমাদ্ৰিৰ!"

* * *

"মহা বিদ্ৰোহী ৰণ-ক্লান্ত,
আমি সেইদিন হব শান্ত,
যবে উৎপীড়িতেৰ ক্ৰন্দন-ৰোল আকাশে বাতাসে ধ্বনিবে না,
অত্যাচাৰীৰ খড়্গ কৃপাণ ভীম ৰণ-ভূমে ৰণিবে না—
বিদ্ৰোহী ৰণ-ক্লান্ত
আমি সেই দিন হব শান্ত।"

কবিতাৰ মাজেৰে তেওঁ স্বতন্ত্ৰ বীৰত্বৰ পৰিচয় দিবলৈ সক্ষম হৈছে। কবিয়ে কেতিয়াও মূৰ নত কৰা নাই। এই ক্ষেত্ৰত নজৰুলৰ কাব্য আৰু জীৱন এক। তেওঁৰ জীৱনৰ বিচিত্ৰ অভিজ্ঞতা, সমাজ আৰু মানুহৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা, পৰাধীন দেশৰ অসহ্য দাৰিদ্ৰ আৰু লাঞ্চনা; সমাজত নানা ধৰণৰ ভণ্ডামি; ধৰ্মৰ নামত, ৰাজনীতিৰ নামত নানা ধৰণৰ শোষণ, জাত-পাতৰ বিচাৰ ইত্যাদি বিষয়ৰ প্ৰতি থকা তেওঁৰ পুঞ্জীভূত ক্ষোভ প্ৰকাশ পাইছে 'অগ্নিবীণা', 'বিষেৰ বাঁশী', 'ফণিমনসা', 'সৰ্বহাৰা', 'দোলনচাঁপা', 'শিকল ভাঙাৰ গান', 'সঞ্চিতা' আদি কাব্য গ্ৰন্থৰ মাজত।

১৯২৩ চনত বিদ্ৰোহী কবি নজৰুল ইছলামৰ এবছৰৰ সশ্ৰম কাৰাবাস হয়। সেই সময়ত ৰাজনৈতিক কাৰাবন্দী সকলৰ কোনো শ্ৰেণীৰ পাৰ্থক্য নাছিল। কবিৰ মুক্তিৰ বাবে বিশেষকৈ হুগলীৰ যুৱ সমাজ আৰু ছাত্ৰসকলে আন্দোলন আৰম্ভ কৰিছিল। এই হুগলী জেলতেই কবিয়ে ৰচনা কৰিছিল বহুতো বিদ্ৰোহ ভাবাপন্ন কবিতা আৰু গীত আদি। জেলৰ ৰাজনৈতিক বন্দী তথা সাধাৰণ বন্দীসকলেও কবিৰ লগত কণ্ঠ মিলাই গাইছিল—

"কাৰাৰ ওই লৌহ কপাট
ভেঙে ফেল্ কৰ্ ৰে লোপাট
ৰক্ত-জমাট শিকল-পূজাৰ পাষাণ-বেদী।
ওৰে ও তৰুণ ঈশান
বাজা তোৰ প্ৰলয় বিষাণ
ধ্বংস নিশান
উড়ুক প্ৰাচীৰ-ভেদি।"

উক্ত কবিতাই জেলৰ ভিতৰত এক আলোড়নৰ সৃষ্টি কৰে। বিক্ষুব্ধ বন্দীসকলে জেল কৰ্তৃপক্ষৰ অমানুষিক অত্যাচাৰৰ উপযুক্ত উত্তৰ দিবলৈ আৰম্ভ কৰাত কবি নজৰুল আৰু কেইজনমান বিশিষ্ট বন্দীক 'চেল'ত আটক কৰি থয়। কবিয়ে তেতিয়া 'শিকল-পৰা'ৰ এই বিখ্যাত গীতটি ৰচনা কৰে—

"এই শিকল পৰা ছল মোদেৰ এ শিকল পৰা ছল,
এই শিকল পৰেই শিকল তোদেৰ কৰবো ৰে বিকল!
তোমাৰ বন্দী কাৰায় আসা মোদেৰ বন্দী হতে নয়,
ওৰে ক্ষয় কৰতে আসা মোদেৰ সবাৰ বাঁধন ভয়,



এই বাঁধন পৰেই বাঁধন ভয়কে কৰবো মোৰা জয়।"

কাৰাবন্দী সকলৰ ভয়ভাব আঁতৰাবৰ কাৰণে কবিয়ে এনে ধৰণৰ অপূৰ্ব যুক্তিপূৰ্ণ কথাসমূহ তেওঁৰ কবিতা আৰু গীতৰ মাধ্যমেদি সুনিপুণভাৱে ব্যক্ত কৰিছে। বন্দীশালৰ কঠোৰ শাসনৰ মাজত কাগজ-কলম নোহোৱাকৈ কেৱল স্মৃতি শক্তিৰ বলতে বিভিন্ন কবিতা, গীতসমূহ পাঠ কৰি পৰাধীনতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ভাৰতবাসীক ইন্ধন যোগাইছিল। 'সেবক' নামৰ কবিতাটি তেওঁ উদাত্তকণ্ঠে আবৃত্তি কৰি বন্দীসকলৰ সংগ্ৰামী শক্তি সক্ৰিয় কৰি তুলিছিল—

"সত্যকে হায় হ্যায় কৰে অত্যাচাৰীৰা খাড়ায়,
নাই কিৰে সত্য-সেবক বুক ফুলিয়ে আজ দাঁড়ায়?"

জেলৰ জামাদাৰক 'চৰকাৰী ছালামী' নিদিয়াত জামাদাৰে নজৰুলক বৰ্বৰভাৱে অত্যাচাৰ আৰম্ভ কৰে। প্ৰতিক্ৰিয়া হিচাপে তেওঁ ৰচনা কৰে 'বন্দী বন্দনা গীত'—

"আজি ৰক্ত নিশি ভোৰে
একি শুনি ওৰে।
মুক্তি কোলাহল বন্দী শৃঙ্খলে,
ঐ কাহাৰা কাৰাবাসে
মুক্তি হাসি হাসে
টুটেছে ভয় বাধা স্বাধীন হিয়া তলে।"

অৱশেষত বিদ্ৰোহী কবি নজৰুল ইছলামে জেলৰ নানা ধৰণৰ উৎপীড়নৰ প্ৰতিবাদ কৰি অনশন ধৰ্মঘট আৰম্ভ কৰে। প্ৰথম অৱস্থাত জেল কৰ্তৃপক্ষই কবিৰ এই ধৰ্মঘটৰ কথা বাহিৰত প্ৰকাশ হ'বলৈ দিয়া নাছিল। কিন্তু কেইদিনমান পাছতে এই অনশনৰ কথা গোটেই দেশত বিয়পি পৰিল। কবিৰ অনশনক কেন্দ্ৰ কৰি ভাৰতৰ নৰমপন্থী আৰু চৰমপন্থী নেতা-সকল, ছাত্ৰ-যুৱক আনকি সাধাৰণ জন-সাধাৰণো সাম্ৰাজ্যবাদী বিদেশী চৰকাৰৰ ওপৰত বিক্ষুব্ধ হৈ উঠিছিল। বিশ্বকবি ৰবীন্দ্ৰ-নাথ ঠাকুৰে কাজী নজৰুল ইছলামক এক তাঁৰ-বাৰ্তাত জনায় ঃ

"Give up hunger strike, our literature claims ycu."

—Rabindranath.

বিশ্বকবিৰ তাঁৰবাৰ্তা পোৱাৰ পাছতহে নজৰুলে অনশন ত্যাগ কৰে।

কবি নজৰুল ইছলামে যুদ্ধৰ ঘটনা লৈ বহুত কবিতা, গীত আদি ৰচনা কৰিছে। কবি নিজে এজন সৈনিক আছিল। তেওঁক বহুতে হাবিলদাৰ নজৰুল ইছলাম বুলিও জানে। কবিয়ে নিজে কান্ধত বন্দুক লৈ যুদ্ধ কৰিছিল। যুদ্ধৰ বিভিন্ন অভিজ্ঞতা 'কাণ্ডাৰী হুশিয়াৰ' নামৰ কবিতাত এনেদৰে প্ৰকাশ পাইছে ঃ

"দুৰ্গম গিৰি, কান্তাৰ মৰু, দুস্তৰ পাৰাবাৰ
লঙ্ঘিতে হবে ৰাত্ৰি-নিশীথে, যাত্ৰীৰা হুঁশিয়াৰ!
দুলিতেছে তৰী, ফুলিতেছে জল, ভুলিতেছে মাঝি পথ,
ছিঁড়িয়াছে পাল, কে ধৰিবে হাল, আছে কাৰ হিম্মৎ?
কে আছ জোয়ান, হও আগুয়ান, হাঁকিছে ভবিষ্যৎ?
এ তুফান ভাৰী, দিতে হবে পাড়ি, নিতে হবে তৰী পাৰ।"

কবিয়ে দেশমাতৃৰ বাবে আত্ম বলিদান দিয়া বীৰ পুৰুষসকলক স্মৰণ কৰি এইদৰে লিখিছিল—

"ফাঁসিৰ মঞ্চে গেয়ে গেল যাৰা জীবনেৰ জয়গান,
আসি, অলক্ষ্যে দাঁড়ায়েছে তাৰা, দিবে কোন্ বলিদান?"

উক্ত 'ফাঁসিৰ মঞ্চে গেয়ে গেল যাৰা জীবনেৰ জয় গান' চৰণটোৱে মনত পেলালে মণিৰাম দেৱান, কুশল কোঁৱৰ, ক্ষুদিৰাম আদি ছহিদ-সকললৈ কোনজন ব্যক্তিৰ শ্ৰদ্ধা নজন্মিব। তেওঁ-লোকে ভাৰতমাতৃৰ মুক্তিৰ বাবে হাঁহিমুখে মৃত্যুবৰণ কৰিছিল। কবি নজৰুলে 'মাৰ্চ পাষ্ট'ৰ বাবেও সংগীত ৰচনা কৰিছিল ঃ

চল্ চল্ চল্!
উৰ্দ্ধ গগনে বাজে মাদল
নিম্নে উতলা ধৰণী-তল
অৰুণ প্ৰাতেৰ তৰুণ দল
চল্ ৰে চল্ ৰে চল্
চল্ চল্ চল্ ॥

১৯২২ চনত কবিয়ে নিজে প্ৰকাশ কৰা 'ধূমকেতু' নামৰ সাপ্তাহিক কাকতত ভাৰতৰ স্বাধীনতাৰ কথা মুক্তকণ্ঠে ঘোষণা কৰিছিল— "সৰ্ব প্ৰথম 'ধূমকেতু' ভাৰতেৰ পূৰ্ণ স্বাধীনতা চায়। স্বৰাজ-টৰাজ বুঝি না', কেননা ও কথা-টাৰ মানে এক এক মহাৰথী এক এক ৰকম কৰে থাকেন। ভাৰতবৰ্ষেৰ এক পৰমাণু অংশও বিদেশীৰ অধীনে থাকবেনা। ভাৰতবৰ্ষেৰ সম্পূৰ্ণ দায়িত্ব, সম্পূৰ্ণ স্বাধীনতা ৰক্ষা, শাসন-ভাৰ সমস্ত থাকবে ভাৰতীয়দেৰ হাতে। তাতে বিদেশীৰ মোড়লীৰ অধিকাৰটুকু পৰ্যন্ত থাকবে না! আমাদেৰ এই প্ৰাৰ্থনা কৰাৰ, ভিক্ষা কৰাৰ কুবুদ্ধিটুকু ছাড়তে হবে---।" এই 'ধূমকেতু' কাকতক অভিনন্দন জনাইছিল বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ, শৰৎ চন্দ্ৰ চট্টোপাধ্যায় আৰু বিপ্লৱী বাৰীন্দ্ৰ কুমাৰ ঘোষ আদিয়ে।

যুগে যুগে বঞ্চনা, অবহেলা, নিপীড়ন, শোষণৰ জুই যিসকলৰ বুকুত উমি উমি জ্বলে, সেইসকল মানুহৰ বেদনাক ভাষা দিছিল বিদ্ৰোহী কবি নজৰুল ইছলামে। পদদলিত পৰাধীন জাতিৰ বুকুত স্বাধীনতাৰ তৃষ্ণা জগায়ে কবি ক্ষান্ত থকা নাই, দেশ তথা সমাজৰ পৰা মানুহে মানুহে বিভেদ ব্যৱধান দূৰ কৰাৰ প্ৰতিজ্ঞা তেওঁ গ্ৰহণ কৰিছিল। তেৱেঁই প্ৰথম-জন ভাৰতীয় কবি যিজনে সমাজৰ সমাজপতি-সকলৰ ছলনাৰ মুখা খুলি সকলোকে দেখুৱাই দিছিল। নজৰুলৰ কণ্ঠৰ লগত কণ্ঠ মিলাই পৰবৰ্তী যুগৰ কিশোৰ কবি সুকান্তৰ কণ্ঠও উদাত্ত হৈ উঠিছিল, ভাষাহীন বঞ্চিত মানুহৰ মুখত অধিকাৰৰ প্ৰত্যাশাৰ বাণী উচ্চাৰিত হৈছিল।

আজি আমাৰ সমুখত যি শ্ৰেণী বৈষম্যই দেখা দিছে, মানুহে মানুহক নিচিনি জাতি, ভাষা, ধৰ্ম, বৰ্ণৰ নামত বিভাজনৰ ৰাজনীতি চলিছে, ধনৰ জোৰত সত্যক ঢাকি ৰখা হৈছে, তেনে ক্ষেত্ৰত আমি বিদ্ৰোহী কবি কাজী নজৰুল ইছলামক স্মৰণ কৰাৰ, জনাৰ, উপলব্ধি কৰাৰ নিতান্তই আৱশ্যক। কবিৰ কণ্ঠস্বৰত সকলোৰে কণ্ঠ ধ্বনিত হ'ব, তেওঁৰ দাবী সকলোৰে দাবী হৈ নিনাদিত হ'ব, এয়াই বৰ্তমান সময়ৰ দাবী, যুগৰ দাবী। এনেকৈয়ে সাৰ্থক হওক মানৱ-প্ৰেমী বিদ্ৰোহী কবিৰ বিশ্বজনীন আশা। ***

"—মধ্যযুগীয় কবি, সাহিত্যিক, ঔপন্যাসিক সকলক পৃষ্ঠপোষকতা কৰিছিল—ৰজা, মহাৰজা, জমিদাৰ আদি সকলে। গতিকেই তাত আমি সামন্ত শ্ৰেণীকে লৈ সাহিত্য ব্যস্ত থকা বহুত ক্ষেত্ৰত দেখা পাওঁ।

—আজিৰ যুগে মধ্যযুগীয়া মনোবৃত্তি দলিয়াই দি, কৃষক-বনুৱাক সমাজত আগ আসন দিছে। যুগে যেতিয়া জনতাক এই মহান স্বীকৃতি দিছে, সাহিত্য জনতামুখী নহৈ নোৱাৰে।—হেমবৰুৱাৰ ভাষাত ক'বলৈ গ'লে—"বৰ্তমান ঔপন্যাসিকে প্ৰাচীন ঔপন্যাসিকৰ দৰে সমাজৰ উচ্চ মহলৰ তথাকথিত সম্ভ্ৰান্ত যুৱক-যুৱতীক লৈ সাহিত্য সৃষ্টি কৰিব নোখোজে। আজি সাহিত্য সৃষ্টি হৈছে সাধাৰণ ব্যক্তিক লৈ; সমাজৰ 'বাংকুকুৰে' নিম্ন স্তৰৰ 'জুকলা কুকুৰ'ৰ ওপৰত কৰা অত্যাচাৰ উৎপীড়নৰ ফলত উদ্ভৱ হোৱা জটিল সমস্যাবোৰ লৈ।" —ৰুচীয় সাহিত্যত সমাজবাদী আদৰ্শৰ সৃষ্টি কৰাত ডষ্টয়ভস্কি, ভ্লাদিমিৰ মায়াকভস্কি আদি সাহিত্যিক সকলৰ বহুমূলীয়া অৱদানো মন কৰিবলগীয়া। —বিশ্ববিখ্যাত ইংৰাজ সাহিত্যিক জৰ্জ বানাৰ্ড্শ'ৰ অমৰ লিখনি সমূহ সমাজবাদক কেন্দ্ৰ কৰিয়েই ৰচিত হৈছে। — কবিতাৰ সম্বন্ধেও একে কথাকে ক'ব পাৰি। জনগণৰ ছন্দহীন জীৱনৰ অভিব্যক্তি ৰূপে কবিতাত আজি ছন্দবিলাসিতা নোহোৱা হৈছে —"।

—জিতেন শৰ্মা, 'আধুনিক জগতত সমাজবাদী সাহিত্য', "কটনিয়ান", ২৯ শ সংখ্যা।

# অসমীয়া সাহিত্যৰ বিকাশৰ পথ

ভূষণ চন্দ্ৰ পাঠক,
স্নাতক ৩য় বৰ্ষ (কলা)।

যুগৰ প্ৰভাৱ সাহিত্যত প্ৰতিভাত হয়। সেইবাবেই সাহিত্যক সমাজৰ দাপোন আৰু জাতিৰ বাজহাড় বুলি কোৱা হয়। অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ সোণালী অধ্যায়বোৰে ইয়াৰ পৰিচায়ক। যুগৰ পৰিবৰ্তনৰ লগে লগে সাহিত্যৰ গতিও পৰিবৰ্তিত হৈ আহিছে।

অসমীয়া সাহিত্যৰ অতীত ইতিহাসৰ পাত লুটিয়ালে খ্ৰীষ্টীয় দশম-একাদশ শতিকাৰ পৰা চতুৰ্দশ শতিকালৈ দেখা পাওঁ বৌদ্ধ সিদ্ধাচাৰ্য্যসকলৰ চৰ্য্যা গীত, বিভিন্ন বিবাহ-সবাহৰ গীত, দেহ বিচাৰৰ গীত, বনগীত আদি। এই গীতবোৰেই অসমীয়াৰ আদি সাহিত্য। প্ৰায়বোৰ গীতেই অতিকৈ গভীৰ।

লোকগীত চৰ্য্যাৰ পৰা আৰম্ভ কৰি প্ৰাক-শংকৰী যুগলৈ অসমীয়া সাহিত্যত কেইজনমান মহান সাহিত্যিকৰ আৱিৰ্ভাৱ হয়। হেম সৰস্বতী, হৰিহৰ বিপ্ৰ, কবি-ৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী, মাধৱ কন্দলী আদিয়ে অসমীয়া সাহিত্যলৈ আদৰণীয় বৰঙণি যোগায়। প্ৰাক-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি হ'ল মাধৱ কন্দলী। তেওঁ চতুৰ্দশ শতিকাতে বাল্মীকিৰ ৰামায়ণ অসমীয়ালৈ ভাঙণি কৰি আধুনিক ভাৰতীয় আৰ্য ভাষাৰ প্ৰথম ৰামায়ণ ৰচনাৰে অসমীয়ালৈ গৌৰৱ কঢ়িয়ায়।

প্ৰাক-শংকৰী যুগৰ কবিসকলে সংস্কৃত গ্ৰন্থৰ পৰা বিষয়বস্তু আহৰণ কৰি কাব্য, পদ-পুথি আদি ৰচনা কৰিছিল। তেওঁলোকে কাব্য ৰচনা কৰোঁতে মূল বিষয়বস্তুৰ আনুগত্য স্বীকাৰ কৰিছিল যদিও মাজে সময়ে কাল্পনিক ঘটনাকো স্থান দিছিল। এই যুগৰ আটাইবোৰ ৰচনাই পদ্যত লিখা, গদ্যৰ স্থান সেই সময়ত নাছিল।

শংকৰী যুগ যি সকল মহান সাহিত্যিকৰ লেখাৰে পুষ্ট সেই সকলৰ ভিতৰত শংকৰদেৱ, মাধৱদেৱ, পীতাম্বৰ কবি, অনন্ত কন্দলি, ৰাম সৰস্বতী, ৰত্নাকৰ কন্দলী, ভট্টদেৱ, হৰিদেৱ অন্যতম। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ অসমীয়া সাহিত্যৰ বাটকটীয়া। তেখেতে ৰুক্মিণীহৰণ, ভক্তি প্ৰদীপ, পাৰিজাত হৰণ, কীৰ্তন ঘোষা আদি পুথি আৰু ভালে সংখ্যক বৰগীত, ভটিমা আদি ৰচে। অঞ্জন ভঞ্জন, পিম্পৰা গুচোৱা নাট, ভক্তি ৰত্নাৱলী, নামঘোষা আদি গ্ৰন্থৰ ৰচক মাধৱদেৱ। গুৰু দুজনাৰ 'কীৰ্তনঘোষা' আৰু 'নামঘোষা' পুথি দুখনি অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ। ইয়াৰোপৰি শ্ৰীধৰ কন্দলিয়ে কাণখোৱা, ঘুনুচা কীৰ্তন, ভট্টদেৱে কথা গীতা, শ্ৰীভাগৱত কথা, গোপাল দেৱ ভৱানীপুৰীয়া আতাই উদ্ধৱযান, জন্মযাত্ৰা, ৰামচৰণ ঠাকুৰে ভক্তিৰত্ন, শংকৰ চৰিত আদি গ্ৰন্থ ৰচে। শংকৰদেৱৰ সমসাময়িক কবি সকলৰ উপৰিও নৱ বৈষ্ণৱ সাহিত্যৰ বিকাশত বৰঙণি যোগোৱা কবি সকলৰ ভিতৰত ভূষণদ্বিজ শ্ৰীৰামদেৱ আতা, দামোদৰ দাস, পুৰুষোত্তম ঠাকুৰ অন্যতম।

অসমীয়া জন-জীৱনৰ প্ৰতিচ্ছবি প্ৰতিভাত হোৱা বৈষ্ণৱ সাহিত্যৰ বিষয়বস্তু প্ৰধানকৈ ভাগৱত, পুৰাণ, ৰামায়ণ, মহাভাৰত আদি মহান গ্ৰন্থ সমূহৰ পৰা আহৰণ কৰা হৈছিল। সহজ সৰল ভাষাত লিখা সেই সময়ৰ সাহিত্যৰ মূল লক্ষ্য বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰা আছিল——যদিও, সি সাহিত্যৰ গুণ বিবৰ্জিত নাছিল। সেই সময়ত কিছু পৰিমাণে ৰাজ্যাশ্ৰয়ী সাহিত্যৰো জন্ম হৈছিল।

ইয়াৰ পাছতেই আমি অসমীয়া সাহিত্যৰ আধুনিক যুগ আৰম্ভ হোৱা বুলি ক'ব পাৰো। কিন্তু সেই সাহিত্যই এটি সংগঠিত ৰূপলৈ জন-জীৱনত সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয় জোনাকী যুগৰ পৰা। বিশ্ব সাহিত্যৰ লগত খোজ মিলাই অসমীয়া সাহিত্যই সেই সময়ৰ পৰাই আধুনিক চুটি গল্প, উপন্যাস, নাট্য-সাহিত্য আদি দিশত বিকাশ লাভ কৰে।

আধুনিক সাহিত্যৰ এটি গুৰুত্বপূৰ্ণ দিশ চুটি গল্প। অসমীয়া চুটি গল্পৰ বাটকটীয়া হ'ল লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱা যুগৰ পৰা আজি বিংশ শতিকাৰ শেষ ভাগলৈ অসমীয়া চুটি গল্পৰ ভঁৰাল অনেক মহান গল্পকাৰৰ অৱদানে পুষ্ট কৰিছে। দ্বিতীয় মহাসমৰৰ আগলৈকে অসমীয়া চুটি গল্পৰ বিষয়বস্তু আশাবাদী আৰু হাস্যৰস প্ৰধান আছিল। সেই সময়ৰ মহান গল্পকাৰৰ ভিতৰত ত্ৰৈলোক্য গোস্বামী, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, বীণা বৰুৱা, লক্ষীধৰ শৰ্মা আছিল অন্যতম। দ্বিতীয় মহাসমৰৰ পাছত চুটি গল্পৰ বিষয়বস্তু বহু পৰিমাণে বাস্তৱধৰ্মী হৈ পৰে। তেওঁলোকৰ চুটি গল্পই উদ্ভাৱন শক্তি, গভীৰ বিশ্লেষণ প্ৰতিভা, যুগ চেতনা আৰু সামাজিক দায়িত্ববোধৰ স্বাক্ষৰ বহন কৰে। স্বাধীনতাৰ পাছত অসমীয়া চুটি গল্পত কিছু পৰিমাণে হ'লেও নৈৰাশ্যবাদী ভাবধাৰাৰ ৰেঙণি পোৱা যায়। চৈয়দ আব্দুল মালিক, হোমেন বৰগোহাঁই, মেদিনী চৌধুৰী, স্নেহ দেৱী, ৰমা দাশ, প্ৰীতি বৰুৱা, ভবেন্দ্ৰ নাথ শইকীয়া, মহিম বৰা, নিৰোদ চৌধুৰী, লক্ষ্মীনন্দন বৰা, যোগেশ দাস আদি এই যুগৰ অমৰ গল্পকাৰ। বিজ্ঞানসন্মত মননশীলতা, উৎকৃষ্ট ৰচনাশৈলী, ভাব-গভীৰতা বৰ্তমানৰ চুটি গল্পত দেখা যায়। অসমীয়া গল্পকাৰৰ কলমেৰে বৰ্তমানৰ মানৱ সমাজৰ নগ্ন ছবি অংকিত হৈছে। সাম্প্ৰতিক অসমীয়া চুটি গল্পই কেৱল ভাৰতীয় সাহিত্যতেই নহয়, ই বিশ্বৰ সাহিত্যতো অন্যতম স্থান দাবি কৰিব পাৰে।

১৮৫৭ চনতেই গুণাভিৰাম বৰুৱাদেৱ ৰচিত 'ৰাম নৱমী' আধুনিক যুগৰ প্ৰথম নাট আৰু তেতিয়াৰ পৰাই অসমীয়া নাট্য জগতত পৌৰাণিক, সামাজিক, গীতিমূলক, ঐতিহাসিক আদি অনেক নাটক ৰচিত হৈছে। উনৈশ শতিকাৰ আগৰ নাট সমূহ প্ৰহসনৰ অন্তৰ্ভুক্ত আছিল। জোনাকী যুগৰ পৰা বেজবৰুৱা, পদ্ম নাথ গোঁহাইবৰুৱা, চন্দ্ৰধৰ বৰুৱা আদিয়ে সামাজিক, ঐতিহাসিক আৰু পৌৰাণিক নাটক ৰচনাৰে নাট্যজগতৰ গতিপথ সলনি কৰি দিয়ে।

ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ প্ৰাক মুহূৰ্তত ৰচিত নাট সমূহত স্বদেশ প্ৰেমৰ ধ্বনি শুনা যায়। প্ৰবীণ ফুকনৰ 'মণিৰাম দেৱান', নগাঁও নাট্য সমিতিৰ 'পিয়লি ফুকন', সুৰেন শইকীয়াৰ

ঢ়্ণল কোঁৱৰ', জ্যোতিপ্ৰসাদৰ 'লভিতা'ই ইয়াৰ াক্ষৰ বহন কৰে। স্বাধীনতাৰ পাছৰ নাট্য াাহিত্যৰ বিষয়বস্তুত যথেষ্ট পৰিৱৰ্তন পৰি- াক্ষিত হয় । সাৰদা বৰদলৈ, ফণী শৰ্মা, াক্ষ্যধৰ চৌধুৰী, সৰ্বেশ্বৰ চক্ৰৱৰ্তী, সত্যপ্ৰসাদ 'ৰুৱা আদি নাট্যকাৰে নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ অৰ্থনৈতিক সমস্যাবোৰ নাটৰ মাজেৰে ৰ্ণকৰ আগত দাঙি ধৰে। পাৰিবাৰিক সমস্যা, ।ণী সংগ্ৰাম, শোষণ আদি সমস্যাবোৰো নাট্য জগতৰ বিষয়বস্তু হৈ পৰে। আধুনিক অসমীয়া াট্য সাহিত্যত পাশ্চাত্য শৈলীৰ সমাৱেশ ঘটায় ৰুণ শৰ্মাই । স্বাধীনতাৰ পাছত অনূদিত াটৰ প্ৰচলন আৰু একাংকিকা নাটৰ প্ৰচাৰ াৰু প্ৰসাৰ অসমীয়া নাট্য সাহিত্যৰ উল্লেখনীয় ৈশ । প্ৰফুল্ল বৰা, মহেন্দ্ৰ বৰঠাকুৰ, ভবেন্দ্ৰ াথ শইকীয়া, অৰুণ শৰ্মা, চৈয়দ আব্দুল মালিক াদি লব্ধ প্ৰতিষ্ঠ নাট্যকাৰৰ কলমেৰে আধু- নিক অসমীয়া নাট্য সাহিত্যই নতুনত্বৰ পথ দখিছে । অসমীয়া নাট্য সাহিত্যৰ ভৱিষ্যৎ াতিকৈ উজ্বল;---এই ক্ষেত্ৰত ভ্ৰাম্যমান নাট্য লে এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে ।

'অৰুণোদই'ৰ পাছৰ পৰাই আধুনিক অসমীয়া বিতাৰ ধাৰা প্ৰৱাহিত হয় যদিও ৰোমান্টিক গতহে ই বিশেষ উৎকৰ্ষ লভে । ৰোমান্টিক গৰ কবি সকলৰ ভিতৰত চন্দ্ৰ কুমাৰ আগৰ- ালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ানমালিনীৰ কবি মফিজউদ্দিন আহমেদ, তেশ্বৰ বৰবৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা ল্লেখনীয়। প্ৰকৃতি প্ৰিয়তা, প্ৰেম আৰু সৌন্দৰ্য্যৰ াৰাধনা, বাস্তৱ বিমুখতা, অলৌকিকতাবাদ াদি ভাবধাৰা প্ৰস্ফুটিত হৈছিল সেই সময়ৰ বিতাত । কুৰি শতিকাৰ প্ৰথমাৰ্ধৰ কবি ৱুনাথ চৌধাৰী, বাগ্মীবৰ নীলমণি ফুকন, ম্বিকাগিৰি ৰায়চৌধুৰী, যতীন্দ্ৰ নাথ দুৱৰা, লিনীবালা দেৱী, ৰত্নকান্ত বৰকাকতী আদিৰ বিতাত জাতীয় জীৱনৰ প্ৰতিচ্ছবি, ভাৰতীয় ৰ্শনৰ আভা, জাতীয়তাবাদ, পশু-পক্ষীৰ বৰ্ণনা সুন্দৰ ৰূপত পোৱা যায় ।

ইংৰাজৰ বিৰুদ্ধে ভাৰতীয় গণ আন্দোলনৰ সময়ত অসমীয়া কবি সমাজে জনগণক জাতীয় ভাবেৰে উদ্বুদ্ধ কৰি জগাই তুলিবলৈ স্বদেশ প্ৰেমৰ কবিতা লিখিছিল। জ্যোতিপ্ৰসাদ আগৰ- ৱালা, অম্বিকাগিৰি ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য্য, পাৰ্বতী প্ৰসাদ বৰুৱা, প্ৰসন্ন লাল চৌধুৰী, অতুল হাজৰিকা আদিয়ে স্বদেশ প্ৰেমৰ বাণীৰে, কবিতাৰ মাজেৰে জনগণক একত্ৰিত কৰিছিল । স্বাধীনতাৰ পাছৰ তথা সাম্প্ৰতিক কবিতাৰ বিষয় সম্পূৰ্ণ বাস্তৱধৰ্মী। ই সমাজৰ নগ্ন চিত্ৰ পাঠকৰ আগত দাঙি ধৰে। পাশ্চাত্য কাব্যৰ অনুকৰণত অসমীয়া কবিতা চুটি হৈছে, ভাব গভীৰ হৈছে । সু কবি দেৱকান্ত বৰুৱাই অসমীয়া কবিতাত এটি নতুন ধাৰাৰ সূচনা কৰে । নব্য দৃষ্টিভঙ্গিৰে অমূল্য বৰুৱা, হেম বৰুৱা আদিয়ে অসমীয়া কাব্য জগতত প্ৰগতিবাদী চিন্তাৰ সোঁত বোৱাই আনে। হীৰেন ভট্টাচাৰ্য্য, নৱকান্ত বৰুৱা, সমীৰ তাঁতি, সনন্ত তাঁতি, কেশৱ মহন্ত, নীলমণি ফুকন, নিৰ্মল প্ৰভা বৰদলৈ, অজিৎ বৰুৱা, ভবেন বৰুৱা, বীৰেশ্বৰ বৰুৱা, ৰফিকুল হোছেইন আদি কবিয়ে অসমীয়া কবিতাৰ শুৱিবঠা ধৰিছে।

ঊনবিংশ শতিকাৰ শেষ দশকৰ 'ৰোমান্টিক যুগ'ত পদ্মনাথ গোঁহাঞিবৰুৱা, ৰজনীকান্ত বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱা আদিয়ে অসমীয়া উপন্যাস সাহিত্যৰ বাট মুকলি কৰে । সেই সময়ৰ প্ৰায় ভাগ উপন্যাসেই বুৰঞ্জীমূলক আৰু সামাজিক আছিল ।

যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসত দেশৰ জনগণৰ শোচনীয় অৱস্থাৰ চিত্ৰ দেখা যায় । দেশৰ আৰ্থিক সমস্যা, হিন্দু-মুছলমানৰ মিলা- প্ৰীতিৰ আদৰ্শ, মানুহৰ নৈতিক পতনৰ চিত্ৰ আদিয়েই সেই সময়ৰ উপন্যাসৰ বিষয়বস্তু হৈ পৰে । যুদ্ধৰ সময়ত গাঁৱলীয়া জীৱনৰ চিত্ৰেৰে বিৰিঞ্চি কুমাৰ বৰুৱাই 'বীণা বৰুৱা' ছদ্ম নামেৰে ৰচা 'জীৱনৰ বাটত' নামৰ উপন্যাস খনিয়ে অমৰত্ব লাভ কৰে । ভাৰতীয় গণ আন্দোলনত উপন্যাস সাহিত্যেৰে অৱদান যোগোৱা সকলৰ ভিতৰত চৈয়দ আব্দুল মালিক, যোগেশ দাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, দীননাথ শৰ্মা আদি ঔপন্যাসিক উল্লেখনীয় ।

দেশ স্বাধীন হোৱাৰ পাছৰ পৰা বৰ্তমানলৈ ৰচিত উপন্যাস সমূহত প্ৰধানকৈ সামাজিক, অৰ্থনৈতিক, পাৰিবাৰিক, প্ৰেম পিৰীতি আদি বিষয়বস্তু সোমাই পৰিছে। ভবেন্দ্ৰনাথ শই- কীয়া, চৈয়দ আব্দুল মালিক, হিতেশ ডেকা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, লক্ষীনন্দন বৰা, পদ্ম বৰকটকী, হোমেন বৰগোহাঁই আদি আধুনিক যুগৰ প্ৰখ্যাত ঔপন্যাসিক ।

সাহিত্যৰ দুটা সুকীয়া ধাৰা হিচাপে অনুবাদ সাহিত্য আৰু সমালোচনা সাহিত্য ধৰা হয় । অনুবাদ সাহিত্যৰ ক্ষেত্ৰত অসমীয়া সাহিত্য তেনেই চামুকীয়া অৱস্থাত আছে । তথাপিতো সাম্প্ৰতিক কালত অনা-অসমীয়া নাটকৰ অনু- বাদেৰে তৰুণ আজাদ ডেকা, সাহিত্য আৰু দৰ্শনৰ (প্ৰধানতঃ ৰুছ) অনুবাদেৰে হেম শৰ্মা, বিদেশী কবিতাৰ অনুবাদেৰে দিলীপ তালুকদাৰ আদিয়ে জনপ্ৰিয়তা লাভ কৰিছে । সমালোচনা সাহিত্যত বিশেষকৈ মুনীন বৰকটকী, ত্ৰৈলোক্য গোস্বামী, হেম বৰুৱা, হীৰেন গোহাঁই আদি সমালোচকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

একবিংশ শতিকাৰ দুৱাৰ-ডলিত থিয় দি অসমীয়া সাহিত্যই প্ৰবন্ধ, শিশু সাহিত্য, জীৱনী, সাহিত্য সমালোচনা আদি বিভিন্ন দিশত অভূত- পূৰ্ব সাফল্য লভিছে। এই ক্ষেত্ৰত বাতৰি কাকত সমূহেও এক মহান দায়িত্ব বহন কৰি আহিছে। বিভিন্ন দিশেৰে ফঁহিয়াই চাই সামৰণিত আমি ক'ব পাৰো যে, ভাৰতীয় আন আন সাহিত্যৰ তুলনাত অসমীয়া সাহিত্য কোনো গুণে কম চহকী নহয় । ইয়াৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে পৰৱৰ্তী সাহিত্যকাৰ সকলৰ নিষ্ঠা আৰু দায়- বদ্ধতাৰ ওপৰত । ***

'বৃটিছৰ আগমনে অসমত পুঁজিবাদ বা ধনতন্ত্ৰ প্ৰতিষ্ঠা কৰিলে আৰু ১৮৪৩ চনৰ আইনৰ দ্বাৰা দাস-প্ৰথা বন্ধৰ ঘোষণা কৰা হ'ল যদিও কাৰ্য্যতঃ দাস বেচা-কিনা চলি থাকিল বহুদিনলৈকে । তদুপৰি অসমত চাহ-খেতি আৰম্ভ কৰাৰ পিছত অসমৰ বাহিৰৰ পৰা যিবিলাক লোকক 'এগ্ৰিমেন্ট' কৰি বনুৱা হিচাপে অনা হ'ল সেই বনুৱা শ্ৰেণীৰ অৱস্থাও ক্ৰীতদাসতকৈ কোনো গুণে ভাল নাছিল ।"

—নগেন শইকীয়া, "অসমত দাস-প্ৰথা আৰু দাস বেচা-কিনাৰ ৰচিদ", 'অসম সাহিত্য সভা পত্ৰিকা', ত্ৰয়োবিংশ বছৰ, দ্বিতীয় সংখ্যা ।

# অসমীয়া কথাছবিৰ সন্দৰ্ভত

**মনোৰম গগৈ,**
স্নাতক ১ম বৰ্ষ (কলা)।

মানুহজনে হয়তো এক ডাঙৰ ব্যৱসায়ৰ জৰিয়তে যথেষ্ট টকা-পইচা ঘটিছে। হঠাৎ তেখেতৰ মন গ'ল—এখন 'চিনেমা' প্ৰযোজনা কৰিব। সেই যে বিষয়টো মগজুত সোমাল—লগে লগে আৰম্ভ হৈ গ'ল প্ৰস্তুতি পৰ্ব। চিনেমা জগতৰ লগত জড়িত এজন মানুহ বিচাৰি পৰিচালনাৰ দায়িত্ব দিলে। কাহিনী বিচাৰিলে, সংগীত পৰিচালক বিচাৰিলে, আন কলাকুশলী বিচাৰিলে। আৰু তাৰ পাছত এদিন মহৰত সম্পন্ন হ'ল। তেনেদৰে, ধৰা হওক, এজন সংস্কৃতিপ্ৰেমী ব্যক্তিৰ এখন 'চিনেমা' পৰিচালনা কৰাৰ মন। ইতিমধ্যে হয়তো তেখেতে দুই চাৰিখন অসমীয়া কথাছবিত সহকাৰীৰূপে কাম কৰাৰ অভিজ্ঞতা লাভ কৰিছে। গতিকে এইবাৰ পৰিচালক হোৱাৰ আশাৰে মানুহজনে প্ৰযোজক এজনৰ সন্ধান কৰাত লাগিল। তাৰ পিছত কাহিনী, চিত্ৰনাট্য ইত্যাদি। আৰু এদিন দেখা গ'ল যে ছবিখনৰ দৃশ্যগ্ৰহণ আৰম্ভ হৈ গৈছে।

সৰহভাগ অসমীয়া ছবিৰে নিৰ্মাণৰ প্ৰস্তুতি-পৰ্ব এনেধৰণৰ। কোনো ধৰণৰ আঁচনি, দূৰদৰ্শী চিন্তা-চৰ্চা নোহোৱাকৈ ছবি নিমাণত আগ বঢ়োৱাৰ ফলস্বৰূপে একোখন অপৰিপক্ক অসমীয়া ছবিয়ে মুক্তি লভে। আৰু শেষত দেখা যায় ছবিঘৰত দৰ্শকৰ সেমেকা সঁহাৰি।

গুণগত আৰু সংখ্যাগত দুয়ো দিশৰ পৰাই অসমীয়া কথাছবিৰ বৰ্তমান স্থিতি মুঠেই সন্তোষজনক নোহোৱাৰ পৰিপ্ৰেক্ষিতত এই সন্দৰ্ভত গঠনমূলক চিন্তাৰ প্ৰয়োজন সম্প্ৰতি খুবেই প্ৰাসংগিক। কিছুদিনৰ পূৰ্বে অসমীয়া ছবিজগতৰ যশস্বী অভিনেতা নিপন গোস্বামীয়ে আলোচনা প্ৰসঙ্গত অভিযোগ কৰিছিল যে অসমীয়া ছবিজগতত কিছুমান অনুপযুক্ত লোকৰ অনৰ্থক ভিৰে ছবিজগতৰ উন্নতি ত্বৰান্বিত কৰিব পৰা নাই। ছবিজগতৰ সৰ্বাংগীন উন্নতিৰ কাৰণে এচাম প্ৰতিভাশালী চলচ্চিত্ৰ কৰ্মীৰ প্ৰয়োজনীয়তা সম্পৰ্কে দ্বিমত থকাৰ প্ৰশ্ন নুঠে। কিন্তু তাৰ লগতে নিৰ্মাতাসকলৰ সামাজিক দায়বদ্ধতা আৰু দূৰদৰ্শী চিন্তাৰ প্ৰয়োজনীয়তা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰাৰো অৱকাশ নথকা নহয়। অসমত থকা ছবি নিৰ্মাণৰ সা-সুবিধাখিনিৰ আলোচনাও আজিৰ পটভূমিত প্ৰাসংগিক।

জাহ্নু বৰুৱাৰ 'হালধীয়া চৰায়ে বাওধান খায়' ছবিখনে ৰাষ্ট্ৰীয় তথা বিদেশজোৰা খ্যাতি লাভ কৰাৰ পাছত আশা কৰা হৈছিল যে এই খ্যাতিয়ে অসমীয়া ছবিজগতত যোগাত্মক প্ৰভাৱ পেলাব আৰু অসমীয়া ছবিৰ নিৰ্মাতাসকলে স্পষ্ট বক্তব্য দাঙি ধৰিব পৰা কাহিনীৰে ছবি নিৰ্মাণত গুৰুত্ব দিব। যোৱা দুটা বছৰত যথেষ্ট সংখ্যক অসমীয়া ছবি নিৰ্মাণৰ সংবাদ পোৱা হ'ল ঠিকেই; কিন্তু বৰ্তমানলৈকে মুক্তি পোৱা ছবিকেইখনে আমাৰ মনত আশাৰ সঞ্চাৰ কৰিব পৰা নাই। নিৰ্মাতাসকলে চলচ্চিত্ৰ মাধ্যমটোৰ প্ৰতি থকা দায়িত্ব, সমাজ তথা জাতিৰ প্ৰতি থকা দায়বদ্ধতাখিনি উপলব্ধি কৰাত ব্যৰ্থ হোৱা যেন অনুভৱ হৈছে। সেইবাবেই অসমীয়া চিনেমাৰ ভৱিষ্যত সন্দৰ্ভে আমি সন্দিহান হৈ পৰিবলৈ বাধ্য হৈছোঁ।

"সিদিনা বহুতে ভাবিছিল মই ৰাজনৈতিক জীৱনৰ পৰা অৱসৰ লৈ চিনেমা জগতৰ ৰঙীন আৰ্ট বিলাসিতাৰ বাটকেই বাছি লৈছোঁ। কিন্তু **মই আৰ্টক সংগ্ৰামৰ পৰা বেলেগকৈ কোনো দিনেই দেখা নাই।** জেলত থাকোঁতে মোৰ উপলব্ধি হৈছে যে আমাৰ জাতীয় নেতৃত্বই আৰ্টৰ বৈপ্লৱিক ভূমিকা সম্পৰ্কে অজ্ঞ আৰু অচেতন আৰু তাৰপৰা সৃষ্টি হৈছে এওঁলোকৰ আৰ্টৰ প্ৰতি অৱজ্ঞা। **অশিক্ষিত ভাৰতৰ গণমানসৰ ৰূপান্তৰত আৰ্টৰ এটি প্ৰধান ভূমিকা আছে।** সেই প্ৰেৰণাই মোক চিনেমাৰ বাটত নমালে।" 'আৰ্ট'ক সংগ্ৰাম বুলি ভবাৰ কাৰণেই, সামাজিক দায়বদ্ধতাৰ প্ৰতি সদা সচেতন ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে চিনেমা জগতত নামি পৰিছিল। প্ৰতিকূল অৱস্থা আৰু পৰিবেশ সত্বেও ১৯৩৩ চনত চিত্ৰবন প্ৰতিষ্ঠা কৰি 'জয়মতী'ৰ প্ৰযোজনা, পৰিচালনাত অগ্ৰসৰ হৈছিল। জ্যোতিপ্ৰসাদৰ উদ্দেশ্য আৰু লক্ষ্য আছিল মহৎ। অসমীয়া ছবিৰ বাবে কাহিনী বা উপস্থাপন ৰীতি তেখেতে বাহিৰৰ পৰা ধাৰ কৰি অনা নাছিল। চিনেমাৰ ভাষা আয়ত্ব কৰি জ্যোতিপ্ৰসাদে 'জয়মতী'ত অসমৰ স্বকীয় বৈশিষ্ট্যৰাজি প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিল। 'জয়মতী'ৰ নিৰ্মাণ সম্পৰ্কে জ্যোতিপ্ৰসাদে কৈছিল, "জয়মতীত অভিনয়ৰ ভংগী স্বাভাৱিক আৰু তাৰ উপৰিও অসমীয়া কথা কোৱাৰ বিশিষ্ট ভংগী, অসমীয়াৰ মাত-কথাৰ বিশিষ্ট ঠাচ্ ইত্যাদিলৈ ইয়াত সূক্ষ্মভাৱে মন দিয়া হৈছে। অসমীয়া বচন প্ৰকাশভংগী, ঠাচ্ ইত্যাদি যে আমাৰ সাধাৰণতে মঞ্চত চলিত মাত-কথাতকৈ বহুত বেলেগ হোৱা উচিত তাকো এই ছবিত দেখুৱাব খোজা হৈছে। দেশভক্ত ফুকন, কৰ্মবীৰ বৰদলৈ এইসকল আৰু আমাৰ সেই সময়ৰ জীৱিত সাহিত্যিক আৰু নেতাসকলৰ প্ৰায়ভাগেই অসমীয়া কওঁতে অসমীয়াৰ সৌন্দৰ্য্য আৰু তাৰ নিজা বৈশিষ্ট্য প্ৰত্যেক শাৰীতেই ফুটাই কৈছিল। তেওঁলোকৰ নিভাঁজ বচনভংগী, তাৰ উপৰিও কেবাবছৰো গাঁৱৰ বহুতো সম্ভ্ৰান্ত পৰিয়ালৰ মুনিহ-তিৰোতাৰ বচনভংগী বিশেষভাৱে অধ্যয়ন কৰি মই 'জয়মতী' ফিল্মৰ বচনভংগী সেইমতে গঢ় দিওঁ—যাতে আমাৰ উঠি অহা ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষাৰ সৌন্দৰ্য্য উলিয়াই তাৰ নিজা বিশিষ্টতা ৰাখি কথা ক'ব পাৰে—অভিনয়, আবৃত্তি ইত্যাদি কৰিব পাৰে।" জ্যোতিপ্ৰসাদক আজিৰ কেইজন পৰিচালক-প্ৰযোজকে অনুসৰণ কৰিছে?

জ্যোতিপ্ৰসাদে ভাবিছিল যে অসমীয়া চিনেমাত অসমীয়া সমাজ প্ৰতিফলিত হ'ব, অসমৰ সংস্কৃতি, ঐতিহ্য অসমীয়া চিনেমাত জিলিকি উঠিব আৰু তাৰ জৰিয়তে অসমীয়াই নিজকে বুজি উঠিব, চিনি পাব। সেইবাবেই তেখেতে অসমীয়া সমাজ, সংস্কৃতিৰ প্ৰতিটো দিশ অতি সূক্ষ্মভাৱে অধ্যয়ন কৰি সেইবোৰক ছবিত স্থান দিছিল। জাতীয় চেতনাবোধ

জ্যোতিপ্ৰসাদক প্ৰতিকূল অৱস্থা সত্ত্বেও চিনেমা শিল্পৰ প্ৰতি আকৰ্ষিত কৰিছিল। কিন্তু জ্যোতি-প্ৰসাদৰ সেই আদৰ্শ আৰু লক্ষ্যক আজি কেইজন অসমীয়া ছবিৰ পৰিচালকে হৃদয়ঙ্গম কৰি ছবি নিৰ্মাণত হাত দিছে? অসমীয়া ছবিৰ স্বকীয়তা কেইখন ছবিত ফুটি উঠিছে? এইবোৰ প্ৰশ্নৰ ইতিবাচক উত্তৰ নোহোৱাটো কেৱল অসমীয়া ছবিজগতৰ বাবেই নহয়, সমগ্ৰ অসমীয়াৰ বাবেই দুৰ্ভাগ্যজনক। 'কল্লোল'খ্যাত অতুল বৰদলৈ, 'গঙা চিলনীৰ পাখি' খ্যাত পদুম বৰুৱা, 'সন্ধ্যাৰাগ', 'অনিৰ্বাণ', 'অগ্নিস্নান' আৰু 'কোলাহল'ৰ নিৰ্মাতা ভবেন্দ্ৰনাথ শইকীয়া আৰু 'অপৰূপা', 'পাপৰি' আৰু 'হালধীয়া চৰায়ে বাওধান খায়'ৰ পৰিচালক জাহ্নু বৰুৱাৰ দৰে কেইজনমান মাথোন অসমীয়া ছবি নিৰ্মাতাইহে অসমীয়া চিনেমাৰ স্বকীয়তাৰ প্ৰতি দৃষ্টি দিয়া পৰিলক্ষিত হৈছে। অতুল বৰদলৈয়েতো প্ৰায় এটা যুগৰ বিৰতিৰ পাছতহে দ্বিতীয়খন ছবিত হাত দিছে। তেখেতে এই দ্বিতীয়খন ছবিত নিজৰ আদৰ্শ আৰু সৃষ্টিত আপোচবিহীন মনোভাবেৰে কেনেদৰে সফলতা লভে সেয়া আজিৰ পটভূমিত লক্ষণীয় হ'ব। পদুম বৰুৱাই নতুন ছবিৰ বাবে সাহ কৰিব পৰা নাই—সেয়া কম পৰিতাপৰ কথা নহয়। নিৰবচ্ছিন্নভাৱে অসমীয়া ছবি নিৰ্মাণৰ বাবে সংকল্প লৈ আগবাঢ়ি অহা মননশীল পৰিচালক ভবেন্দ্ৰনাথ শইকীয়াৰ দুখন ছবিৰ মাজৰ সময়ৰ ব্যৱধান যথেষ্ট বেছি। জাহ্নু বৰুৱাৰ ক্ষেত্ৰতো দুখন ছবিৰ মাজত যথেষ্ট দিনৰ পাৰ্থক্য আমি লক্ষ্য কৰিছোঁ। এই কেইজন প্ৰতিভাশালী পৰিচালকৰ ছবিৰ সহায়তহে আজি অসমীয়া ছবিয়ে ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু তথাপিও আজি ভাল অসমীয়া ছবি নিৰ্মাণৰ এটা আন্দোলন গঢ়ি উঠা নাই। নতুন নতুন সৎ চলচ্চিত্ৰ পৰিচালকে অসমীয়া ছবিজগতত ভিৰ কৰি এতিয়াও অসমীয়া ছবিক এক গতিশীলতা প্ৰদান কৰিব পৰা নাই। অসমীয়া ছবিজগত এটা উদ্যোগত পৰিণত হ'ব পৰা নাই।

অসমীয়া ছবি নিৰ্মাণৰ যে সমস্যা বহুত সেই কথা ছবি জগতৰ লগত জড়িত প্ৰতিজন ব্যক্তিয়েই নজনাকৈ থকা নাই। আৰ্থিক সমস্যাৰ পৰা প্ৰদৰ্শনৰ সমস্যালৈকে অলেখ সমস্যা; দিনে দিনে সমস্যা বাঢ়িহে গৈছে, কিন্তু সেই সমস্যাবোৰ আঁতৰোৱাৰ বলিষ্ঠ প্ৰচেষ্টা অসমীয়া ছবি জগতৰ কৰ্মীসকলে গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব পৰা নাই। অসমীয়া চিনেমা জগতৰ শিল্পীসকলৰ মাজত সংঘবদ্ধ প্ৰচেষ্টাৰ অভাৱে আজিৰ পৰিস্থিতি ক্ৰমাৎ জটিল কৰি তুলিছে। অসমীয়া চিনেমা জগতৰ শিল্পীসকলে একগোট হৈ এটা সুস্থ চলচ্চিত্ৰ নীতি ঘোষণা কৰিবলৈ চৰকাৰক আজিলৈকে বাধ্য কৰাব পৰা নাই।

অসমীয়া চিনেমাৰ সাম্প্ৰতিক পটভূমি আৰু ইয়াৰ উন্নতি সম্পৰ্কে জাহ্নু বৰুৱাই কিছুদিনৰ আগতে কিছু গুৰুত্বপূৰ্ণ কথা কৈছে। তেখেতে কৈছে, "চলচ্চিত্ৰ জগতৰ বাবে প্ৰয়োজনীয় পৰিবেশ আমাৰ ইয়াত এতিয়াও গঢ় লৈ উঠা নাই। পৰিবেশ এটা তৈয়াৰ কৰিবলৈ সুস্থ ছবি কৰাৰ প্ৰয়াস দেখুৱাবও লাগিব। তেতিয়াহে চৰকাৰেও আগবাঢ়ি অহাৰ সাহস পাব। এই পৰিবেশ অকল চৰকাৰ বা জ্যোতি-চিত্ৰবনেই গঢ় দিব নোৱাৰে। জ্যোতি চিত্ৰবনত থকা বহুত সা-সুবিধা মান্ধাতা আমোলৰ। আনহাতে এনে বহুত সুবিধাও ইয়াত আছে যিবোৰৰ পৰা আমি পূৰ্ণ সুবিধা ল'ব পাৰোঁ। তদুপৰি জ্যোতি চিত্ৰবনৰ কিমান মানুহে অসমীয়া চলচ্চিত্ৰক অন্তৰৰ পৰা ভাল পায়---তাৰ প্ৰশ্নও জড়িত হৈ আছে। অসমীয়া চলচ্চিত্ৰ জগতখন এতিয়াও চালুকীয়া অৱস্থাতেই আছে। ১৯৩৭ চনত মালায়ালম ছবি ওলাইছিল, কিন্তু আজি ক'ত মালায়ালম ছবি আৰু ক'ত অসমীয়া ছবি। এক অৰ্থত আমি কলাকুশলী সকলো দায়ী। আমাৰ মাজত সেই পাঁচটা বিখ্যাত 'ডি'—ডেডিকেশ্বন, ডিভোশ্বন, ডিটাৰমিনেশ্বন, ডিচিপ্লিন আৰু ডিপ্লিশ্যানৰ অভাৱ। চালুকীয়া অনুষ্ঠান এটাক গঢ় দি তুলিবলৈ এইবোৰৰ খুবেই প্ৰয়োজন। আমাৰ নিজৰ এই আটাইবোৰ থকাৰ পিছতহে একগোট হৈ আমি চৰকাৰক দাবী জনোৱাৰ অধিকাৰ থাকে।" আমি ভাবোঁ যে জাহ্নু বৰুৱাৰ এই কথাখিনি অসমীয়া চিনেমা জগতৰ প্ৰতিজন ব্যক্তিয়েই উপলব্ধি কৰা উচিত।

ভাল ছবি চাবলৈ নাপাই অসমীয়া ছবিৰ প্ৰতি দৰ্শকৰ আস্থা কমি আহিছে। এইক্ষেত্ৰত নিৰ্মাতাসকল সচেতন হ'বই লাগিব। দৰ্শকৰ মনলৈ আস্থাৰ ভাৱ ঘূৰাই অনাৰ প্ৰধান দায়িত্ব তেওঁলোকৰ। ভাল কাহিনীৰ সুস্থ উপস্থাপনত নিৰ্মাতাসকলে গুৰুত্ব দিব লাগিব। কাৰণ অতি সংবেদনশীল এই মাধ্যমটোৱে জনজীৱনত অশুভ প্ৰভাৱ পেলোৱাৰ সৰ্বক্ষণতে আশংকা আছে।

অইনৰ ধাৰ কৰা কাহিনীৰে, সামাজিক দায়বদ্ধতাক অস্বীকাৰ কৰি ব্যৱসায়িক দৃষ্টিভংগীক অগ্ৰাধিকাৰ দি বিকৃত ৰুচিৰ অসমীয়া ছবি নিৰ্মাণ বন্ধ কৰিব লাগিব। অসমৰ জনজীৱনক সঠিক ৰূপত প্ৰতিফলিত কৰিব পৰা, অসমৰ বিভিন্ন ঐতিহ্যমণ্ডিত সংস্কৃতিৰ পটভূমিত অসমীয়া ছবি নিৰ্মিত হ'ব লাগিব। অসমীয়া চিনেমাৰ পৰা উঠি অহা চামে সুশিক্ষা পাব লাগিব। দূৰদৰ্শন আৰু বোম্বাইৰ চিনেমাৰ গড্ডালিকা প্ৰবাহত উটি ভাহি নগৈ নতুন চামক নিজৰ স্বকীয় ঐতিহ্যমণ্ডিত সংস্কৃতিৰ জৰিয়তে নিজকে চিনি পাবলৈ অসমীয়া ছবিয়ে শিকাব লাগিব।

এদিন সেই দিন আহিবই। আমি আশাৰে বাট চাই আছোঁ।

***

"---চলচ্চিত্ৰত বাস্তৱতাৰ প্ৰতি আমাৰ এটা আকৰ্ষণ থাকিলেও এই কথা বুজা দৰকাৰ যে অন্য যিকোনো নান্দনিকতাৰ দৰেই এই জাতীয় নান্দনিকতাকো অতিক্ৰম কৰিব নোৱাৰিলে চিনেমা নিৰাসক্ত ধ্যানৰ উপকৰণ জীৱনসদৃশ বৰ্ণনামাত্ৰলৈ পৰ্য্যবসিত হ'ব। ---বিশেষকৈ তথাকথিত উন্নয়নশীল দেশবোৰ এই বিষয়ে সচেতন হৈ উঠিছে যে, এটা নতুন অৰ্থনৈতিক কাঠামোৰ দৰকাৰ আছে। এইটোও বুজা গৈছে, তথ্য আৰু সংযোগৰ নতুন কাঠামো আৰু নতুন অৰ্থনৈতিক কাঠামো, ইয়াৰ এটাক বাদ দি আনটো সম্ভৱ নহয়। বিশেষ উল্লেখযোগ্য এই যে, শ্ৰেষ্ঠ ছবিবোৰত প্ৰায়েই যি কোনো ভাৱে দাঙি ধৰা হয় মানুহৰ সংগ্ৰাম। ---পৃথিৱীৰ বিকাশ যিভাৱে হৈছে সেই সম্পৰ্কে সামাজিক প্ৰতিফলনৰ সকলোতকৈ সমালোচনামূলক অৰু সম্ভৱতঃ সকলোতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰটি আজি সংযোগকৰ্মী সকলৰ আয়ত্বত।"

—গাস্তঁ ৰোবেৰ্জ, 'তথ্যচিত্ৰৰ নৃতত্ব ও নান্দনিকতা', 'তথ্যচিত্ৰ পৰিচালনা ও নিৰ্মাণ'।

# কবিতা



# স্বপ্ন-স্মৃতি-বিষাদৰ গাথা

বিপুলজ্যোতি শইকীয়া,
স্নাতকোত্তৰ শ্ৰেণী ।

১

কথা আছিল হাত মেলিলেই উৰি আহিব
সকলো আকাশ পাৰ হৈ অহা গানৰ চৰাই,
চকুৰ মেঘৰ আয়োজন শেষ হ'ব,
আৰু নিশ্বাসৰ মধুৰ শব্দবোৰ দূৰ
বহু দূৰলৈ আঁতৰি যাব,
আঁতৰি যাব সময়ৰ আটাইবোৰ ছাঁ ।

কথা আছিল আমি গানৰ শেষৰ গানবোৰ গাম,
সপোনৰ শেষৰ সপোনবোৰৰ স'তে
সময়ৰ শেষৰ সময়বোৰ আমাৰ বাবে পাম;
কথা আছিল আমি বাটৰ শেষৰ বাটবোৰেৰে
একেলগে খোজ কাঢ়ি যাম
কথা আছিল....

আৰু যে কিমান কথা নাছিল !

২

সেই যে এদিন বৰষুণ আহিছিল
আমাৰ দুয়োৰে হাতবোৰ তিতিছিল
মনত আছেনে
আমি যে ইজনে সিজনৰ ছাঁত লুকাবলৈ লওঁতে
ডাঁৱৰে হাঁহিছিল

এদিন যে বৰষুণ আহিছিল
আৰু আমাৰ বুকুৰ গভীৰৰ কোনোবা এঠাইৰ পৰা
উঠি আহিছিল মাটিৰ গোন্ধ
আৰু মাটি নিতিতা পানীৰে তিতিছিল গোটেই শৰ্বৰী
আৰু সময়ৰ আটাইবোৰ ঘড়ী

এদিন যে বৰষুণ আহিছিল
আমাৰ দুয়োৰে মাতবোৰ তিতিছিল
মনত আছেনে

এদিন যে কেৱল বৰষুণেই আহিছিল
আৰু আমাৰ সপোনৰ ছবিবোৰ তিতিছিল
মনত আছেনে

৩

ভিক্ষুকৰ দৰে মই তোমাৰ দুৱাৰত হাত পাতি থাকোঁ
কাৰণ মই যে ভিক্ষুক

উন্মাদৰ দৰে মই তোমাৰ শান্তি ভংগ কৰোঁ
কাৰণ মই যে উন্মাদ

প্ৰেমিকৰ দৰে মই তোমাৰ স্পৰ্শ বিচাৰোঁ
কাৰণ মই যে প্ৰেমিক

মই উন্মাদ ভিক্ষুক প্ৰেমিক

# কবিতাৰ জন্মদিন

কবিতাৰো জন্মদিন থাকে। অৱশ্যে অজ্ঞাতে।

অজ্ঞাতেই জন্ম হয় কবিতৰ, অবৈধ শিশুৰ জন্মৰ দৰে
সংগোপনে ;
ধাত্ৰী নাই স্তন্যদায়িনী নই, জন্ম দিয়েই মুক্ত হৈ যায় সময় ;
সেইবাবেই কবিয়ে সময়ক ক্ৰুৰ বুলি কয়।

জন্মৰ প্ৰাক্‌কালত কিমান যে ষড়যন্ত্ৰ চলে কবিতাৰ বিৰুদ্ধে
কোনো কোনোৱে নষ্ট কৰিব বিচাৰে ভ্ৰূণ ;
চিৰাচিৰ কৰিব খোজে সময়ৰ গৰ্ভ, কোনো কোনোৱে বতাহত
তেজস্ক্ৰিয়তাৰ বিষ মিহলাই দিয়ে, কোনো কোনোৱে বা
জন্মৰ আগতেই কবিতাৰ হাতত
তুলি দিব বিচাৰে ৰক্তাক্ত পতাকা।

কবিতাই কালৈকো ভ্ৰূক্ষেপ নকৰি গোপনে গোপনে বাঢ়ে,
আৰু এদিন হঠাৎ সময়ৰ গৰ্ভ বিদীৰ্ণ কৰি ওলাই আহে আপোন
পৰিমাৰে ;
অন্ধকাৰৰ পৰা ওলাই সীমাহীন পোহৰলৈ, জন্মৰ পাছতেই
জাপ মাৰি ভৰি থয় মাটিত, দৌৰি আঁতৰি যায় অনেক দূৰলৈ।

কবিতাৰো জন্মদিন থাকে; মানুহৰ ঘড়ীৰ লেখেৰে যাক লেখিব নোৱাৰি।

# পোহৰ ছবি

**বিপুল চন্দ্ৰ কলিতা,**
স্নাতক ২য় বৰ্ষ (কলা)।

প্ৰতিদিনে এখন ভঙা আইনাৰ সন্মুখত হেৰুৱাওঁ
আমাৰ চিনাকি মুখৰ দুখবোৰ
নিজক বিভৎস ৰূপত দেখিলেই ক্ৰমশঃ অস্পষ্ট হৈ যায়
আমাৰ সপোনৰ ৰঙা পতাকাৰ ৰং
ইতিহাসৰ পাতত সাৰ পাই উঠে আমাৰ চিনাকি-অচিনাকি
ক'ত আখৰৰ সুখবোৰে
সপোনৰ পৰা দিঠকলৈ উভতি অহাৰ পথত বুকুৰ ৰঙাখিনিৰে
লিখি আহো অমৰাৱতীৰ দেৱালত আমাৰ প্ৰতিবাদ

পুনৰ লগালগি হওঁ তৰোৱালৰ লগত সখি পতা দুঃসাহসৰ দিনবোৰৰ স'তে।
পাহৰি যাওঁ ফুলনিত জুই লগাই নৰ্তকীৰ নৃত্য ভঙ্গ কৰোতে
বিজয় মালাৰ বাবে ফুল বিচাৰি হাহাকাৰ কৰা দিনৰ কথা
উলংগ হৈ নাচি থাকে তৰোৱালৰ আগত যুদ্ধ জয়ৰ লালসা, বাট হেৰোৱা মুণ্ডহীন নৰ!
আমাৰ পিয়াহ নালাগে কাহানিও, দেৱতাৰ মন্দিৰলৈ আগ কৰা
গাখীৰৰ ডোঙা দেখি
আমাৰ আছে তেজৰ তৃষ্ণা, যি তৃষ্ণা কেতিয়াও পূৰণ হোৱা নাছিল
দুহাতেৰে শইচ চপোৱাৰ প্ৰতিদানত
কঁাচিৰ আকাৰতে গঢ়ো নৰকবাসীৰ বাবে তৰোৱাল—
যাৰ সাহসী শানত জীপ লৈ উঠে আমাৰ প্ৰতিবাদ!



# বসন্ত

**ৰুণিমা শৰ্মা,**
স্নাতক ১ম বৰ্ষ (কলা)।

ব'হাগ আহিলে হেনো
মন পথাৰত গজে
প্ৰেমৰ নানাৰঙী শইচ।

মোৰ উৰুখা পঁজা
চিৰৰুগ্না আইৰ কেঁকনি
তাতে, পিতাইৰ এইবাৰ টনাটনি
প্ৰেমনো মই কাৰ স'তে কৰিম!

প্ৰেমতকৈ চোন
ধানৰ শইচেই ভাল
যদিহে ওৰ পৰে
মোৰ আজন্ম আকাল।

# বাসনা

**গৌতম মালাকাৰ,**
স্নাতক ১ম বৰ্ষ (কলা)।

হৃদয় মোৰ শিকলিৰে বন্ধা
নিপীড়িতৰ উদ্ভিন্ন গুমগুমণি,
মোৰ চৌকছ যৌৱনত
বুলেট ভৰোৱা বন্দুকৰ যন্ত্ৰণা

নিখিল বিশ্বৰ বিৰুদ্ধে বিদ্ৰোহ
নতুনৰ সন্ধানত,
ভিন্নতাৰ বিপৰীতে একতা
আৰু সমগ্ৰতা....

নিঃসাৰ সমাজগণ্ডিত
ধাপে ধাপে গজিছে
মোৰ সৃষ্টিকামী সংগ্ৰাম,
সংহত সমাজ গঢ়াৰ শাণিত অস্ত্ৰ
চিকমিক....

# গল্প



——শিল পৰা কপৌৰ দৰে থৰ হৈ ৰ'ল ইন্দিৰা। নিজৰ চকু কাণকেই তাই বিশ্বাস কৰিবলৈ টান পালে। অপমান আৰু বেদনাৰ অসহ্যকৰ ক্লান্তিত তাইৰ সমস্ত চেতনা, সমস্ত নাৰী সত্তা যেন বিলুপ্ত হ'ব খুজিলে——

# অৱলম্বন

**অচ্যুত কুমাৰ পাটোৱাৰী,**
স্নাতক প্ৰথম বৰ্ষ (কলা)।




অলপ সময়ৰ আগতে নিশাৰ 'শ্বো' শেষ কৰি অভিনেত্ৰী ইন্দিৰা 'গ্ৰীণৰূম'ত সোমাইছে। 'গ্ৰীণৰূম'ত সোমোৱাৰ লগে লগেই তাই মানুহজনী যেন বেলেগ হৈ পৰে। ক্ষন্তেক আগতে মঞ্চৰ ৰঙা-নীলা আলোকত মায়াজাল ৰচা ইন্দিৰা আৰু এইজনী ইন্দিৰাৰ মাজত যেন একেবাৰেই মিল নাই। অথনি অনন্তৰ পৰা পোৱা চিঠিখন এতিয়াও টেবুলতে পৰি আছে। বিগত দুই বছৰে এনে কেইবাখনো চিঠি ইন্দিৰাই অনন্তৰ পৰা পাইছে। তাৰে এখন চিঠিও খুলি চোৱাৰ ধ্যাবে তাইৰ আগ্ৰহ হোৱা নাই। বৰং 'অনন্তই এতিয়াও তাইক বিচাৰে' বুলি আত্মপ্ৰসাদৰ অনিৰ্বচনীয় তৃপ্তিত মাজে মাজে এক অযাঞ্চিত গৌৰৱ অনুভৱ কৰে তাই। গালত লাগি থকা ৰঙৰ সাঁচখিনি আঁতৰাই থাকোঁতে এৰি অহা দিনবোৰৰ বহু স্মৃতিয়েই তাইক আমনি কৰিলে।

প্ৰশংসা লাভত বোধকৰো এক দুৰ্বাৰ মাদকতা আছে। আৰু সেইবাবেই হবলা প্ৰত্যেক মানুহেই কম বেছি পৰিমাণে প্ৰশংসালোভী কলেজত একেৰাহে দুই বছৰ শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান পোৱা ইন্দিৰা বৰুৱাও ইয়াৰ ব্যতিক্ৰম নাছিল। দীৰ্ঘ, ঋজু দেহাটোৰ সুন্দৰ গঠন, নাক-চকুৰ ৰাংময় সৌন্দৰ্য্য, ওঁঠৰ বেঁকা ৰেখাটি—এই সকলোবোৰ যে একেটা মানৱী দেহাতে সম্ভৱ তাক ইন্দিৰাক নেদেখিলে উপলব্ধি কৰিব নোৱাৰি। তাইৰ স্বাভাৱিক প্ৰসন্নতাৰ আঁৰত লুকাই আছিল এটি সাহসী মন। আৰু সেই কাৰণেই ইন্দিৰাই বাটৰ কাষৰ ৰোমিঅ' হঁতৰ পিপাসু দৃষ্টিৰ সমুখেদি দপদপাই ফুৰিব পাৰিছিল। কিন্তু, সেইজনী ইন্দিৰাই যে কলেজৰ আটাইতকৈ নিৰ্জু, নিস্পৃহ বুলি খ্যাত অনন্ত চৌধুৰীক ভাল পাব পাৰে সেই কথা কোনেও ভাবিবই পৰা নাছিল। ইন্দিৰা নিজেও আচৰিত হৈছিল। তাই অনুভৱ কৰিছিল, বান্ধি ৰাখিব পৰা বুলি নিশ্চিন্ত হৈ থকা মনটোৰ ওপৰত আচলতে তাইৰ কোনো বান্ধোনেই নাই।

কথাবোৰ আজিও ইন্দিৰাৰ মনৰ মাজুলীত সজীব হৈ আছে। ইন্দিৰাৰ বান্ধৱী কৰবীয়েই প্ৰথমে চিনাকি কৰি দিছিল অনন্তক। অনন্ত চৌধুৰী, ৰাজনীতি বিজ্ঞান বিভাগৰ 'ফাইনেল ইয়েৰ'ৰ ছাত্ৰ। অনন্তই সেইদিনা ইন্দিৰালৈ চাই কেৱল কৈছিল,

ঃ 'তোমাৰ অভিনয়ত প্ৰাণ আছে।'

মাত্ৰ এষাৰি বাক্য; ইয়াৰ মাজেৰেই যেন অনন্তই বহু কথা কৈ পেলাইছিল ইন্দিৰাক। অনন্তৰ মুখত তাইৰ প্ৰশংসা শুনি লাজকুৰীয়া হাঁহিৰে চকু টিপি মূৰ দুপিয়াইছিল ইন্দিৰাই।

আৰু তাৰ পিছত 'ক্লাচ'ৰ অৱসৰত কেতিয়াবা 'লাইব্ৰেৰী'ত, কেতিয়াবা 'কেন্টিন'ত, কেতিয়াবা 'পাৰ্ক'ত আৰু কেতিয়াবা দীঘলী পুখুৰীৰ চাৰিওপাৰে সিহঁত দুয়োৰে চিনাকি খোজৰ সমন্বয় ঘটিছিল। এইবোৰতকৈয়ো ভালপোৱাৰ গভীৰ উপলব্ধিয়েই আছিল সিহঁতৰ প্ৰগাঢ় আত্মীয়তাৰ উৎস।

এইদৰেই পাৰ হৈ গৈছিল দুটা সুদীৰ্ঘ বছৰ। অনন্তৰ কথামতেই ইন্দিৰা বৰুৱা এদিন ইন্দিৰা চৌধুৰী নহৈ ইন্দিৰা বৰুৱা হৈয়েই আহিল অনন্তৰ জীৱনলৈ। স্থানীয় বাতৰি কাকত এখনৰ সম্পাদক অনন্ত চৌধুৰীৰ স্ত্ৰী ইন্দিৰা বৰুৱা। এক গভীৰ প্ৰশান্তিত দুটি প্ৰাণে সুখৰ সৰু পৃথিৱী এখন গঢ়িবলৈ আগবাঢ়িল। কিন্তু, সেই প্ৰশান্তিত এদিন আউল লাগি গ'ল। যেন আটোম-টোকাৰি চৰাই বাহটো ভাঙিব খুজিলে ধুমুহা এজাকে। অনন্ত আৰু ইন্দিৰা একেলগে থাকিও যেন ভিন্নমুখী হৈ পৰিল। এদিন ইন্দিৰাৰ অভিনয়ত প্ৰাণ থকা বুলি মন্তব্য দিয়া অনন্তই তাই পুনৰ অভিনয় কৰিবলৈ যোৱাটো পছন্দ নকৰা হ'ল। সেই লৈয়েই আহিল ধুমুহা। আৰু এদিন সঁচাসঁচিকৈ ইন্দিৰা গুচি আহিল ভ্ৰাম্যমান নাট্যদল 'অলংকাৰ থিয়েটাৰ'লৈ। জীৱনৰ দৌৰত অনন্ত চৌধুৰী বৈ গ'ল অকলশৰে।

'গ্ৰীণৰূম'ৰ দুৱাৰত টুকুৰিওৱা শব্দ শুনি সম্বিত ঘূৰাই পালে ইন্দিৰাই। দুৱাৰখনৰ ওচৰ চাপি আহিল তাই। বাহিৰত নীৰেন। নীৰেন মহন্ত, অলংকাৰ থিয়েটাৰৰ আগশাৰীৰ অভিনেতা। যোৱা দুই বছৰে থিয়েটাৰৰ আভ্যন্তৰীণ বহু কথাই তাই শিকিছে নীৰেনৰ পৰা। প্ৰথম প্ৰথম আহি অভিনেতা-অভিনেত্ৰীৰ মাজত অশালীন ইংগিত দেখি ইন্দিৰা যেতিয়া স্তম্ভিত হৈ পৰিছিল, নীৰেনে কৈছিল,

ঃ 'আচৰিত হৈছা নেকি ইন্দিৰা ? কিন্তু, এয়াইতো ৰঙ্গমঞ্চ! নাটঘৰৰ আঁৰৰ নাটক এনেকুৱাই ! তথাপি তোমাৰ ভয় নাই ।'

ঃ'ভয় নাই মানে ?' ইন্দিৰাৰ শংকিত প্ৰশ্ন।

ঃ'মানে' আৰু কি ? কেইদিনমান চকু-কাণ মুদি থাকিলেই সকলো সহ্য হৈ যাব তোমাৰ।'

সঁচাই এইবোৰৰ সৈতে মিলি গৈছিল ইন্দিৰা। তথাপি তাই হৃদয়ৰ সমস্ত অনুভূতিৰে অভিনয় কৰি গৈছিল । অভিনয়ত তাইৰ আছিল নিষ্ঠা, ভক্তি আৰু আসক্তি ।

ইন্দিৰাই জানে এই সময়ত তাইৰ ওচৰলৈ নীৰেনেই আহে । তাই দুৱাৰখন খুলি দিয়াত নীৰেন ভিতৰলৈ সোমাই আহিল । খোলা দুৱা-ৰেদি সোমাই অহা এছাটি বতাহে জ্বলি থকা মমবাতি ডালৰ শিখাটো কঁপাই তুলিলে । কান্ধৰ ওপৰত নীৰেনৰ হাতৰ মৃদু স্পৰ্শ অনুভৱ কৰিলে ইন্দিৰাই । আগতে হোৱা হ'লে হয়তো নীৰেনৰ এনে আচৰণত তাই বিৰক্ত হ'লহেঁতেন; কিন্তু, এই মুহূৰ্তত তাই যেন নীৰেনকেই বিচাৰিছিল।

ঃ'নীৰেন, ব'লা, বাহিৰত আজি সুন্দৰ জোনাক।'

ঃ'জোনাক জানো সদায় সুন্দৰ নহয় ?' নীৰেনৰ মুখত এক বিচিত্ৰ হাঁহি ।

উত্তৰত ইন্দিৰাই কেৱল এটি হুমুনিয়াহ এৰিলে । কিছুদিনৰে পৰা নীৰেনৰ প্ৰতি যেন ইন্দিৰাই এক অবুজ আকৰ্ষণ অনুভৱ কৰি আহিছে । কেতিয়াবা কেতিয়াবা তাই নীৰেনক অনন্তৰ সৈতে তুলনা কৰিও চাইছে । তাইৰ এনে ভাব হয় অনন্ত যেন বৰ নিষ্প্ৰাণ, বৰ দুৰ্বল । আৰু নীৰেন—? নীৰেনক বোধকৰো তাই ভাল পাই পেলাইছে ।

সেই নিৰিবিলি জোনাকত বহু সময় ধৰি কথা পাতিছিল নীৰেন আৰু ইন্দিৰাই ।

'অলংকাৰ থিয়েটাৰ'লৈ নতুনকৈ অহা অভি-নেত্ৰী বিনীতা দেৱীৰ সৈতে প্ৰযোজকৰ হেনো যথেষ্ট ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছে । কথাটো প্ৰথমে নীৰেনেই কৈছিল ইন্দিৰাক । প্ৰযোজক বিৰিঞ্চি ফুকন আৰু কিশোৰী বিনীতাক লৈ বহু গুজৱেই ইতিমধ্যে প্ৰচাৰ হৈছে । ইন্দিৰাই অৱশ্যে কথাটোত সিমান গুৰুত্ব দিয়া নাই । তাই বুজি পাইছে অভিনয়ৰ জগতখন সম্পূৰ্ণ ভিন্ন । ইয়াৰ ৰুচি আৰু পৰিবেশত যেন বিৰাট ব্যৱধান । বিৰিঞ্চি ফুকনৰ কথা ওলালেই ইন্দিৰাৰ মনত পৰে প্ৰবীণ শিল্পী মানস দুৱৰাৰ কথা। নিতৌ নতুন শিল্প সৃষ্টিত নিজকে বিলাই দিয়া মানস দুৱৰা আছিল 'অলংকাৰ থিয়ে-টাৰ'ৰ প্ৰাণ । কিন্তু তেওঁৰ ব্যক্তিগত জীৱনৰ সুখ-দুখৰ কথা ভাবিবলৈ বিৰিঞ্চি ফুকনৰ আহৰি নাছিল। আৰু এনেকৈয়েই কণ্ঠ শোণিত নিগৰাই হাঁহি, কান্দি, নাচি, গাই মানস দুৱৰা যেতিয়া লোকচক্ষুৰ অন্তৰালত হেৰাই গ'ল, বিৰিঞ্চি ফুকনেও পাহৰি পেলালে তেওঁক। এয়াই আমাৰ শিল্পী, কলা-কুশলীৰ জীৱন। থিয়েটাৰত সোমো-ৱাৰ পিছত আজি দুই বছৰে ইন্দিৰাই এই সত্য-টোকেই উপলব্ধি কৰি আহিছে । সেইবাবে হতাশ ব্যৰ্থতাৰ মাজত কোনোবাই অশ্লীল আন-ন্দত স্বচ্ছন্দ মতলীয়া হোৱা দেখিলে আজিকালি তাই কোনো মানসিক দ্বন্দ্বত নোভোগে । ইন্দি-ৰাই বিনীতা দেৱীক পাৰ্শ্ব চৰিত্ৰৰ অভিনেত্ৰী হিচাপে লগ পাইছে। অভিনয় প্ৰতিভা থাকক বা নাথাকক বিনীতাৰ যে এটা 'গ্লেমাৰ' আছে সেই কথা ইন্দিৰাই জানে। তদুপৰি বহুতেইতো কেৱল 'গ্লেমাৰ'ৰ বাবেই অভিনয় পেছাত নামে।

বৰষুণৰ বাবে আজি তিনি নিশা ধৰি ইন্দিৰা-হঁতে 'শ্বো' কৰিব পৰা নাই । এইদৰে হ'বলৈ হ'লে 'অলংকাৰ থিয়েটাৰ' যে আৰু বেছি দিন নচলিব, সেই কথা সকলোৱেই বুজি পাইছে । ইন্দিৰাৰ মনটো আজি কিবা উদাস উদাস লাগি আছে । নীৰেনকো দুদিনমান লগ পোৱা নাই । বোধকৰো 'শ্বো' নোহোৱাৰ কাৰণে ঘৰলৈ গৈছে । তাইৰ কোঠাৰ পৰা মঞ্চৰ ওচৰলৈ এনেয়ে ওলাই আহিল তাই। চাৰিওফালে আন্ধাৰৰ পাতল আৱৰণে গোটেই প্ৰেক্ষাগৃহটো ঢাকি পেলাইছে । মঞ্চৰ দুয়োকাষ দৃশ্যসজ্জাৰ বাবে প্ৰয়োজনীয় নানা সৰু বৰ বস্তুৰে ভৰি আছে। আগপিনে যন্ত্ৰশিল্পী, গায়ক-গায়িকাৰ বাবে আছুতীয়াকৈ ৰখা ঠাই টুকুৰালৈ চকু পেলালে তাই । হাৰমোনিয়াম, তবলা, অৰ্গেন, গীটাৰ, মেণ্ডলিন, ড্ৰাম, ভায়'লিন আদি আটাইবোৰ বাদ্যেৰেই ঠাইখিনি ঠাহ খাই আছে । অথচ এক নিঃসংগ নীৰৱতা ।

সমূহীয়া 'গ্ৰীণৰূম'টোৰ ওচৰ পালেহি তাই। টেবুলত সিঁচৰতি হৈ থকা পাউদাৰ, গ্লিচাৰিন, ভেচলিন, কিউটেনিয়াচ ক্ৰিম আদি বস্তুবোৰ এপদ এপদকৈ চুই চাবৰ মন গ'ল ইন্দিৰাৰ । তাই ভাবিলে, এই বস্তুবোৰে যে কিমানৰ আচল মুখ ঢাকি পেলাব পাৰে ! দূৰৰ খোৱা ঘৰত শিল্পী, কলা-কুশলী সকলৰ হাঁহি খিকিন্দালি শুনি সচ-কিত হৈ পৰিল ইন্দিৰা। বাহিৰলৈ ওলাই আহি হঠাৎ তাইৰ চকুত পৰিল, মঞ্চৰ পাছফালে পাতল আন্ধাৰৰ আঁৰত কোনোবা দুজনে খুব ঘনিষ্ঠভাৱে কথা পাতি আছে । চুটি চুটি কথাৰ টুকুৰা, দেহাৰ সান্নিধ্য আৰু নিশ্বাসৰ উষ্ণতাৰে অন্ধকাৰৰ বন্যাত হেৰাই যাব খোজা দুটি আদিম ছায়ামূৰ্তি । নীৰেনৰ মাতটো বুজি পোৱাত অকণো অসুবিধা নহ'ল ইন্দিৰাৰ ।

ঃ তুমি একো চিন্তা নকৰিবা বিনীতা, এইবাৰ থিয়েটাৰ মই খুলিম ।

ঃ সঁচা ?

ঃ সঁচাতো, চাই থাকাচোন ! আৰু তুমি হ'বা এইবাৰ এক নম্বৰ নায়িকা ।

ঃ কিন্তু ইন্দিৰা—?

ঃ ইন্দিৰাৰ কথা কিয় ভাবিছা ? তুমি থাকোঁতে—

শিল পৰা কপৌৰ দৰে থৰ হৈ ৰ'ল ইন্দিৰা। নিজৰ চকু-কাণকেই তাই বিশ্বাস কৰিবলৈ টান পালে । অপমান আৰু বেদনাৰ অসহ্যকৰ ক্লান্তিত তাইৰ সমস্ত চেতনা, সমস্ত নাৰী সত্তা যেন বিলুপ্ত হ'ব খুজিলে । একে দৌৰে আহি নিজৰ কোঠাত সোমাল তাই । যি নীৰেনৰ সাহচৰ্য্যত ইন্দিৰাই এটা নতুন জীৱনৰ স্বপ্ন ৰচিছিল সেই নীৰেনে যে তাইৰ মনত এনে আঘাত হানিব পাৰে সেইকথা ভাবি তাই আচ-ৰিত হ'ল । টেবুলত পৰি থকা অনন্তৰ চিঠি-খন তুলি লৈ পৰম অনুশোচনাত হুকহুকাই কান্দি পেলালে ইন্দিৰাই।

আৰু অৱশেষত ইন্দিৰা বৰুৱা উভতি আহিল ।

অনন্তই সেই সময়ত বাৰাণ্ডাতে বহি বাতৰি কাকতখন পঢ়ি আছিল । চিনাকি পদুলিয়েদি অচিনাকি খোজেৰে সোমাই অহা ইন্দিৰাৰ পিনে মূৰ তুলি চালে অনন্তই । অনন্তৰ সেই উদাস দৃষ্টিৰ অন্তৰালত হয়তো বহু কথাই লুকাই আছিল । ভিতৰলৈ সোমাই আহিল দুয়ো । নিস্তব্ধতাৰ অৱৰুদ্ধ বতাহে খন্তেক সময়ৰ বাবে কোঠাটো ভৰাই তুলিলে । ভবাৰ দৰে ইন্দিৰাই একো প্ৰতিক্ৰিয়া নেদেখিলে অনন্তৰ মনত । অনন্তৰ এনে নিৰ্লিপ্ততাত তাই পাগলীৰ দৰে চিঞৰি উঠিল,

ঃ 'মোক ক্ষমা কৰা অনন্ত, মই আৰু কেতিয়াও মঞ্চলৈ নাযাওঁ ।'

ঃ 'তেনেকৈ কেলেই কৈছা ? মঞ্চতো কোনো দোষ নাই ।' কথাষাৰি খুব সহজভাৱেই ক'লে অনন্তই। ইন্দিৰাই বুজা-নুবুজা চাৱনিৰে অনন্তৰ চকুলৈ চালে । অনন্তই ইন্দিৰাৰ ওচৰ চাপি আহিল নীৰৱে আৰু গভীৰ একাত্মবোধৰ আক-ৰ্ষণেৰে ইন্দিৰাক সাৱটি ধৰিলে সি । নাৰীৰ মনৰ সহজাত অনুভূতিৰে ইন্দিৰাই যেন বুজি উঠিলে এয়া এজন ডেকাই এজনী গাভৰুক কৰা আলিঙ্গন নহয় । থিয়েটাৰৰ নায়ক-নায়িকাৰ কপট আলিঙ্গনো নহয় । এয়া যেন একান্ত অন্তৰঙ্গতাৰ প্ৰত্যাশা; আশ্ৰয়ৰ প্ৰতিশ্ৰুতি ।

সৰু ল'ৰা-ছোৱালীয়ে কেতিয়াবা পিছল খাই পৰি, দুখ নাপালেও কেৱল পৰাৰ বাবেই কন্দাৰ দৰে ইন্দিৰায়ো অনন্ত চৌধুৰীৰ বুকুত মূৰ থৈ উচুপি উঠিল ।

***

----দুই গৰিটাকৈ মানুহৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে শৰ্মাৰ উছাহ-উদ্দীপনাও বাঢ়ি গ'ল। ক্ৰমাৎ তেওঁৰ বথাৰ সুৰ তীব্ৰৰ পৰা তীব্ৰতৰ হ'বলৈ ধৰিলে----

# বৰঘৰৰ মেকুৰী

**পইনুৰুদ্দিন আহমদ,**
আৰবী বিভাগ।




মানুহজনে ওপৰাওপৰিকৈ কেইবাটিও কাঁহ মাৰি ডিঙিটো পৰিষ্কাৰ কৰি ল'লে। থিয় দিয়ে দুয়োহাত থুপাই ৰাইজলৈ বুলি আগতেই পূৰ্ণ সেৱা এটা জনাই থৈছিল সেই প্ৰকাণ্ড মানুহজনে। এতিয়া মানুহজনে বাঁওখন হাতেৰে চছ্‌মাযোৰ ঠিক কৰি লৈ 'মাইক'টোত খামোচ মাৰি ধৰিলে। আঙুলি এটাৰে টক্‌টকাই 'মাইক'টো ঠিকে আছেনে নাই এবাৰ পৰীক্ষা কৰি ল'লে। তাৰ পিছত 'শ্ৰদ্ধেয় সভাপতি'ৰে আৰম্ভ কৰি সম্বোধনৰ 'লিষ্টি' এখন গাই 'বক্‌তিতা' চালু কৰিলে। গায়ে-গাঁৰিয়ে দেখাই শুনাই মানুহজন যিমান শকত-আৱত, মাতটোও সমানে গলগলীয়া।

'বক্‌তিতা' মানে আৰু নো কি? 'পাৰ্টি'ৰ কোনোবা এজনে কিছু কষ্ট কৰি শব্দ বাছি বাছি প্ৰস্তুত কৰা 'ৰেডিমেড লেক্‌চাৰ' এটা। সেইটো 'বক্‌তিতা'তে নিজৰ মনৰ কথা, দলৰ কথা, উদ্দেশ্য, লক্ষ্য সকলো 'গেছ' কৰিছে। দেশৰ বৰ্তমান "লালবাতি" জ্বলা অৱস্থাৰ কাৰণে অইন দলক কুকুৰে কাঁইট নোখোৱাকৈ ককৰ্থনা কৰা হৈছে। --অন্যান্য 'মিটিঙ'ত মুখস্থ মাতি আহি এতিয়া এইখন 'মিটিঙ'তো তাকে ক'বলৈ প্ৰয়াস কৰিছে।

হওতে 'মিটিঙ'ত বেছি মানুহ নাই। কামবন কৰিব নোৱৰা আলৰ বুঢ়া মেথা কেইজনমান, কাপোৰ পিন্ধা, নাঙঠ পেট গেৰেলা ফুকলীয়া ল'ৰা-ছোৱালী এগাল, হাইস্কুলীয়া-কলেজীয়া চেঙেলীয়া ল'ৰা চাৰি পাঁচজনমান, আৰু 'উদ্যোক্তা' শ্ৰেণীৰ কিছু দলীয় কৰ্মী তথা সুযোগ-সন্ধানী ৰাজনৈতিক দালাল। বচ্‌ ইমানেই।

অৱশ্যে 'ভোট' বিচাৰি পতা 'মিটিঙ'ত ইয়াতকৈ বেছি মানুহৰ উপস্থিতি আশা কৰিব নোৱাৰি। ৰাজনৈতিক নেতাৰ কথা কাণ্ড দেখি মানুহৰ ৰাজনীতিলৈ 'বিতিচ্‌না' উপজিছে। এনেবোৰ সভা-সমিতিলৈ মানুহে সেই কাৰণেই হবলা আজি-কালি বৰকৈ মন-কাণ নিদিয়া হৈছে। তুমি মন্ত্ৰী 'এমেলে' হ'বা, মোৰ কি? বেছিভাগ মানুহৰে এনে মনোভাৱ। 'ভোট'ৰ সময়ত যিজন 'মানুহে' ৰাইজৰ ওচৰলৈ হাতযোৰ কৰি সৰুবো-

দকটিহে আছে, 'এমেলে'-মন্ত্ৰী হোৱাৰ পিছত সিজন মানুহৰ ওচৰলৈ ৰাইজেহে হাত যোৰ কৰি যাবলগীয়া হয় । আনকি, গাঁৱৰে ল'ৰাটো 'এমেলে' হোৱাৰ পিছত তেওঁক ৰাজহুৱা অভাৱ-অভিযোগৰ একোখনি স্মাৰক-পত্ৰ দিব লগীয়া হয় । বিড়ম্বনা ! ক্ষমতা পোৱাৰ আগলৈকে, মন্ত্ৰী-'এমেলে' হোৱাৰ আগতে ৰাইজহে ৰাইজ। কিন্তু ক্ষমতা পোৱাৰ পিছত যেই, ৰাইজ হয়গৈ 'ধুলি'। দহোকুৰি কাকুতি-মিনতি কৰিও তেওঁলোকৰ শ্ৰীমুখৰ দৰ্শন পোৱা টান। লাগিলে কণ্ঠতে পচি মৰা ।....

অৱশ্যে দলীয় কৰ্মী, দালাল-ঠিকাদাৰ ইত্যাদিৰ কথা সুকীয়া । নিজৰ স্বাৰ্থতেই যিসকলেই সভা নাপাতক তেওঁলোক উৰুৰি খাই পৰিবই । এগুণত দহগুণ খৰচ কৰিবই ।....

'মিটিঙ'ত মানুহৰ সংখ্যা আশাতীত কম দেখি ভাবী 'এমেলে' দিবাকৰ শৰ্মাৰ মনটো টানি ধৰি এৰি দিয়া ৰবৰৰ দৰে কোঁচ খাই গ'ল । মানুহেই দেখোন নাহিল 'মিটিঙ'লৈ, ভোটনো ক'ত দিব বালক ! এইবুলি দিবাকৰ শৰ্মাই 'মিটিং' নপতাকৈয়ে গুচি যাওঁ বুলি ভাবিছিল । পিছে গ'লে লোকচানটো তেওঁৰেই । সেই দেখি নোযোৱাটোকে ঠিক কৰি মনটো বান্ধিলে । তেওঁ যে 'নাৰ্ভাছ' হোৱা নাই বাহিৰত যেনে ভাব দেখুৱাই দুগুণ উছাহেৰে 'বক্তিতা' দিবলৈ পাতিলে ।

দিবাকৰ শৰ্মা নামজ্বলা পুৰুষ । বিশেষকৈ নগৰত তেওঁক চিনি নোপোৱা লোক খুউব কম। মাটি-বাৰী, ধন-দৌলত ডেখাৰ সা-সম্পত্তি । গাঁওতো, চহৰতো । এক প্ৰকাৰ জমিদাৰেই । শিক্ষা-দীক্ষা 'আণ্ডাৰ মেট্ৰিক পাছ' যদিও ডাঙৰ ডাঙৰ মানুহৰ সৈতেহে তেওঁৰ লেন-দেন, মন্ত্ৰী 'এমেলে'ৰ লগতহে হলিগলি। খাতিৰ-বাতিৰ। নগৰৰ যিকোনো অনুষ্ঠানতে তেওঁ এটা নহয় এটা পদবী 'শুৱনি' কৰিবই । অৱশ্যে এইবোৰ অনু-ষ্ঠানত তেওঁ দেহেৰে কেতিয়াও খটা নাই, পা-পইচা বা আন প্ৰকাৰেহে সহায়-সহযোগিতা কৰিছে ।

দিবাকৰ শৰ্মা সঁচাকৈয়ে এজন লেখৰ মানুহ।

মানুহজনৰ বয়স কিমান সঠিক ধৰিব পৰা টান। ৫০/৬০ বছৰ মান হ'ব পাৰে । তাৰ ওপৰতো হ'ব পাৰে । কিন্তু চাল-চলন কথা-বাৰ্তা দেখি ৩০/৪০ বছৰীয়া যেনহে লাগে । নিজৰ দুজনী ঘৈণীয়েক আছে যদিও গাভৰু হোৱালী তেওঁৰ 'ফিয়েট'ত প্ৰায়ে দেখা যায় । শৰ্মাৰ আন কিছুমান আচৰিত গুণেও ৰাইজৰ মাজত অনেক বু-বু বা-বাব সৃষ্টি কৰিছে। শৰ্মাই ৰাতিৰ ৰাতিটো গোলাপী নিচাত মাতাল থাকি পুৱা বা আবেলি মাদক দ্ৰব্য নিবাৰণী সভাত মদৰ অপকাৰিতা সম্পৰ্কে হেলাৰঙে অনৰ্গল 'বক্তিতা' দিব পাৰে । এনেয়ে তেওঁ গান্ধীৰ পৰম ভক্ত । কিন্তু সুযোগ গ্ৰহণত সৎ-অসৎ কোনো এটা পথকে বাদ নিদিয়ে ।

ইফালে মানুহজনৰ ব্যৱসায়ত হাত পৰিছে। নামত ঠিকাদাৰ, কিন্তু তেওঁ এটা 'বেহা'কো বাদ নিদিয়ে। নগৰত প্ৰকাণ্ড 'থ্ৰী ষ্টাৰ' হোটেল আছে । চাহ-ভাত দেখাত চলে যদিও ভিত-ৰুৱাকৈ দেশী-বিদেশী সকলোবোৰ নিষিদ্ধ পণ্য সামগ্ৰীৰে অবাধ প্ৰচলন । 'হাজী মস্তানা' ইত্যা-দিৰ সৈতে তেওঁৰ নিৰন্তৰ যোগাযোগ । দিন-ৰাতিৰ ছেদ-ভেদ নোহোৱাকৈ হোটেলত নাৰী দেহৰ 'ব্যৱচা' চলে । ছদ্ম নামত তেৱেঁই যে পাঁচটা মদ-মহল আৰু দুটা মীন মহলৰ মালিক এই কথা খুব কম লোকেহে জানে । গতিকে এনেকুৱা এজন 'সৰ্ব গুণাকৰ' লোক নিৰ্ঘাত 'এমেলে' হোৱাৰ যোগ্য ।

'এমেলে' হোৱাৰ হাবিয়াস তেওঁৰ বহু দিনৰ। কিন্তু কি হ'ব ? বোলে খকুৱাৰ পাত কাটোতেই যায়, নিখকুৱাই মাটিতে খায় ! এই 'লাইন'ত বহুদিন বোন্দাপৰ দি থাকিও তেওঁ বিশেষ একো কৰিব পৰা নাছিল । এইবাৰ কিন্তু শেনৰ এজাত । 'পাৰ্টি'ৰ বৰমূৰীয়া কেইজন-মানক শকত 'পূজা-পাতলে'ৰে পতাই কোনোমতে টিকটটো সৰকাইছে । শৰ্মাৰ মতে তেওঁৰ জয়ৰ আশা 'হোল্ল অনা'ই আছে । সেয়ে তেওঁ ভোট-দাতা গঞা ৰাইজৰ কান্ধ চাপিছে আশীৰ্বাদ বিচাৰি । ভোট-সমৰ্থন বিচাৰি ।

যদিওবা আজি গাঁওৰ সৈতে তেওঁৰ সমূলি সম্পৰ্ক নাই, তেওঁতো এদিন গাঁৱলীয়াই আছিল। গাঁওতে উপজি গাঁওতে ডাঙৰ-দীঘল হৈছিল— গাঁওৰ তৰাফুলীয়া আকাশ চাই, গধূলি গো-খাটৰ ধূলিত পোত যায় । গাঁৱৰে বেৰ-চাল নোহোৱা 'পাতহুলা ইচকুল'তে অ-আ-ক-খ শিকিছিল।... এতিয়া কৰ্তব্যৰ খাতিৰত তেওঁ নগৰীয়া যদিও গাঁৱৰ প্ৰতি তেওঁৰ সদ্ভাৱ আছে । আৰু এইবাবেই (শৰ্মাৰ মতে) গাঁৱৰ সৰ্বাংগীন উন্নতি কৰাৰ সংকল্প লৈয়ে তেওঁ ৰাজনীতিত নামিছে । 'ইলেক্চন' খেলিছে । সেয়েহে গঞা ৰাইজে তেওঁৰ দৰে প্ৰকৃত 'গাঁৱলীয়া' লোকক ভোট নিদি কাক দিব ? এয়ে হ'ল শৰ্মাৰ মনো-ভাৱ।

তেওঁ মনে বিচৰা সমষ্টিটোতেই মনোনয়ন পালে । হয়, পিছে সমষ্টিটো এনেবাৰে যোৱা গাঁও প্ৰধান হোৱা কাৰণে গাঁও ফুৰিবলৈ তেওঁৰ কিছু অসুবিধা হৈছে । কি ৰ বিষা কি খৰালি বাৰেওটিকাল গাঁওৰ বাট-পথ বোকা পানী, ধূলি জাবৰেৰে একাকাৰ হৈ থাকে । ইফালে আকৌ বহুতো গাঁওত বাট-পথ বুলিবলৈ একোৱেই নাই । সিবিলাকলৈ আওকাণ কৰি ইখনৰ পিছত সিখন গাঁও ঘূৰিছে, 'মিটিং' পাতিছে অন্ততঃ প্ৰতিখন গাঁৱতে (সমষ্টিটোৰ অন্তৰ্গত) পাক একোটা মাৰিব পাৰিলেও মংগল ।

শৰ্মা মানুহজন বেছ চালাক । মানুহক হাতৰ মুঠিত ৰাখিব পৰা সকলো কায়দা-কিটিপ তেওঁ খুব ভালকৈ জানে । 'ফিল্ড' তেওঁৰ ভাল উজ্জ্বল । অৱশ্যে য'ত 'ফিল্ড' বেয়া বুলি আৰু মুখে তাৰ মুখে জানিব পাৰিছে তাত তেওঁ 'বক্তিতা'ৰ ফুল-জাৰি নামাৰি অন্য লোভনীয় 'টোপ' আগবঢ়াইছে । সাতৰ গৰা বাৰ হাজাৰকৈ টকা ঢালিছে, মদ-মাংস বিলাইছে আৰু কত কি !....

অন্য 'মিটিং' শেষ কৰি এইখন মিটিঙলৈ আহি যেতিয়া মানুহৰ সংখ্যা যথেষ্ট কম দেখিলে অকস্মাতে হতাশাৰ ডাৱৰে তেওঁৰ মন আকাশ ছানি পেলালে । মিটিঙলৈয়ে নাহে, ভোট দিবলৈ যাব জানো ? অৱশ্যে এনেকুৱা পৰিস্থিতিত তেওঁ ভাঙি পৰা ভকত নহয় । তেওঁ সতৰ্ক হৈ উঠিল,——ময়ে যদি ভাঙি পৰো, তেন্তে বাকীবোৰ একা ? মিছামিছি টকা সোপা পানীত পৰিব, ইত্যাদি ভাবি চিন্তি শৰ্মাই ভাষণ আৰম্ভ কৰিলে । তাৰ আগতে অৱশ্যে তেওঁৰে 'চেলা' এজনে তেওঁৰ সবিস্তাৰ পৰিচয় দাঙি ধৰিছিল ।

শৰ্মা সুবক্তা নহ'ল কি হ'ল, কথা কোৱাৰ কিটিপ-চং তেওঁ জানে । ঘৰতে প্ৰায় মুখস্থ কৰি অনা আৰু অন্যান্য ঠাইত কৈ কৈ অভ্যস্ত হোৱা 'বক্তিতা'টোকে তেওঁ অনৰ্গল কৈ যাব ধৰিলে । ৰাইজে বুজক বা নুবুজক সিফালে কাণ নকৰি 'বক্তিতা'ৰ মাজে মাজে ৰুছ বিপ্লৱ, আমেৰিকাৰ ষ্টাৰৱাৰ, কাম্পুচিয়া-ভিয়েটনাম-আফগানিস্তান ইত্যাদিৰ ৰাজনৈতিক বাতাৱৰণৰ পৰ্য্যালোচনা কৰিলে । কাৰ্ল মাৰ্ক্সৰ প্ৰসংগেৰে মাও জে ডুঙক বখানিলে, গান্ধী-নেহৰুক নমস্কাৰ কৰিলে । তদুপৰি তেওঁৰ শ্ৰীমুখেদি বুৰ্জোৱা, পেটি-বুৰ্জোৱা, প্ৰলেটৰীয়ান, প্ৰতিক্ৰিয়াশীল, শোষক, ফেচীবাদ ইত্যাদি ৰাইজে সহজে বুজি নোপোৱা শব্দ আখৈ ফুটা দিলে ।

এনেকৈয়ে তেওঁৰ নিৰ্বাচনী ভাষণ চলিছে। চলি আছে।

কোনো এজন লোকেই তেওঁৰ ভাষণ মনদি শুনা বুলি ক'ব নোৱাৰি। বুঢ়া-মেথা সকলে ইতিমধ্যে নিজৰ ভিতৰতে কোৱা মেলা আৰম্ভ কৰিছে। কিছুমানে দমাব নোৱাৰি সঁচাসঁচিকৈ ঘুগুৰ ঘুগুৰকৈ কাহিছে। কিছুমানে আকৌ এনেয়ে কাহিছে—বিদ্ৰুপৰ উদ্দেশ্যত। কিছুমানে বা শৰ্মাকে কটু সমালোচনা কৰিছে; কেতবোৰে প্ৰশংসা কৰিছে। ভাল বক্তা বুলি বখানিছে। ইফালে ল'ৰা-ছোৱালীহঁতৰ হাহা-কাৰ হৈ-ধ্বনি ক্ৰমাৎ বাঢ়ি যাবই ধৰিছে। ল'ৰা-ছোৱালীক লাগে গান, 'বক্তিতা' কি বুজে ?

দুই চাৰিটাকৈ মানুহৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে শৰ্মাৰ উছাহ-উদ্দীপনাও বাঢ়ি গ'ল। ক্ৰমাৎ তেওঁৰ কথাৰ সুৰ তীব্ৰৰ পৰা তীব্ৰতৰ হ'বলৈ ধৰিলে। 'দেশ প্ৰগতিৰ পথত' বুলি য'তে ত'তে চাইন ব'ৰ্ড মাৰি থোৱা চৰকাৰে ৰাইজৰ একো উন্নতি সাধিব নোৱৰা কাৰণে চৰকাৰক কুকুৰে কাঁইট নোখোৱাকৈ ককৰ্থনা কৰিলে। লগতে তেওঁ ইয়াকো শপত খাই ক'লে যে তেওঁক "ভোট দি জয়যুক্ত" কৰিলে ৰাইজৰ দুখ-দুৰ্গতি আগৰ দৰে নাথাকে। থাকিব নোৱাৰে। মায়াঙৰ যাদু-মন্ত্ৰৰ দৰে ৰাতিৰ ভিতৰতে সকলো শেষ।

'ব্ৰেক্' মাৰি ৰৈ যোৱা 'মটৰ কাৰ'ৰ দৰে শৰ্মা হঠাৎ ৰৈ গ'ল। সম্ভৱ ইমানপৰে বক্তৃতা দিওঁতে দিওঁতে ডিঙি শুকাই কৰাই খোলা হৈছে। 'টেবুল'ত সযত্নে ঢাকি থোৱা পানী গিলাচ তেওঁ কোট্ কোট্কৈ পেটৰ ভিতৰলৈ নিলে। তাৰ পিছত তেওঁৰ নিচেই কাষতে থকা মানুহজনলৈ অৰ্থপূৰ্ণ ভাৱে চালে। চিঠি পঢ়া দি মানুহজনেও যেন তেওঁৰ কথা বুজি পালে। তেওঁ তৎক্ষণাৎ শৰ্মাৰ পিনে 'বেগ' এটা আগবঢ়াই দিলে। 'বেগ'টো হাতত লৈ শৰ্মাই আকৌ ভাষণ আৰম্ভ কৰিলে—"ৰাইজ সকল, আপোনালোকে এই স্কুল ঘৰটি দেখিছে নহয় ?"

'মিটিং' পতা ঠাইখনৰ নিচেই কাষতে থকা বেৰ-কুৰ নোহোৱা 'পাতছলা ইচকুল' ঘৰটিলৈ শৰ্মাই আঙুলিয়াই দেখুৱাই দিয়া মাত্ৰকে সৱাৰে চকু উক্ত ঘৰটিত আবদ্ধ হ'ল, যেন তেওঁলোকে ইমান দিনে স্কুলটি দেখাই নাছিল। শৰ্মাই কোৱাৰ লগে লগেহে যেনিবা আকাশৰ পৰা বৰষুণ সৰাদি সৰি পৰিল। এনেকুৱা বিস্ময় বিমূঢ় ভাবত তেওঁলোকে সিপিনে চাই থাকিল।

ঔষধে কাম দিয়া যেন পাই শৰ্মাই পুনৰ ক'লে, ""স্বাধীন দেশত বিদ্যা মন্দিৰৰ এনে দুৰ্দশা (শৰ্মাৰ কথাত শোকৰ সুৰ)! ---ইয়াৰ মেৰা-মতিৰ কাৰণে এই যৎসামান্য পাঁচ হাজাৰ দিয়া হ'ল। অনুগ্ৰহ কৰি গ্ৰহণ কৰক। 'এমেলে' হ'ব পাৰিলে বিল্ডিং বনাই দিম 'কিক্ক' চিন্তি।"

শৰ্মাৰ হাতৰ চিকচিকিয়া নোটৰ বাণ্ডিল দেখি পিত মৰা অৰ্থনৈতিক ভাৱে জুৰুলা ৰাইজৰ চকু থৰ হ'ল। ভাবিলে মানুহজন বৰ দয়ালু। ৰাইজে হাত চাপৰি দিলে। ঔষধে লগে লগে কাম দিয়া যেন দেখি মন্দিৰলৈ ১৫০০ টকা দিলে। তাৰ পিছত আৰু দুহাজাৰ নৱজ্যোতি সংঘক দিলে, যাতে তেওঁলোকে শৰ্মাৰ হৈ 'কেনভাচ' কৰে, ভোট গোটাই দিয়ে।....

মিটিঙত গম্ভীৰ গাঁওবুঢ়াও উপস্থিত আছিল। সকলোৰে হৈ ভাবী-এমেলেৰ দান তেওঁ গ্ৰহণ কৰিলে আৰু তেওঁক (এমেলেক) নিশ্চিন্ত হৈ থাকিবলৈ ক'লে।

'মিটিং' ভাঙিল। শৰ্মা যাবলৈ ওলাল। গাড়ী ষ্টাৰ্ট হ'ল। 'হৰ্ণ' বাজিল। এনে সময়তে বিভিন্ন জনে বিভিন্ন ধৰণে মন্তব্য কৰিলে। অৱশ্যে কাৰো কথা কোনেও স্পষ্টভাৱে নুবুজিলে, বুজিব নোৱাৰিলে, ইঞ্জিনৰ ধপ্ধপনি তথা হাই-উৰুমিৰ বাবে। কিন্তু সদায় ৰাইজৰ গঞ্জনা খোৱা মহেশ বোলা 'কমুনিচ' ল'ৰাজনৰ আৱাজ স্পষ্টভাৱে শুনা গ'ল—'এনেবোৰ দগা-ৰাজ মানুহেই ৰাজপাটত বহি ৰাইজক শাসন কৰিব।....কিন্তু সকলোকে জানো পইচাৰে কিনিব পাৰি ?'

***

....তাই মোৰ ফালে পিঠি দি একান্ত মনে শামুকৰ খোলা বোটলাত ব্যস্ত। যেতিয়া তাই মোৰ ফালে মুখ ঘূৰালে তাইৰ মুখমণ্ডল কুঁৱলিয়ে আবৰি ধৰিলে। লাহে লাহে মোৰ প্ৰেমিকা কুঁৱলি হৈ গ'ল....

# অসংলগ্ন চৰিত্ৰৰ প্ৰলাপ

অঞ্জন ভূঞা,
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান)।




আজি কেইদিনমান ধৰি মোৰ মনত এক অদ্ভুত চিন্তাই বাহ লৈছে। কিবা এক অস্বাভাৱিক দৃশ্যই মোৰ মানসিক জগতৰ একাংশ অধিকাৰ কৰি বহিছে। কথাটো দেখাত অতিকৈ সাধাৰণ, অথচ যেন অসহজ কিবা এটা। যাৰ অৰ্থ হ'ব পাৰে ফিচিকি যোৱা চোলাৰ মোহৰ দৰে অথবা মানসিক বিকাৰগ্ৰস্ত মানুহৰ অসংলগ্ন প্ৰলাপ। হ'ব পাৰে তাতোকৈও অলপ বেছি....।

কিন্তু, মোৰ বাবে কিছু ভয়ৰ কাৰণ নথকা নহয়।

**শীতৰ 'স্নেপশ্বট্' ঃ**

এতিয়া চৌপাশে শীতৰ আলাপ। গান্ধীমণ্ডপৰ মাজনিশাবোৰ লাহে লাহে অধিক শীতাৰ্ত হৈ পৰিছে। গুৱাহাটীৰ এনেকুৱা ঠাইত সাধাৰণতে গ্ৰীষ্মতো তুষাৰপাত হ'ব লাগে। কিন্তু গ্ৰীষ্মৰ বহুদিন পাছতো এই শীতৰ মাজনিশাবোৰত কুঁৱলি নোহোৱা হ'ল।

...হঠাৎ গান্ধী মূতিটোৰ সিটো ফালৰ পৰা এটা পুৰুষ ছায়া-মূতি ওলাই আহিল। বেছ কৌশলেৰে ছায়া-মূতিটোৱে চৌপাশৰ পৰিস্থিতিটো গমি চালে। থুঁতৰিত সোঁহাতৰ আঙুলিৰে তাল ৰাখি ৰাখি সি বেদীটোৰ মোৰ ফালে থকা কাষটোলৈ আহিল। অলপ সময় পাছত বেদীৰ তলত শুই থকা তিৰোতাজনীৰ সৈতে তাৰ কিবা গোপন আলোচনা চলিল।

তিৰোতাজনী ছায়া-মূতিটোৰ লগত মণ্ডপৰ এক্ষাৰ ঠাইখিনিৰ ফাললৈ গুচি যোৱাৰ পাছত বেদীৰ তলৰ পৰা কেঁচুৱাৰ বৈ বৈ কন্দাৰ শব্দৰ বাহিৰে কোনো শব্দ শুনা নগ'ল।

কিছু পৰৰ পাছত তিৰোতাজনী উভতি আহিল। তাই কাপোৰৰ জাপৰ মাজৰ পৰা কেঁচুৱাটো বুকুৰ মাজলৈ দাঙি ল'লে....।

বহুপৰ নীৰৱে পাৰ হ'ল। বহুদূৰৰ পৰা অহা কুকুৰৰ ভুক-ভুকনিৰ শব্দই নিশাটো অধিক ৰহস্যময় কৰি তুলিলে।

--'ক্যা হেঁ জামানা! অউৰ তুম্হাৰা ক্যা হুৱা ৰে প্যাৰী! ...' কাৰোবাৰ কথা বতৰাৰ শব্দত মোৰ শূন্যতা আকৌ এবাৰ গান্ধীমণ্ডপৰ সীমাৰ বাহিৰ হৈ গ'ল।

গান্ধীৰ চকুৰ আগত আৰু এটা ঘটনাৰ দৃশ্যপট মুকলি হ'ল।

ক্ষীণ পোহৰৰ আভাসত দেখা গ'ল কেৱল 'আণ্ডাৰপেন্ট' পৰিহিত, ডাঢ়িয়ে চুলিয়ে ভোবোকাৰ মানুহ এটাৰ উপস্থিতি। তাৰ শৰীৰৰ ছাঁটো গান্ধীৰ ভৰিত শুই থকা মানুহজনীৰ গালৈকে পৰিল। ছাঁটো ক্ৰমাৎ আগবাঢ়িল। ছাঁটোৰ কঁকালৰ পৰা ওপৰছোৱা আগলৈ হালি গ'ল। আৰু এসময়ত দেখা গ'ল মানুহটোৱে তাৰ গাৰ কাপোৰকণ আঁঠুলৈকে নমাই তিৰোতাজনীৰ গাৰ ওপৰত সোঁ ভৰিটো মেলি দিলে। তিৰোতা-জনীয়ে বিতৃষ্ণাত এসোপা থু তাৰ মুখলৈ মাৰি পঠালে। তাৰ পিছত তাই ধহ্মহাই খিয় হৈ মানুহটোক অশ্লীল ভাষাত গালি পাৰিবলৈ ধৰিলে।

কেঁচুৱাটোৱে এইবাৰ নাকান্দিলে। তিৰোতা-জনীৰ বুকুখন খামুচি ধৰি সি গভীৰ আত্ম-প্ৰত্যয়েৰে দুটামান দীঘলীয়া উশাহ ল'লে। একো, একোবাৰ তাৰ পেট ওলোৱা, পয়া লগা গাটো জোকাৰ খাই উঠিল।....

গান্ধীৰো ইতিমধ্যে টোপনি ধৰিছিল ।

**নিৰ্লজ্জ সময়ৰ আড্ডা ঃ**

—'তুমি হেনো আজিকালি সমাজবাদ কৰা?'

—'নাই। কিবা এটা বাদৰ 'প্ৰপ'গাণ্ডা' কৰাৰ ইচ্ছা মোৰ নাই । পিছে, কিছু কথা ভাল লাগে ।'

—'চাবা, পিছত পিঠি বহল হ'ব !'

—'মানুহৰ মতে মোৰ কঁকালৰ পৰা ওপৰ-ছোৱা অলপ বেছি বহল । আৰু বহল হ'লে বেয়া নালাগিব জানো ? প্ৰেম-শ্ৰেমৰ কথাটোতো আছে ? নে কি কয় !'

—'তোমাৰ বাইদেউ নে কোন এজনী আছে নহয় । দিবা নেকি ঠিক কৰি । তেতিয়া সম্ভৱতঃ তুমি মোৰ...'

মানুহজনে আৰু কিবা-কিবি ক'বলৈ ধৰিলে। ইতিমধ্যে মই মোৰ মাজত একাত্ম হৈ পৰি-ছিলোঁ। ভৰিৰ তলুৱাৰ পৰা তালুলৈকে সিৰ্-সিৰাই কিবা এটা পাৰ হৈ গ'ল। আকৌ ঘূৰি আহিল । সোঁহাতৰ নখেৰে বাঁওহাতৰ বুঢ়া আঙুলিটো চিকুটি চিকুটি এফোটা তেজ বাহিৰ কৰাৰ পাছত মই বেছ মোলায়েমকৈ ক'লোঁ— 'ঠিক আছে' ।

ইতিমধ্যে আমাৰ মাজত থকা তৃতীয়জন ব্যক্তিয়ে ক'লে—'আৰে দোস্ত ! তই কিয় চিন্তা কৰ। মই আছোঁ তোৰ লগত। তাহাঁতৰ ঘৰলৈও গৈছোঁ নহয়। সেই যে মোৰ ৰেডিঅ' 'অডিচন'ৰ কামটো আছিল। তই নিশ্চিন্ত থাক বৎস । তাতে স্বয়ং ভূঞা ডাঙৰীয়া আমাৰ 'বেক'ত আছে। নে কি কব অ' ভূঞা।'

অলপ পৰ নিমাতে থকাৰ পাছত প্ৰথম পুৰুষে ক'লে—'অঞ্জন! চাহ খাওঁগৈ ব'লা । এই এটা বাজে আৰু।'

—'তাতে তোৰ ইয়াক হাতত ৰখাও বেছ 'ইম্পৰটেণ্ট' । 'কাম্ ডিয়াৰ, লেটচ্ হেভ এ কাপ্ অব্ ফুৰেল্ !'

সেই সময়ত চাহ খোৱাৰ প্ৰৱণতা মোৰ নাছিল । তাতোকৈ যদি এমুঠিমান ববফৰ টুকুৰা পালোঁহেঁতেন, অলপ বেছি ভাল হ'ল-হেঁতেন ।

ঠিক সেই মুহূৰ্ততে কোঠাৰ ভিতৰলৈ চতুৰ্থ-জন ব্যক্তিৰ আগমন ঘটিল । সি আহিয়েই কোনো প্ৰস্তাৱনা নোহোৱাকৈ মোকে আক্ৰমণ কৰিলে—

—'অ'ই চালা। তোৰ সেইজনীৰ খবৰ কি বে ?'

—'তই কাৰ কথা সুধিছ ?'

—'অ-হ-হ ! কাৰ কথা ? মোক সুধিছ ? আৰু তই! অ'ই গৰু, তোৰ খবৰ 'ব্লেন্ড' জানে। এতিয়া নজনাহৈ দেখুৱালে কি হ'ব ?' অলপ পৰ বৈ আগন্তুকে পুনৰ ক'লে—'আৰু শুন, তোৰ 'ড্ৰয়াৰ'ৰ পৰা টকা বিশটা ল'লো । পিছত দি দিম।'

মাহৰ শেষত বিশটা টকাৰ মূল্য মোৰ বাবে কিমান হ'ব পাৰে, সেইকথা আনে নুবুজিলেও মই বুজোঁ । কিন্তু, এই মুহূৰ্তত মোৰ মনত আন এটা চিন্তাইহে ক্ৰিয়া আৰম্ভ কৰিলে । বিছনাৰ সিটো কোণত থকা লাঠিডালৰ এটা মূৰ তেজত ডুবি থকাৰ দৰে অনুভৱ হ'ল । কিন্তু, তাৰ পৰিবৰ্তে মই প্ৰয়োজনতকৈ অধিক লাহে লাহে বহাৰ পৰা উঠিলোঁ । আটাইকে 'যাওঁ' বুলি ক'লোঁ । তাৰ পিছত কেৰেক্‌কৈ দুৱাৰখন খুলি ওলাই আহিলোঁ ।

বাহিৰত এতিয়া হিম পৰিছে ।

**সাগৰৰ ঘাটত ঃ**

এতিয়ালৈকে সাগৰ দেখা নাই । 'মাইনৰ'ৰ স্কুলত সাগৰ, মহাসাগৰৰ সূত্ৰ মুখস্থ কৰাৰ সময়ত ভাব হৈছিল মই নাৱিক হ'ম । নানা অভিযান, নতুনত্ব আৰু বহু কিবা-কিবি । পিছে, এতিয়া সাগৰৰ অভিযানবোৰ মোৰ ভাল নলগা হৈ আহিছে । তাতোকৈ দুৰ্গন্ধ গলি, অসহ্যকৰ গান্ধীমণ্ডপ, আড্ডাৰ শূন্যতা, আত্ম সমালোচনা, সমালোচনা আদিয়েই মোৰ বাবে সহজ হৈ পৰিছে । সেইকাৰণে আজি প্ৰায় এঘণ্টামান ধৰি শুক্লেশ্বৰ ঘাটতে বহি আছোঁ। ই হ'ব পাৰে উপকূলৰ সূৰ্য্যস্নানৰত 'মই' নামৰ মানুহটোৰ অলীক কল্পনা ।

এনেকুৱা মুহূৰ্তবোৰত মই বৰ বেছি আত্ম-কেন্দ্ৰিক হৈ পৰোঁ । নিজৰ চিন্তাৰ বাহিৰে আনৰ কথা ভবাৰ সামান্যতম ইচ্ছাও মোৰ নাথাকে। এই সময়খিনিত মই স্বকীয় ছবি এখন বুজাৰ চেষ্টা কৰোঁ। সেই ছবিখন হ'ব পাৰে এখন নিজান অৰণ্যৰ মাজৰ মোৰ কাল্পনিক বাগিচাৰ । সেই ছবিখন হ'ব পাৰে মোৰ প্ৰেমিকাৰ । হ'ব পাৰে সেইখন মোৰ অতীত জীৱনৰ ছবি । কিন্তু, মোৰ বুজি পোৱাটো কোনো দিনে সম্ভৱপৰ হৈ নুঠে । এতিয়ালৈকে মোৰ ক্ষেত্ৰত জীৱনৰ প্ৰশ্ন সমাধানৰ ভুল উত্তৰ পোৱাৰ নজিৰেই বেছি । অথচ, সেই কথা মোৰ একান্তই ব্যক্তিগত, কাৰোবাক ক'বলৈ মই ইতস্ততঃ কৰোঁ । মোৰ লাজ লাগে । কিজানিবা মোৰ শ্ৰোতাই মোক উপলুঙা কৰে। কিজানিবা হীন বুলি ভাবে মোক । এইটো মোৰ বাবে এক 'কম্‌প্লেক্স'-যাৰ আদি অন্ত মোৰ সামৰ্থ্যৰ বাহিৰত ।

কেতিয়াবা ভাব হয় এই সমাজখন মই সম্পূৰ্ণভাৱে নতুন ৰূপত গঢ়ি ল'ম । কিন্তু, মোৰ মানুহটোৰ ভিতৰত থকা সমাজখনৰ অৰ্থই মই বুজিব নোৱাৰোঁ । একো ক'ব নোৱাৰোঁ । হোৱাবোৰ হৈয়ে থাকিব হয়তো। কেতিয়াবা কিছুমান বিশেষ ক্ষণত ভাবোঁ মোৰ এজনী প্ৰেমিকা থকা হ'লে খুব ভাল হ'লহেঁতেন। পিছে, মোৰ মনে বিচৰা ধৰণৰ এগৰাকী বিচাৰি পোৱা নাই, অথবা তেনে এগৰাকী পৃথিৱীতে নাই—এই দুটা কথা মোৰ বিশ্বাস নহয় । কাৰণ, মই সময়ে এৰি অহা মানুহবোৰৰে প্ৰতিনিধি!..

—'বাবু। আপকে পাস্ বিড়ি হোগা ?' প্ৰায় দহ-বাৰ বছৰীয়া কুলীগিৰি কৰা ল'ৰা এটাই মোক সুধিলে । তাৰ হাত দুখন সবল, গাত দাৰিদ্ৰৰ পোছাক, মুখ শুকান । মুঠতে, সমাজে ব্যৱহাৰ কৰা 'সৰ্বহাৰা' শব্দটো তাৰ গাত ধুনীয়াকৈ মিলি পৰিব ।

—'নাই । কিয় লাগে ?'

—'বহুত ঠাণ্ডা হ্যায় জী'।

—'ঠাণ্ডাতো হয়েই । আচ্ছা, কচোন তোৰ ঠাণ্ডা লাগিলে বাৰু কেনে লাগে ?—শুনিছ, কেনে লাগে তোৰ ?'

ল'ৰাটোৱে মোৰ ফালে বেঙাৰ দৰে চাই থাকিল । অলপ পৰৰ পাছত সি মোৰ ওচৰৰ পৰা আঁতৰি গ'ল । সি হয়তো ভাবিলে—মই এটা পাগল । নহ'লেনো কোনে এই মহৰ কামোৰণিত ঘাটত বহি থাকিবহি । তাৰ মতে ঠাণ্ডাটো বিড়িয়েহে আঁতৰাব পাৰিব । মোৰ মতে ? নাজানো উত্তৰটো কি হ'ব পাৰে । আপুনিয়েই ভাবকচোন ঠাণ্ডা লাগিলে বাৰু কি হ'ব পাৰে ? জ্বৰ !—এইটোতো একেবাৰে সাধাৰণ উত্তৰ। জ্বৰতো সকলোৰে হ'ব পাৰে। আপোনাৰো । মোৰো । তাৰ বাহিৰে আৰু কি হ'ব পাৰে ?

আকস্মিক ভাৱে সাগৰৰ পাৰ যেন লগা দৃশ্য এটা চকুৰ আগেদি পাৰ হৈ গ'ল। উপকূলৰ পৰা পানী বুৱলিলৈ নাৰিকল গছৰ শাৰী (উপকূলত নাৰিকল গছ হয়?)। বালিৰ পাতল বতাহ । সাগৰৰ জোৱাৰে ইতিমধ্যে কেবাবাৰো মোৰ ভৰি চোৱাই গৈছে । অদূৰতে, 'ক্ল'জ-আপ'ত সেউজীয়া সাজ পিন্ধি মোৰ প্ৰেমিকা। বহু চেষ্টা কৰিও তাইৰ মুখখন মই ধৰিব পৰা নাই । তাই মোৰ ফালে পিঠি দি একান্ত মনে শামুকৰ খোলা বোটলাত ব্যস্ত । যেতিয়া তাই মোৰ ফালে মুখ ঘূৰালে তাইৰ মুখমণ্ডল

কুঁৱলিয়ে আৱৰি ধৰিলে। লাহে লাহে মোৰ প্ৰেমিকা কুঁৱলি হৈ গ'ল ।...

আকাশে বতাহে এতিয়া কৰুণতম বাঁহীৰ সুৰ ।

**এটা উজুতি ঃ**

—'অ'ই বান্দৰ ! নুঠ কিয়। আঠ বাজি গ'ল।'

—'বচোন অলপ ।'

—'ৰ'বলৈ নাই। উঠ সোনকালে । আজি সমীৰ দা'ই তোক মতা নাছিল।'

ধহ্‌মহাই বিছনাৰ পৰা উঠি ঘড়ীটোলৈ চালোঁ। তাৰ পাছত বেছ আব্দাৰৰ সুৰত তাক ক'লোঁ,——

—'জগাই দিব নোৱাৰিলি আগতেই ।'

—'কি দৰকাৰ । সৱ কাম নিজে নিজে কৰিবি ।'

ইতিমধ্যে, মোৰ খিৰিকিৰ কাষৰ ৰাস্তাইদি দিনটোৰ কামত নানা ধৰণৰ মানুহৰ আহ্-যাহ্ আৰম্ভ হ'ল। সমীৰদা'ৰ তালৈ যোৱাই নহ'ল । কি ভাবিব বাৰু মোক !

—'ৰাম জনমভূমি-বাবৰি মচজিদৰ বিষয়ে 'ডিচ্‌কাচন' এটা আছে। যাবিনে ?'

—'হোঁ ?'

—'আজি আবেলি চাৰি বজাত । যাবি ?'

—'ক'ব নোৱাৰোঁ ।'

—'নালাগে যাব। শুই থাক।'—সি মোক তাচ্ছিল্যেৰে ক'লে ।

খৰ-ধৰকৈ 'পেন্ট-চাৰ্ট' মোৰ গাত ভৰাই বাহিৰ ওলালোঁ। চাৰিআলিৰ চকটো ঘূৰিয়ে থমকি ৰ'লোঁ। ত্ৰিছ-পয়ত্ৰিছ বছৰমান হোৱা আদহীয়া তিৰোতা এজনীয়ে মোৰ ফালে তাইৰ ভিক্ষাৰ পাত্ৰটো আগুৱাই দিলে——

—'হজুৰ । আমাৰ 'চলিটো মাৰা গেইছে'। দশ-বিশ পইছা..' 'পেন্ট'ৰ জেপত খুচুৰা পইছা বিচাৰি থাকোঁতে মানুহজনীৰ কেঁচুৱাটো চকুত পৰিল। কেঁচুৱাটো কংকাল সৰ্বস্ব। পেটটো পাঁচ নম্বৰী ফুটবল এটাৰ দৰে। হাত ভৰিবোৰ জেওৰা খুঁটিৰ দৰে। মুখত কেবাটাও ভেনামাখি। তাৰ লগতে এক উৎকট গোন্ধে মোৰ মগজুটো জোঁকাৰি দিলে । কেঁচুৱাটো মৰা কেবাদিনো হ'ল হব পায়। কোনে জানে কেনেকুৱা সন্তান এইটো !

আতৌ-পুতৌকৈ মোৰ মুখলৈ চাই থকা মানুহজনীৰ ফালে এবাৰ ঘূৰি চাই মই খৰ খোজেৰে আগ বাঢ়িলোঁ। কেঁচুৱাটোৰ শৱৰ গোন্ধটোৱে মোক উৰ্দ্ধশ্বাসে খেদি আহিল । মানুহজনীয়ে পিছ ফালৰ পৰা চিঞৰি থাকিল— বাবু। দুই এটা পইছা..'

মানুহজনীৰ চিঞৰটো ক্ৰমাৎ নাইকিয়া হৈ গ'ল । মোৰ কাষে কাষে মৰাশৰ উৎকট গোন্ধটো সমানে সমানে আহি থাকিল..।

**উপসংহাৰ ঃ**

আপুনি হয়তো আমনি পাইছে। মোৰো আমনি লাগি আহিছে । না 'ৰোমাঞ্চ', না 'চেক্স'——মুঠতে বিচৰা বস্তু ইয়াত একেবাৰেই নাই। আমি আচলতে 'চাৰ্কাছ'ৰ 'ক্লাউন'কেইটা-মানৰ বাহিৰে একোৱেই নহয়। বেয়া পাইছে? অৱশ্যে মোৰো কোনো উপায় নাই । কাৰণ আমাৰ সকলোৰে ভয়ৰ কাৰণ আছে। ধৰি লওক, বৰ্তমান মোৰ সমুখত এটা মদৰ বটল আছে অথবা এটা মুণ্ডহীন নাৰীমূৰ্তি আছে। তাত 'ডাচ কেপিটেল' বা অব্যৱহৃত কামান এটা থৈ দিলে বাৰু কি পৰিৱৰ্তন হ'ব ?——

দৰাচলতে, মোৰ অলপ ভয়ৰ কাৰণ আছে। কাৰণ, কালিলৈ যেতিয়া পৃথিৱীৰ মানুহে গম পাব 'মই' নামধাৰী মানুহটো মানসিকভাৱে বিকাৰগ্ৰস্ত——তেতিয়া, সেই পাগলৰ সংস্পৰ্শলৈ বাৰু কোন্ আহিব ? তেতিয়া, যিবোৰ চৰিত্ৰই 'মই' নামৰ চৰিত্ৰটো জীয়াই তুলিছে——তেওঁ-লোকৰ মাজৰ পৰা মই আঁতৰি যাব লগা হ'ব । এনেওতো হ'ব পাৰে, মোৰ সংস্পৰ্শলৈ অহা মানুহবোৰো মানসিকভাৱে বিকাৰগ্ৰস্ত হৈ পৰিব।

মোৰ কাষৰ মানুহবোৰৰ বিষয়ে মই অলপ কম বুজি পাওঁ। কোনটো সময়ত, কি কাৰণত তাক বা তাইক মোৰ ভাল লাগি যায় ক'ব নোৱাৰোঁ। কিয় বেয়া লাগে তাকো নাজানোঁ। কিন্তু, বহু চৰিত্ৰই মোক 'মই' কৰি তুলিছে। যিটো 'মই' সম্পূৰ্ণ মানসিক বিকাৰগ্ৰস্ত চৰিত্ৰ।

আজিকালি মই সপোন নেদেখোঁ। কিন্তু অন্ততঃ শীতৰ ৰাতি পুৱাবোৰত তুষাৰপাত হ'লে ভাল হয় ।

সেই কাৰণেই মোৰ অলপ ভয়ৰ কাৰণ নথকা নহয় ।

***

প্ৰতিবেশী সাহিত্য ঃ
(ওড়িয়া গল্প)

—প্ৰচণ্ড ক্ষোভ আৰু আতঙ্কত 'ডিপুটি কমিছনাৰ' চাহাব জ্বৰ ঘমা দি ঘামি উঠিল আৰু ভীতিগ্ৰস্ত হৈ কেইখোজমান পিছুৱাই গ'ল—

# চিকাৰ

ভগৱতী পাণিগ্ৰাহী।

(আমাৰ প্ৰতিবেশী ৰাজ্য উৰিষ্যাত প্ৰচলিত ওড়িয়া সাহিত্যৰ এক দুৰ্লভ সংগ্ৰহ এই "চিকাৰ" নামৰ গল্পটি। প্ৰসিদ্ধ কথা-সাহিত্যিক ভগৱতী পাণিগ্ৰাহীৰ তুলিকাত উজ্জীৱীত হৈ উঠা এই গল্পটি দুৰ্লভ তাৰ শ্ৰেণী চেতনাৰ স্বচ্ছ অভি-ব্যক্তিত, গল্প কোৱাৰ নিপুণ ভঙ্গিমাত—"ম'ত এক দুৰ্দান্ত মহাপ্ৰভুক হত্যা কৰি ফাঁচি-কাঠত ওলমি ঘিণুৱা নামৰ এজন সাধাৰণ মানুহে দেখুৱাই দিছে বুৰ্জোৱা শাসন ব্যৱস্থাৰ এক নগ্ন প্ৰহসন।" ওড়িয়া ভাষাত প্ৰচলিত সৰু এখন আলোচনীৰ পৰা সংগৃহীত এই গল্পটি আন্ত-ৰ্জাতিক চুটি গল্প সংকলন "প্ৰতিবেশী সূৰ্যৰ ৰক্তাক্ত দিনগুলি"ত সন্নিবিষ্ট হৈছে। মূল ওড়িয়াৰ পৰা গল্পটিৰ বাংলা অনুবাদ কৰিছে কুমাৰ কৰে। অসমীয়া ৰূপান্তৰ—চমছেৰ আলিৰ।)

সেই অঞ্চলটোত চিকাৰী হিচাপে ঘিণুৱাৰ বেছ নাম আছে। সি নিজেও এই ক্ষেত্ৰত সিদ্ধহস্ত। অৱশ্যে ঘিণুৱাই বন্দুক চলাবলৈ শিকা নাই। তাৰ প্ৰধান অস্ত্ৰ, সি নিজেই তৈয়াৰ কৰা—ধনু আৰু কাঁড়। কাঁড় মৰাৰ সময়ত সি প্ৰায় চিত হৈ শুই পৰে। বাঁওভৰিটো ধনুখনৰ লগত লগাই লৈ, কাণৰ ওচৰলৈ কাঁড়ডাল টানি আনি—সি এৰি দিয়ে। এনে ধৰণে কাঁড় মাৰি ঘিণুৱাই, এমাইল দূৰৰ পৰাই লক্ষ্যভেদ কৰিব পাৰে।

এই ধনুখনৰ দ্বাৰাই সি অসংখ্য হৰিণা, সম্বৰ, গাহৰি আৰু ভালুক মাৰিছে। চিতা-বাঘো মাৰিছে বহুতো; কিন্তু ডাঙৰ বাঘ মাৰিছে মাথোন দুটি। বাঘ দুটা মাৰি, ঘিণুৱাই ডিপুটি কমিছনাৰৰ পৰা বুজন পৰিমাণৰ, বকছিছো আদায় কৰিছে।

সিদিনা আবেলি ঘিণুৱাই এটা অদ্ভুত চিকাৰ লৈ ডিপুটি কমিছনাৰৰ বঙলাত হাজিৰ হ'ল। তাৰ এখন কান্ধত ধনু আৰু দুই তিনিডাল মান কাঁড় আৰু আনখন কান্ধত ওলমি আছে এখন কুঠাৰ।

তাৰ এনে বেশভূষা দেখি ডিপুটি কমিছনাৰ চাহাবৰ চাপ্ৰাচীজনে ঘিণুৱাক প্ৰশ্ন কৰিলে—

ঃ কি অ' ঘিণুৱা, আজিনো কি চিকাৰ আনিছ?

ঘিণুৱাক চাপ্ৰাচীজনে ভালদৰেই চিনি পায়। সি কেবাবাৰো ঘিণুৱাৰ 'বকছিছ'ৰ অংশীদাৰো হৈছে।

উত্তৰ দিবলৈ গৈ ঘিণুৱাই তাৰ কুশ্ৰী দাঁতপাৰি নিকটাই দেখুৱালে। সি হাঁহিলেই নে মুখ ভেঙুচাই খেক্-খেক্কৈ কিবা ক'লে ঠিক বুজা নগ'ল; কিয়নো সঁচাসঁচি হাঁহি বোলা বস্তুটো সি, ঘিণুৱাৰ মুখত, কোনো দিনেই দেখা নাই। সেয়েহে চাপ্ৰাচীজনে পুনৰায় শুধিলে—

ঃ কি অ' ভাই, আজিনো কি চিকাৰ আনিলি ?

গামোছাৰ বান্ধটো অলপ খুলি লৈ ঘিণুৱাই সুতীব্ৰ চাৱনিৰে চাপ্ৰাচীজনৰ ফালে লক্ষ্য কৰি বুজাই দিলে যে 'সি আজি কিবা এটা ডাঙৰ জন্তু চিকাৰ কৰি আনিছে।'

চাপ্ৰাচী জনে আকৌ প্ৰশ্ন কৰিলে—

ঃ বাঘ !

—ঘিণুৱাই মূৰটো জোঁকাৰিলে, অৰ্থাৎ বুজাই দিলে—

ঃ ওহো, নহয় !

ঃতেতিয়া হ'লে চিতা-বাঘ, ভালুক নে গাহৰি?



ঘিণুৱাই পুনৰ মূৰটো জোঁকাৰিলে।

ঃ তেতিয়া হ'লে কি-নো- আনিছ নকৰ কেলেই?

সিহঁতৰ উচ্চ-বাচ্য শুনি এইবাৰ স্বয়ং ডিপুটি কমিছনাৰ চাহাব বঙলাৰ পৰা ওলাই আহিল।

ঘিণুৱাই চাহাবক দীঘলকৈ চালাম এটা দি, তাৰ কুশ্ৰী দাঁত দুপাৰি উলিয়াই চাহাবৰ পিনে সতৃষ্ণ নয়নে চাই থাকিল। তাৰ চকুৱে মুখে তেতিয়া 'জয়ী হোৱাৰ গৌৰৱৰ চিন' স্পষ্ট।

কমিছনাৰ চাহাবে চিকাৰৰ চেহেৰাটো চাবলৈ ইচ্ছা প্ৰকাশ কৰিলত ঘিণুৱাই গামোছা-খনৰ বান্ধটো খুলি উলিয়াই আনিলে—কুণ্ডত কটা ধৰণৰ এটি মানুহৰ ছিন্ন মূৰ! আতৌ-পুতৌকৈ সেই মূৰটো সি নমাই ৰাখিলে—চাহাবৰ পদ যুগলৰ কাষত। প্ৰচণ্ড ক্ষোভ আৰু আতঙ্কত ডিপুটি কমিছনাৰ চাহাব জ্বৰ ঘমা দি ঘামি উঠিল আৰু ভীতিগ্ৰস্ত হৈ কেইখোজমান

পেছুৱাই গ'ল। সেই মুহূর্তত ঘিণুৱাই সপ্ৰতিভ চাৱনিৰে চাহাবৰ ফালে হাত দুখন আগবঢ়াই কলে——

ঃ চাহাব, মোৰ বকছিছ ?

নিজকে কথমপি চম্ভালি লৈ ডিপুটি কমিছনাৰ চাহাবে ঘিণুৱাক বকছিছৰ বাবে অপেক্ষা কৰিবলৈ কৈ ভিতৰ সোমাল। তাৰ পিছত ফোন কৰিলে সশস্ত্ৰ পুলিচ বাহিনীৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ। ঘিণুৱাক নিয়ন্ত্ৰণ কৰাৰ অন্য পথ কমিছনাৰ চাহাবৰ হাতত নাছিল তেতিয়া। তাৰ দেহত এনেয়ে অসুৰৰ বল--তাতে আকৌ হাতত আছে ধনু আৰু কুঠাৰ !

হাতে-ভৰিয়ে বান্ধি ঘিণুৱাক যেতিয়া হাজোতত ভৰাই থ'লে তেতিয়াও সি কথাটোনো কি (?) বুজিবই নোৱাৰিলে। তাক আৰু এনেকৈ কিয় আটকাধীন কৰি ৰাখিব লগা হ'ল ?' এই কথা যাকেই লগ পায় তাকেই সোধে ঘিণুৱাই !! কোনোৱে কয় 'তাৰ ফাঁচি হ'ব', কোনোৱে কয় 'কালাপানী দণ্ডেৰে দণ্ডিত হৈ সি দ্বীপান্তৰ হ'ব লাগিব'। ঘিণুৱাই কথাটো নো কি এঃকাঃকেই ধৰিব নোৱাৰি প্ৰশ্ন কৰে 'কিয় ? কি অপৰাধ কৰিছে সি ??' কাৰোৱেই কথা সি বিশ্বাস কৰিবলৈ টান পোৱা হ'ল !

শেষত ডিপুটি কমিছনাৰ চাহাব জেল পৰিদৰ্শন কৰাৰ উদ্দেশ্যে তালৈকে আহিলত—ঘিণুৱাই সকলো কথা জানিব বিচাৰিলে। চাহাবে ক'লে, "ইমানদিনে যিবোৰ বাঘ-ভালুক মাৰিছ সেইবোৰৰ বকছিছ তই লগে লগেই পাইছ। এইবাৰ মাৰিছ তই মানুহ ! গতিকে তাৰ বকছিছ দিবলৈ হ'লে চাৰি-পাঁচ জনে ভাবি-চিন্তি, সেয়া ঠিক কৰিবলগীয়া হৈছে !!"

কথাটোৱে ঘিণুৱাক আশ্বস্ত কৰিলে। যিদিনা ঘিণুৱাৰ বিচাৰ হ'ল সিদিনা সি মনে মনে ভাবিলে— 'সঁচাকৈয়ে—ভাল বকছিছেই তাৰ ভাগ্যত মিলিব !' সেয়েহে, মনৰ উছাহতে, জজ্ চাহাবৰ আগত খোলাখুলি ভাৱেই সি ব্যক্ত কৰিলে, "গোবিন্দ চৰ্দাৰৰ মূৰটো কাটিবৰ কাৰণে সি কমখন কষ্ট কৰা নাই। বহুতেই তাক মাৰিবলৈ পাঙিছিল; কিন্তু নোৱাৰিলে। গোবিন্দ চৰ্দাৰে সদায়েই মটৰত উঠি অহা-যোৱা কৰে। আনৰ ধন-সোণ লুটপাত কৰি কম টকা আৰ্জিলেনে ! সি কি কম চয়তান আছিল ? কিমান মানুহক সি হত্যা কৰিলে, কিমানক যে ভেটি-মাটিৰ পৰা উচ্ছেদ কৰিলে, কিমান তিৰোতাৰ সতীত্ব হৰণ কৰিলে, তাৰ কি হিচাপ আছে ? তেনেদৰে ঘিণুৱাৰো ভেটি-মাটি উছন কৰি তাক সৰ্বস্বান্ত কৰিছে। সিদিনা সন্ধিয়া পৰত সি ঘিণুৱাৰ ঘৈণীয়েকৰ গাত হাত দিবলৈ গৈছিল। বেটাৰ কি সাহস!"

--হঠাৎ ঘিণুৱাক আগত দেখা পাই সি বেটাই গাড়ী লৈ পলাই যাব খুজিছিল। সি ভাবিছিল হব পায়—ঘিণুৱাৰ হাতৰ পৰা ৰেহাই পাব বুলি ! সেয়া জানো কেতিয়াবা সম্ভৱ ? প্ৰথমতে দূৰৰ পৰা চকাত কাঁড় মাৰি দিলোঁ তাৰ গাড়ী অচল কৰি। তাৰ পিছত কুঠাৰেৰে একেঘাপে তাৰ মূৰটো কান্ধৰ পৰা নমাই লৈ, সেই ৰাতিতেই, জংঘলৰ মাজে মাজে গোপন বাট ল'লোঁ। প্ৰায় ত্ৰিছ মাইল বাট খোজ কাঢ়ি আহি, ডিপুটি কমিছনাৰ চাহাবৰ বঙলাত, উপস্থিত হলোঁহি।

গোবিন্দ চৰ্দাৰ এলা-পেচা মানুহ নহয়। তাৰ হাতত সদায় বন্দুকটো থাকেই। অন্যান্য লোকে বাঘ ভালুকতকৈও তাক বেছি ভয় কৰে। কিয়নো বাঘ ভালুকতকৈও মানুহৰ অনিষ্ট কৰিছে সি বেছি! তাক মাৰি ঘিণুৱাই কম সাহস আৰু বিচক্ষণতাৰ পৰিচয় দিয়া নাই !!

কেই বছৰমান আগতে বিদ্ৰোহী নেতা ঝপট সিঙৰ মূৰ কটাৰ বাবে ডোৰা নামৰ মানুহজনক পাঁচ শ' টকা বকছিছ দিয়া হৈছিল। অথচ ঝপট সিঙ্ মানুহজন বেছ ভাল মানুহেই আছিল। সি মাথোন এবাৰ ট্ৰেজাৰী লুট কৰিছিল; আৰু এবাৰ চিপাহী এটাক মাৰি পেলাইছিল। গোবিন্দ চৰ্দাৰ এজন ভয়ঙ্কৰ লোক। তাক মাৰাৰ বাবে ঘিণুৱাক ব-হু-ত বেছি "বকছিছ" দিয়া উচিত।

ঘিণুৱাৰ যুক্তি শুনি এজলাছত থকা সকলোৱে হোঁ-হোঁৱাই হাঁহি দিলে। জজ চাহাবে ক'লে,

ঃ তই যি কৈছ ঠিকেই, তোক ন্যায্য প্ৰাপ্যই দিয়া হ'ব !

চৰকাৰী উকিলজনে ক'লে —

ঃ "বকছিছ" দিবলৈকেতো তোক ইয়ালৈ অনা হৈছে !!

কথাবোৰ ঘিণুৱাই পৰিহাস বুলি নাভাবি সহজ অৰ্থত ল'লে। কিয়নো—ঠাট্টা, পৰিহাস এইবোৰ কথা সি বুজি নাপায়।

আনকি প্ৰাণদণ্ডেৰে দণ্ডিত কৰাৰ পিছতো ঘিণুৱাই তাৰ যথাৰ্থ অৰ্থ একোকেই নুবুজিলে। জেললৈ পুনৰ লৈ যোৱাৰ পিছতো তাক কোৱা হ'ল—"বকছিছ পোৱাৰ দিন তোৰ ওচৰ চাপি আহিছে।" তথাপিও সি নুবুজিলে—"সি এজন অপৰাধী আৰু তাৰ ফাঁচিৰ হুকুম হৈছে।" ঝপট সিঙক মাৰা আৰু গোবিন্দ চৰ্দাৰক মাৰা যে একে কথা নহয়, এইবোৰ সি কিদৰে বুজিব ? সি এই কথাও নাজানে যে তাৰে এটা গৌৰৱৰ বিষয় আৰু আনটো অপৰাধ ! উৰ্বৰ মস্তিষ্কৰ চাওতাল হতভাগ্য ঘিণুৱাৰ মস্ত মূৰটোত আইনৰ ইমানবোৰ সূক্ষ্ম 'মেৰপ্যাচ' সোমাব কিদৰে ?

ঘিণুৱাই মনে মনে ভাবে-ঝপট সিঙক মাৰি ডোৰাই পাইছিল পাঁচ শ' টকা। তাক তাৰ বেছি নিদিলে সি নিবই বা কিয় ? যদি কম দিয়ে তেতিয়া হ'লে সি গোটেইখিনিকেই ওভতাই দিব আৰু ক'ব—"মোক বকছিছ নিদিলেও চলিব চাহাব ! কিন্তু যদি দিয়ে, তেতিয়া হ'লে ডোৰাক দিয়াতকৈ এটকা হ'লেও মোক বেছি দিব লাগিব !!"

জেলৰ নিৰ্জন 'চেল'ৰ অন্ধকাৰৰ মাজত বহি বহি, ঘিণুৱাই মনে মনে বহু কথাই ভাবে। কথা এষাৰ ক'বলৈও তাৰ ওচৰত মানুহ এজন নাই। অৱশ্যে কথা কোৱাৰ ইচ্ছাও তাৰ সিমান নাই। কেৱল "বকছিছ"টো লৈ ঘৰমুৱা হোৱাৰ বাবেই তাৰ মনটো ছট্‌ফট্ কৰি থাকে !

অৱশেষত ফাঁচিৰ দিনটো আহি পৰিল। তাক সোধা হ'ল, "তাৰ কিবা ইচ্ছা আছে নেকি ?" ঘিণুৱাৰ এটাই উত্তৰ "মোৰ বকছিছ ?" তেতিয়াও তাক কোৱা হ'ল—তেতিয়া হ'লে ব'ল, তোক বকছিছেই দিয়া হ'ব !

তাৰ মূৰটো ক'লা কাপোৰেৰে ঢাকি দিয়া হ'ল। ঘিণুৱাই ভাবিলে, "বোধ হয় তাৰ চকু ক'লা কাপোৰেৰে বান্ধি হাতত সোণ ৰূপ টকা বকছিছ ৰূপে তুলি দিব ! চৰকাৰৰ লীলা খেলা বুজাই টান—এনেকৈনো ৰাৰু মানুহক "বকছিছ" দিয়েনে ?

ঘৰলৈ উভতি গৈ সি তাৰ ঘৈণীয়েকক সকলো বস্তু দেখুৱাব। সকলো কথা বিবৰি ক'ব। 'তাই যে কি-ম্-মা-ন্ খুচি হ'ব' কথাটো ভাবিলে ঘিণুৱাৰ মনটো ভৰি উঠে। তাৰ পিছত এই টকাৰে সি এটা নতুন ঘৰ সাজিব, মাটি কিনিব! এতিয়াতো গোবিন্দ চৰ্দাৰ নাই—যিয়ে তাৰ সকলো লুটি নিব ?

হঠাৎ ঘিণুৱাই অনুভৱ কৰিলে-কিবা এটা বস্তু আহি তাৰ ডিঙিটো পকাই ধৰিছে। তাৰ উক্‌ধুক্ নোপোৱা অৱস্থা এটা হ'ল। দেহৰ সৰ্বস্ব শক্তি উজাৰি দি সি কিবা এটা ক'ব খুজিছিল; কিন্তু সেই অৱকাশ নাছিল তেতিয়া!

***

——ক্ষণিক পিছতে সি উশাহ বন্ধ কৰি প্ৰত্যক্ষ কৰিলে, জলপৰীয়ে সঁচাকৈয়ে 'কঃবাং' (জখলা) বগাই চাওৰ পৰা নামি আহিছে, যেন অতপৰে ঘৰটোত জুম বান্ধি ৰোৱা এমখা ৰহস্যহে নামি আহিছে। চঞ্চলচিত্তে, সতৰ্ক নয়নে, নীৰৱে জলপৰী সিহঁতৰ ফালেই আগুৱাই আহিল——

# জলপৰীৰ হাঁহি

হেমচন্দ্ৰ দলে,
স্নাতক ২য় বৰ্ষ (কলা)।




এটা সময়ত শম্ভুৰামে বৰ অভাৱনীয়ভাৱেই প্ৰস্তাৱটো আগবঢ়ালে। সি জানে, শম্ভুৰাম অলপ অন্য ধৰণৰ ডেকা, তাৰ কামবোৰো কিবা অসামাজিক ধৰণৰ। সি মনত খীণকৈ হ'লেও পুহি ৰাখিছিল, শম্ভুৰামে এদিন তাক এনেকুৱা এটাই প্ৰস্তাৱ দিব। কিন্তু ইমান অকস্মাতে আৰু এনেকৈয়ে সেয়া সম্ভৱ হ'ব, সি কদাচিতো ভাবিব পৰা নাছিল।

সি হঠাতে শম্ভুৰামৰ প্ৰতি এটা বুজাব নোৱৰা অস্বস্তি ভাব অনুভৱ কৰিলে। কোনোবাই যেন তাৰ ডুখৰি পটলুংটোহে টানি খহাই পেলালে! সি একেচাবে উঠি অদূৰৰ গৰুৰ জাকটোৰ ফালে চেকুঁৰি গ'ল। শম্ভুৰামে পিছৰ পৰাই চিঞৰি ক'লে—'হেৰ' ধাননি নুছুৰেগৈ, গৰুবোৰ চৰিবলৈ দে।'

সি গৰুৰ জাকটোৰ আঁৰ লৈ শম্ভুৰামৰ দৃষ্টিৰ অগোচৰ হ'ল। এক অনামী উত্তেজনাত তাৰ দেহ মন ফাগুন মহীয়া অঘনা বিলৰ দৰে হেন্দোলি উঠিল। তাৰ লগে লগে তাৰ মনৰ মাজত ৰিং মাৰি গ'ল উৰণীয়া মেঘৰ দৰে টুকুৰা টুকুৰ বহুত কথা।

পমিলী। কাৰ্টানৰ বায়েক পমিলী। পমিলী যে এলেকাটোৰ ভিতৰতে অপেছৰীৰ দৰেই চিকুণ গঢ়ৰ কথাটো সি বহুতবে মুখত বহুবাৰ শুনি আহিছে। শম্ভুৰামৰ মুখত, গাঁৱৰে 'দলে' ফৈদৰ ডেকা চামৰ মুখত, তাৰ সমনীয়াহঁতৰ মুখত আৰু কিবা কথা প্ৰসংগত পেহীয়েক জয়ন্তীহঁতৰ মুখতো একাধিকবাৰ। অৱশ্যে অপেছৰীবোৰনো দেখিবলৈ কিমান ধুনীয়া সেই সম্পৰ্কে তাৰ সঠিক এটা ধাৰণাও নাছিল। গৰমৰ দিনত ৰাতি 'কাৰে'ত বাগৰি থাকোঁতে পেহীয়েক জয়ন্তীহঁতে পৰীৰ দেশৰ সাধু কয়। পৰীবোৰ হেনো মায়া লগাকৈ ধুনীয়া। এই পৰীবোৰেই অপেছৰী নেকি বাৰু!

সি অংক এটা কৰি চাইছিল।

কাৰ্টানৰ বায়েক পমিলী কিমান ধুনীয়া?

অপেছৰীৰ দৰে ধুনীয়া।

অপেছৰীবোৰনো কিমান ধুনীয়া?

কাৰ্টানৰ বায়েক পমিলীৰ দৰেই ধুনীয়া।

অংকটো অলপ গোলমলীয়া আছিল।

এদিন অৱশ্যে সি অংকটোৰ সহজ উত্তৰেই পাই গৈছিল। নদীৰ ঘাটত। ভৰ দুপৰীয়া। সেই সময়ত নদীৰ গোটেই পাৰটো নিমাওমাও হৈ আছিল। মানুহৰ কথা বাদেই কোনো চৰাই চিৰিকতিৰে ফুট নোপোৱাকৈ নিৰ্জন আৰু নিৰিবিলি। মাথোন খেৰ কটা নদীখনহে চিঁ চিঁকৈ বৈ আছিল। মাজে মাজে উটি আহিছিল দুই এডাল জাবি খৰি আৰু মেটেকাৰ দোপ, টুপাই বুৰ মৰা দুই এটা শিহু। নদীৰ সিটো পাৰৰ বালি চাপৰিত কঁহুৱা বনৰ শুকুলা ফুলবোৰ জঁক উঠাৰ দৰেই মাজে মাজে চমকি উঠিছিল। হয়তো বতাহত। আকাশখন নীলা আছিল। নীলাৰ মাজত পাহ-কটা 'গাচেঙ'ৰ দৰেই কপহুৱা ৰঙৰ দুই এচিৰা মেঘ।

সি নদীৰ পাৰলৈ আহিছিল বিশেষ এটা কাৰণত। নদী—ঘাটটোৰ পৰা কেইনলমান ভটিয়াই গৰাৰ ঠিক এমুঠনমান তলতেই মাছ-ৰোকা চৰাই এজনীয়ে গাঁত খান্দি কণী পাৰিবলৈ লৈছিল। চৰাইজনীয়ে কিমাননো কণী পাৰিছে সি তাকেই গণি চাবলৈ আহিছিল।

সেই সময়তে সি নদী-ঘাটটোত এটা অভূতপূৰ্ব দৃশ্য দেখা পাইছিল। দৃশ্যটো দেখিয়েই তাৰ চকু দুটা জলক-তবক লাগি পৰিছিল আৰু সেই ভাব কাটি যাবলৈ তাক ভালেখিনি সময়ৰ প্ৰয়োজন হৈছিল। সেই যে দৃশ্যটো, হে ভগৱান, তাৰ চকু দুটাত আজিও নাচি থাকে।

এজনী জলপৰী।

এৰা, ঠিক জলপৰীয়েই হ'ব।

পেহীয়েক জয়ন্তীয়ে কৈছিল, এনেকুৱা একোটা পৰিবেশতে জলপৰীহঁতে জলকেলি কৰি থাকে। মাখন বৰণীয়া গাৰ ৰং, ভৰপক ৰ'দত আইনাৰ দৰেই জিলিকি থকা। কিচকিচকৈ ক'লা টৌ খেলোৱা একোছা চুলি, পানীৰ ভটিয়নি সোঁতত সাপৰ নেগুৰৰ দৰেই নাচি থকা। ঈষৎ-ঘোলা পানীৰ মাজেদি, সি স্পষ্ট দেখা পাইছিল, জলপৰীয়ে কাপোৰ নিপিন্ধে। মু'খন বেলিমুৱা হৈ

আছিল, কোনে হাঁহিছিল বাৰু, মু'খনে নে মুখত কেৰেচীয়াকৈ পৰা বেলিৰ পোহৰে ! বাজীকৰৰ পেপাঁৰ মাতত তধা লাগি ৰোৱা সাপৰ দৰেই সি চকুৰ নিমিষ নেপেলোৱাকৈ দৃশ্যটো চাই ৰৈছিল । এটা সময়ত সি মন কৰিছিল, ঈষৎ *বেঁকা গ্ৰীবা ভঙ্গিমাৰে জলপৰীয়েও তাৰ ফালেই* চাই আছে । মুখত মিচিকমাচাক হাঁহি, ডালিমগুটীয়া দাঁত দুপাৰি ৰ'দত তিৰ্‌বিৰাই উঠিছিল । তাৰ ক্ষণিক পিছতে সি উশাহ বন্ধ কৰি প্ৰত্যক্ষ কৰিলে, জলপৰীয়ে তাক হাত-বাউল দি মাতিছে, তাইৰ কাষলৈ ।

এটা সময়ত তাৰ সম্বিত আহিছিল । জয়ন্তী পেহীয়ে কৈছিল, ল'ৰা মানুহ পালে জলপৰীয়ে মায়া কৰি তুলাই ৰাখে আৰু পৰীৰ দেশলৈ




হৰি নিয়ে । এই কথাখিনি মনত পৰাৰ পিছত সি আৰু এখন্তেকো তাত বৈ থকা নাছিল। এটা বিকট চিঞৰ মাৰি গাঁৱলৈ ঘূৰি দৌৰ দিছিল। দৌৰি যাওঁতে সি পিছফালে স্পষ্ট কৈ শুনা পাইছিল, জলপৰীয়ে কিৰিলি সুৰীয়া হাঁহি মাৰিছে ।

এই ঘটনাৰ ভালে কেইদিনৰ পিছত এদিন স্কুলৰ শ্ৰেণী কোঠাত সহপাঠী কাৰ্টানে তাক ভয়াতুৰ বুলি উপলুঙা কৰিছিল। কাৰণ ঘটনা-টোৰ সবিশেষ সি বায়েক পমিলীৰ পৰাই জানি-বলৈ পাইছিল । তেতিয়াই সি উপলব্ধি কৰি-ছিল যে কাৰ্টানৰ বায়েক পমিলী আৰু জল-পৰীৰ মাজত সঁচাই কোনো পাৰ্থক্য নাই ।

জলপৰী মানেই পমিলী ।

পমিলী মানেই জলপৰী ।

জলপৰী যিমান ধুনীয়া, পমিলীও সিমানেই ধুনীয়া । সি এনেকৈয়ে তাৰ অংকৰ উত্তৰ পাই গৈছিল ।

ধুতি বা পটলুঙৰ তলত অন্তৰ্বাস পিন্ধিবলৈ লোৱা তাৰ তেতিয়াও বৰ বেছি দিন হোৱা নাছিল। হাইস্কুলত নাম লেখোৱাৰ বছৰটোতেই বাপেকে তাক এইবিধ পোছাকৰ যোগান ধৰি-ছিল । ঘৰৰ হালোৱা ল'ৰা শম্ভুৰামৰ লগত সি তেতিয়াও গৰু চৰাবলৈ লুকাই চুৰকৈ যায় । তাৰ বাবে একেবাৰেই নতুন আৰু অভিনৱ যেন লগা পোছাকবিধ প্ৰথমবাৰৰ বাবে পৰিধান কৰিবলৈ লৈ, তাৰ ভালদৰেই মনত আছে, সিৰা-উপসিৰাৰ তেজবোৰ দ্ৰুত-গামী হৈছিল আৰু আচৰিত এক অনুভূতিৰে শৰীৰৰ নিঃকিন নোমবোৰ শিহৰি উঠিছিল । কঁকালৰ ফালে 'ইলাষ্টিক'ডাল টানি-আঁজুৰি চিঁজিল লগাই দি শম্ভুৰামে চিঞৰি উঠিছিল, 'বাঃ! মজ্‌জা লাগিছে দেই । মুখ ফুটাই নক'লে কি হ'ল, তোৰ দেউতাৰেও ভাল বুজিছে, ল'ৰা *ডেক্‌কা—আ হ'ল !'*

অৱশ্যে পিতৃৰ সেই নীৰৱ স্বীকৃতি, জীৱনৰ এটা অনাস্বাদিত, বৰ্ণময় চাপলৈ শম্ভুৰামৰ উল্লাসিত আদৰণি-এইবোৰৰ সুদূৰ প্ৰসাৰী প্ৰতি-ক্ৰিয়া সি খুব পলমকৈহে আৱিস্কাৰ কৰিছিল ।

সেইদিনা মাকৃলাই পথাৰত দুয়ো গৰু চৰাই আছিল । বেলি ডুবিবলৈ তেতিয়াও অলপ-পৰহে বাকী । মাটিতে পেট পেলাই সি দুপনি বনৰ ঠাৰি চোবাই আছিল । দুপনি বনৰ ঠাৰিবোৰ বৰ মিঠা । শম্ভুৰামে ক'লে, 'এৰা, বৰ মিঠা। পমিলীৰ দৰেই মিঠা।'

*সি যোপা চকুৰে শম্ভুৰামৰ ফালে চাইছিল।* শম্ভুৰামৰ পিছে গাত নেলাগিল । ইতিমধ্যে সি থেকেৰা জোপাৰ দহ আঙুলমান ওলাই থকা ধেনু-ভিৰীয়া শিপা ডালত উঠি লৈ, ভৰিয়াই ফালে ডিঙি মেলি মেলি কিবা এটা চোৱাত লাগি পৰিছিল । তাৰ চকু-মুখ চিকাৰী কুকুৰৰ দৰেই জলমলাই উঠিছিল । শম্ভুৰামৰ এনে আচৰণৰ অৰ্থ কি হ'ব পাৰে সি জানে। পেট পেলাই থকাৰ পৰা একেচাবেই উঠি সিও শম্ভুৰামৰ কাষ পাইছিলহি ।

এটা অভূতপূৰ্ব দৃশ্য ।

পশ্চিমত তেতিয়া ৰঙা বেলিটোৱে বৰ কাঁহীৰ আকাৰ ধাৰণ কৰিছিল। বেলিৰ কাষৰে পাজৰে উচ্ছিষ্টৰ দৰেই কেইলদামান ডাৱৰ। এন্নানি ঘৰমুখী জাকৈয়া উত্তৰ মুৱাকৈ গৈ আছিল। বেলিৰ কেৰেচীয়াকৈ পৰা হালধি গাঁঠিৰ দৰে আভাই জাকৈয়াহঁতৰ একোটাহঁত প্ৰতিকৃতি উজ্বলাই তুলিছিল । জাকৈয়াহঁতৰ বুকুৰ ঈষৎ ওখখিনিও তাত অকৃপণভাৱে ফুটি উঠিছিল; লগতে জাকৈ আৰু খালৈবোৰৰ জীৰ্ণ ছাঁ । আকাশত ঘৰমুৱা পখীৰ কাকলি । দক্ষিণৰ ফালে, বুৰুবাৰা বিলৰ পৰা ফালৰি অহা ম'হ-ঘুলিটোৰ পৰা, ঐ-নিঃতমৰ দীঘলীয়া একা-বেঁকা সুৰ ভাঁহি আহিছিল—কণ্ঠত নহয়, বাঁহীত। চাৰিওফালে ধূসৰ, কুঁৱলিময়, ৰঙচুৱা এটা আভাস ।

সি মন্ত্ৰ-মুগ্ধ হৈ চাই ৰৈছিল দৃশ্যটো। হঠাতে তাৰ সম্বিত আহিল । সি দেখিলে, এটা লিহিৰিপতীয়া কিৰিলি পাৰি, শম্ভুৰামে থেকেৰা জোপা গৰা মাৰি ধৰিছে আৰু কুৎসিৎভাৱে শৰীৰৰ নিম্ন-পশ্চাদাংশ তল-ওপৰ কৰিছে ।

সেইদিনা সি আচৰিত হৈ অনুভৱ কৰিছিল, শম্ভুৰামৰ তেনে বন্য উল্লাসে তাৰ মনৰ মাজতো এক অকল্পনীয় আলোড়ন তুলিছে আৰু সি ক্ৰমাৎ শম্ভুৰামৰ সৈতে নিবিড় আত্মীয়তাত নিমজ্জিত হৈছে । *সেইদিনাই, গৰুৰ জাকটো খেদি ঘৰা-ভিমুখী হওঁতে, শম্ভুৰামে আকৌ দোহাৰিছিল, 'তয়োতো ডেকা হ'লি, ইমান লাজ কৰিব লাগে নে ?'*

আন এদিনৰ কথা । কথা-প্ৰসঙ্গত সিহঁতৰ মাজত ৰাতি চুৰকৈ 'মৃম্‌ৰুৰ গুনাম'ৰ কথা ওলাল ।*

* প্ৰেমিকে ৰাতি চুৰকৈ প্ৰেমিকাৰ ওচৰলৈ যায় । কোনো জোঙাল সঁজুলিৰে চাঙৰ তলৰ পৰা খুচি নিদ্ৰাৰতা প্ৰেমিকাক জগাই তোলে আৰু চাঙৰ পৰা অনতিদূৰলৈ আঁতৰি আহি দুয়ো পিৰীতিত ৰত হয় । এইটোৱেই 'মৃম্‌ৰুৰ গুনাম' —লেখক ।

ডেকা-গাভৰুৰ এই নিষিদ্ধগামী খেলটোৱে তাৰ মনত সদায়েই মধুৰ ভাবনাৰ সূচনা কৰে। শম্ভুৰামে অনর্গল কৈ গৈছিল, গাঁওখনৰ কোনটো ডেকাৰ কাৰ প্ৰতি পিৰীতি আছে, কোনজনী গাভৰুৱে কোন ডেকাক নাকত ধৰি চাকত ঘূৰালে, ৰাতি চুৰকৈ যাওঁতে গাভৰুৰ ককায়েকৰ হাতত ধৰা পৰি কোনটো ডেকাই পুৱাৰ ভাগতহে পঘা খুলি পলাই আহিছিল ইত্যাদি ওৰ নপৰা কথা। কথাবোৰ শুনি থাকোঁতে তাৰ মনৰ মাজত হঠাতে এক আচৰিত ভাবে ক্ৰিয়া কৰি গৈছিল। ৰাতি চুৰকৈ শম্ভুৰামেও লগ ধৰে নেকি পমিলীক বাৰু? কাৰণ এবাৰ সি নিজেই কৈছিল ৰাতি উজাগৰে কটোৱাৰ কথা। কিয় কটায় উজাগৰে ?

কথাটো ভাবি উঠি তাৰ সমূলি ভাল লগা নাছিল। সেই দিনাৰ পৰাই শম্ভুৰামৰ প্ৰতি তাৰ এটা অহেতুক ঈৰ্ষা-ভাব জাগি উঠা সি অনুভৱ কৰিছিল। এনে ভাব কিয় জাগিল সি কিন্তু নিজেও ক'ব নোৱাৰিলে।

ইয়াৰ পিছতো দুয়ো বহুবাৰ একেলগে পথাৰত হাল বাইছে, পূৰ্বৰ দৰেই মাকলাই পথাৰত গৰু চৰাইছে, আৰু পমিলীৰ প্ৰসঙ্গত শ্লীল-অশ্লীল বাক-বিতণ্ডাত জড়িত হৈ পৰিছে।

সৰ্বশেষত শম্ভুৰামৰ আজিৰ এই অভিনৱ প্ৰস্তাৱটো। আজি ৰাতিলৈ শম্ভুৰামে তাক পমিলীৰ সৈতে গোপনে লগ কৰাই দিব খোজে। চাঙৰ পৰা মাতি অনাৰ কামখিনি বাৰু শম্ভুৰামেই কৰিব; বাকীখিনি সময়হে সি নিজেই চম্ভালিব লাগিব।

প্ৰস্তাৱটো তাৰ বাবে অভূতপূৰ্ব আৰু অসাধাৰণ। এটা বিচিত্ৰ ৰাতিয়ে কঢ়িয়াই আনিব তাৰ জীৱনলৈ কেতবোৰ অসাধাৰণ অভিজ্ঞতা; অনাস্বাদিত ভাবানুভূতিৰে ভৰি উঠিব তাৰ সৰ্ব দেহ-মন।

এটা বুজাব নোৱৰা উত্তেজনা।
এটা ফাটি পৰা উন্মাদনা।

সি ক'ব নোৱৰাকৈয়ে হাতৰ এছাৰিপাট সজোৰে ওপৰলৈ দলি মাৰি দিলে, এনেয়ে।

ইতিমধ্যে চকা পাটত বহিছিল। শম্ভুৰামে এওামুৰি দি উঠি তাৰ ফালে চাই ক'লে, 'আজি বতৰটো ফৰকাল; ৰাতিলৈ ভাল জোনাক নামিব।'——কথাটো সি টপৰাই শলাগি থলে আৰু অহেতুক ব্যস্ততাৰে গৰুৰ জাকটো বিল মূৱাকৈ খেদি পঠালে। শম্ভুৰামে তাৰ সেই বিখ্যাত কণ্ঠত এটা ঐ-নিঃতম জুৰিলে :

ঐয়ে কাংকান কায়ুমা
ৰিঃ বি গাছেং গীয়ুমা..

বিলত গৰুবোৰ পানী খুৱাই লৈ ঘৰাভিমুখী হওঁতে সি চল কৰি অন্য প্ৰসঙ্গ উলিয়ালে আৰু শম্ভুৰামৰ প্ৰতি তাৰ সৌহাৰ্দ্য প্ৰকাশ কৰিলে। ওৰে বাটছোৱা সি খুব কষ্ট কৰিয়েই তাৰ ল'ৰালি উছাহখিনি ঢাকি ৰাখিব লগা হ'ল। গোহালিত গৰুবোৰ বন্ধাৰ সময়তো সি উপযাচিয়েই শম্ভুৰামক সহায় কৰিলে, যিটো আগে পিছে সি কৰা নাই।

ৰাতি ভাত খাই উঠি সি মাকক মাত এষাৰ লগাই থৈ চাঙৰ পৰা নামি আহিল। লগতে সি কৈ আহিল যে আজি সি শম্ভুৰামৰ লগতে শুব আৰু তাৰ বাবে চাকি জ্বলাই থ'ব নালাগে। এই প্ৰথমবাৰৰ বাবে সি মাকক আসৈ মাতিলে। তাৰ নিজকে কিবা অপৰাধী অপৰাধী লাগিল। সেই সময়ত বাপেকে শোৱা পাটীতে বাগৰি লৈ উচ্চ স্বৰত 'শ্যামন্তক হৰণ'ৰ পদ আওৰাবলৈ ধৰিছিল।

শম্ভুৰামে তাৰ বাবেই অপেক্ষা কৰি আছিল। সি অহাৰ উমান পাই শম্ভুৰাম লৰালৰিকৈ চোতালৰ একাষৰ জুপুৰী ঘৰটোৰ পৰা ওলাই আহিল। সি তাতে শোৱে। মূৰত গাচেং এখন মেৰিয়াই থাকিয়েই শম্ভুৰামে ক'লে,— 'বল এতিয়া, ভয় নকৰিবি, মই আছোঁ।'— সি মাথোন মূৰ দুপিয়ালে। তাৰ পিছত দুয়ো সন্মুখৰ এটা পথ লক্ষ্য কৰি নিঃশব্দে আগবাঢ়ি গ'ল।

ৰাতিটোৱে তেতিয়াও বৰ বেছি আগুৱাব পৰা নাছিল। হয়তো জোনাক আছিল বাবে। গাঁৱৰ মানুহবোৰ বৰ সোনকালে শোৱে। গোটেই এলেকাটো লাহে লাহে নিটাল মাৰিবলৈ আৰম্ভ কৰিছিল।

কাৰ্টানহঁতৰ গাঁৱলৈ আৰু অলপ ভটিয়াই যাব লাগে। দুয়োখন গাঁৱৰ মাজত এখন সুবিস্তৃত পথাৰ। সৰিয়হ খেতিৰ বাবে মাটিবোৰ চহাই থোৱা হৈছিল। চহ হৈ ধূলিয়ৰি হোৱা পথাৰখনত জোনৰ পোহৰে সাগৰৰ দৰেই ঢৌ খেলি আছিল। নিশাচৰ কীট-পতঙ্গৰ ৰিঁ-ৰিঁয়নিত ৰাতিৰ নিৰ্জনতা অধিক প্ৰকট হৈ উঠিছিল। গিঃ তুং পথাৰত জামুৱনি ডৰাত শিয়ালে 'হোৱা' দিছিল। সিহঁতৰ গাঁওখনৰ পৰাও কুকুৰৰ ভুক্ভুকনি ভাহি আহিছিল।

ৰাস্তাটোৱে মাজতে এজোপা প্ৰকাণ্ড বটগছৰ তলেদি সৰকি আহিছে। উঁই হাফলুৱে গছজোপাৰ ডালেখিনি ওপৰলৈকে পুতি ৰাখিছিল। দৃশ্যটোৱে তাক বুনিয়াদী পাঠ্যত পোৱা ৰত্নাকৰ দস্যুৰ কথা মনত পেলাই দিয়ে। সি ভাবে, গছজোপাৰ বাৰু কেতিয়া মুক্তি হ'ব? আৰু তাত থকা বুঢ়া ডাঙৰীয়াজনা ?

সি শম্ভুৰামৰ গাতে গা লগাই বটগছজোপা পাৰ হৈ আহিল। শম্ভুৰামে ক'লে—'ভয় খাব নাপায়! একো অনিষ্ট নাসাধে।'—কথাখিনি কৈ সি কঁকালত খুচি ৰখা বাঁহীটো হাতলৈ আনি ল'লে।

বাঁহীত মন মতলীয়া কৰা নিঃতমৰ কলি ভাহিছিল। নিৰ্জন ৰাতিৰ বন্য উন্মাদনাই তাৰ সৰ্বসত্তাত খলকনি তুলিছিল। তাৰ জীৱনৰ এইটো এটা অনাস্বাদিত অভিজ্ঞতা। তাৰ চকু মুখত ফুটি উঠিছিল উচ্ছল আৱেগ আৰু সৃষ্টিৰ আদিম ৰূপ প্ৰত্যক্ষ কৰাৰ বিস্ময়।

—'ঐ, কি ভাবিছ ?'—তাৰ চমক ভাঙিল।

শম্ভুৰামৰ দুচকুত চয়তানী ইঙ্গিত। সি নিঃশব্দে দূৰৈৰ বাঁহনিডৰালৈ চালে। বাঁহনিৰ ওপৰত নাচি থকা জোনাকৰ নদী, তাত জলপৰীয়ে তেতিয়াও গা ধুই থকা নাছিল।

বাঁহীটো পুনৰ কঁকালত খুচি থৈ শম্ভুৰামে ক'লে,——'তাই বাঁহীৰ মাত শুনিছে।'

দুয়ো সন্মুখলৈ চালে। গাঁৱৰ এই মূৰত থকা প্ৰথমটো ঘৰেই কাৰ্টানহঁতৰ। কাষতে সেয়া গেঁৰ মেলি থকা শিমলু গছ জোপা। তাৰ বুকুখন অজানিতে ঢুক কৰি উঠিল। নিজকে সি বৰ অসহায়বোধ কৰিলে। যেন খেৰ কটা নদীত উটি যোৱা মেটেকাৰ দোপহে। কাষত গৈ থকা শম্ভুৰামক তাৰ প্ৰকাণ্ড দৈত্য যেন ভাব হ'ল।

তাৰ ভীতি-বিহ্বল অৱস্থাটো দেখি শম্ভুৰামে ঢেক্ ঢেক্কৈ হাঁহি দিলে। তাৰ কান্ধত হাত এখন থৈ সি ক'লে, 'ভয় কৰিব লগা একো নাই। ৰাতি লগ পোৱা ছোৱালীবোৰ সদায়ে অন্য ৰকমৰ হয়। ...আৰু এইবোৰনো কোনে নকৰে, সকলোৱে কৰে। তোৰ, মোৰ, পমিলীৰ-সকলোৰে আই বোপায়ে, তেওঁলোকৰ আই বোপায়ে কৰিছিল। এয়া কাচিন-কাৰ্টাঙৰ বিধান।'——শম্ভুৰামে শূন্যতে মূৰ দুপিয়াই নেদেখাজনালৈ সেৱা এটা যাচিলে।

ইতিমধ্যে দুয়ো আহি শিমলুজোপাৰ তল পাইছিলহি। তাৰ পৰা কেইনলমান আঁতৰতে কাৰ্টানহঁতৰ চাংটো; জোনাকত ডুবি আছিল। শম্ভুৰামে দৰক লাগি এবাৰ কেউফালে চাই ল'লে। দৃষ্টিত চিকাৰী কুকুৰৰ প্ৰখৰতা। এটা সময়ত সি চোলাত সী থোৱা 'চফ্টিপিন' এটা খুলি আনিলে। ক্ষণিক পৰ সেইটো লিৰিকি-বিদাৰি চাই শম্ভুৰামে ধীৰ গতিৰে চাঙৰ ফালে

ৰ ল'লে। যাওঁতে তাক মনে মনে থাকি-
ইঙ্গিত দি গ'ল।

চকুৰ পচাৰতে শম্ভুৰাম চাঙৰ তলত সোমাই
ল। চাঙৰ তলটো আন্ধাৰ আছিল বাবে
ৰৰ পৰা সি একো মনিব নোৱাৰিলে।
ৰাম যেন বতাহতহে লীন গ'ল। সি একো
দিহ নাপাই গছজোপাৰ তলতে ভেবা লাগি
। তাৰ ভাব হ'ল, শম্ভুৰাম যেন ৰূপ কথাৰ
নোবা বীৰ পুৰুষ, অভেদ্য দুৰ্গত বন্দিনী
জ কুমাৰীক উদ্ধাৰ কৰিবলৈ আহিছে!

সি চাৰিওফালে এবাৰ চকু ফুৰাই চালে।
টেই এলেকাটো একাকী নীৰৱতাত ডুবি
ছিল। উঁই-চিৰিঙাৰ ৰিঁ-ৰিঁ শব্দই পৰি-
টো অধিক গাঢ় কৰি তুলিছিল। কাষৰে




জৰে বিৰিণা বনৰ জোপোহাবোৰ বিৰ্ বিৰকৈ
পি আছিল বতাহত। আকাশত তৰাৰ
মদল। জোনাকে কটিয়াই অনা হাঁহিৰ
কাৰাৰা, তৰাৰ নহয়, জলপৰীৰ। ৰাতিৰ
আকাশৰ নীলিমা ছুই তৰাৰ দেশৰ পৰা সাঁতুৰি
আহিছিল জলপৰী। পিছ ফালে লাহিকৈ উৰি
আহিছিল ৰিঃবি গাচেঙৰ আচল, মেঘবৰ্ণ চুলিৰ
একোছা ওপঙি থকা পটি। সি বিস্ময় বিমুগ্ধ
ষ্টিৰে আকাশৰ ফালেই চাই ৰ'ল। এযুগ,
য়তো এক মহাকাল। তাৰ পিছত ... — —

—'হে-ই, তই দেখোন থৰ লাগিলি।'—শম্ভুৰামৰ ফুচ্ ফুচনি শুনি তাৰ সম্বিত আহিল। সচকিত দৃষ্টিৰে সি চাঙৰ ফালে চালে।

শম্ভুৰামে ক'লে, 'তাই সাৰ পাইছে, অলপতে পাবহি।'

ক্ষণিক পিছতে সি উশাহ বন্ধ কৰি প্ৰত্যক্ষ কৰিলে, জলপৰীয়ে সঁচাকৈয়ে 'কঃবাং' (জখলা) বগাই চাঙৰ পৰা নামি আহিছে, যেন অতপৰে ঘৰটোত জুম বান্ধি ৰোৱা এমখা ৰহস্যহে নামি আহিছে। চঞ্চলচিত্তে, সতৰ্ক নয়নে, নীৰৱে জলপৰী সিহঁতৰ ফালেই আগুৱাই আহিল।

তাৰ সৰ্বাঙ্গয়েদি হঠাতে এটা নামবিহীন শিহৰণ খিলখিলাই বৈ গ'ল। সি অনুভৱ কৰিলে, তাৰ বুকুৰ মাজত, ইতিমধ্যেই এটা সক্ৰিয় উৰাল বহি গৈছে---ধুপ্ ধুপ্ ধুপ্।

সি এবাৰ আঁৰ চকুৰে শম্ভুৰামৰ ফালে চালে। নাই, শম্ভুৰাম কেতিয়াবাই আঁতৰি গৈছে। হয়তো কাষৰে জোপোহাৰ আঁৰ লৈ তাৰ নিকৰুণ অৱস্থাটোৰ ৰং চাইছে। সি নিজৰ নিঠৰুৱা পৰিস্থিতিটো উপলব্ধি কৰি অজানিতে চমকি উঠিল।

**চমকি উঠিছিল গমিলীও। শিমলু জোপাৰ সামান্য ছাঁ পৰা ঠাইখিনিতে ল'ৰাটো চুচুক চামাক কৈ থিয় দি আছিল। আউল বাউল চুলিৰে নিটোল গড়ৰ মৰম লগা ল'ৰাটো। তাই কিছু সন্মুখলৈ হাওলি বিস্ময়াভিভূত নেত্ৰে ল'ৰাটোলৈ ক্ষণিক পৰ চাই ৰ'ল আৰু এটা সময়ত, তাই কিবা এটা বুজি উঠাৰ পিছত, আচম্বিতে খিলখিলকৈ হাঁহি উঠিল। সেই হাঁহি! জলতৰঙ্গৰ দৰেই জলপৰীৰ সেই হাঁহি।

ল'ৰাটোৱে এইবাৰ ভয়ে ভয়ে মূৰ তুলি চালে। জোনৰ পোহৰতে সি দেখা পালে, হাঁহিলে তাইৰ গাল দুখনত টোল পৰি যায়, আৱেগত চকু যুৰি নাচি উঠে আৰু ওঁঠ দুটা মৃদুকৈ কঁপি থাকে। পূৰ্বত আটিল দেহটোমোহ লগাকৈ বিৰ খাই যায়। সি আকৌ এবাৰ পতিয়ন গ'ল, জলপৰীবোৰতো এনেকুৱাই হয়!

এটা সময়ত তাই তাৰ কোঁচাই থোৱা হাত দুখন খামোচ মাৰি ধৰিলে আৰু মিচিক-মাচাক হাঁহিৰে তাৰ ফালে চাই ক'লে—'মৰমৰ ডেকাটো এ-ই-য়া, মই আহি গ'লোঁ।' —তাইৰ ধেনু ভিৰীয়া চেলাউৰিযোৰ কৌতুকতে নাচি উঠিল।

সি অনুভৱ কৰিলেঃ তাৰ ভীত দুচকুৰ সন্মুখৰ সামান্য ওপৰলৈ আন এযুৰি বিহ
তৰা। জোনাক পিছলি পৰা দুখনি ঔ-বখলী
গাল। নাজি ফুলৰ সেমেকা সুবাস সনা একো
ঘন ক'লা চুলি। সমগ্ৰ দেহ বল্লৰীত ফুটি উ
প্ৰাণ-প্ৰাচুৰ্য্যৰ অনমনীয় অহংকাৰ।

সি বিমুগ্ধ হৈ চাই ৰ'ল দৃশ্যটো।

**ৰাতিৰ গভীৰতাই দকৈ শিপা মেলিছিল
'কম্বলি টাক্‌ম'বোৰৰ ৰিঁ-ৰিঁয়নিৰে ৰাতিৰ নি
নতা অধিক গাঢ় হৈ উঠিছিল। জোন অ
জোনৰ পৰা নিগৰি অহা জোনাক ক্ৰমাৎ পূ
হৈ আহিছিল। অদূৰৰ চাং ঘৰটোৰ আগফা
কাৰ্টানহঁতৰ হাতীটোৰ মান ডেকা-চাংটোও অ
ভুত নীৰৱতাৰে সৰৱ হৈ উঠিছিল। সিবিক
এছাটি বতাহ বলিছিল। কাষৰ জোপোহ
ডৰাই উলাহতে গা লৰাইছিল। দূৰৈত কুকু
ৰাও পাৰিছিল।

হঠাতে এটা বুজাব নোৱৰা উত্তেজন
তাৰ সৰ্বসত্তা কঁপি উঠিল। এটা আচ
আৱেগে তাৰ কণ্ঠনলী সোপা মাৰি ধৰিলে
কিবা এটা ক'বলৈ গৈ মাথোন ওঁঠ দুটাহে
থৰকৈ কঁপি উঠিল। তাৰ চকুৰ আগত ম
গভীৰত জলছবিৰ দৰে ভাহি উঠিল অস
মুখ। মুখবোৰত প্ৰকাশ পোৱা ৰকম ৰ
অভিব্যক্তি। তাৰ সমনীয়া কাৰ্টানহঁ
স্নিগ্ধ নিৰ্মল মুখ, স্নেহ বিগলিতা মাকৰ বিশ্ব
ব্যঞ্জিত মু'খন, মানুহ ভৰ্তি সভাঘৰৰ মা
সভা শুৱনি দেউতাকৰ মুখ, পেহীয়েক জয়
প্ৰগলভতা ভৰা মুখ, শম্ভুৰামৰ শালমনে
ঈষৎ-গৰ্বী মুখ, 'দলে' ফৈদৰ ডেকাহঁতৰ
কাতৰ মুখ আৰু সেই মুখবোৰত ওলমি
কিছুমান প্ৰশ্নবোধক চিন। অদ্ভুত, বৰ
ভুত সেই অনুভৱ। সি ক'ব নোৱাৰাকৈ
তাৰ দুচকু আচম্বিতে পানীৰে ভৰি পৰি
হুক্‌টি হুক্‌টি উগাৰি ওলাই আহিল এটা কান
মিশ্ৰিত স্বৰ।

**উপসংহাৰ**ঃ এটা সময়ত শম্ভুৰামে শি
জোপাৰ আঁৰৰ পৰাই প্ৰত্যক্ষ কৰিলে,
যৌৱন সাম্ৰাজ্যৰ অনাহত প্ৰতিদ্বন্দ্বী গৰ
সহচৰজন তৰা-নৰা চিঙি ঘৰলৈ উভতি
দিছে আৰু জলতৰঙ্গৰ দৰে খিল্‌খিলিয়া
এটিয়ে তাৰ পিছ লৈছে। এই হাঁহিৰ
অৰ্থো শম্ভুৰামৰ অজানা নাছিল। *

····'আবেলিৰ বেলিৰ সেই হেৰাই যাব খোজা ৰঙৰ দৰেই তেওঁৰ জীৱনৰ ৰংবোৰো যেন ক'ৰবাত হেৰাই থাকিল' ··

# সুখ-দুখৰ ৰং

জোনালী হাজৰিকা,
স্নাতক ১ম বৰ্ষ (কলা)।

পৰ্বত চৌধুৰীৰ দুমহলীয়া ঘৰটোৰ দ্বিতীয় মহলাৰ পশ্চিম ফালৰ কোঠাটোৰ খিৰিকিখন খুলি দিলে কালীপুৰৰ সৰু সৰু ঘৰবোৰৰ ওপৰেদি গুৱাহাটী মহানগৰীৰ এটা অংশ দেখা যায় আৰু তাৰ ওপৰেৰে দৃষ্টি প্ৰসাৰিত কৰিলে পশ্চিমৰ পাহাৰৰ সিপাৰে হেৰাই যাব খোজা আবেলিৰ বেলিটোও চকুত পৰেহি।

অসুখত ভোগা দিন ধৰি তেওঁ এই কোঠাটোৰ খিৰিকিৰ কাষৰ বিছনাৰ ৰেলিঙত গাৰুটো আঁউজাই লৈ আবেলিৰ বেলি চাইছে। কোঠাটোৰ পৰা দেখি থকা তলৰ বাগিচাত থকা গুলঞ্চ ফুলজোপাৰ মাজেৰে তেওঁ যিমান পাৰে দৃষ্টি প্ৰসাৰিত কৰি আবেলিৰ বেলিৰ ৰং চাব খোজে। আজি দুবছৰে তেওঁ প্ৰতিদিনে এই ক্ষণে ক্ষণে সলনি হোৱা পশ্চিম আকাশৰ ৰং চাইছে আৰু চাওঁতে চাওঁতে বেলিটোৰ লগত এক গভীৰ বন্ধুত্ব আৰু একাত্মবোধ গঢ়ি উঠিছে। সেই অস্তগামী সূৰ্য্যৰ মাজত নিজৰ অস্তিত্ব বিচাৰি কেতিয়াবা ব্যাকুল হৈ উঠে তেওঁ।

আজিও আবেলি সেই দৃশ্য উপভোগ কৰি থাকোঁতে অইন দিনাৰ দৰে মনটো উৰা মাৰিছে হেৰোৱা অতীতৰ পম খেদি। সেইযে কোনোবা অতীতত আবেলি পথাৰত গৰু চৰাই উভতি আহোঁতে ডাৱৰৰ ওপৰত ৰ'দৰ চিকমিকনি দেখি তেওঁৰ মনটো ডাৱৰৰ ওচৰলৈ উৰা মাৰিছিল। কিন্তু আজিৰ ডাৱৰৰ চিকমিকনিত তেওঁ কোনো উজ্বলতা দেখা পোৱা নাই· তেওঁৰ জীৱনৰ হেৰাই যোৱা ৰঙৰ দৰেই ৰস্তিমিত। তেওঁৰ এই মৌন প্ৰহৰবোৰৰ সংগ হৈছিহি কিছুমান চিৰন্তন অনুভূতি।

চৌধুৰীৰ হাতত এতিয়া অফুৰন্ত সময়। সুমিতৰ হাতত এতিয়াবাই 'প্ৰেছ'ৰ দায়িত্ব দি মুকলি হৈছে। আজিকালি প্ৰায়ে এনেকুৱা অকলশৰীয়া মুহূৰ্তত অতীতৰ ডুখৰীয়া ছবিবোৰে তেওঁৰ মনৰ মাজত ভুমুকি মাৰেহি। পত্নী অনুপমাৰ স্মৃতিয়ে আমনি কৰেহি। মৃত্যুৰ আগলৈকে প্ৰতি মুহূৰ্ততে তেওঁৰ সুখ-দুখৰ লগৰী হোৱা মৰমী অনুপমা। অনুপমাই তেওঁক এৰি যোৱা এবছৰ হ'ল, কিন্তু তথাপিও ভাব হয় অনুপমা যেন তেওঁৰ কাষতেই আছে। পত্নীৰ মৃত্যুৰ পিছত তেওঁ শয্যা ল'লে। তেওঁৰ আলপৈচান ধৰিবলৈ ৰমেনক ৰাখিছিল। এতিয়া সিয়ে সুমিত আৰু অমিতৰো আলপৈচান ধৰে।

গুৱাহাটী মহানগৰীৰ নিচিনা ঠাইত এটা প্ৰকাণ্ড দুমহলীয়া। সন্মুখত এখন 'ল'ন', চাৰিওফালে দেৱদাৰু আৰু ইউকেলিপ্টাচৰ শাৰী। আৰু এই সকলো আভিজাত্যৰ গৰাকী পৰ্বত চৌধুৰী—যি এসময়ত আত্মপ্ৰতিষ্ঠাৰ গৌৰৱেৰে দপ্দপাই ফুৰিছিল—আজি আৰু তেওঁৰ অস্তিত্ব কোনোৱে উপলব্ধি কৰিব নোৱাৰে। আনকি ঘৰখনৰ প্ৰাণী কেইটায়ো তেওঁ জীৱিত নে মৃত ভালকৈ ক'ব নোৱাৰে।

যৌৱনৰ সেই কৰ্মঠ ভৰ-পূৰ দিনবোৰত তেওঁ মাথোন খ্যাতি, যশস্যা, ধন এইবোৰৰ পিছতে দৌৰিলে। ব্যৱসায়ৰ মাজত ডুব গৈ তেওঁ কেৱল আগলৈহে চাইছিল, পিছলৈ উভতি চোৱাৰ সময় তেওঁৰ নাছিল। ঘৰ-দুৱাৰৰ সমস্ত দায়িত্ব অনুপমাৰ ওপৰত দিছিল, নিজে কেতিয়াও তাত মূৰ ঘমোৱাৰ প্ৰয়োজন দেখা নাছিল। জীৱনৰ সন্ধিক্ষণত উপস্থিত হৈ আজি তেওঁ ভাবিছে কিমান ভুলেই যে নকৰিলে তেওঁ। এসময়ত যেতিয়া অনুপমাইতে তেওঁৰ সংগ বিচাৰিছিল তেতিয়া তেওঁ মাথোন ধনৰ পিছত দৌৰিলে আৰু আজি যেতিয়া তেওঁ সংগী বিচাৰি হাবাথুৰি খাইছে, এতিয়া আৰু কোনো নাই



তেওঁৰ ওচৰত থিয় হ'বলৈ।

ঘৰখন বেছ নীৰৱ হৈ আছে। ৰমেনে আহি চৌধুৰীৰ কোঠাৰ 'লাইট'টো জ্বলাই দি লাহেকৈ সুধিলে—'চাৰ, চাহ একাপ খাব নেকি?' তাৰ মাততহে তেওঁৰ চমক ভাগিল।

ঃ হুঁ।

ঃ চাহ একাপ দিম নেকি?

ঃ আনগৈ। হেৰি অ' ৰমেন, ঘৰত কোনো নাই নেকি? সৰু বাবা অহাই নাই নেকি?

ঃ নাই অহা।

সি অলপ সময় চৌধুৰীৰ ওচৰতে থিয় দি থাকিল। কোনেও একো কথা নক'লে। এই সময়ত যে অমিত কোনো কালে ঘৰলৈ নাহে, চৌধুৰীয়ে জানে।

ৰমেন আঁতৰি গ'ল। সুমিত ৰাতিপুৱাই ওলাই যায় 'প্ৰেছ'লৈ, ৰাতি কেতিয়া উভতি আহে তেওঁ ক'ব নোৱাৰে। 'প্ৰেছ'ৰ অৱস্থা দিনক দিনে বেয়া হৈ গৈছে। এইবোৰ কথা তেওঁক

'প্ৰেছ'ৰ পুৰণি কৰ্মচাৰী নীৰেণ ডেকাই জনাই থাকে । সুমিতে এইবোৰৰ বিষয়ে কোনো খবৰ নাৰাখে আৰু তেওঁক কিবা কোৱাৰো প্ৰয়োজন অনুভৱ নকৰে । ক্লাব, মদ আৰু সংগীৰ মাজত ডুবি থাকে সি । অমিতেও সুমিতকেই অনুসৰণ কৰিছে । বৃদ্ধ বাপেকৰ লগত সিহঁতৰ আজিকালি সম্পৰ্ক নোহোৱাৰ নিচিনাই ।

বি.এ. পাছ কৰি প্ৰথমে স্কুল এখনত সোমাই তেওঁ দুটা সৰু কোঠা থকা ঘৰ এটা ভাৰালৈ লৈছিল । সজীৱ মনেৰে তাত তেওঁ অনাগত দিনৰ সপোন ৰচিছিল । এদিন অনুপমা আহিল তেওঁৰ কল্পনাক বাস্তৱ ৰূপ দিবলৈ । তাৰ এবছৰৰ পিছত সুমিতৰ হাঁহিয়ে ঘৰখন ভৰাই তুলিলে আৰু একেদৰে ৰুমী আৰু অমিতেও অনুপমাৰ কোলা শুৱালেহি । তেওঁৰ সৰু ভাৰা ঘৰটোত হাঁহিৰ সঁফুৰা খোল খালে ।

পাঁচজনীয়া পৰিয়ালটোৰ বাবে সেই ঘৰটো সৰু হোৱাত তেওঁলোক এটা ডাঙৰ ঘৰলৈ আহিল । লাহে লাহে আৰু বহু বস্তুৰ প্ৰয়োজন হৈ আহিল চৌধুৰীৰ সংসাৰত । স্কুলীয়া শিক্ষকৰ অলপীয়া দৰমহাৰে তেওঁ ৰুমীহঁতৰ দিনে দিনে বাঢ়ি অহা দাবিসমূহ পূৰাব পৰা নাছিল । সিহঁতৰ অভিযোগ শুনি শুনি পিছলৈ অনুপমাও ভাগৰি পৰিছিল আৰু এক অব্যক্ত অভিযোগ অনবৰত তেওঁৰ মুখমণ্ডলত লাগি থকা হৈছিল ।

এদিন সেয়ে চৌধুৰীয়ে খেলি-মেলি মনটোক দৃঢ় কৰি ল'লে । চাকৰি ইস্তফা দি তেওঁ এখন সৰু কিতাপৰ দোকান খুলিলে । প্ৰবল আত্মবিশ্বাসৰ জোৰত তেওঁ এদিন মূৰ দাঙি উঠিবলৈ সক্ষম হ'ল আৰু তিলতিলকৈ গঢ়ি তুলিলে এই 'প্ৰেছ' । ঘৰখনলৈ স্বাচ্ছন্দ্য আহিল; অনুপমাহঁত সুখী হ'ল । অনুপমাই কৈছিল—'এয়ে যথেষ্ট, আৰু নালাগে আমাক'। কিন্তু চৌধুৰীৰ তেতিয়া ধনৰ নিচা বাঢ়কৈয়ে লাগি গৈছিল, ৰ'বলৈ তেওঁৰ সময় নাছিল । নিজৰ অজ্ঞাতেই পৰিয়ালৰ পৰা ক্ৰমাৎ দূৰলৈ আঁতৰি যাবলৈ আৰম্ভ কৰিছিল তেওঁ ।

পুৰণি স্মৃতিৰ মাজত বিভোল হৈ থাকোঁতে কেতিয়ানো ৰমেনে আহি ভাত দি গ'ল তেওঁ গমেই নাপালে । সি আকৌ আহি মতাতহে সাৰ পোৱাৰ দৰে হ'ল । ঘৰখনলৈ এতিয়াও কোনো উভতি অহা নাই । ৰাতি দহ বাজিছে। কোঠাটোৰ পৰা তেওঁ তেনেকৈ বাহিৰ নোলায়। ৰমেনে কোঠাতেই খোৱা-বোৱা যতনাই দিয়ে। সুমিত আৰু অমিতে ৰাতি প্ৰায়েই ঘৰত ভাত নাখায় । ৰুমী থকা দিনবোৰত তাই দেউতাকৰ সংগী হৈছিল, কিন্তু তাইৰ বিয়া হৈ যোৱাৰ পিছৰপৰা তেওঁ অকলশৰীয়া হৈ গ'ল । পুতেকহঁতৰ সময় নাই, দেউতাকৰ লগত এখন্তেক বহি কথা পতাৰ।

প্ৰতিপত্তি আৰু যশস্যাই পৰ্বত চৌধুৰীক অন্ধ কৰি পেলাইছিল । অনুপমাই বাৰে বাৰে সোঁৱৰাই দিছিল ঘৰখনৰ প্ৰতি থকা তেওঁৰ দায়িত্বৰ কথা। অনুপমাই কৈছিল— ঃ সুমিত-অমিতহঁতৰ প্ৰতি থকা আপোনাৰ দায়িত্বৰ পৰা আপুনি হাত সাৰিব খুজিছে কিয়? কেৱল সিহঁতৰ বাহ্যিক অভাৱ পূৰণতে আপোনাৰ দায়িত্ব শেষ বুলি আপুনি ধৰি লৈছে ।

ঃ নাই পাহৰা অনু । সেই ভয়ানক অভাৱৰ দিনবোৰৰ কথা মই কেতিয়াও নাপাহৰোঁ । সুমিতহঁতক মানুহ কৰাৰ বাবেইতো মই ইমান কষ্ট কৰিছোঁ। এইবোৰ সম্পত্তিনো কাৰ বাবে ?

ঃ কিন্তু এইবোৰে সিহঁতক মানুহ কৰিব পৰা নাই । সিহঁতৰ অধঃপতনৰ বাটহে মুকলি কৰিছে ।

ঃ কি হৈছেনো ? তুমি ইমানকৈ উত্তেজিত হৈছা কিয় ?

ঃ আৰু কি কৰিম মই ? আপুনি জানো খবৰ ৰাখিছে, সুমিতে কি কৰিব ধৰিছে ? পঢ়া-শুনাৰ প্ৰতি মন নাই । ৰাজ্যৰ উদণ্ডীয়া ল'ৰা-জাকৰ সংগ লৈছে আৰু ৰুমীয়ে কৈছে—সি হেনো মদো খাবলৈ ধৰিছে আজি-কালি । মোৰ কোনো কথাই নুশুনে । দুদিন পিছত অমিতো তাৰ হাত ধৰি চলিবলৈ শিকিব। আপুনি জানো সিহঁতৰ খবৰ লৈছে কেতিয়াবা।

ঃ আহ্ । তুমি মিছাতে চিন্তা কৰিছা অনু । ডেকা ল'ৰা! লগৰ বন্ধুৰ লগত অলপ স্ফুৰ্তি কৰিছে হয়তো । এইখিনিয়েতো সময় সিহঁতৰ । মই বাৰু সুমিতক বুজাম, তুমি মিছাতে মন বেয়া নকৰিবা ।

চৌধুৰীয়ে শুই শুই ভাবিলে—আজি অনুপমা থকা হ'লে তেওঁ কি বুলি কৈফিয়ত দিলেহেঁতেন । সঁচাকৈয়ে তেওঁ মানুহ কৰিব নোৱাৰিলে তেওঁৰ পুত্ৰদ্বয়ক । বাহিৰত এখন মটৰ চাইকেল ৰোৱাৰ শব্দ হ'ল । বোধহয় অমিত আহিছে । ঘড়ীটোত এঘাৰ বজাৰ সংকেত হ'ল ।

ঃ 'সৰু দাদা, ভাত দিওঁনে ?' ৰমেন বৈ আছিল অমিতৰ কাৰণে।

ঃ নালাগে, মই খায়েই আহিছোঁ । ৰমেন, কালি মোক ন'টাত জগাই দিবি । মই বাহিৰলৈ যাম। ভি, আই, পি, টোত কাপোৰ দুযোৰমান সুমুৱাই দিবি ।

ৰমেনে 'ওঁ' বুলি শলাগিলে। নীৰৱে শুনি ৰ'ল চৌধুৰীয়ে। আগতে সিহঁতক এনেকৈ বৈ থাকিছিল অনুপমাই আৰু অনুপমাৰ মৃত্যুৰ পিছত ৰুমীয়ে লৈছিল সেই দায়িত্ব । কিন্তু বিয়া হৈ যোৱাৰ পাছৰ পৰা তাই এইখন ঘৰলৈ অহা নাই । ককায়েক আৰু ভায়েকক তাইৰ কথা ক'লেই গুজৰি উঠে—নিজৰ ইচ্ছাত বিয়া হৈ গৈছে, যেনেকৈ ইচ্ছা থাকক । এইবোৰ সৰু মানুহৰ লগত লেটি পেটি কৰাটো সিহঁতে পছন্দ নকৰে । তাইৰ ইচ্ছা হ'লে নিজে আহিব পাৰে ।

চৌধুৰী নীৰৱে থাকে । তেওঁ ভালকৈয়ে জানে, ৰুমী আৰু কেতিয়াও নাহে এইখন ঘৰলৈ । ক্ষোভ হতাশাত তাই এইখন ঘৰৰ পৰা ওলাই গৈছিল—প্ৰৱালৰ হাত ধৰি। সিহঁত নিশ্চয় সুখতেই আছে । তাইক আৰু টানি আনিব নিবিচাৰে চৌধুৰীয়ে এই সংসাৰলৈ । একমাত্ৰ ছোৱালীজনীক লৈ বহুত কল্পনা কৰিছিল অনুপমা আৰু তেওঁ । সুগঢ়ী, 'স্মাৰ্ট' ছোৱালীজনীৰ বাবে সু-পাত্ৰৰ অভাৱ নহ'ব বুলিয়েই তেওঁলোকে ভাবিছিল । হোৱাও নাছিল, কিন্তু নতুনকৈ এইখন ঘৰলৈ অহা পাপৰিৰ সংসাৰৰ দুৰ্দশা-মনোবেদনা দেখি ভয় খাই উঠিছিল ৰুমী । ইমান মৰমিয়াল, শান্ত নবৌয়েক গৰাকীয়েও যেতিয়া ককায়েকক ধৰি ৰাখিব নোৱাৰিলে, তাইৰ তেতিয়া অসীম ঘৃণা থূপ খাইছিল সুমিতৰ প্ৰতি । সেই একে যন্ত্ৰণাৰে ভাগী হোৱাৰ ভয়ত তাই অপৰিচিত এজনৰ সৈতে বিয়াত বহিবলৈ সন্মত হোৱা নাছিল ।

দুবাৰো দি যেতিয়া সুমিতে বি. এ. টো পাছ কৰিব নোৱাৰিলে, দেউতাকে তাক 'প্ৰেছ'ৰ দায়িত্ব দিলে । ভাবিলে, দায়িত্বৰ বোজা কান্ধত পৰিলে ঠিক হৈ যাব । কিন্তু টকা হাতত পৰাত আৰু বেছি উচ্ছৃংখল হৈ পৰিল সুমিত । দুয়ো হাতেৰে উৰুৱাই গ'ল দেউতাকৰ কষ্টোপাৰ্জিত ধন । অনুপমাৰ জোৰত বিয়াও পাতি দিলে সুমিতৰ । পাপৰি আহিল সুমিতৰ জীৱনলৈ, ঘৰখনলৈও পোহৰ আহিল । চৌধুৰী আৰু অনুপমা অত্যন্ত সুখী হ'ল পাপৰিৰ সুন্দৰ ব্যৱহাৰত । সুমিতো বেছ কিছুদিনলৈ ভালকৈয়ে থাকিল পাপৰিৰ লগত । কিন্তু পিছলৈ আকৌ বাহিৰৰ জগতখনে মাতি লৈ গ'ল সুমিতক । আকৌ হেৰাই গ'ল উচ্ছৃংখলতাত । পাপৰিয়ে প্ৰথমে বাধা দিছিল, কিন্তু সুমিতৰ অশ্লীল গালি আৰু মাৰপিটত স্তব্ধ হৈ পৰিল তাই । ঘৰত কোনোদিনে এষাৰ টান কথা নুশুনা পাপৰিয়ে

আৰু সহ্য নকৰিলে। নিতৌ সুমিতৰ গালি-মাৰপিট এইবোৰ সহজভাৱে নল'লে পাপৰিয়ে। এদিন ককায়েকে আহি লৈ গ'ল পাপৰিক। আৰু ঘূৰি নাহিল তাই।

সৰুৰে পৰা মাদকদ্ৰব্য সেৱন কৰাৰ ফলত সুমিতৰ যৌনক্ষমতা কমি গৈছিল, সেইবাবে পাপৰিক প্ৰতি কথাতে সন্দেহ কৰিছিল আৰু তাৰ লগতে অত্যাচাৰৰ মাত্ৰাও বাঢ়ি গৈছিল তাইৰ ওপৰত। এইবোৰ কথা ৰুমীয়ে নবৌ-য়েকৰ পৰা গম পাইছিল। ক্ষোভত জ্বলিছিল তাই। সেইবাবে পাপৰি গুচি যাওঁতে মনে মনে তাই সুখী হৈছিল। অমিতৰো কোনো ব্যতিক্ৰম হোৱা নাছিল সুমিতে দেখুওৱা পথেৰে চলিবলৈ। এইদৰে মানসিক অশান্তিত ভুগি ভুগি অনুপমাই এদিন বিদায় ল'লে সংসাৰৰ পৰা। ঘৰখনৰ এই অসহ্যকৰ অৱস্থাৰ পৰা মুক্তি পাবলৈ ৰুমীয়ে স্থানীয় স্কুল এখনত সোমাল নিজকে ব্যস্ত ৰাখিবলৈ। তাইৰ মন ভাল লাগিব বুলি চৌধুৰীয়ে কোনো আপত্তি নকৰিলে। ৰুমীয়ে মিলি যাবলৈ চেষ্টা কৰিলে ওচৰৰ মানুহবোৰৰ লগত। ইমানদিনে আভিজাত্যৰ অন্ধ অহংকাৰত বাহিৰ ওলাব পৰা নাছিল তাই। তাই লগ পালে প্ৰৱালক। প্ৰৱালে তাইক হাত ধৰি লৈ গ'ল চিনাকি সমাজখনৰ মাজলৈ আৰু ক'ব নোৱাৰাকৈয়ে তাই এদিন সৰ্বস্ব সঁপি দিলে প্ৰৱালক। নতুনকৈ কলেজ এখনত সোমোৱা প্ৰৱালৰ লগত সেয়েহে তাই ককায়েকৰ আপত্তি সত্বেও দেউতাকৰ আশিস শিৰত লৈ গুচি আহিল। দেউতাকৰ প্ৰাচুৰ্য্যেৰে যিবোৰ ইমানদিনে তাই বিচাৰি পোৱা নাছিল, প্ৰৱালৰ সান্নিধ্যত তাই সেই সকলোবোৰ পাবলৈ ধৰিলে।

এদিন ধন-জন, প্ৰতিপত্তিৰে আগুৰি থকা পৰ্বত চৌধুৰী আজি একেবাৰে অকলশৰীয়া। অনুপমা গ'ল, ৰুমী গ'ল, সুমিতহঁতে বোধ-কৰোঁ পাহৰিয়েই গৈছে ঘৰটোৰ একোণত বৃদ্ধ বাপেক যে আজিও জীয়াই আছে। মাথোন আছে বেদনাদায়ক কিন্তু তথাপিও মধুৰ অতীতৰ ডুখৰীয়া ছবিবোৰ। তেওঁৰ অতৃপ্ত মন-টোৱে বৰ্তমানৰ মাজত অতীতক বিচাৰি হাঁহা-কাৰ কৰি উঠে। আবেলিৰ বেলিৰ সেই হেৰাই যাব খোজা ৰঙৰ দৰেই তেওঁৰ জীৱনৰ ৰং-বোৰো যেন ক'ৰবাত হেৰাই থাকিল। পৰ্বত চৌধুৰীক আজি জীয়াই ৰাখিছে অতীতেহে, ভৱিষ্যতৰ সম্ভাৱনাই নহয়।*

---

* 'কটনিয়ান', ৬৩তম সংখ্যাৰ সৌজন্যত আয়োজিত "সদৌ অসম মহেন্দ্ৰনাথ ডেকাফুকন সোঁৱৰণী সাহিত্য প্ৰতিযোগিতা"ৰ গল্প শাখাত তৃতীয় স্থান প্ৰাপ্ত।

## এটি অনুৰোধ

বিভিন্ন কাৰণত 'কটনিয়ান'ৰ নিম্নলিখিত সংখ্যাসমূহ আমাৰ মহাবিদ্যালয়ৰ পুথি-ভঁৰালত এতিয়া সংৰক্ষিত অৱস্থাত পাবলৈ নাই। সেয়েহে কটন মহাবিদ্যালয় আৰু 'কটনিয়ান'ৰ সমূহ শুভাকাংক্ষীকে এই সংখ্যাসমূহৰ বিষয়ে সম্ভেদ পালে পুথিভঁৰাল কৰ্তৃপক্ষক জনাবলৈ অনুৰোধ কৰা হ'ল। প্ৰতিলিপি ৰাখি মূল সংখ্যাসমূহ ওভতাই দিয়া হ'ব। ধন্যবাদেৰে,

সম্পাদক, 'কটনিয়ান',
৬৩ তম সংখ্যা।

**সংখ্যাসমূহ ঃ**

**'The Cotton College Magazine'**

* From Vol. VI (1927) to Vol. VIII (1929),
* From Vol. X (1931) to Vol. XII (1933),

**'কটনিয়ান'**

* ১৯৩৫ চনৰ পৰা ১৯৪৮ চনলৈ,
* ১৯৫০, ১৯৫৪, ১৯৫৫, ১৯৫৭, ১৯৬৮-৬৯, ১৯৬৯-৭০ আৰু ১৯৭০-৭১ চন।

# 'সদৌ অসম মহেন্দ্ৰনাথ ডেকাফুকন সোঁৱৰণী সাহিত্য প্ৰতিযোগিতা'

'কটনিয়ান', ৬৩ তম সংখ্যা,
১৯৮৮-৮৯



ফলাফলসমূহ ঃ

কবিতা শাখা—

**প্ৰথম** ঃ উষা বৰা, ('শান্তিৰ নামত'), ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়, জামুগুৰিহাট।

**দ্বিতীয়** ঃ পুলিন গগৈ, ('অন্বেষণ'), 'প্ৰিন্স অব্ ৱেল্চ', যোৰহাট।

**তৃতীয়** ঃ সীমান্ত সন্দিকৈ, ('কবিতাৰ ৰাতি'), শিৱসাগৰ কলেজ।

গল্প শাখা—

**প্ৰথম** ঃ নৱজ্যোতি চক্ৰৱৰ্তী, ('স্বাভাবিক'), অসম অভিযান্ত্রিক মহাবিদ্যালয়, জালুকবাৰী।

**দ্বিতীয়** ঃ স্মৃতিৰেখা দেৱী, ('লাজ'), গড়গাঁও কলেজ।

**তৃতীয়** ঃ জোনালী হাজৰিকা, ('সুখ-দুখৰ ৰং'), কটন কলেজ, গুৱাহাটী।

প্ৰবন্ধ শাখা—(বিষয় ঃ 'কলা, দায়বদ্ধতা আৰু প্ৰচাৰ অভিযান, সাম্প্ৰতিক অসমীয়া সমাজৰ পৰিপ্ৰেক্ষিতত')—

**প্ৰথম** ঃ বিবেচিত নহ'ল।

**দ্বিতীয়** ঃ গীতাশ্ৰী তামুলী, দেৱৰাজ ৰয় মহাবিদ্যালয়, গোলাঘাট।

**তৃতীয়** ঃ ধৰিত্ৰী দত্ত, উত্তৰ লক্ষীমপুৰ কলেজ।

**চূড়ান্ত বাছনিৰ বিচাৰক সকল** ঃ ক্ৰমে নীলমণি ফুকন, পোনেন বৰকটকী আৰু ড° শিৱনাথ বৰ্মণ।

ব্যঙ্গ ৰচনা

# খেলি-মেলি

ডঃ ৰমেশ পাঠক,
অসমীয়া বিভাগ।

গাঁৱত কিছুমান দাগী চোৰ থাকে। ক'ৰবাত চুৰি হ'লে পোনতে পুলিচে সেইবোৰক ধৰে। মোৰ অৱস্থাও দাগী চোৰৰ দৰে। এসময়ত ৰম্য ৰচনা লিখিছিলোঁ। লিখা কেতিয়াবাই বাদ দিলোঁ। শত্ৰু বঢ়াই কি লাভ ? আনৰ দোষ খুচৰি ফুৰোতে ফুৰোতে নিজৰ স্বভাৱটোও বেয়া হৈ যায়। গতিকে ? গতিকে এদিন সিদ্ধান্ত ল'লোঁ—ৰম্য ৰচনা লিখা বন্ধ। বন্ধ মানে বন্ধ। এয়াতো আৰু 'অসম বন্ধ' নহয় যে উদ্যোক্তাসকলে বন্ধ সম্পূৰ্ণ সফল কৰা বাবে ৰাইজক ধন্যবাদ দিব আৰু চৰকাৰে বিজ্ঞপ্তিত ক'ব যে বন্ধৰ প্ৰভাৱ দুই এঠাইতহে পৰিছে আৰু সেয়াও আংশিকহে। বন্ধবোৰত চৰকাৰী কাৰ্য্যালয়ত যি উপস্থিতিৰ হাৰ দেখুওৱা হয়—খোলা দিনতো সেই হাৰত কৰ্মচাৰী কাৰ্য্যালয়লৈ নাযায়। কিন্তু মোৰ ক্ষেত্ৰত বন্ধ মানে বন্ধ—।

বন্ধৰ কথা কওঁতে অসম মুলুকলৈহে মনত পৰে। আজি বোলে 'আছু'ৰ বন্ধ, কাইলৈ 'আবছু'ৰ বন্ধ, পৰহিলৈ 'পিটিচিএ'ৰ বন্ধ, তাৰ পিছদিনা সংখ্যালঘুৰ বন্ধ—মুঠতে মাহটোৰ ত্ৰিছ দিনেই বন্ধ। পোনতে বন্ধ, তাৰ পিছত পুলিচৰ আতিশয্যৰ প্ৰতিবাদত বন্ধ, তাৰ পিছত চৰকাৰে সেইজন পুলিচক বৰ্খাস্ত নকৰা বা বদলি নকৰাৰ বাবে বন্ধ। আৰু এনে আহ্বানৰ কৃতকাৰ্য্যতা ? শতকৰা এশ ভাগ। কাম কৰিব নালাগে—ভবৰ সুবিধা—দৰ্মহাৰ হেৰফেৰ নহয় —কোনে অফিচ-কাছাৰী কৰিব হেৰি! আপোনাৰ বা কি নাজানো, মোৰ হ'লে এটা কথাতহে খোকোজা লাগি থাকে—সকলোৱে যদি বন্ধকেই দিয়ে খোলাৰ গান গাব কোনে ? কবি নৱকান্ত বৰুৱাৰ কবিতা এটিকে 'পেৰডী' কৰি লিখিবৰ মন যায়—

আমি কেৱল বন্ধ দিব জানো
আমি কেৱল বন্ধ কৰিব জানো
আমি কেৱল বন্ধকেই দিম
খোলাৰ কথা বাৰু পিছত ভাবিম।

মাজে মাজে আকৌ ভাৱ হয়—এই সংগঠনবোৰে নিজৰ শক্তি প্ৰদৰ্শনৰ বাবে এনে আহবান নিদিয়ে কিয়—"দুৰ্নীতি নিবাৰণৰ দাবীত দহ বজাৰ পৰা ৫ বজালৈ কাৰ্য্যালয়ত অবিৰত কাম।" যদি ১০ বজাৰ লগে লগে কাৰ্য্যালয়ত সকলোবোৰ চকীত কাম আৰম্ভ হৈছে তেনে দাবী দিবস সফল আৰু যদি আগৰ দৰেই ১১-১২ বজাত আহি ২-৩ বজাত গৈছে তেনে দাবী দিবস ব্যৰ্থ। নাইবা 'গুৱাহাটী পৰিষ্কাৰৰ দাবীত নাগৰিকৰ শ্ৰমদান'। প্ৰত্যেকজন নাগৰিকেই কোৰ, খৰাহী, বাঢ়নি লৈ গুৱাহাটীৰ বাট-নৰ্দমা পৰিষ্কাৰ কৰিব লাগিব—সময় পুৱা ৭ বজাৰ পৰা ৯ বজালৈ। তেতিয়াহে সংগঠনৰ শক্তি প্ৰমাণিত হ'ব। নে কি কয় ? যৰৰ বন কৰা ল'ৰাটোক যদি কয়—'কাইলৈ কাম বন্ধ, শুই থাকিবি নহ'লে আড্ডা মাৰিবি।' সি ভালেই পাব। তাত বাৰু কৃতকাৰ্য্য বা বিফলতা কি আছে ?

কিছুমানে আকৌ পুৱা ৮ বজাৰ পৰা আবেলি চাৰি বজালৈ অনশন কৰে। চাৰে সাত বজাত পেট ভৰাই খাই চাৰি বজালৈ নোখোৱাকৈ থাকে। ই কেনে ধৰণৰ আন্দোলন আপুনি কিবা বুজিলেও মই হ'লে বুজি নাপাওঁ। যিখন দেশত শতকৰা আশী ভাগ মানুহে খাবলৈ নাপায়, সেইখন দেশত আউসীৰ উপৱাস কি বস্তু বাৰু? তাতকৈ 'পেট ভৰাই খোৱা দিবস' পাতক—গাঁও-ভূঁইৰ পৰা মানুহৰ লানি নিছিগা সোঁত বব--আপোনাৰ আন্দোলনো সফল হ'ব। নে কি কয় ?

এয়া, ক'ব খুজিছিলোঁ গাঁৱৰ দাগী চোৰৰ কথা—ক'বলৈ ধৰিলোঁ বন্ধৰ কথা। কটনিয়ানৰ সম্পাদকৰ মতি গতি এইবাৰ ভাল নহয়। তেওঁ এইবাৰ এখন ৰম্য ৰচনা ছপাবই। কিন্তু কোনে লিখিব ? গতিকে দাগী চোৰৰ সন্ধান !!

আপোনাৰ বা কি ধাৰণা নাজানো—পৃথিৱীত যদি কিবা হাঁহিব লগা আছে সেয়া নিজক লৈ। কিন্তু আমাৰ দুৰ্ভাগ্য—আমি সাধাৰণতে আনক লৈ হাঁহো।

মই শিক্ষক মানুহ। মহাবিদ্যালয়ৰ সভা-সমিতিবোৰত প্ৰায়ে কোৱা শুনো—'এইখন ঐতিহ্যমণ্ডিত কলেজ। ইয়াৰ এক পৰম্পৰা আছে....' ইত্যাদি। হ'বও পাৰে। আমাৰ দৰে ক্ষুদ্ৰ নৰ মনিছে নাজানিলেঁ। বুলিয়েই যে মিছা সেয়াওতো হ'ব নোৱাৰে। কম কথাতনো কবিয়ে লিখিছিলনে—সকলো আছিল, সকলো আছে, নুবুজো নলও গম।'

আনৰ কথা নাজানো, উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ প্ৰথম শ্ৰেণীবোৰ ল'বলৈ গৈ মোৰ বৰ ভাল লাগে। সন্মুখৰ বেঞ্চত বহিবলৈ হেতাওপৰা—দুৱাৰ মুখত পৰৱৰ্তী শ্ৰেণীৰ বাবে জুম—দেখিয়েই ভাল লাগে। বেছি ভাগেই গাঁৱৰ পৰা অহা ল'ৰা-ছোৱালী। সহজ সৰল চাৱনি—সলাজ সলাজ ভাব—লাজুক লাজুক খোজ। ছোৱালীবোৰৰ দীঘল চুলি—"চুল তাৰ কবেকাৰ অন্ধকাৰ বিদিশাৰ নিশা, মুখ তাৰ শ্ৰাৱস্তীৰ কাৰুকাৰ্য্য।" এটা সময়ত পূজাৰ বন্ধ, পূজাৰ পিছত আকৌ শ্ৰেণী। আপোনাৰ সন্মুখত (সন্মুখৰ কেইখনমান বেঞ্চ খালী) চুলিৰ বয়জ কাট, চেলাউৰি প্লাক কৰা, পৰিধানত চোলোৱাৰ পাঞ্জাবী। 'কেনেই লাগিছে

তুৰী হালধী আপুনি পদুমৰ পাহ' নহয়—ত্ৰা-ভাওনাৰ নায়িকাৰ দৰে মুখত কিবাকিবি ৰং। দ্যুৎ বিভাগৰ দয়াত ফেনবোৰ নচলিলে মুখবোৰ মি ৰঙা-ক'লা অৰ্থাৎ 'ভিবজিওৰ' হয়। হয়তো ৱাই ঐতিহ্য—ঐতিহ্য ৰক্ষা মহান দায়িত্ব।

প্ৰবেশিকাৰ 'নক্ষত্ৰ'বোৰে টিউটৰ বিচাৰি ক্ষকৰ ঘৰে ঘৰে দৌৰি ফুৰা দৃশ্য নেদেখিলে শ্বাস কৰা টান। যুগ সলনি হৈছে—যুগ ৰিবো। আমাৰ দিনত নিজে নোৱাৰিলে ৱৰা বিষয়টোত দুই একে 'টিউটৰ' লৈছিল। ই একে চিগাৰেট খোৱাৰ দৰে। আজিকালি ত্যেকৰে 'টিউছন'—প্ৰত্যেকৰে মুখত চিগাৰেট কাৰ দৰে। আৰু 'টিউছন' নোলোৱাকৈ যাব 'লৈ ? আপুনি বা জানেনে নাই নাজানো, বহু লেজত প্ৰথম টাৰ্মিনেলৰ আগতে ভালকৈ পঢ়ুৱায়। প্ৰশ্ন কাকত কিন্তু এনেদৰে কাটে তে শতকৰা আশী ভাগেই 'ফেইল' কৰে—তীৰ্ণ হোৱাবোৰেও যাতে ৫০-৬০ৰ ঘৰতেই য়। পৰীক্ষা দি উঠিয়েই পোহৰবিহীন নক্ষত্ৰ াৰে ধোঁৱা-কোঁৱা দেখে। আৰু এদিন ? সৰ্বান ধৰ্ম পৰিত্যজ্য টিউছনং শৰণং ব্ৰজ" বুলি কানোবা শিক্ষকৰ ওচৰ চাপি "যথা নিযুক্তোস্মি তথা কৰোমি" বুলি অৰ্জুনৰ দৰে আত্ম মৰ্পণ কৰে।

আপুনি বাৰু কেতিয়াবা আপোনাৰ মহা-দ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰ অধ্যয়ন কৰি চাইছেনে ? কি ক'লে ? ছাত্ৰ-ছাত্ৰী অধ্যয়ন ? ই আকৌ কি বস্তু ? চৰকাৰে দৰমহা দিছে, শ্ৰেণীলৈ যাম, মন গলে পঢ়ুৱাম, মন নগলে আজি মোৰ কাম আছে' অথবা 'আজি সাহিত্য ভাৰ সভাপতি আহিছিল, বহুত কথা হ'ল' অথবা 'যোৱাবাৰ বোম্বাইৰ অমুক শিবিৰলৈ াওঁতে' ইত্যাদি কিবা এটা উলিয়াই ৪৫ মিনিট যাওঁতে দহ মিনিট পলম, ৰোলকল ১০ মিনিট, যাহোঁতে ৫ মিনিট আগ অৰ্থাৎ ৪৫ — ২৫ = ২০ মিনিট) পাৰ কৰি দিব পাৰিলেই হ'ল ! তাৰ াজতে যদি আলোচনী উলিওৱা, আলোচনা চক্ৰ পতা আদি প্ৰসংগ ওলায় ভালেই। ল'ৰা-ছোৱালীয়েও ভাল পায়। ছাত্ৰ-ছাত্ৰীয়ে বেয়া পোৱা কাম কোন সতেনো কৰা যায়—নে কি কয় ? মই কিন্তু Classless Society ত বিশ্বাস কৰা মানুহ। সমগ্ৰ সমাজ ব্যৱস্থাৰ পৰাই Class নোহোৱা কৰিব লাগে। প্ৰিন্সিপালে কলে বুলিয়েই Class কৰিম নে ? Classless Society হ'ব কেতিয়া ?

মই অধ্যয়ন কৰি পাইছোঁ—মহাবিদ্যালয়-বোৰত তিনি শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী থাকে। প্ৰথম চামে পঢ়িবলৈ আহে—নপঢ়িলে নহয় বাবে। এই চামত চোকা ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও খেতিৰ মাটি, মাকৰ গহণা আদি বন্ধকত থৈ পঢ়িবলৈ অহা সকল পৰে। দ্বিতীয় চাম মধ্য-বিত্ত বা উচ্চ মধ্যবিত্তৰ ল'ৰা-ছোৱালী। মাক বাপেকে এওলোকৰ যত্ন লয়, সময়মতে কিতাপ-পত্ৰ কিনি দিয়ে, দুই এগৰাকী শিক্ষককো 'টিউটৰ' হিচাপে ধৰি দিয়ে। আশা, ল'ৰা-ছোৱালীৰ কিবা এটা হয় যদি হওক। তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল কলেজৰ সৌন্দৰ্য্য—এওঁলোকে কিম্ভুতকিমাকাৰ 'ডিজাইন'ৰ দামী দামী কাপোৰ পিন্ধে, গাড়ী মটৰত আহে, চিঁড়ি বা কেন্টিনত দিনৰ দিনটো বহে, গাত দামী চেন্টৰ গোন্ধ, মুখত '—ল্লা' 'বে' আদি অবাইচ মাত লাগিয়েই থাকে—মহাবিদ্যালয়ৰ শিক্ষকক তেওঁলোকৰ গাড়ীৰ ড্ৰাইভাৰ বুলি ভাবে। ক'বলৈ গ'লে এইচাম ছাত্ৰ-ছাত্ৰীয়েই কলেজৰ ভাগ্য বিধাতা। বাকীবোৰে ভক্তিত নহলেও 'ভয়ত ভজে' এওঁলোকক। শিক্ষক-শিক্ষয়িত্ৰী সকলেও নিজৰ মান বচাবলৈ এওঁলোকক নোজোকায়। পৰীক্ষা বন্ধ কৰা, শ্ৰেণী বৰ্জন আদি আন্দোলনৰ এইচাম ল'ৰা নেতা।

আপুনি বা মন কৰিছে নে নাই নাজানো, বিশ্ববিদ্যালয়ৰ পৰীক্ষাবোৰ ছমাহ পিছুৱাই যোৱা মানে যে কাৰোবাৰ বন্ধকৰ মাটি মহাজনৰ হস্তগত হোৱা, কোনোবা পৰিয়াল আৰু ছমাহে আধাপেটী থাকি ল'ৰাটো বা ছোৱালী-জনীৰ ছাত্ৰাবাস বা ছাত্ৰীবাসত ওপৰঞ্চি ছয় মাহৰ খৰচ দিব লগা হোৱা—এইবোৰ কথা ভাবোতা কোনো নাই। যিসকলে এনে আন্দোলন কৰে তেওঁলোকৰ মাক-বাপেকে আকৌ দৰ্মহাৰে যে ঘৰ চলে সেই কথা নাজানেই !

আপুনি যিয়েই নকওক হেৰি ! শিক্ষকতা উৎসৰ্গীকৃত জীৱন হ'ব নোৱাৰে। ই এক ব্যৱসায়। নহ'লে চৰকাৰে শিক্ষকৰো 'প্ৰফেছনেল টেক্স' ল'ব কেলেই ! প্ৰফেছনত লাভ লোকচানৰ কথাহে আগ। জাতি ৰক্ষা, ভাষা সংস্কৃতি ৰক্ষা আদিৰ ঠিকাদাৰী শিক্ষকসকলে ল'ব লাগিব বুলি ক'তো লিখা নাই। মহাবিদ্যালয়ৰ চৌহদত খোজ কাঢ়োতে মোৰ চকু থাকে আকাশত, মাটিলৈ চালেই বিপদ। গান্ধীজীয়ে কৈছিল—'বেয়া বস্তু নাচাবা।' গতিকে আকাশলৈ চাই খোজ কঢ়াই বুদ্ধিমানৰ কাম। ছাত্ৰ-ছাত্ৰীক মই কেতিয়াও নামাতো—সিহঁতৰ পঢ়া-শুনাৰ খবৰ লৈ বহুমূলীয়া সময় নষ্ট কৰাৰ ইচ্ছা বা সুবিধা এটাও মোৰ নাই। "স্বধৰ্মে মৰণং শ্ৰেয়ঃ"। ব্যৱসায়ীয়ে ব্যৱসায় কৰাই ভাল। নে কি কয় ?

শিক্ষকৰো শ্ৰেণী আছে। কোনোবাই Classless Society ত বিশ্বাস কৰে, কোনোবাই আকৌ ক্লাছ ল'ব নাপালে দিনটো এনেয়ে 'বৰবাদ' হোৱা যেন পায়। কোনোবাই ল'ৰা-ছোৱালীৰ লগত বন্ধুৰ দৰে কথা পাতে আৰু কোনোবাই তেনে কৰা সকলক 'তেলীয়া' বুলি ভাবে। কোনোবাই কলেজলৈ আহিয়েই 'আজি ক্লাছ কেন্সেল কৰিছে নেকি' বুলি খবৰ লয়—কোনোবাই বেল বজাৰ পিছত কামৰূপ এক্সপ্ৰেছ অহাৰ দৰে ধুমুহাৰ গতিত বিভাগীয় কোঠাত সোমায়, পানী এগিলাচ খায়, দুই এটা কথা পাতি শ্ৰেণী কোঠালৈ যায়।

বিগত ছয় বছৰীয়া আন্দোলনৰ পৰা কাৰ কি লাভ হ'ল নাজানো—স্কুল কলেজবোৰৰ লাভ হৈছে বেছি। প্ৰিন্সিপালৰ দায়িত্ব কমিছে-দায়িত্ব কমিছে শিক্ষকসকলৰ। স্কুল-মহাবিদ্যালয় আজিকালি ছাত্ৰই চলায়। পৰীক্ষা কেতিয়া হ'ব, বিদ্যালয় সপ্তাহ কোন সময়ত হ'ব, শ্ৰেণী বাতিল কেতিয়া কৰিব—এনেবোৰ সৰু-সুৰা সমস্যাবোৰ ছাত্ৰই নিজে গা পাতি লৈছে। এৰা, ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক পিতা পুত্ৰৰ সম্পৰ্ক। পুত্ৰই যদি বৃদ্ধ পিতৃৰ দায়িত্বৰ ভাগ নিজে লৈ বৃদ্ধক কিছু জিৰণি দিব পাৰে সেয়া ভালৰে কথা। বুজা পৰাৰ এনে মধুৰ সম্পৰ্ক সুস্থ পৰম্পৰাৰে লক্ষণ।

একাংকিকা নাট

# লাচৰ সন্ধানত লাচৰ মিছিল…

শ্যামাপ্ৰসাদ শৰ্মা,
পদাৰ্থ বিজ্ঞান বিভাগ।




চৰিত্ৰ সমূহ ঃ

১। মন্ত্ৰী মহোদয় ৪০/৪৫ বছৰ।
২। চিপাহী শইকীয়া ৫০/৫২ বছৰ।
৩। অ' চি ৪০/৪২ বছৰ।
৪। মদাহী ৩৫/৩৬ বছৰ; সকলোৱে লাখপতি বুলিয়েই মাতে।
৫। ঘৈণীয়েক ২৬/২৮ বছৰ; কিন্তু দৰিদ্ৰতাৰ বাবে দেখাত বয়সীয়া যেন।
৬। বুঢ়ী ৭০/৭৫ বছৰ।
৭। উগ্ৰবাদী ডেকা ২০/২২ বছৰ।

[মঞ্চ তিনিটা ভাগত বিভক্ত কৰি ইঙ্গিতধৰ্মী আচবাব পত্ৰ ব্যৱহাৰ কৰিব। পিছৰ পিনে সোঁমাজতে গাঁৱৰ নামঘৰৰ চিৰি, কমেও তিনিটা; বাঁওপিনে মদাহীৰ ঘৰৰ কোঠা আৰু সোঁপিনে উইংচৰ কাষত থানা। নামঘৰৰ সমুখেৰে সোঁপিনৰপৰা বাঁওপিনলৈ পোন প্ৰশস্ত পথ, কাল্পনিক।

আঁৰ কাপোৰ উঠাৰ আগে আগে গাঁৱৰ ৰাজহুৱা সভাৰ প্ৰতিনিধিত্বমূলক শাব্দিক মন্টাজ, পৰিবেশ সৃষ্টিৰ বাবে। আঁৰ কাপোৰ উঠাৰ লগে লগে, চিৰিৰ ওপৰত বেবীস্পটত ভাষণৰত মন্ত্ৰী মহোদয়।]

মন্ত্ৰী॥ ..(ওজস্বী বক্তৃতাৰ আঁত ধৰি) এক প্ৰচণ্ড আৰু ব্যাপক ভাতৃঘাতী সংঘৰ্ষৰ পিছত এতিয়া এই অঞ্চললৈ লাহে লাহে শান্তি নামি আহিব ধৰিছে। ৰাইজ! মনত ৰাখিব, —সংঘৰ্ষৰ আগতেও মই আপোনালোকৰ মাজত আছিলোঁ, সংঘৰ্ষৰ সময়তো আছিলোঁ আৰু আজি সংঘৰ্ষৰ পিছতো মই আপোনালোকৰ মাজতেই আছোঁ। মোক আপোনালোকে যেতিয়াই যি ৰূপত বিচাৰে তেতিয়াই ঠিক সেই ৰূপতেই পাব; কিন্তু দুখৰ কথা, সঁচাকৈয়ে বৰ দুখৰ কথা, বৰ পৰিতাপৰ কথা..বিৰোধী পক্ষই, মই এনেদৰে আপোনাসকলৰ মাজলৈ আহি থকাটো ভাল পোৱা নাই, সহ্য কৰিব পৰা নাই। .. তেওঁলোকে মোৰ নামত অপপ্ৰচাৰ কৰিছে.. কুৎসা ৰটনা কৰিছে. মোৰ বিশ্বাস, আপোনালোক সেই কুৎসা ৰটনাত ভোল নাযায়; কাৰণ আপোনালোকে জানে, কোন আপোনালোকৰ আচল বন্ধু আৰু কোন আপোনালোকৰ আচল শত্ৰু..। XXX বিৰোধী পক্ষই প্ৰচাৰ কৰি ফুৰিছে যে এই সংঘৰ্ষত ডেৰ হাজাৰ মানুহে প্ৰাণ হেৰুৱাইছে আৰু প্ৰায় এহেজাৰ মানুহ নিখোঁজ হৈ আছে..কিন্তু আৰক্ষী সূত্ৰমতে এতিয়ালৈকে মাত্ৰ সাত শ একত্ৰিশটা মৃতদেহহে উদ্ধাৰ হৈছে, মাত্ৰ ৭৩১টা; যদি সঁচাকৈয়ে ডেৰ হাজাৰ মানুহ মৰিছে তেনেহ'লে বাকী মৰা শ বোৰ ক'লৈ গ'ল?—আচলতে বিৰোধী পক্ষৰ এইটো এটা বিৰাট ৰাজনৈতিক চাল। এই চাল ধৰিব পাৰিয়েই ইতিমধ্যে আমি প্ৰত্যেক মৃত ব্যক্তিৰ পৰিয়াললৈ আৰ্থিক সাহায্য আগ বঢ়াইছোঁ.. আপোনালোকে আমাৰ এই সাহায্য গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰাত আমি ধন্য মানিছোঁ। ..মনত ৰাখিব ৰাইজ! আমি এই আৰ্থিক সাহায্যৰ দুৱাৰ মুকলি ৰাখিছোঁ, বিৰোধী পক্ষৰ অপপ্ৰচাৰক আমি প্ৰত্যাহ্বান জনাইছোঁ,—যদি এতিয়াও ক'ৰবাত কোনোবাই মৰা শ আৱিষ্কাৰ কৰি তাক এই যোৱা সংঘৰ্ষত নিহত হোৱা বুলি প্ৰমাণ কৰিব পাৰে, তেতিয়া হ'লে চৰকাৰৰ ফালৰপৰা দিব লগীয়া সাহায্যৰ উপৰিও,

আঁমি আমাৰ পাৰ্টিৰ তৰফৰ পৰা প্ৰতিটো মৰা শৰ বাবদ,—মানে হেৰি,—প্ৰতিজন নিহত ব্যক্তিৰ নিকট আত্মীয়ক দহ হেজাৰ কৈ টকা এককালীন সাহায্য আগ বঢ়াম ..মনত ৰাখিব বাইজ! প্ৰতিজন নিহত ব্যক্তিৰ বাবে অৰ্থাৎ প্ৰতিটো মৰা শৰ বাবে দহ হেজাৰকৈ টকা..আমাৰ দলৰ উচ্চ স্তৰীয় বৈঠকত যোৱা নিশা এই সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈ গৈছে..প্ৰতিজন নিহত ব্যক্তিৰ বাবে, অৰ্থাৎ প্ৰতিটো মৰা শৰ বাবে, দহ হেজাৰকৈ টকা..

[শেষৰ শাৰীটো,—"প্ৰতিজন নিহত.. হেজাৰকৈ টকা"—প্ৰতিধ্বনিত হৈ এক নাট-কীয় উত্তেজনা সৃষ্টি কৰাৰ মাজতে মন্ত্ৰী আন্ধা-ৰত মিলি যায়। লগে লগে থানাত থকা চিপাহী আনন্দ আৰু উত্তেজনাত চিঞৰ মাৰি উঠিব ।]

**চিপাহী** ॥..চাৰ! শুনিলেনে নাই? গোসাঁইয়ে বহু দিনৰ মূৰত এবাৰ আকৌ আমালৈ মূৰ তুলি চাইছে যেন লাগিছে। XX বাঃ! কি সুন্দৰ প্ৰস্তাৱ! শই প্ৰতি দহ হেজাৰ.. তাৰ মানে দহোটা হ'লেই, দহ দহং..দহ দহং..এশ হাজাৰ..মানে এক লাখ.. মই হ'লে চাৰ! এই এক লাখ পোৱাৰ লগে লগেই, এই চাকৰি এৰি....

**অ'চি** ॥ (লিখি থকাৰ পৰা মূৰ তুলি চাই) ধীৰে, শইকীয়া! ধীৰে..। লাখ টকা পালে বুলিয়েই আৰু আপুনি এই হেন মজাৰ চাকৰিটো এৰিব নে?

**চিপাহী** ॥ এৰিমতো!..ইমান বছৰতো দেখিলোঁ, গোলামৰো গোলাম অধম গোলামী কৰি..

**অ'চি** ॥..আৰু চলিব জানিলে যে মালিকৰো মালিক, চুপাৰ মালিক সেই কথা হবলা পাহৰিয়েই গ'ল?..এনে হেন চাকৰি আৰু কোনোবাই এৰি দিয়াৰ কথা চিন্তা কৰে নে?

**চিপাহী** ॥..কিন্তু, আপুনিও দেখোন মাজে মাজে কয়, অন্য উপায় থাকিলে এনে চাকৰি কৰিব নাপায় বুলি....

**অ'চি** ॥ কওঁ। আৰু আগলৈও কৈ থাকিম.. যেতিয়াই ক্ষোভ আৰু বিৰক্তিয়ে সহ্যৰ সীমা চেৰাই যায়, তেতিয়াইতো মই তেনে-দৰে চিঞৰো; কিন্তু শইকীয়া! কেৱল ক্ষোভ আৰু বিৰক্তিৰে জানো মানুহ জীয়াই থাকিব পাৰে? নোৱাৰে নহয়? জীয়াই থকাৰ প্ৰয়োজন যাৰ শেষ হৈ যোৱা নাই, সেই প্ৰয়োজন মিটাবৰ বাবে তেওঁলোকক যে আৰু কত কিহৰ প্ৰয়োজন..সেই প্ৰয়োজনৰ তালিকা বাঢ়ি গৈ গৈ যেতিয়া এখন বিৰাট জাল হৈ তেওঁলোকক বন্দী কৰি ৰাখে তেতিয়া আৰু উপায় কি?—ক্ষোভ আৰু বিৰক্তিত জ্বলি পকি নিজকে নিজে কষ্ট দিয়াৰ বাহিৰে আৰু উপায় কি? XX ওঁ, শই প্ৰতি দহ হেজাৰ নহয়? একো বেয়া প্ৰস্তাৱ নহয়। অলপ অচৰপ 'ঝামেলাও' হয়তো হ'ব—প'ষ্ট মৰ্টেম, আইডেন্টিফিকেচন, লিগেল বাইণ্ডিং..

**চিপাহী** ॥ 'ঝামেলা'? 'ঝামেলা'তো থাকিবই চাৰ! আপুনি কেৱল ডাক্তৰ হাতীবৰুৱাক কাণ ছোৱাই থ'ব, সৱ 'ঝামেলা' ঠিক হৈ যাব নহয় চাৰ....

[এই অংশ আন্ধাৰ হৈ আহে। মদাহীৰ ঘৰৰ অংশ পোহৰ হৈ উঠে। ঘৈণীয়েক বিছনাত বাগৰ দি আছে। মদাহীয়ে এই মাত্ৰ মদ খোৱা শেষ কৰি বহিছে। সমুখত সৰু টেবুল এখনত বটল, বাতি, পানী আদি যা-যোগাৰ।]

**মদাহী** ॥ ..কি ক'লা? 'ঝামেলা'ৰ শেষ নাই? XXX নাইতো। নাই বুলিলে নাই আৰু আছে বুলিলেই আছে।....

**ঘৈণীয়েক** ॥ হৈছে, হৈছে। খাইছে, বইছে, এতিয়া শুই থাককহি..। যাৰ যি 'ঝামেলা' আছে, আছে..। কৈ দিছোঁ কিন্তু, মোৰ পিছে গা ভাল নহয়। দিনৰ দিনটো গেবাৰি খাটি, ৰাতি চাইডাঁৰ যদি....

**মদাহী** ॥ সেয়া কৈছিলা নহয়, 'ঝামেলা' নাই বুলি..। এতিয়া চোৱা, তোমাৰ নিজৰেই কিম্মান 'ঝামেলা'..। আচলতে কি জানা? সংসাৰ বোলা এই ঘূৰণীয়া, চক্ৰাকাৰ বস্তুটোৱেই এটা বি-ৰা-ট 'ঝামেলা'..। পিছে, সৱ 'ঝামেলা'ৰ একেবাৰে গুৰিৰ 'ঝামেলা'টো কি জানা?

**ঘৈণীয়েক** ॥ জানোঁ দিয়ক, অভাৱ, অভাৱ!!

**মদাহী** ॥ ..ৱা-হ। তুমিতো বেছ চালু হৈ গৈছা। নহ'বাই বা কেনেকৈ? ইম্মান বছৰ এনেকুৱা 'ঘাগু' মানুহ এটাৰ লগত সংসাৰ কৰিলে, সেই কিবা বোলে নে, ভজা মাছ লুটিয়াই খাব নজনা ছোৱালীজনীও, তোমাৰ দৰেই ঘাগু হ'ব্বই হ'ব। নে কি কোৱাহে..? তোমাৰ কথাটো অৱশ্যে বেলেগ। তুমিতো আগৰেপৰাই বেছ বুদ্ধিমতী, যথেষ্ট ইন্-টে-লি-জে-ন্ট.. (তোষামোদ কৰিবৰ চেষ্টা কৰে।)

**ঘৈণীয়েক** ॥ ..মোৰ হাতত হ'লে পা-পইছা এটাও নাই।

**মদাহী** ॥ মই জানোঁ। খু-উ-ব ভালকৈ জানোঁ। ..কিন্তু এটা কথা কি জানা? ..নাথা-কিলেও, তুমি কিন্তু খুউব বুদ্ধিমতী দেই..। কি হ'ল, ডালিং? টোপনি ধৰিছে যদি, শুই থাকা দেই—গুড নাইট ডালিং.. মই, মই অকমান টহল দি আহোঁ দেই..

**ঘৈণীয়েক** ॥ (উছপ খাই উঠি)..এই ৰাতিখন আপুনি বাহিৰলৈ যাব নোৱাৰে।

**মদাহী** ॥ নোৱাৰোঁ?

**ঘৈণীয়েক** ॥ নোৱাৰেতো।

**মদাহী** ॥ নোৱাৰোঁ? ..হেঁ? তাৰ মানে কাৰ্ফিউ হেঁ..

**ঘৈণীয়েক** ॥ অঁ কাৰ্ফিউ..

**মদাহী** ॥ ..কিন্তু কাৰ্ফিউ তো কেতিয়াবাই.. এতিয়া তো চুবুৰীটোত গোলমালো নাই..আৰু থাকিলেই বা? মোৰ তাত তো 'পাছ' আছে, কাৰ্ফিউৰ 'পাছ' আছে..। আৰু..। অ' বুজিছোঁ। এইটো তাৰ মানে তুমি, তুমি মোৰ ওপৰত দিয়া কাৰ্ফিউ ..মানে ঘৈণীয়েকে গিৰিয়েকৰ ওপৰত দিয়া নন-মাচিয়েল কাৰ্ফিউ..। XXX ঠিক আছে, নাযাওঁ বাৰু..; কিন্তু, ডালিং এটা কথা তুমি গম পাইছা নে নাই? নগ'লে যে মোৰ বি-ৰা-ট লোকচান হ'ব।

**ঘৈণীয়েক** ॥ তোমাৰ তো সদায়ে লোকচান হয়। তোমাৰ লোকচানটো মোৰ বুজা আছে..।

**মদাহী** ॥ ..নহয়, মানে মোৰ কোৱাত ভুল হৈছে। লোকচানটো, লোকচানটো আচ-লতে মো-ৰ অকলে নহয়, ব'থ, ব'থ,—মানে আমাৰ দুয়োটাৰ....

**ঘৈণীয়েক** ॥ কেনেকৈ?

**মদাহী** ॥ সেয়া!! এতিয়াহে তুমি পইন্টৰ মাজৰ পইন্টৰ কথা কৈছা, —এক্কেবাৰে টু দি টাৰ্গেট.। শুনা! ওচৰলৈ আহা আকৌ। আনে শুনিলে....

[ঘৈণীয়েক যিমান ওচৰ চাপি আহে তাতকৈ গিৰিয়েক বেছি আগবাঢ়ি গৈ ঘৈণীয়েকক সাংঘাতিক গোপন কথা কোৱাৰ জেধীয়াকৈ ক'বলৈ ধৰে।]

শুনা, শই প্ৰতি দহ হেজাৰ, নগদ দহ হেজাৰ..। বাকীখিনি বুজি পাইছা নহয়?

**ঘৈণীয়েক** ॥ (অলপ চিন্তা কৰি) প-পা-পাইছোঁ, কিন্তু..এই ৰাতিখন....

**মদাহী** ॥ আস্ সা..ৰাতি-দিন বুলি কথা নাই নহয়, মৰা শ হ'লেই হ'ল, শ, শ, ডেড

বডি..। এবাৰ এনাউন্স কৰিছে যেতিয়া ৰাতিৱ শ বুলি কিবা কম দিব পাৰিব নেকি ?

**ঘৈণীয়েক** ॥ অ' তাৰ মানে তুমি এই ৰাতিখন.. শ বিচাৰি যাবা ?

**মদাহী** ॥ আস্‌সা, বিচাৰি কিয়ইবা যাব লাগিছে আৰু, যায়েই বা কোন ? XX মই, মই মাত্ৰ এবাৰ এটা টহল মাৰি আহিলেই হ'ল,—কিমান মৰা শই মোৰ ভৰিত পৰি বাট আগচি ধৰিব..আৰু শুনা বেছি পলম নহয়, জাষ্ট ৰান আৱাৰ, মাত্ৰ এক ঘন্টা.. বেছি শ'ৰে আমি কি কৰিম হোঁ ? নে কি কোৱা ? পাঁচটামান হ'লেই,—ওঁ,..পাঁচ দহং পঞ্চাশ, হৈ যাব নহয়। XX ঠিক আছে বাৰু, তোমাৰ নামত আৰু এটা, মুঠতে ছয়টা..। XX এই ষাঠি হাজাৰ টকা, মানে আমি পুৰা ষাঠি হাজাৰ নাপাওঁ দিয়াচোন, —ডাক্তৰ, থানা, অফিচ, কাছাৰীৰ কমিচন কাটি..হৈ যাব..তথাপিও শাল্লা গোটেই জীৱনটোৰ বাবে হৈ যাব.. ফৰ দি হ'ল লাইফ বাচ, আমি এঞ্জয় কৰিম ..নে কি কোৱা ?

**ঘৈণীয়েক** ॥ ..কিন্তু এতিয়া তো আৰু আগৰ দৰে গোলমাল নাই । XX দুয়ো পক্ষৰ ৰাইজে দেখোন সভা-সমিতিও কৰিছে, আৰু হিংসা নকৰোঁ বুলি শপতো খাইছে..

**মদাহী** ॥ (প্ৰচণ্ড খঙ আৰু ক্ষোভত)..ডেম ইয়ৰ সভা-সমিতি এণ্ড..এণ্ড টু হেল উইথ ইয়ৰ শপত এণ্ড প্ৰতিশ্ৰুতি..। ইন্ সাইট অব্ অল্ ডেট ডেয়াৰ ইজ ন' ডাৰ্থ অব্ ডেড বডিজ..। মৰা শৰ কি অভাৱ আছে, ক'ত অভাৱ আছে ?? —অলিয়ে-গলিয়ে, নলাই-নদীয়ে পথে-পথাৰে মৰা শৰ দ'ম লাগি আছে..তাৰে ঠিক হিচাপ কৰি চাই-চিতি মা-ত্ৰ ছয়টা..। XXX কি ক'লা ? এতিয়া নাই ? এতিয়া আৰু কোনেও কাকো নামাৰে ? কিয় নামাৰিব ? নিশ্চয় মাৰিব । তুমি এইদৰে নামাৰে নামাৰে বুলি চিঞৰি থকা সময়তো কোনোবাই কাৰোবাক ক'ৰবাত হত্যা কৰিয়েই আছে, হিংসাৰ গুলি আৰু উন্মাদনাৰ খেন-বোমা কেতিয়া ক'ত নিস্তব্ধ হোৱা শুনিছা ? XX আচলতে কি জানা? জীয়া মানুহৰ যেনে-দৰে দুটা ক্লাচ আছে ঠিক সেইদৰে মৰা মানুহৰো, মানে, মৰা শৰো দুটা ক্লাচ আছে, এটা আচল, মানে আচল মৰা শ আৰু আনটো নকল, মানে জীয়াই থকা, মানে, প্ৰাণ থকা মৰা শ..তুমি মই আৰু আমাৰদৰে বোৰ এই পিছৰ শ্ৰেণীটোত পৰোঁ....

**ঘৈণীয়েক** ॥ ..তাৰ মানে..তুমি সঁচাসঁচি-কৈয়ে....

**মদাহী** ॥ অঁ ! অঁ !! অঁ !!!..মদৰ নিচাত বেহুঁচ মই যেতিয়া পৰি থাকোঁ, মানুহে, মানুহেতো মোক এটা মৰা শৰ দৰেই জ্ঞান কৰে..কোনোবাই কেতিয়াবা দয়া কৰি ঘৰত থৈ গ'লেও, মই চোন এটা মৰা শৰ নিচিনাকৈয়ে তোমাৰ আগত পৰি থাকোঁ,—পাৰ্থক্য মাথোন এইখিনি-য়েই যে এই নকল মৰা শটোই স্বভাৱবশতঃ উশাহ লৈ থাকে আৰু আচল মৰা শবোৰৰ সেই উশাহ লোৱা যন্ত্ৰটো বিকল কৰি দিয়া হয়। ..এটা নকল মৰা শই কেইটা-মান আচল মৰা শ বিচাৰি যাব ওলাইছে তাত আৰু ৰাধা কিহৰ ডালিং, তাত আৰু বাধা কিহৰ.. ???

[টলং টপংকৈ ওলাই যায়।]

**ঘৈণীয়েক** ॥ সোনকালে আহিবা কিন্তু..। (গিৰিয়েক যোৱা পিনে চাই কাহি অৱশ হৈ পৰে)XX এৰা লাচেইতো, এটা জীয়া লাচ.. জীৱনৰ নামত য'ত কেৱল উশাহ-নিশাহৰ যন্ত্ৰটোই চলি আছে..আৰু মই ? ময়েই বা ক'ত জীয়াই আছোঁ..? (নিজৰ উশাহ নিশাহ পৰীক্ষা কৰি চাই) XX উশাহ নিশাহ চলি আছে সঁচা কিন্তু সেই বুলি..তাৰ মানে মই, ময়ো তাৰ মানে এটা লাচেই.. জীয়াই থকা মানুহৰ দৰে সকলো বিচাৰি ফুৰা এটা জীয়া লাচ..(বুজি পাই আশ্চৰ্য্যৰ হাঁহি মাৰে, দীঘলীয়া) XX এৰা, জীয়া লাচ, তাৰ মানে, তাৰ মানে বাৰু কি ?—প্ৰেত ? প্ৰেতাত্মা ?? (আকৌ সজোৰে হাঁহি) XX নহয় তাৰ মানে হৈছে ভূত, ভূত, ভূত..ছাঁয়াৰ ভূত নহয়, কায়াৰ ভূত..লাচ....মানে জীয়া লাচ..যদি লাচেই হয়, তেনেহ'লে, এই (নিজকে দেখুৱাই) লাচটো দেখোন হাততেই আছিল ..তেনেহ'লে..তেনেহ'লে..তেনেহ'লে সেই জীয়া লাচটোৱে আকৌ এই ৰাতিখন অলিয়ে-গলিয়ে লাচ বিচাৰি ফুৰিবলৈ গ'ল কিয় ? XX হেৰি, হেৰি শুনকচোন, শুনক..

[গিৰিয়েকৰ সঁহাৰি নাপাই "ছেঃ গ'লেই হ'বলা" বুলি কাহি কাহি বহি পৰে । এই অংশ লাহে লাহে আন্ধাৰ হৈ আহে আৰু থানাৰ অংশ আলোকিত হৈ উঠে । দেখা যায় অ' চিয়ে ৰিপ'ৰ্ট লিখি আছে । বুঢ়ী এগৰাকীয়ে কৈ গৈ আছে । কাষত চিপাহী ।]

**অ' চি** ॥ ওঁ । লাচটো ক'ত পোৱা বুলি কৈছিলা ?

**বুঢ়ী** ॥ স্কুলৰ পাছৰ পুখুৰীটোত—ভাহি উঠি-ছিল ।

**অ' চি** ॥ শ'টো তোমাৰ নাতিৰ বুলি কেনেকৈ জানিলা ?

**বুঢ়ী** ॥ মোৰ নিজৰ নাতিক আৰু মই চিনি নাপাম নে ?

**অ' চি** ॥ এই বুঢ়া বয়সতো তুমি ইমান দূৰৈৰ পৰা..বাৰু ঠিক আছে..। শইকীয়া !

**চিপাহী** ॥ ইয়েচ চাৰ !!

**অ' চি** ॥ আপুনি অলপ সৌ সেইখিনিতে থিয় দিয়কচোন আৰু....

[ইঙ্গিতেৰে মূৰৰ টুপীটো খুলি হাতত ল'ব দিয়ে। চিপাহীয়ে সেই মতে কৰে]..বাৰু আইতা ! এইবাৰ কোৱাচোন, তেওঁৰ হাতত কি আছে ?

[আইতাই চাব ধৰোঁতেই মদাহীৰ প্ৰৱেশ। চিপাহীক তেনেদৰে থকা দেখি তাৰ কাষতেই থিয় দি অ' চি চাহাবক নিঃশব্দে চেলাম কৰে। অ' চিয়ে ইঙ্গিতেৰে মনে মনে থাকিব দিয়ে। মদাহী তেনেদৰে থাকে ।]

বাৰু আইতা এইবাৰ কোৱাচোন, তেওঁৰ হাতত কি আছে ?

**বুঢ়ী** ॥ মূৰৰ টুপীটো আৰু তাৰ কাষতেই থিয় দি আছে আমাৰ 'লাখপতি' নামৰ মদা-হীটো....

**মদাহী** ॥ বাঃ ! এই ৰাতিৰ আন্ধাৰতো আই-তাই ইমান দূৰৈৰ পৰাই চিনি পাইছে.. আইতাৰ চকু কিন্তু এই বয়সতো ঠিকেই আছে। XXX কিন্তু আইতা তুমি এতিয়া এই ৰাতিখন ইয়াত....

**বুঢ়ী** ॥ অঁ কি কবি অ' বোপা ? স্কুলৰ পাছৰ পুখুৰীটোত তাৰ শটো..ভাহি উঠিছিল.. এওঁলোকে লৈ আহিছে ।

**মদাহী** ॥ তাৰ মানে কাৰ ? সেই যে নিখোজ হৈ থকা নাতিটো তাৰ নহয় জানো ?

(বুঢ়ীয়ে মূৰ দুপিয়াই শলাগে ।)

তাৰ মানে, লাচ,—একেবাৰে আচল লাচ, কোনো ভেজাল নাই..। চাৰ ! চিপাহী শইকীয়াক লৈ মই....

**অ'চি** ॥ লাখপতি !

**মদাহী** ॥ চাৰ !!

**অ' চি** ॥ ..তুমি অলপ সৌ সেইখিনিতে ৰহা-চোন । যাব লাগিলে মই নিশ্চয় ক'ম।

**মদাহী** ॥ অ' কে চাৰ! [একাষত বহি ইঙ্গিতেৰে চিপাহীৰ কাষলৈ মাতি নি নিৰ্বাক ভঙ্গীৰে কথা-বতৰা পাতিব ধৰে ।] ন' ডিষ্টাৰ্ব চাৰ !

**অ'চি** ॥ বাৰু, নামটো কি ?

**বুঢ়ী** ॥ কাৰ ?

**অ' চি** ॥ তোমাৰ ।

**বুঢ়ী** ॥ মোৰ ? মোৰ আকৌ নামটো কিয় লাগে?

**অ' চি** ॥ এজাহাৰ লিখাব লাগিলে নামটোতো লাগিবই ।

**বুঢ়ী** ॥ সৰেই দেখোন আইতা বুলিয়েই মাতে; লিখ বাপা ! আইতা বুলিয়েই লিখ ।

**অ'চি** ॥ আস্‌সা, আইতা বুলি লিখিলে কেনেকৈ হ'ব হে ? তোমাৰতো কিবা এটা নিজা নাম আছে ?

**বুঢ়ী** ॥ থকাত তো আছেই বাপা; পিছে সকলোৱে আইতা আইতা কৰোঁতে নিজৰ আচল নামটো....

**চিপাহী** ॥ পাহৰা হেনেই হৈছে ।

**মদাহী** ॥ হ'বইতো। চাৰ ! আপুনি নিজেই এটা নাম দি নলয় কিয় ?

**বুঢ়ী** ॥ অ' বাপা, দে খুচিমতে লিখি দে এটা।

**মদাহী** ॥ চাৰ ! চিনাক্ত কৰাৰ বাবে চুবাটোৰ নাম দি অমুক চুবাৰ আইতা বুলি লিখি থ'লেই দেখোন লেঠা শেষ। XX পিছে আইতা ! লাচটো তুমি নিজ চকুৰে দেখি আহিছা তো ?

**অ' চি**॥ লাখপতি ! [জোকোৱাৰ সুৰেৰে আৰু কথা নক'বলৈ নিৰ্দেশ দিয়াৰ নিচিনাকৈ] XX বাৰু আইতা ! ঠিকনা কি লিখিম ?

**বুঢ়ী** ॥ ঠিকনাৰেই বা কি ঠিক আছে, বাপা? দুদিন যদি ইটো ছোৱালীৰ ঘৰত, বাকী দুদিন সিটো ছোৱালীৰ ঘৰত..নিজৰ বুলিবলৈ ঠিকনা নায়েই; আকৌ বিচাৰি চাবলৈ গ'লে এই গোটেই এলেকাটোৱেই মোৰ ঠিকনা....

**মদাহী**॥ হয় চাৰ ! বুঢ়ীৰ ঠিকনাৰ 'পাট্টা' নাই চাৰ !---আইতা বুলি লিখি, কেয়াৰ অফ্ দি ৱৰ্ল্ড..লিখি দিলেও চিঠি হেৰোৱাৰ ভয় নাই চাৰ ! তথাপি নিতান্তই যদি এটা স্থায়ী ঠিকনা লাগে, চাৰ ! তেনেহ'লে, তেনেহ'লে মোৰ কেয়াৰ অফ লিখি ল'ব পাৰে চাৰ ! নে কি কোৱাহে আইতা ?

**বুঢ়ী** ॥ হ'ব দে লিখ কিবা এটা। মোক নো বিচাৰি পোৱাত কি দিগদাৰ ?XX পিছে শ'টো ?

**মদাহী** ॥ হয় চাৰ ! শ'টো ??

**অ' চি** ॥ শ'টো তুমি নিব খোজা নেকি ?

**বুঢ়ী** ॥ [মূৰ দুপিয়াই সমৰ্থন কৰে]

**মদাহী** ॥ [উছাহত পানী পৰে, হতাশ হয়]

**অ' চি** ॥ নি সৎকাৰ কৰাবা ?

**বুঢ়ী** ॥ [মূৰ দুপিয়াই সমৰ্থন কৰে ।]

**অ' চি** ॥ বাৰু আইতা ! ধৰি লোৱা, আজিও তোমাৰ নাতিৰ শ'টো বিচাৰি পোৱা নাই। তেতিয়া তুমি কি কৰিলাহেঁতেন ?

**বুঢ়ী** ॥ সি বাচি থকা বুলি ধৰি তাৰ দীৰ্ঘায়ু কামনা কৰি প্ৰাৰ্থনা কৰিলোহেঁতেন । XX কিন্তু..তাৰ শ'টোতো..মই..নিজ চকুৰে দেখিছোঁ....

**অ' চি** ॥ তাৰ মানে, তুমি শ'টো নি সৎকাৰ কৰাৰ কথা ভাবিছা ?

**বুঢ়ী** ॥ সেইখিনিতো কৰিবই লাগিব; নহ'লে তাৰ আত্মাই শান্তি পাব কেনেকৈ ?

**চিপাহী** ॥ [ঠাট্টাৰ সুৰত মদাহীক].. আৰু আমিয়েই বা শান্তি পাম কেনেকৈ ?

**মদাহী** ॥ আচলতে মৰাৰ লগে লগেইতো শান্তি.. নহয় জানো আইতা ?..মৰা শ'টো টনা আঁজোৰা কৰি নতুনকৈ আৰু অশান্তি সৃষ্টি কৰাৰ কি লাভ ?

**বুঢ়ী** ॥ [দৃঢ়তাৰে]—হ'লেও সৎকাৰ তো কৰিবই লাগিব ।

**চিপাহী** ॥ কিন্তু তুমি অকলশৰীয়া বুঢ়া মানুহ..

**বুঢ়ী** ॥ ..মই অকলশৰীয়া বুলি তোক কোনে ক'লে বাছা ?

**মদাহী** ॥ ..বাৰু আইতা ! সৎকাৰৰ ব্যৱস্থা যদি মই..মানে আমি [অ'চি আৰু চিপাহীক দেখুৱাই] আমাৰ ফালৰ পৰা কৰোঁ..?

**বুঢ়ী** ॥ তেনেহ'লেতো বৰ সহায় কৰা হয় বাছা ! বৰ সহায় কৰা হয়..

**অ' চি** ॥ ঠিক আছে তেনেহ'লে, আমি সেই ব্যৱস্থাই কৰিম । তাৰ আগতে..তুমি কেৱল এই কাগজ দুখনত দুটা টিপচহী দি যোৱা । XX শইকীয়া !

**চিপাহী** ॥ চাৰ !

[অ' চিয়ে বুঢ়ীৰ টিপচহী লোৱাৰ নিৰ্দেশ দিয়ে আৰু চিপাহীয়ে সেই ব্যৱস্থা কৰে ।]

**বুঢ়ী** ॥ [চিন্তান্বিতভাৱে] টিপচহী..

**মদাহী** ॥ হঁাৰে, আইতা দেখোন মহা চিন্তাত পৰিলা ? ..চোৱা, এটা শ'সৎকাৰ কৰাটো কিমান 'ঝামেলা'ৰ কথা, তাতে টকা-পইছাৰো খৰচ..। এই সকলোবোৰ 'ঝামেলা'ৰ পৰা হাত সাৰিবৰ বাবে তোমাৰ পৰা আমি মাত্ৰ দুটা টিপচহীহে বিচাৰিছোঁ..

**চিপাহী** ॥ দিয়া ! ..তুমি অকণো চিন্তা নকৰিবা, তোমাৰ একো অন্যায় নহয়.. [বুঢ়ীৰ টিপচহী লৈ কাগজ দুখন অ'চিৰ পিনে আগ বঢ়াই দি] ..হ'ব নে চাৰ?

**অ' চি** ॥ [অ'চিয়ে লৈ নিৰীক্ষণ কৰে।] হ'ব দিয়া । [মদাহীয়ে কৌতূহল দমাই ৰাখিব নোৱাৰি চাব যায় । অ'চিয়ে চাব নিদি সকৌশলে কাগজ দুখন সযতনে থয়। বুঢ়ীয়ে প্ৰত্যেকৰ পিনে আশাৰে চাই থাকে ।]

**অ' চি** ॥ বাৰু শইকীয়া ! আইতাক থোৱাৰ ব্যৱস্থা..

**বুঢ়ী** ॥ মোক ক'ত থোৱা ? সৎকাৰত ময়ো থাকিব লাগিব নহয়..

**অ' চি** ॥ তুমি আকৌ কেলেই থাকিব লাগিছে ? আমি আটাইবোৰ আছোঁৱেই যেতিয়া..

**বুঢ়ী** ॥ থাকিলেও, ..সৎকাৰ মোৰ আগতেই হ'ব লাগিব ।

**চিপাহী** ॥ তুমি তোমাৰ মৰমৰ নাতিৰ মৰাশটো দপ্‌দপকৈ জ্বলি শেষ হৈ যোৱা চাই থাকিব পাৰিবা জানো ?

**বুঢ়ী** ॥ ..পাৰিব লাগিব, নোৱাৰিলে কেনেকৈ হ'ব ? XX মোৰ চকুৰ আগতে আজি কিমান যুগ ধৰি কিমান শ' দপ্‌দপকৈ জ্বলা দেখি আহিছোঁ, কিমান বস্তি ভস্মীভূত হৈ যোৱা দেখি আহিছোঁ,---কিমান জীয়া মানুহ নিজৰ ঘৰতে অগ্নিস্যাৎ হৈ যোৱা দেখি আহিছোঁ আৰু এইটোতো এটা মৰা শ'..[বুঢ়ীৰ দৃঢ়তা দেখি অ'চি নিৰুপায় হৈ বুধি উলিয়াই চিপাহীক ইংগিতেৰে কাষলৈ মাতি আনি কিহবাৰ নিৰ্দেশ দিয়ে। নিৰ্দেশৰ মূল কথা ঃ যি কোনো প্ৰকাৰে থানাৰ ভিতৰপিনে থোৱা বুঢ়ীৰ নাতিয়েকৰ মৰা শ'টো চিনিব নোৱৰা কৰি পেলাব লাগে, এচিড ঢালিয়েই হওক বা শিৰচ্ছেদ কৰিয়েই হওক বা মুখমণ্ডল যি কোনো প্ৰকাৰে বিকৃত কৰিয়েই হওক। চিপাহীয়ে বুজি-বাজি লৈ ভিতৰলৈ যায় । মদাহীয়ে অ'চি আৰু চিপাহীৰ মূক অভিনয় বুজিবৰ চেষ্টা কৰি বিফল হৈ বুঢ়ীৰ কথা মন দি শুনিবলৈ ধৰে ।] ..চিতাৰ জুইৰ তাপত সি তো চিঞৰিব নোৱাৰে, আৰ্তনাদ কৰিব নোৱাৰে..জুইত জ্বলি-পুৰি তিল তিলকৈ মৃত্যুৰ মুখলৈ আগ বাঢ়ি যোৱা সেই ল'ৰা-ছোৱালী, তিৰোতা-পোৱাতী আৰু বুঢ়া-বুঢ়ীবোৰৰ নিচিনাকৈ সিতো আৰু আৰ্তনাদ কৰি কৰি কাকো কন্দুওৱাৰ, কাৰো বিবেকক আঘাত দিয়াৰ চেষ্টাও কৰিব নোৱাৰে..এটা সঁচা, খাঁটি মৰা শ'ৰ দৰে মুখেৰে টু শব্দ নকৰাকৈ নীৰৱে, নিঃশব্দে, কোনো প্ৰতিবাদ নোহোৱাকৈ, জ্বলি জ্বলি শেষ হৈ যাব..অস্থি-মজ্জাৰ

নক্সলা টুকুৰাবোৰ থৈ জীৱনৰ অনন্ত আৱৰ্তৰ যাত্ৰাত নিজকে প্ৰস্তুত কৰিবৰ বাবে নিঃশব্দে জ্বলি জ্বলি শেষ হৈ যাব..।.. অৱশ্যে এটা সময়ত, ঠিক সময়মতে যদি তাৰ আধা জ্বলা মূৰটো কোবাই ভাঙি নিদিয়া, ---তেতিয়াহ'লে, এটা সময়ত তাৰ মূৰটো ফাটি মগজুৰ সিঁচৰতি হৈ পৰাৰ লগে লগে,---এটা প্ৰচণ্ড শব্দই কাণতাল মাৰি ধৰিব..বন্দুক আৰু বোমাৰ গুলিত অভ্যস্ত তোমালোকৰ বাবে সেইটো একো কথাই নহয়,—মোৰ হয়তো অলপ কষ্ট হ'ব । হ'লেও হওক; কিন্তু তাৰ সংকাৰ মোৰ আগতেই হ'ব লাগিব, তাৰ সৎকাৰৰ সময়ত মই নিশ্চয় উপস্থিত থাকিব লাগিব....

**মদাহী** ॥ ..তেনেহ'লেতো কাৰো একো লাভ নহ'ব ।

**বুঢ়ী** ॥ কি ক'লা ?

**মদাহী** ॥ ..নাই মানে, হেৰি, বাতি হৈছে তো.. হেৰি মানে ঘৰলৈ যোৱাৰ কথা কৈছিলোঁ..

[চিপাহীৰ প্ৰৱেশ । অ'চিয়ে ইঙ্গিতেৰে সোধে, কামটো হ'লনে নাই । চিপাহীয়ে ইঙ্গিতেৰে বুজাই দিয়ে, হৈছে ।]

**অ'চি** ॥ ..ঠিক আছে আইতা ! তোমাৰ ইচ্ছাই ইচ্ছা ।..আমি যা-যোগাৰ কৰোঁ মানে, ..মানে, ..পষ্ট মৰ্টেম ৰিপ'ৰ্ট, মৃত্যুৰ প্ৰমাণ পত্ৰ, জবানবন্দী ইত্যাদি ঠিক কৰো মানে,..চৰকাৰী ডাক্তৰক মাতি আৰু কিছু কাগজ পত্ৰ ঠিক-ঠাক কৰোঁ মানে..মানে, ..জানাইতো আইতা.. ভালেখিনি সময় লাগিব..মানে, ..কাইলৈ দুপৰীয়াৰ আগতে....

**চিপাহী** ॥ দুপৰীয়ালৈ ক'ত হ'ব চাৰ ? মেজিষ্ট্ৰেটৰ লেঠাও আছে নহয়....

**অ'চি** ॥ এৰা পাহৰিছিলোঁৱেই..এই ধৰি লোৱাচোন, সৱ মিলি কাইলৈ সন্ধিয়াৰ আগতে সৎকাৰৰ ব্যৱস্থা সম্ভৱ নহ'ব যেতিয়া..আইতাই এটা কাম কৰক.. নাতিক এবাৰ দেখা কৰি ঘৰলৈকে যাওক.. আমি যথাসময়ত আপোনাক খবৰ দি লৈ আহিম....

**অ'চি** ॥ শইকীয়া !

**চিপাহী** ॥ চাৰ !

**অ'চি** ॥ আইতাক ভিতৰলৈকে লৈ যাওক.. চাব—ভালদৰে, লাহে লাহে....

[চিপাহীয়ে বুঢ়ীক আথে-বেথে ভিতৰলৈ নিব ধৰোঁতে লাখপতিয়েও সুবিধা বুজি ভিতৰলৈ যোৱাৰ চেষ্টা কৰে । অ'চিয়ে কায়দা কৰি বাধা দিয়ে ।]

লাখপতি ! ..আপুনি আকৌ ভিতৰলৈ গৈ কি কৰিব ? আহক কথা পাতোঁ ।

**মদাহী** ॥ (উভতি আহি) সঁচাকৈয়ে বুঢ়ী ব-ৰ ভাগ্যৱতী !

**অ'চি** ॥ এৰা, আজিৰ দিনত, বিশেষকৈ মন্ত্ৰী মহোদয়ৰ সেই ঘোষণাৰ পিছত, ..এনেদৰে ইম্মান আত্মীয়ৰ মৰা শ এটা আৱিষ্কাৰ কৰাটো সঁচাকৈয়ে বৰ ভাগ্যৰ কথা..। ..পিছে আজি দেখোন বহু দিনৰ মূৰত আমালৈ মনত পৰিল । কি কথা, কি বতৰা বা ?

**মদাহী** ॥ ..মনত সদায়েই পৰে অ'চি চাহাব। পিছে কি কৰিব, খালি হাতে তো আৰু আপোনালোকক দেখা কৰিব নোৱাৰি..

**অ'চি** ॥ পিছে দেখাত দেখোন আজিও খালি হাতেই দেখিছোঁ ।

**মদাহী** ॥ হাত খালি, কাৰেক্ট ; কিন্তু নাউ আই এম ফুল অব প্ৰমিজেজ....

**অ'চি** ॥ প্ৰমিজেজ ? মানে প্ৰতিশ্ৰুতি ??

(হঠাৎ ফোন বাজি উঠে । অ'চিয়ে ফোন উঠায় ।) হেল্লো । কৈছোঁ..। কওক,—মাত শুনিয়েই বুজি পাইছোঁ । খবৰটো পাইছে নহয় ? ...নাই, এতিয়ালৈ মাত্ৰ এটা..। নাই, নাই, শুনক..ঘৰত বহি লিখি নিদিয়াই ভাল নেকি ?..ওঁ, ওঁ, ৰিস্ক আছেতো ? ..পলম হ'লেও কথা নাই, কেতিয়াকৈ? ..হ'ব পুৱাৰ পিনে হ'লেও হ'ব—ঠিক আছে, বাই নাইন..আপুনি চিন্তা নকৰিব, তেনেকুৱা কেচ পালে আপোনাৰ হাতেৰেই যাব..নাই, নাই ডিপ্ৰাইভ কৰাৰ প্ৰশ্নই নুঠে..অ'কে থেংক ইউ.. (ফোন থৈ) XX ডাক্তৰ হাতীবৰুৱা, পুৱা ন মান বজাত আহিছে চাৰ্টিফিকেট, পষ্ট মৰ্টেম আদিৰ লেঠা মাৰিব । (মদাহীৰ আগত ধৰা পৰা যেন হৈ মদাহীক তোষামোদৰ সুৰত ক'ব ধৰে ।) অঁ হেৰি নহয়, কিবা প্ৰমিজৰ কথা কৈছিল দেখোন....

**মদাহী** ॥ —হয়, প্ৰমিজ ! এইবাৰ আপোনাক এক্কেবাৰে খুশ কৰি দিয়াৰ প্ৰমিজ... তাৰ পিছত ন' ম'ৰ ড্ৰিংকচ, ন' ম'ৰ আৱাৰাবাজি..বাচ্. এ ডিচেন্ট এণ্ড পি-চ ফুল লাইফ উইথ মাই ৱাইফ এণ্ড চিল্ডৰেন....

**অ'চি** ॥ [চিন্তা কৰি] তাৰ মানে..তাৰ মানে ক'ৰবাত ডাঙৰ লটাৰী লাগিল নেকি হে লাখপতি— —

**মদাহী** ॥ ন' চাৰ ! ন' লটাৰী, ন' জুৱা, ন' গেম্বলিং..। ইট ইজ জাষ্ট ৰিয়েল হাৰ্ড একচন....

**অ'চি** ॥ মানে ??

**মদাহী** ॥ মানে আৰু কি ? [কাণৰ কাষত ফুচফুচাই] শই প্ৰতি দহ....

**অ'চি** ॥ তাৰ মানে, এই বাতিখন আপুনি..

**মদাহী** ॥ হয় চাৰ ! মই ঠিক তাকেই বিচাৰি ওলাইছোঁ—। আৰু এই ৰাতিটোৰ ভিতৰতেই কমেও পাঁচোটা মই যোগাৰ কৰিমেই কৰিম চাৰ..। XX চাৰ ! পিছৰ লেঠাখিনি কিন্তু আপোনাৰ..মানে পষ্ট মৰ্টেম, আইডেন্টিফিকেচন, ডেথ-চাৰ্টিফিকেট এট্‌চেট্ৰা এট্‌চেট্ৰা....

[গুৰু গম্ভীৰ খোজেৰে বুঢ়ী ওলাই অহা দেখি অ'চিয়ে মদাহীক কথা বন্ধ কৰিবৰ নিৰ্দেশ দিয়ে । পিছে পিছে চিপাহী । সকলোৱে বুঢ়ীক নিৰীক্ষণ কৰে । খন্তেকৰ নিস্তব্ধতা । বুঢ়ীয়েও প্ৰত্যেককে নিৰীক্ষণ কৰে ।]

আইতা, চালে ?

[বুঢ়ীয়ে মূৰ দুপিয়াই আকৌ প্ৰত্যেককে নিৰীক্ষণ কৰে] তেনেহ'লে বলক, আপোনাক আগ বঢ়াই থৈ আহোঁ !

[বুঢ়ীয়ে আচৰিত ভাৱে মদাহীৰ মুখলৈ চাই থাকে ।]

**অ'চি** ॥ তেনেহ'লে আইতা ! আপোনাক থৈ অহাৰ ব্যৱস্থা কৰোঁ ? কাইলৈ যথা সময়ত..

**বুঢ়ী** ॥ ..কাইলৈ আৰু খবৰ দিয়াৰ দৰ্কাৰ নাই বাছা ! XX গাটোতো, আনকি সোঁহাতে কাষলতিৰ তলত থকা কটা দাগটোও ঠিক তাৰেই,—কিন্তু পিন্ধা কাপোৰযোৰ..আৰু ..আৰু তাৰ মুখখন দেখোন গোটেই জ্বলি থেতেলা খাই—নাক-মুখ-চকু-চেলাউৰি একোৰে চিন-মোকাম নাইকিয়া হৈ গৈছে.. কিন্তু পানীৰপৰা তোলোঁতে তো, মই স্পষ্ট চিনি পাইছিলোঁ—তাৰ সেই মুখখন, জোৰ লগা চেলাউৰিযোৰ..কিন্তু এতিয়া যিটো দেখিলোঁ সেইটোতো বোমা বিস্ফোৰণত চিনিব নোৱৰা হৈ যোৱা এটা ডেকাৰ যেন হে লাগিল,—ঠিক মোৰ নাতিৰ বয়সৰ ডেকা এটা..তাৰ মানে....

[বাকী কেইজনে অধীৰ আগ্ৰহেৰে বুঢ়ীৰ শেষ ঘোষণাৰ বাবে চাই থাকে ।]

তাৰ মানে..এনেকুৱাও তো হ'ব পাৰে,— নিখোজ হৈ থকাটো নিখোজ হৈয়েই আছে

আৰু এইটো, এইটো বেজেগ কোনোবা··।
.xx যদি সেয়ে হয়, তেনেহ'লে সি, সি নিশ্চয় ক'ৰবাত কেনেবাকৈ হ'লেও জীয়াই আছে ..নিশ্চয় জীয়াই আছে....

!কৈ কৈ উত্তেজিত হৈ ওলাই যায়। বাকী কেইজনে ইজনে সিজনৰ মুখলৈ চোৱা-চুই কৰে, চিপাহী আৰু অ'চিৰ দৃষ্টি বিনিময়ত সফলতা আৰু পাৰস্পৰিক অভিনন্দনৰ ছাপ।]

**মদাহী** ॥ আইতা ! আইতা, অকলে নাযাব আইতা ! অলপ ৰ'ব, ময়ো আপোনাৰ লগে লগে গৈ আছোঁ..[বুঢ়ীক অনুসৰণ কৰি সবেগে ওলাই যায়। অ'চিয়ে চিপাহীক পিঠিত থপৰিয়াই নিঃশব্দে চাব্বাচ দিয়ে আৰু তেনে এক স্থবিৰ অৱস্থানত এই অংশ আন্ধাৰ হৈ আহে।

লাহে লাহে নামঘৰটো আলোকিত হৈ উঠে। নামঘৰৰ সমুখৰ আলিৰে বুঢ়ীক অনুসৰণ কৰি কৰি মদাহী। একে ঠাইতে খোজ কঢ়াৰ ভাও দি গতিশীলতাৰ পৰিস্থিতি সৃষ্টি কৰিব আৰু মদাহীৰ মনৰ ভাব বুজাবৰ বাবে মদাহীক সময়ে সময়ে স্থবিৰ কৰি দিয়াব। সেই সময়ত বুঢ়ী যথাযথ কৰ্মৰত অৱস্থাতেই থাকিব, বুঢ়ীক স্থবিৰ কৰোৱাৰ প্ৰয়োজন নাই। নেপথ্যৰ পৰা দিয়া মদাহীৰ মনৰ ভাবব্যঞ্জক বচন স্বাভাৱিক হ'ব, তাত নিচাৰ জড়তা থাকিব নালাগিব; কিন্তু আচল মদাহীৰ কণ্ঠত নিচাৰ জড়তা থাকিব।]

**মদাহী** ॥ মৰা শ'তো তেনেহ'লে সঁচাই আই-তাৰ নাতিটোৰ নহয় ?

**বুঢ়ী** ॥ নহয়তো ! ঈশ্বৰে তাক দীৰ্ঘায়ু কৰক॥

**মদাহীৰ মন**॥ ..মৰা 'মৰি পচিব ধৰিছে, আৰু তুমি আছা এতিয়াও তুতি-নতি কৰি। শালা..অ'চি আৰু চিপাহী শইকীয়াই বৰ কায়দাটোকে কৰিলে—ইম্মান সহজতে মৰা শ'টো পাই গ'ল; আৰু মই শাল্লা, এই ৰাতিখন....

[অলপ দূৰ নিঃশব্দে দুয়ো খোজ কঢ়াৰ পিছত, দুয়ো অগা-পিছাকৈ নামঘৰৰ জপনা পায়হি; প্ৰথমতে বুঢ়ী, পিছে পিছে মদাহী।]

**বুঢ়ী** ॥ নাতিটোৰ মঙ্গলৰ বাবে নামঘৰত নৃৰটো দোৱাই যাওঁ। তুমিও আহিবা নেকি ?

**মদাহী** ॥ হ'ব আইতা ! আপুনি আহক, মই ইয়াতেই ৰৈছোঁ।

(বুঢ়ী লাহে লাহে আগ বাঢ়ে। মদাহীয়ে জেপৰপৰা বটল উলিয়াই খাই বটলটো লৰা-চৰা কৰি, গৈ থকা বুঢ়ীলৈ চাই চিন্তা কৰে।)

**মদাহীৰ মন** ॥ ..এই যে বুঢ়ীটো মোৰ আগে আগে গৈ আছে বা এই যে মই বুঢ়ীটোৰ পিছে পিছে গৈ আছোঁ,—সেই বুঢ়ীটোই বা ময়েই এটা মৰা শ'তকৈ নো কি বেলেগ..? xx নাই, নাই সেইটো বা মই হ'লোঁ নকল মৰা শ..এই নকল মৰা শটোক এটা আচল মৰা শ কৰি তুলিব পাৰিলেই..বাচ..শই প্ৰতি দহ হাজাৰ ..কিন্তু..।..হাৰে, ইয়াত কিহৰ কিন্তু আছে..? তাৰ বাবে ..তোৰ হাতত থকা বটলটোই যথেষ্ট..বুঢ়া জীউ..চেভেন ফিফটি হনি বিৰ বটলৰ..এক্‌কেটা খুন্দাতে....

(স্থবিৰতা ভঙ্গ কৰি বটলটো লিৰিকি ৰিদাৰি চাই ঠিক বুঢ়ীক মূৰত মাৰিব লাগিলে কেনেদৰে নিচান কৰিব লাগিব তাৰে আখৰা কৰে। মুখত কঠোৰতা। ইতিমধ্যে বুঢ়ীয়ে গৈ নামঘৰৰ চিৰিত সাষ্টাংগে প্ৰণিপাত কৰে। দূৰৈৰপৰা বুঢ়ীক এটা মৰা শ পৰি থকা যেন দেখা যায়।)

**মদাহীৰ মন** ॥ ..থ'-থ'-তই নিচান কৰোঁতেই গ'ল। সেৱা জনোৱাৰ লগে লগে বুঢ়ীয়ে দেখোন হাৰ্টফেলেই কৰিলে। ভালেই হ'ল দে, তয়ো হত্যাকাৰী নাম নাপালি, বিনা হত্যাই মৰা শ এটাও পালি আৰু....

(মদাহীয়ে স্থবিৰতা ভাঙি বুঢ়ীৰ পিনে পিঠি দি ঘক্ ঘককৈ বাকী থকা মদখিনি গিলি শেষ কৰি দি উভতি চাই দেখে বুঢ়ীয়ে ইতিমধ্যে নামঘৰ পাৰ হৈ আগ বাঢ়ি গৈ আছে। মদাহীয়ে এবাৰ খোজ কাঢ়ি থকা বুঢ়ীৰ পিনে আৰু এবাৰ নামঘৰৰ চিৰিটোৰ পিনে চাই বিচুৰ্তি খাই নিজৰ দেহত নিজে চিকুটি সপোন নে দিঠক তাৰ পৰীক্ষা কৰি চাই, মনৰ ভ্ৰম বুলি বুজিব পাৰি আকৌ বুঢ়ীৰ পিছ লয়। পিছ লোৱাৰ আগতে বাহিৰৰ পৰাই নামঘৰৰ পিনে সেৱা জনায়।)

**মদাহীৰ মন** ॥ ..প্ৰভু ! মোক বঞ্চিত নকৰিবা। বুঢ়ীটো নহ'ল নাই, সেইবুলি তুমি মোক আজি ৰাতিটোৰ ভিতৰত এটা লাচৰ সৈতে দেখাদেখি হোৱাৰ সুযোগ নিদিবা নে ? দিবা, প্ৰভু ! নিশ্চয় দিবা, দিলে সেই দহ হাজাৰৰপৰা মই তোমাক তোমাৰ চেয়াৰৰ-পৰা কেতিয়াও বঞ্চিত নকৰোঁ প্ৰভু !!!

(বুঢ়ী আগ বাঢ়ি যায়, মদাহী পিছে পিছে গৈ নেদেখা হোৱাৰ লগে লগে শিয়ালৰ হোৱা, কুকুৰৰ ভুকভুকনি আৰু ফেউৰাৰ ৰাও আদিৰে এক ভীষণ কোলাহলৰ সৃষ্টি হয় আৰু সেই কোলাহলৰ মাজত, নাম-ঘৰৰ পিছ পিনৰপৰা লেকেচিয়াই লেকে-চিয়াই, অতি কষ্টেৰে এজন ডেকা উগ্ৰ-বাদী সোমাই আহে মন্দিৰৰ সমুখৰ চিৰিলৈ। ডেকাৰ এখন ভৰি, এটা উৰু আৰু এখন হাতৰ বাউসীত বেয়া ধৰণে গুলি লাগিছে। যিখন হাত ভালে আছে সেইখন হাতেৰেই ৰাইফলটো দাঙি কাৰোবাক ভয় দেখুওৱাৰ নিচিনা কৰি, লাহে লাহে পিছুৱাই আহিছে। চিৰি পোৱাৰ লগে লগে, ডেকা উবুৰি খাই চিৰিত পৰি যায়, দৰ্শকে কেৱল তেওঁৰ পিছটোহে দেখা পাব। বিকট যন্ত্ৰণাত চিঞৰ মাৰি ডেকাই ছাটি ফুটি কৰে। কঁকালত থকা পানীৰ পুৰণি ফ্লাস্কটো লৈ পানী খাবৰ চেষ্টা কৰে যদিও বিফল হয়। যন্ত্ৰণাত ছাটি ফুটি কৰি 'পানী, পা—নী' কৰি চিঞৰি চিঞৰি পৰি থাকে।

অলপ পিছতেই বুঢ়ীক থৈ মদাহী অহা বাটেই উভতি আহিব। নামঘৰ পাৰ হৈ অহাৰ পিছত হঠাৎ মনত পৰাৰ দৰে কৰি ৰৈ যোৱাৰ পিছত....)

**মদাহী** ॥ ..মিছাই; মিছাই প্ৰভু ! তোমাক মই সেৱা সৎকাৰ জনাই গ'লোঁ,—ক'তা এতিয়ালৈকে তো এটাও..নষ্ট এ চিংগল ডেড বডি..ছেঃ ঘৰত ঘৈণীৰ আগত যে আজি কেনেকৈ মুখ দেখুৱাম ?..আচলতে জানা প্ৰভু, তুমি, তুমি বৰ আনগ্ৰেটফুল, অকৃতজ্ঞ,—সেৱা ল'লা, ভকতি ল'লা অথচ, অথচ (কান্দোঁ কান্দোঁ কৰি) এই ভক্তৰ মনোবাঞ্ছা..তুমি, তুমি..তোমাৰ দৰে এনেকুৱা আনগ্ৰেটফুল চউল—মই দ্বিতীয় এটা দেখা নাই..তুমি মোৰ সেৱা-সৎকাৰ ফিৰাই দিয়া,....

(মদাহীৰ চিঞৰ-বাখৰ তল পৰি খন্তেকৰ নীৰৱতা। সেই নীৰৱতা ভঙ্গ কৰি মদাহীয়ে বটল উলিয়ায় আৰু অলপ খাই বটলটো নামঘৰৰ পিনে দলিয়াই দিব খোজোঁতেই, ডেকাৰ অস্ফুট স্বৰত "পা—নী, আস্ পা—নী" শব্দ শুনিবলৈ পায়। শব্দৰ উৎস অনুমান কৰি মদাহীয়ে কেউ পিনে ঘূৰি চায়; হঠাৎ উমান পায়, শব্দ কোন পিনৰ পৰা আহিছে। দলিয়াব খোজা বটলটো হাতত লৈ, নাম ঘৰক আকৌ এবাৰ প্ৰণাম কৰি, মূক অভিনয়েৰে ক্ষমা খুজি, বটলটোক ভাবসা কৰি, সন্তৰ্পণে

নামঘৰৰ পিনে আগুৱাই যায় ।)

**ডেকা ॥** (যন্ত্ৰণাত ক্ৰমে অৱশ হৈ আহে আৰু পানীৰ বাবে আকৌ এবাৰ সজোৰে কাতৰ অনুৰোধ কৰি অজ্ঞান হৈ পৰে ।)

**মদাহী ॥** ..(শব্দ বন্ধ হোৱা শুনি) কি ৰা হ'ল আকৌ ? XXএইবাৰ দেখোন মাত বোল এক্‌কেবাৰেই..(আকৌ নামঘৰক সেৱা জনায়)..প্ৰভু! তোমাক যে লোকে কিয় কণা গোসাঁই বুলি জোকায় ? আচলতে..ৰ'বা ৰ'বা আচলতে তোমাক চাৰ্টিফিকেটখন দিয়াৰ আগতে এইটো লাচ হয় নে নহয় চাই লওঁ.. (ওচৰলৈ গৈ ৰাইফলটো দেখি বিৰাট ভয় খায়; পলাবৰ চেষ্টা কৰি দুখোজমান আঁতৰি আহি আকৌ চায় । এইবাৰ হাত আৰু ভৰিৰ তেজবোৰ চকুত পৰে, বুজি পায়।) XX বুজিছোঁ প্ৰভু! এক্‌কেবাৰে আচল লাচ নহ'লেও, একেবাৰে নকলো নহয়,—ঠিক আচলৰ কাষে কাষে যোৱা নকল লাচ..প্ৰভু ! তোমাৰ দয়া হ'লে, আচল নকলৰ এই পাৰ্থক্যকণ নাইকিয়া হওঁ ত নো কেতপৰ ? প্লিজ, প্ৰভু ! প্লিজ !!!

**ডেকা ॥** পা - পা - পা - নী !!!

**মদাহী ॥** হ'ব প্ৰভু ! তোমাৰ ইচ্ছাই ইচ্ছা !! (হাতত থকা মদৰ বটলটো খুলি অলপ মুখত ঢালি দিয়ে । ডেকাই সেহাই সেহাই খায়, ইকাটি-সিকাটি কৰি গুলি লগা হাত আৰু ভৰিখন জোঁকাৰিব ধৰে । মদাহীয়ে প্ৰথমতে ভৰিৰ ঘা ডোখৰত অলপ মদ ঢালি দিয়ে । ডেকাই বিকট চিঞৰ মাৰে যদিও অস্ফুট । মদাহীয়ে ভয় খাই উচপ খাই উঠে । ডেকাই সেহাব ধৰে । এইবাৰ মদাহীয়ে হাতৰ ঘাত মদ ঢালি দিয়াৰ লগে লগে, ডেকাই অসহ্য যন্ত্ৰণাত স্পষ্ট-ভাৱে এটা বিকট চিঞৰ মাৰি, এখন হাতেৰেই ৰাইফল টোৰ্‌াই মুৰটো তুলি ধৰে.... ।)

**ডেকা ॥** খ-ব-ৰ-দা-ৰ !!

**মদাহী ॥** (ভয়ে ভয়ে দুয়োখন হাত দাঙি 'হেণ্ডচ্ আপ' পজিচন লয় । এখন হাতত মদৰ বটল ।) —খ—খ—খ—ব—ৰ—দা—ৰ ..এয়া পুৰা খ-ব-ৰদাৰ !

**ডেকা ॥** ..বটলটো..ব-ট-ল-টো..মোৰ মুখত (কৈ কৈ ফোপাব ধৰে আৰু অৱশ হৈ যায়)

**মদাহী ॥** ..দি..দি..দি..ছোঁ..(ঘৰঘৰকৈ বাকী থকা মদখিনি মুখত বাকি দিয়ে । প্ৰথমতে ডেকাই এঢোক মান খায় । বাকীখিনি খাব নোৱাৰে, কোৱাবিৰে বাগৰি পৰে । মদাহীয়ে বুজিব পাৰে ডেকা নিশ্চল হৈ পৰিছে । সেই সুযোগতে কৌশলেৰে হাতৰ ৰাইফলটো কাঢ়ি লৈ ৰাইফলটো পৰি থকা ডেকাৰ পিনে টোঁৱাই ৰাখে।) ..খ-ব-ৰদাৰ !! (লাহে লাহে পিছুৱাই আহি ৰাইফল টোঁৱাই ৰাখিয়েই কয়)..এতিয়া, এতিয়া ক'ত পলাই সাৰিবা ?..মই, মই, তোমাক ঠিক চিনিছোঁ..তুমি, তুমি, নিশ্চয় সেইদলটোৰেই এজন যিটো দলে প্ৰায় এমাহ আগতে ঠিক এই নামঘৰতেই..। কিবা কাৰণত তুমি দল এৰি পলাই আহিছা.. কিন্তু..কিন্তু..হাবে মাতবোল একে-বাৰেই নাই দেখোন !! ..প্ৰভু! তুমি, তুমি যে ডাঙৰ বিচাৰক, তুমি যে বিৰাট দয়ালু, —মই যি বিচাৰিছিলোঁ তুমি ঠিক তাকেই মোৰ আগত হাজিৰ কৰি দিলা. এটা লাচত দহ হাজাৰ..মোৰ আজি বিশ্বাস হৈছে প্ৰভু ! তুমি এটা দিছা যেতিয়া, নিশ্চয় বাকী কেইটাও..আজি ৰাতিটোৰ ভিতৰতে.. (ডেকাই অতি কষ্টেৰে উস্ আস্ কৰে) ••অ' বুজিছোঁ, এতিয়াও ই আচল লাচত পৰিণত হোৱা নাই..ইমান সোনকালে তইঁত মৰিবি কেনেকৈ ? XX শালা পাষণ্ড !! মৃত্যুৰ সৈতে মুখামুখি হৈ চাই ল'— মৃত্যুৰ, মৃত্যুৰ আচল ৰূপ কি ? XX হে প্ৰভু ! মোক শক্তি দিয়া, মোক কঠোৰ হ'বৰ বাবে শক্তি দিয়া..মোক, মোক, নকল নহয় প্ৰভু ! মোক এটা, আচল লাচ লাগে, আচল লা-চ, আচল লাচ....

(চিঞৰি চিঞৰি উন্মাদৰ দৰে ৰাইফলৰ পিছফালটোৰে নিৰ্মম ভাৱে লুটিয়াই বগৰাই ডেকাৰ গোটেই দেহত, বিশেষকৈ মুখ আৰু মূৰত বাৰম্বাৰ আঘাত কৰে। ষ্টুৰ' পোহৰ আৰু ধুমুহা ঢেৰেকণিৰ প্ৰকোপত এই ক্ৰিয়াৰ ভিচুৱেলত বিশেষ গুৰুত্ব দিব। ভাগৰি-জুগৰি অৱশ হৈ ৰাইফলটো দূৰলৈ দলি-মাৰি পেলাই দিয়ে । লগে লগে টোপনিৰ পৰা বিকট চিঞৰ মাৰি মদাহীৰ ঘৈণীয়েক সাৰ পাই উঠে, মুখত ভয়াৰ্ত দৃষ্টি । একে সময়তে থানাত অ'চিয়ে চিঞৰি উঠে,— শইকীয়া গাড়ী উলিয়াওক....।

মদাহীয়ে লাহে লাহে উঠি মৰা শটো নিৰী-ক্ষণ কৰে ।)

**মদাহী ॥** ..ঠিক, মই ঠিক এনেকুৱা এটা লাচেই বিচাৰিছিলোঁ,—জিঘাংসাৰ নিষ্ঠুৰতাত যাৰ মুখৰ কোনো চিন-চাব নাথাকিব.. এটা আকাৰহীন, পৰিচয়হীন মৰা শ, একেবাৰে আচল, এক্‌কেবাৰে নিখুঁত..এ ফেচলেচ ডেড বডি..যাক চিনাক্ত কৰাৰ কোনো উপায় নাই,—যাক সকলোৱে নিজৰ বুলি কান্দিব পাৰে, নিজৰ বুলি সৎকাৰ কৰিব পাৰে আৰু নিজৰ বুলি দাবি কৰি, ক্ষতিপূৰণৰ টকা আদায় কৰিব পাৰে,.. ঠিক তেনেকুৱা, ঠিক তেনেকুৱা এটা লাচেই আজি তুমি মোক দিছা প্ৰভু ! ..(প্ৰণাম জনোৱাৰ ভঙ্গিত বহি পৰে আঠুকাঢ়ি। অলপ পিছতেই মূৰ তুলি চোৱাৰ লগে লগে দেখে মদাহীৰ বাঁওপিনৰপৰা সোঁ পিনলৈ গোটেই মঞ্চত বিস্তৃত হৈ, বিভিন্ন অৱস্থানত থিয় দি, মদাহীক ঘেৰি আছে ক্ৰমে মৰা শৰ পিছ পিনে মন্ত্ৰী, আৰু তাৰ পৰা ক্ৰমে বৃত্তাকাৰে শইকীয়া, অ'চি, মদাহীৰ ঘৈণীয়েক আৰু বুঢ়ী । ভয়াৰ্ত দৃষ্টিৰে মদাহীয়ে সকলোকে একোবাৰকৈ চায় ।)

**অ'চি ॥** সেইটো কাৰ শ শইকীয়া ?

**ঘৈণীয়েক ॥** মোৰ..

**বুঢ়ী ॥** নহয় মোৰ..

**মন্ত্ৰী ॥** নহয় মোৰ..

**চিপাহী ॥** নহয় মোৰ..

("মোৰ, নহয় মোৰ" ধ্বনি ক্ৰমান্বয়ে বাঢ়ি আহিব ধৰে । মন্ত্ৰীৰ বাহিৰে আটায়ে সেই সোচ্চাৰ দাবিত যোগ দিয়ে । মন্ত্ৰীয়ে নিৰাসক্ত ভাৱে স্থবিৰ হৈ থাকে,, মুখত এক কৃত্ৰিম হাঁহিৰ প্ৰলেপ সানি । এটা সময়ত অ'চিয়েও সেই কোলাহলত যোগ দিয়ে । মদাহীয়ে উন্মত্তৰ দৰে এটা এটাকৈ সকলোকে সেই মৃত ব্যক্তিৰ মাজত দেখা পাবলৈ ধৰে.. বতাহত তেওঁ নৰমাংসৰ দুৰ্গন্ধ পাবলৈ ধৰে, দুৰ্গন্ধৰ ক'লা ডাৱৰে সেই কোলাহলৰ মাজত যেন তেওঁক গ্ৰাস কৰিবৰ বাবে খেদি আহিছে এনে ভাৱত তেওঁ ওকালিয়াবলৈ ধৰে । সেই ওকালিৰ তেজে তেওঁৰ গোটেই দেহ ৰক্তাক্ত কৰি তোলে । ওকালিয়াই ওকালিয়াই নিজৰ তেজ ছুই চাই চাই মদাহী অৱশ হৈ ঢলি পৰে আৰু শেষ নিশ্বাস ত্যাগ কৰে । স্পটত কেৱল মৰা শ দুটা, বাকী চৰিত্ৰ আন্ধাৰত মিলি যায়। আঁৰ কাপোৰ ।)

***

## প্ৰাচীৰ পত্ৰিকা শিতান ঃ

# জীৱনানন্দৰ কবিতা আৰু কিছু কথা

বিপুলজ্যোতি শইকীয়া,

**'কটনিয়ানৰ কবিতা'**,(চতুৰ্থ বছৰ, তৃতীয় সংখ্যা)।

'মাথাৰ ভিতৰে স্বপ্ন নয়---প্ৰেম নয়---কোনো
এক বোধ কাজ কৰে।
আমি সব দেবতাৰে ছেড়ে
আমাৰ প্ৰাণেৰ কাছে চলে আসি,
বলি আমি এই হৃদয়েৰে ঃ
সে কেন জলেৰ মতো ঘুৰে ঘুৰে একা কথা কয়!
অবসাদ নাই তাৰ ? নাই তাৰ শান্তিৰ সময় ?
কোনোদিন ঘুমোবে না ? ধীৰে শুয়ে থাকিবাব স্বাদ
পাবে না কি ? পাবে না আহ্লাদ
মানুষেৰ মুখ দেখে কোনো দিন !
মানুষীৰ মুখ দেখে কোনোদিন !
শিশুদেৰ মুখ দেখে কোনোদিন !'

—জীৱনানন্দ দাশৰ কবিতাৰ এই অবিস্মৰণীয় শাৰী কেইটাই ক'ব খোজা কথাখিনি আমাৰ বহুতৰে মনৰ কথা। আচলতে আজিৰ যুগৰ মানুহৰ মনৰ কথা। সেই মানুহৰ কথা, নিজকে যি আনৰ সৈতে অন্বিত কৰিব পৰা নাই; কাৰণ তেওঁ নিজকেই ভালদৰে চিনি নাপায়, নাজানে। জনাৰ সাহসো নাই। তেওঁৰ মগজুৰ যি বোধ বা জ্ঞান, সেই জ্ঞান অৰ্থহীনতাৰ; নিজৰেই স্বপ্ন আৰু প্ৰেম সম্পৰ্কে অবিশ্বাসৰ জ্ঞান ।

এসময়ত কিন্তু মানুহৰ দেৱতা আছিল, বিশ্বাসৰ এটা কাঠামো আছিল । আচলতে দেৱতা বা ধৰ্ম মানুহৰ বিশ্বাসৰে অনুষ্ঠান । বিশ্বাসৰ বিষয়বস্তু হ'ল চাৰিওফালৰ দৃশ্যমান পৃথিৱীখন, যাক আমি প্ৰকৃতি বোলো। আৰু ভাল-বেয়া বোধৰ বিষয়বস্তু হ'ল ব্যক্তি মানুহৰ বাহিৰৰ বৃহত্তৰ মানৱ-সমাজ । ইয়াৰ মাজতে আকৌ দুঃখ আছে, মৃত্যু আছে । এই আটাইবোৰৰে সংমিশ্ৰণত গঢ়ি উঠিছিল মানুহৰ দেৱতা আৰু ধৰ্মৰ অনুষ্ঠান।

আনহাতে সভ্যতাৰ প্ৰথম প্ৰভাততে যি বিশ্বাস আৰু জিজ্ঞাসা মানুহৰ মনলৈ আহিছিল —তাৰ পৰাই আৰম্ভ হৈছিল বিজ্ঞান আৰু দৰ্শন। সেই বিজ্ঞান আৰু দৰ্শনৰ মাজত অৱশ্যে সীমাবদ্ধতা আছিল । ইন্দ্ৰিয়লব্ধ অভিজ্ঞতাৰেইতো বিজ্ঞান বা দৰ্শন নহয়, যুক্তি-নিৰ্ভৰ বিমূৰ্ত চিন্তাৰো প্ৰয়োজন । সেই চিন্তাৰ বাট মুকলি কৰোঁতে মানুহক যথেষ্ট সময় লাগিছে । তথাপি তেতিয়াৰ বিজ্ঞান আৰু দৰ্শনৰ মাজত এক ধৰণৰ ঐক্য আছিল ।

কেৱল বিজ্ঞান আৰু দৰ্শনৰ মাজতে নহয়, মানুহৰ জ্ঞান আৰু অনুভৱৰ জগতৰ মাজতো তেতিয়া এটা ঐক্য আছিল । লোভ, মোহ, ঈৰ্ষা, বিদ্বেষ, এইবোৰ যে নাছিল তেনে নহয়; কিন্তু এইবোৰে ব্যক্তি-মানুহক তেওঁৰ সামাজিক পৰিবেশৰ পৰা বিচ্ছিন্ন কৰা নাছিল । আচলতে ব্যক্তি-মানুহৰ ধাৰণাটোৱে একেবাৰে নতুন ধাৰণা ।

অতীতত প্ৰাণী হিচাপেও মানুহ আছিল বিশিষ্ট । নিজৰ চেতনাৰ ওপৰত থকা মানুহৰ গভীৰ বিশ্বাসে দিছিল এই বিশিষ্টতা । একমাত্ৰ মানুহেহে জগতখনক দুই ধৰণে চাব পাৰে ঃ ভিতৰৰ পৰা আৰু বাহিৰৰ পৰা । এই ক্ষমতাৰ বাবেই মানুহৰ আত্মবোধৰ জন্ম হৈছিল ।

মানুহৰ এই চেতনাৰ স্বাভাৱিকতাৰ কিন্তু কিছুমান চৰ্ত আছে । ইন্দ্ৰিয়গত অভিজ্ঞতাৰ যি শোভাযাত্ৰাৰ পৰা আমি সংগ্ৰহ কৰোঁ বিশ্বাস আৰু ধাৰণাৰ উপাদান… সেই শোভাযাত্ৰা দ্ৰুত হ'লে মানুহ বিপদত পৰে । অৰ্থাৎ আমাৰ পৰিবেশ যদি দ্ৰুতগতিত সলনি হৈ থাকে, জীৱনৰ ছন্দ যদি খুব দ্ৰুতভাৱে সলনি হয়, তেন্তে জগতখন আমাৰ বাবে দুৰ্বোধ্য হৈ পৰে। বুদ্ধিৰে যদি কিবা বুজিব পাৰোঁ, অনুভৱেৰে নোৱাৰোঁ । অথচ মানুহৰ আত্মবোধ আৰু বিশ্বাস কেৱল বুদ্ধিৰ কথা নহয়, অনুভৱৰো ।

এইখিনিতেই আধুনিক মানুহৰ সংকট । জীৱনানন্দৰ অনবদ্য ভাষাত, সেই কাৰণেই আজি মানুহৰ 'শান্তিৰ সময়' নাই । যি অৰ্থহীনতাৰ কথা জীৱনানন্দই কৈছে, আধুনিক মানুহৰ চেতনাৰ সংকটৰ সৈতে তাৰ নিবিড় সংযোগ আছে ।

*　　*　　*

# চুৰিয়েলিষ্ট শিল্পী ছালভাদৰ ডালি

ধ্ৰুৱজ্যোতি বৰগোহাঁই,

**'প্ৰতিধ্বনি'**, (পঞ্চদশ বছৰ, প্ৰথম সংখ্যা),

আনন্দৰাম বৰুৱা ছাত্ৰাবাস ।

চুৰিয়েলিষ্ট (Surrealist) কৰ্মেৰে সমগ্ৰ বিশ্বত আলোড়ন জগোৱা ছালভাদৰ ডালি আৰু নাই । চিত্ৰকৰ্মত পিকাচ', গ'গা আদিৰ শাৰীৰ এই শিল্পীজনাৰ যোৱা ২৩ জানুৱাৰী (১৯৮৯)ত ফিগুৰেৰাছৰ হস্পিতাল এখনত পৰলোক প্ৰাপ্তি ঘটে। "My life is one tragic sequence of exhibitionism" বুলি নিজৰ বিষয়ে কোৱা ডালিৰ জন্ম হয় স্পেইনৰ কাটলনীয়াৰ ফিগুৰেৰাছত ১৯০৪ চনত । তেওঁ বিদ্যাশিক্ষা কৰি ১৯২১ চনৰ পৰা ১৯২৬ চনলৈ মাদ্ৰিদৰ 'একাডেমী অব ফাইন আৰ্টছ'ত অধ্যয়ন কৰিছিল । এই সময়ছোৱাত তেওঁ কৰা কৰ্মৰাজিয়ে 'প'ষ্ট ইম্প্ৰেছনিজিম', 'কিউবিজিম' 'ফিউচাৰইজিম' আৰু 'পিটোৰা মেটাফিজিকা' আদি প্ৰভাৱশালী আন্দোলনক প্ৰভাৱিত কৰিছিল। ডি চিৰিকোৰ কৰ্মই তেওঁৰ বৃহৎ প্ৰশংসা আৰু চুৰিয়েলিষ্ট চিত্ৰকলাৰ মূল হিচাপে পৰিগণিত হৈছিল ।

ইতিমধ্যে ফ্ৰান্সৰ পেৰিছৰ বুকুত ১৯২৫ চনৰ আগে পাছে চুৰিয়েলিজিমৰ জন্ম হয় । ১৯৩০ চনত ইউৰোপ, আমেৰিকাৰ প্ৰধান চহৰসমূহ আনকি টকিঅ' আদিতো প্ৰকাশিত এলানি চুৰিয়েলিষ্ট চিত্ৰৰ প্ৰদৰ্শনৰ পাছত এই ভাবধাৰাৰ সম্প্ৰসাৰণ ঘটে । ১৯২৪ চনত প্ৰকাশ পোৱা এণ্ড্ৰি ব্ৰিটনৰ চুৰিয়েলিজিমৰ ইস্তা-

হাৰৰ দ্বাৰা ই এক প্ৰাথমিক মাধ্যমৰূপে স্বীকৃতি পায়। চুৰিয়েলিজিমৰ প্ৰকাশভংগিৰ বিষয়ে প্ৰথমে এণ্ডি বিট্ৰনৰ "Surrealism and Painting" নামৰ ৰচনাৰ পৰা জানিব পৰা যায়। সেই সময়ত এক্স ভাভিছ আপ, অনিল্ট, মান্‌ৰে, পিকাবিয়া, মাছন, থিৰ', মেগ্ৰিটে আদি উল্লেখযোগ্য শিল্পী সকল চুৰিয়েলিজিমৰ সৈতে জড়িত আছিল।

১৯২৮ চনত ডালিয়ে পেৰিছ ভ্ৰমণ কৰাৰ সময়তেই চুৰিয়েলিজিমৰ সৈতে জড়িত হৈ পৰে। পেৰিছত তেওঁ এক একক চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰে। ১৯২৯ চনত সেই সময়ৰ চুৰিয়েলিজিমৰ প্ৰধান উদ্যোক্তা এণ্ডি বিট্ৰনে তেওঁক 'চুৰিয়েলিষ্ট গ্ৰুপ'ত সদস্যৰূপে ভৰ্তি কৰে। ১৯৩৪ চনলৈকে তেওঁ এই গোষ্ঠীটোৰ সৈতে জড়িত হৈ এজন গুৰুত্বপূৰ্ণ ব্যক্তি হৈ পৰে।

সেই সময়ত তেওঁ "Unchien Andalav" (১৯২৯) আৰু "L. Aged' or" (১৯৩১) নামে দুখন চুৰিয়েলিজিমৰ ব্যৱহাৰিক দিশৰ প্ৰতিফলন ঘটা তথ্যচিত্ৰ নিৰ্মাণ কৰে। ডালিৰ অদ্ভুত ধৰণ-কৰণ আৰু সোঁপন্থী অনুভূতিৰ বাবে ১৯৩৪ চনত এণ্ডি বিট্ৰন এই আন্দোলনৰ পৰা বাহিৰলৈ আহে। তথাপি ডালিয়ে এই আন্দোলন আগ বঢ়াই নিয়াত থমকি ৰোৱা নাছিল। ১৯৪০ চনত তেওঁ আমেৰিকালৈ যায় আৰু তাত তেওঁৰ আত্মজীৱনী "The Secret life of Salvador Dali" ১৯৪২, চনত প্ৰকাশ পায়।

চুৰিয়েলিজিমক প্ৰভাৱিত কৰা দুটা পদ্ধতিৰ এটা "হাতেৰে আঁকা সপোন পোহৰ ছবি" ডালিৰ সৃষ্টি। আনটো ধাৰণা বিট্ৰন আৰু মাছনৰ লেখাত পোৱা যায়। ডালিৰ চুৰিয়েলিজিমলৈ বিশেষ অৱদান হৈছে "পাৰনাইবাক ক্ৰিটিকেল" পদ্ধতি। এই পদ্ধতিত অন্যান্য চুৰিয়েলিষ্ট সকলতকৈ অধিক অৱচেতনতা আৰোপ কৰা হৈছে। "Accomodation of Desire" (১৯২৯) নামৰ চিত্ৰত তেওঁ এক গভীৰ ছাঁয়া আৰু প্ৰতীকি আংগিকত গুৰুত্ব দিয়ে। বাস্তৱ আৰু অবাস্তৱৰ মাজত ধৰিব নোৱৰা এই ধাৰণাটো মূল আধাৰৰূপে অন্যান্য উৎকৃষ্ট কৰ্মবোৰত বৈ যোৱা দেখা যায়। ডালিৰ টেক্‌নিকত বিদ্যমান 'অভিব্যক্তিবাদী ষ্টাইল', 'সূক্ষ্মাতিসূক্ষ্ম বাস্তৱতা'ক 'হাতেৰে সৃষ্টি কৰা ফটোগ্ৰাফী' বোলা হয়। তেওঁৰ কেইখনমান বিখ্যাত কৰ্ম হৈছে—"The Persistance of Memory" (১৯৩১), "Birth of liquid Desire" (১৯৩২), "The Metamorphosis of Norcisus" (১৯৩৬), "Illuminated Pleasures" (১৯২৮)।

* * *



## এটি কবিতাঃ অনুভৱৰ

বিনীতা বৰা,
"ভাস্বতী", শ্বহীদ কনকলতা ছাত্ৰীনিবাস।

"Love is like the moon,
Beautiful and even new."

মাজনিশাৰ সূৰ্য্যটোক উদ্দেশ্যি
মই সুধিছিলোঁ—
"ৰৌদ্ৰস্নাত পুৱাৰ উজ্জ্বল পোহৰত
তুমি বাৰু দেখিছিলানে মোৰ প্ৰিয়তমক ?"
স্বপ্নমধুৰ এক নিজম ৰাতিত
সুবাসিত ৰজনীগন্ধা পাহক সুধিছিলোঁ—
"মোৰ প্ৰিয়তমৰ বাতৰি কি ?"
নিয়ৰসিক্ত পুৱাৰ সেমেকা বতাহজাকক
সুধিছিলোঁ মনে মনে—
"তুমি বাৰু জানানে তেওঁৰ সপোনবোৰ কি ?"
স্ৰোতস্বিনী সেই পাহাৰী জুৰিটিৰ পাৰত
সপোনসনা সেই সোণালী সন্ধিয়া
লগ পায়ো সুধিব নোৱাৰিলোঁ
তোমাৰ বাতৰি
এসাগৰ উৎকণ্ঠাৰে সুধিলোঁ মাথোন
"তুমি বাৰু অনুভৱ কৰিছিলানে মোক
তোমাৰ সপোনবোৰত ??"

## সন্ধ্যা-আলিংগন

"প্ৰাচীৰৰ ৰেঙনি", অংকুৰ ডেকা,
মহেন্দ্ৰনাথ ডেকাফুকন ছাত্ৰাবাস।

সন্ধ্যাটো মোৰ স্পষ্ট মনত আছে—আকাশত মেঘ, মাজে মাজে বিজুলী-চেৰেকনি। আচৰিত নহ'ব—সেই সন্ধ্যা লেখকৰ এক ৰোমাণ্টিক সন্ধ্যা নহয়! মোৰ অন্তৰৰ নিভৃত কোণত আজিও চাবুকৰ দৰে কোবাই থকা মোৰ সন্ধ্যাটোৰ নায়ক আছিল, আবাসৰ সন্মুখৰ ৭৬ বছৰীয়া বৃদ্ধ পাণদোকানীজন। ক'বলৈ গ'লে সেই দোকানত মাথোন সবহকৈ পোৱা বস্তুটো হ'ল 'ঐতিহ্য'। পিন্ধনত এখন পুৰণি ধুতি, গাৰ ওপৰভাগ উদং—অনুভৱ হয়, শৰীৰটো যেন শীতৰ এডাল নাঙঠ গছ....

মই কথা শুনোঁ—তেখেতে অনৰ্গল কৈ যায়। মানুহজনক দেখি দেখি হোৱা কৌতূহলেৰে, মোৰ শিহৰণকাৰী সন্ধ্যাত আৱিষ্কাৰ কৰোঁ—

'বাপা, জীৱনটো জুৱা, কোনোবা জিকে, কোনোবা বৰ বেয়াকৈ হাৰে'—এয়া প্ৰথম বাক্য। ঘৰ বাহাৰঘাটত (পাঠকসকলে নামটো নুশুনিব পাৰে; কাৰণ এই ঠাইতটো সূৰ্য্যোদয়ৰ দৃশ্য উপভোগ কৰিবলগীয়া নহয়!)। দোকানত জ্বলি থকা 'হাৰিকেন লাইট'ও যেন মোৰ বৃদ্ধক উপলুঙাহে কৰিছে—তেনেকুৱা হাৰত পোহৰ দি আছে। বৃদ্ধই ১৫ বছৰ বয়সতে নিজৰ দেউতাকক হেৰুৱায়। মোৰ নায়কৰ পাঁচজনী ছোৱালী-ডাঙৰ জনী ছোৱালীয়ে বিয়াৰ পাছত চাৰিটা সন্তান পৃথিৱীত এৰি বিদায় লয়। আকৌ একমাত্ৰ ল'ৰাজনো 'Physically handicapped'।

ব্যস্ত পৃথিৱী, ব্যস্ত মহানগৰী—তাৰ সাক্ষ্য বহন কৰিছে কাণ-মূৰ গৰম হোৱাকৈ চলি থকা গাড়ীবোৰৰ শব্দই। আনক ঘূৰি চোৱাৰ সময় কাৰো নাই—সকলোৱে দৌৰিছে—সম্ভৱতঃ বহুতে নাজানেই সিহঁতে জীৱনত বিচাৰে কি! কিন্তু, মোৰ নায়কে দৌৰিব পৰা নাই—চাৰিটা নাতি-নাতিনীকো নিজৰ ঘৰত ৰাখিব লগা হ'ল—কাৰণ ? কাৰণ নিশ্চয় আছে! বৃদ্ধৰ ডাঙৰ জোঁৱায়েকে আন এজনীক ঘৰ সুমুৱাই ল'লে!

'সৰু মানুহৰ সৰু জীৱন'—ফাঁকি দিব, অভিনয় কৰিব নাজানে। ধনৰ পিছত দৌৰি ফুৰা কুৰি শতিকাৰ নতুনকৈ জীপ লোৱা সমাজত, মোৰ নায়ক সেয়েহে এলাগী। পৰিণতি স্বৰূপেই সুদীৰ্ঘ ৪৫ বছৰ গুৱাহাটীত ব্যৱসায় কৰিও নিজকে উপলুঙা কৰি জীৱন কটাইছে।

কিছুমান গ্ৰাহকে মোৰ নায়কক তোষামোদ কৰে, "আতা বৰ ভাল মানুহ।" কিন্তু, আমাৰ

আঁতাই হাড়ে ছালে একাকাৰ হোৱা হাত দুখ-নেৰে মোৰ হাতত ধৰি হাঁহি হাঁহি কয়, "মই ভাল, কাৰণ, মোৰ বাকী ধন ঘূৰাই দিব নালাগে।" অ' সময়ে সময়ে হেনো কাষত থকা জনপ্ৰিয় হোটেলখনত মদৰ আড্ডাও বহে। আতাই কয়, "সেই সময়ত মোৰ চিগাৰেটৰ বৰ 'ডিমাণ্ড', কিন্তু মোৰ বাকচত হ'লে পাঁচ পইছাও নাহে। কেতিয়াবা নিশাবোৰ লঘোণে থাকিবলগীয়াও হয়।"

"প্ৰাইমেৰি স্কুল পাছ কৰোঁ; কিন্তু কোনো চাৰ্টিফিকেট নাই"—এয়া বৃদ্ধৰ আক্ষেপ নে ক্ষোভ জ্ঞানীসকলে বুজিব। প্ৰাথমিক বৃত্তি পৰীক্ষাৰ বাবে নিৰ্বাচিত নায়কজনে ধনৰ অভাৱত গুৱাহাটীলৈ আহি পৰীক্ষা দিব নোৱা-ৰিলে, তথাপিও খোকোজা নলগাকৈ ক'ব পাৰে নিৰ্ভাঁজ অসমীয়া, তাৰে ফাঁকে ফাঁকে, Liar, Corruption জাতীয় আমাৰ অতি চিনাকি ইংৰাজী শব্দবোৰ!

কথা কৈ থাকোঁতে, এটা সময়ত চকু পানীয়ে নায়কক কণ্ঠৰুদ্ধ কৰে, মোৰ কৌতূ-হলী মনেও কথাৰ বকলা নেমেলি বিদায় ল'ব ওলায়।

নিশ্চয় আমাক মাজে সময়ে এন্ধাৰত ডুবাই ৰখাৰ আঁৰত কাৰোবাৰ এক অহেতুক মজা আছে—সেই সন্ধ্যাও ইয়াৰ ব্যতিক্ৰম নহয়। কথা পাতিব আৰম্ভ কৰোঁতে আবাসত বিজুলী নাছিল——কথাত তন্ময় হৈ পৰিছিলোঁ, সম্ভৱতঃ আৱেগেও কিছু জুৰুলা কৰিছিল। সেয়ে কেতিয়ানো বিজুলী চেৰেকনি আহিল ধৰিবকে নোৱাৰিলোঁ।

বিদায় লৈ কাহি কাহি বহি থকা মোৰ নায়কৰ পিনে চাই অনুমান কৰিবলৈ চেষ্টা কৰিছিলোঁ,----মোৰ কৌতূহল উপশমৰ নামত জীৱনৰ শেষ মুহূৰ্তলৈ সংগ্ৰাম কৰাৰ মানসি-কতা ৰখা এজনক কন্দুৱালোঁ নেকি?

বিছনাত পৰিবলৈ লওঁতেই বাহিৰত চিপ্-চিপীয়া বৰষুণ। অনিচ্ছাসত্ত্বেও মোৰ পঢ়া মেজৰ সন্মুখৰ খিৰিকিখন বন্ধ কৰি দি নিজকে 'নিৰাপদ' অনুভৱ কৰাৰ চেষ্টা কৰিছিলোঁ। এই মুহূৰ্ততো মোৰ সন্দেহ হয়, সেই আৱত-ৰীয়া বৰষুণজাক বৃদ্ধৰ চকুপানী নে মোৰ পৰাজিত কলমৰ কেঁচা তেজ! 'ৰুমমেটে' আগ্ৰ-হেৰে আগবঢ়াই দিয়া সেই দিনাৰ দৈনিক বাতৰিত স্পষ্ট হেড্‌লাইন—'..মন্ত্ৰীৰ বিদেশ ভ্ৰমণ', 'শোধনাগাৰৰ আধুনিকীকৰণ', 'আমাৰ বৃদ্ধজন..'। কিন্তু, কিন্তু হৈয়েই ৰ'ল। শেষ-ৰটো, বাতৰিৰ হেড্‌লাইন নহয়, সেয়াও আমাৰ বৃদ্ধৰ প্ৰতি এক অভিনয়সুলভ সহানুভূতি!

সেয়া মোৰ শিহৰণকাৰী সন্ধ্যাহে..প্ৰকৃততে সেই সন্ধ্যাত মানুহজনৰ সৈতে মুখামুখি হোৱাৰ পাছত মই কিছুদিনৰ বাবে পলাই ফুৰিছিলোঁ——কাৰণ, মই ভাবো মোতকৈ বহু উপযুক্ত মানুহ এই পৃথিৱীত আছে, যিয়ে তেওঁৰ বাবে কিবা কৰিব পাৰে। আৰু এটা কথা, মোৰ আক্ষৰিক অথবা আন্তৰিক সহানুভূতিয়েই জানো মোৰ 'নায়ক'ক জীয়াই ৰাখিবলৈ যথেষ্ট?....

সেইদিনা দুপৰীয়া——আন দুজনমান বন্ধুৰ সৈতে মহাবিদ্যালয়ৰ পৰা আবাসলৈ চমু বাটেৰে মই আহি আছোঁ। সম্ভৱতঃ আমাৰ কথা কিছু ৰসাল আছিল। সেয়ে কেতিয়ানো আহি মোৰ নায়কৰ জীৰ্ণ দোকানৰ সন্মুখ পালোঁ ধৰিবই নোৱাৰিলোঁ। হঠাৎ মোৰ চকু গৈ দোকানখনত পৰোঁতেই বুকুখন চিৰিংকৈ গ'ল। ..মোৰ নাম নাজানে; সেয়াই স্বাভাৱিক——সেয়ে মোৰ নায়কে মোক হাতেৰে ইংগিত দি ওচৰলৈ মাতিব ধৰিছে।

প্ৰথমতে কিছু স্বাভাৱিক কথা-বতৰা হয়। তথাপি, মই অনুভৱ কৰোঁ, এই কেইদিনত ক'ৰবাত যেন এটি ছন্দপতন হৈছে। মাথোন যেন সৌজন্যৰ খাতিৰত ক'ব লাগে কাৰ-ণেই কৈছে। মোৰ অনুমান মিছা নহয়। বৰ উদাসভাৱে মোৰ নায়কে কৈ উঠে, "বাপা, মোৰ জীৱন আৰু শেষ——মোৰ কেন্সাৰ হৈছে।"

স্থানীয় চিকিৎসালয়ে মোৰ নায়কক বহু দৌৰালে। সেয়ে মোৰ নায়কে আক্ষেপত কয়,——"তাত্তোকৈ প্ৰথমেই দেখোন সিহঁতে মোৰ ডিঙিটো কাটিয়ে পৰীক্ষা কৰিব পাৰিলে-হেঁতেন, মোৰ ৰোগো ধৰা পৰিলহেঁতেন——লগতে মোৰ ধনো ৰাহি হ'লহেঁতেন।" বোধহয় মই ভুল শুনিছোঁ—নিজকে কিছু অৱশ যেন অনুভৱ হ'ল. কথাৰ মাজতে তেখেতে আগ-বঢ়াই দিয়ে চিকিৎসালয়ৰ কিছুমান দলিল! সম্ভৱত: নায়কৰ ডিঙিত কিবা উঠা-নমা কৰিছে--তথাপি খুব কষ্টেৰে নিজকে সংযত কৰি মোক ক'লে, "বাপা, মোৰ এটা শেষ উপকাৰ কৰি দিয়া——কেন্সাৰ হস্পিটালত বিনামূলীয়া চিকিৎ-সাৰ বাবে স্থানীয় বিধায়কৰ পৰা এখন 'চাৰ্টি-ফিকেট' লাগে। মই জানো অকলে পাৰিম? সেয়ে তোমাৰ যদি অসুবিধা নহয়, এটা বন্ধত মোৰ লগত ওলাবা।" সেই অনুৰোধ উপেক্ষা কৰাৰ দুঃসাহস মোৰ নাছিল। প্ৰথমতে বিধা-য়কে দূৰদৰ্শনৰ এখন বিখ্যাত 'চিৰিয়েল' চোৱাৰ অজুহাতত আমাক উভতি আহিবলৈ কোৱায়। কিন্তু পিছত হয়তো মোৰ বাক্যবাণ সহ্য কৰিব নোৱাৰিয়েই কিছু উষ্মা সহকাৰে কামফেৰা কৰি দিয়ে।

এতিয়া মোৰ নায়ক এজন দুখীয়া বৃদ্ধই নহয়, এজন কেন্সাৰ ৰোগীও—বিনামূলীয়া চিকিৎসাই তেখেতকনো কেইদিন জীয়াই ৰাখিব —য'ত নেকি মন্ত্ৰী-বিধায়কেও বিদেশত, এই ৰোগৰ বহুমূলীয়া চিকিৎসা কৰিও সুফল নোপোৱাৰ নজিৰ মই শুনোঁ। সেয়া 'পোহৰ' দেখা মানুহৰ ইতিহাস।....

আজিকালি নিয়মিত এবাৰ তেখেতৰ খবৰ লোৱাৰ বাদে মোৰ আন পথ নাই। প্ৰতি মুহূৰ্ততে তেখেতৰ যিখিনি কথাই মোৰ বুকু কঁপায়, সেয়া হ'ল, "বাপা, ব্যস্ত মহানগৰীয়ে এতিয়াও সাৰ পোৱা নাই—সকলোৰে দুযোৰ চকু। প্ৰকৃত চকুযোৰ ঢাকি ৰাখিব জানে বাবেই সিহঁত 'মানুহ'। সেয়ে তুমি প্ৰকৃত মানুহ হ'ব লাগিব। এয়া মোৰ কামনা তথা প্ৰাৰ্থনা।" ....বৃদ্ধৰ শুকান হাত দুখন তেতিয়া বুকুৰ কাষলৈ উঠি আহিছিল।

..ক'ব নোৱাৰোঁ, মোৰ বাবে বাস্তৱ দৃষ্টিৰে জীয়াই থকাটো সম্ভৱ হ'ব নে নহয়, বিশেষকৈ আজিকালিৰ 'সন্মানীয়' আৰু 'উচ্চ-শিক্ষিত' সমাজত থাকিবলৈ হ'লে! বৃদ্ধ নায়কৰ দৰে আন অখ্যাত সকলৰ জীৱনৰ দুৰ্বিসহ যাতনা কোনদিনা শেষ হ'ব, তাৰেই অপেক্ষা কৰাত বাদে আমাৰ জানো আন কিবা পথ আছে? *

---

* (পৰিবৰ্ধিত ৰূপত)

*　　*　　*

## দুখ আৰু মই

স্বপ্নশিখা সন্দিকৈ,
"শাশ্বতী", নলিনীবালা দেৱী ছাত্ৰীনিবাস।

দুহাত প্ৰসাৰিত কৰিলেই
আঙুলিত লাগি আহে
দুখৰ এমুঠি জোনাক
প্ৰতিপল, অনুপল
আপোনজনৰ দৰে নিচেই কাষতে থকা
মোৰ হাঁহি, মোৰ চকুলো
মোৰ কবিতাৰ মাজত বিচৰণ কৰে দুখে নিৰ্ভীকতাৰে
মোৰ গান মোৰ স্বপ্নতো দুখ বিৰাজমান
মোৰ বুকুৰ মাজত থকা
হাললীয়া ঘাঁ টুকুৰাৰ স'তে
মোৰ দুখৰ একান্ত পৰিচয়
দুহাত কৰিলেই প্ৰসাৰিত
আঙুলিত লাগি অহা
এমুঠি জোনাকৰ স'তে
মই লুকা ভাকু খেলোঁ
নাজানোঁ,
এয়াই হয়তো দুখৰ স'তে
মোৰ প্ৰেমৰ প্ৰথম মাইহাংবাটি।

## হৈমন্তিক আবেলি

গিৰীশ ডেকা,
**'সাৰ্বজনীন'**, ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস।

মোৰ হৈমন্তিক প্ৰত্যুষত
সেউজীয়া এখনি ধাননি পথাৰ
য'ত একাকাৰ দেউতাৰ কপালৰ ঘাম
কিম্বা জীৱাই থকাৰ নোদোকা একুৰি গান।

বুঢ়ী আইতাৰ তামোলৰ পিক্‌বোৰ
এতিয়াও মোৰ ওঁঠৰ কোণত
গাভৰু জোনাক ৰাতি
চোতালত পাটী পাৰি
কোৱা কথা পথৰু ঘাট, কমলাকুঁৱৰী।

এতিয়াও পথাৰৰ কেঁচা আলিত
বহি আছে খোজবোৰ
চকুৰ আগতে কেনেকৈ
চিলনীয়ে নিলে কেঁকোৰাজনী
ভদীয়াৰ মাটিখিনি বন্ধকত থওঁতে
কেনেকৈ কঙাল হ'ল তিৰোতা জনী

এতিয়াও দোৰোল খাই পৰে বেলি
লেউ-সেউ গৰখীয়া কেনেকৈ গ'ল
মাছুৱৈ গাভৰুৰ গালত চুমা আঁকি
থক্‌-থক্‌ উঠন বুকু চকুত বেঙনি।

এতিয়াও বাঁহী বাজে উদাসী গধূলি
নাই মাথো মই হৈমন্তিক আবেলি।

* * *

## ৰক্ষণশীল সমাজৰ ৰুগ্ন পৰম্পৰা ভঙ্গকাৰী উপন্যাস—হোমেন বৰগোহাঁইৰ 'মৎস্য গন্ধা'

যতীন বুঢ়াগোহাঁই,
**'সৌৰভ'**, ছহিদ মোজাম্মিল হক ছাত্ৰাবাস।

সাম্প্ৰতিক অসমীয়া সাহিত্যৰ এগৰাকী সু-প্ৰতিষ্ঠিত সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ শেহতীয়া উপন্যাস 'মৎস্যগন্ধা' অসমীয়া সাহিত্যত এক অভিনৱ সংযোজন। গঞা জীৱনত সদায় ঘটি থকা ঘটনা অথচ অগতানুগতিক বিষয় বস্তুৰে ৰচিত উপন্যাসখনে অসমীয়া সাহিত্যলৈ নিশ্চয় নতুন দিগন্তৰ বাৰ্তা কঢ়িয়াই আনিছে।

নৈ কাষৰীয়া সৰু কৈৱৰ্ত গাঁও এখনৰ, জীৱনত একো নোপোৱা লাঞ্চিতা তিৰোতাৰ ক্ষোভেৰে আৰম্ভ হৈ, উপন্যাসখন শেষ হৈছে জাত্যভিমানৰ প্ৰাচীন দেৱাল ভঙাৰ প্ৰতীকধৰ্মীতাৰে। 'মেনকা' নামৰ চৰিত্ৰই উপন্যাসৰ প্ৰধান চৰিত্ৰ। আহোম ল'ৰা মণিৰাম আৰু কৈৱৰ্ত গাভৰু কমলাৰ মাজত হোৱা অবৈধ মিলনে কমলাক সন্তান সম্ভৱা কৰি তোলা ঘটনাই কাহিনীৰ আঁত ধৰিছে। কিন্তু কাহিনীৰ চাবি-কাঠি কমলাৰ নবৌৱেক মেনকাৰ হাতত। আহোম জাত্যভিমানেৰে মণিৰামে কমলাক বিয়া কৰাবলৈ সন্মত নহয়। আনহাতে মেনকাই গৰ্ভবোধ কৰাব জানে। মণিৰামে কলংকৰ হাত সাৰিবলৈ মেনকাৰ ওচৰ চাপিবলৈ বাধ্য হ'ল। মেনকাই চৰ্ত দিলে কমলাক বিয়া কৰাবলৈ। ইয়াতেই মেনকাই জীৱনৰ চৰম আঘাত "ডোমুনী" বুলি পোৱা লাঞ্চনাৰ প্ৰতিশোধ ল'লে। মানুহে কয় "মণিৰাম ডোমৰ জাতলৈ নামিল"। কিন্তু মেনকাই কয় "মণিৰামক ডোমৰ জাতলৈ তুলিলে।"

উপন্যাসখনে জাতীয় জীৱনৰ অপ্ৰিয় নগ্ন বাস্তৱসত্যক সাহিত্যৰ চাৰিবেদীৰ মাজলৈ টানি আনিছে। লেখকে ভয়ৰ কাৰণ থকা বিষয়কো সাহসিকতাৰে অগতানুগতিক প্ৰকাশভঙ্গীৰে আৰু উপস্থাপনৰ জৰিয়তে সাহিত্যৰ মাজলৈ আনিছে।

ইয়াৰ বিষয় বস্তুলৈ চাই মেনকাৰ চৰিত্ৰটো যথাযোগ্য তথা গঞা জীৱনত লগ পোৱা চৰিত্ৰ মেনকা, ডোম নীহকুলীয়া বুলি খ্যাত সম্প্ৰদায়টোৰ যুগ যুগ ধৰি সঞ্চিত ক্ষোভ আৰু প্ৰতিশোধৰ জ্বলন্ত প্ৰতীক। মেনকাই পাঠকৰ মৰ্মস্পৰ্শী সহানুভূতি আদায় কৰিব পাৰিছে। মুঠতে লেখকৰ আটাইতকৈ ডাঙৰ কৃতিত্ব হৈছে আমাৰ সমাজৰ নগ্ন বাস্তৱ সত্য আৰু ভয়ৰ কাৰণ থকা বিষয়কো সাহসিকতাৰে উপন্যাসত উপস্থাপন কৰাটো।

এইখন অনবদ্য উপন্যাসৰ বিষয়ে ডঃ মহেন্দ্ৰ বৰাই কৈছে—"ইয়াৰ কাহিনীটো যেন আমাৰ মানুহৰ নানা পৰিৱৰ্তনৰ মাজেদি নিতৌ গঢ় লোৱা সমকালীন ইতিহাসৰ এটি হাতীদাঁতত আঁকি উলিওৱা বাস্তৱ চিত্ৰ।"



* * *

## দুখৰ দুপৰ

উদয়ন গোস্বামী,
**'ৰ'দালি'**, সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাস।

ৰাতিৰ বন্ধ কোঠাত
আৱদ্ধ মৌন সময়,
আশা নিৰাশাৰ
বলুকাত জীৱনৰ
আহত হৃদয়।
কবিতাওতো চকুপানী হ'ব পাৰে
মোৰ চকুপানীবোৰ বৈ আছে,
নীৰৱে
সংগোপনে;
কলমৰ আগেৰে
কবিতাৰ এটা স্বকীয় সত্যেৰে॥
কবি মই হওঁনে বাৰু ?
কবিতো নাছিলোঁ
মই কোনোকালে,
কবি সজালে মোক
দুঃখৰ দুপৰে ॥

* * *

## ধাৰাপাত

অমৰজ্যোতি তাঁতী,
**'দেৱালৰ স্বৰ'**, কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস।

আমাৰ ৰক্তত নাচে যুগৰ বৰ্বৰতা
চাৰিওদিশে কেৱল লালসাৰ পিঞ্জৰ।
ধৰিত্ৰীৰ গৰ্ভকোষত
নাঙলৰ ফাল—
যুগে যুগে তীক্ষ্ণ কৰে ধমনীৰ ধাৰ
সৃষ্টি কৰে জীৱনৰ উজ্জ্বল অন্ধকাৰ,
আমি যুগৰ ক্ৰীতদাস।
আমাৰ নাভি-কমলত আৱৰি আছে
উপবাসীৰ হতশ্বাস,
আমি যুগ বদলোৱাৰ ইতিহাস॥

* * *

## SAFDAR HASHMI —A PROFILE

LABANU SAIKIA,
"Natun Diganta", Swahid Ranjit
Barpuzari Hostel.

It was on Ist January, 1989, that our country witnessed the wildest show of cowardice and brutality. That day, the ghastly murder of Safdar Hashmi in broad daylight shook the very foundation of democracy. It revealed the brutal exploitation, cruelty of the people who lead the nation.



Safdar Hashmi, the victim of these ruthless power hungry people, was a symbol of love, dedication, unselfishness and perseverance. Throughout his 34 year old life, he strove for the working, exploited and neglected people of the country. Hashmi was born in 12th April, 1954. He started his academic career in Aligarh, but soon afterwards, he shifted to Delhi with his parents. After passing the H.S.examination from Lody Estate School, he joined the prestigious St. *Stephen's College*- In 1975, he got the master degree in English from the Stephen's College. Then he worked as a professor in Zakir Hussain College. He had also joined the Students' Federation of India (S. F. I.) in 1970. He had also intimate relations with Indian People's Theatre Association (I.P.T.A.). Since the early seventies till his death, he was busy performing many plays in public. His plays were performed on stages, in the open streets, and on benches placed together to form a platform. It was during one of his open street plays, "Halla Bol", in Sahibabad in U.P. that he and his companions were attacked by the goons of a political party. Safdar was ultimately killed by those goons. His life, full of hopes was stuffed out, but despite his death, all his hopes of a new society will probably be fulfilled very soon.

* * *

## ভাষা আয়োগ

অভিজিৎ বৰা,
*ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস।*

ৰেডিঅ' তথা বাতৰি কাকতত ঘোষণাটো শুনি সকলো মানুহে স্বস্তিৰ নিশ্বাস পেলালে। ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈকে গুণ গুণনি শুনা গ'ল যে এইবাৰৰ ডেকা মন্ত্ৰী কেইজনেহে হাতীত উঠি ফান্দী লগাব পাৰিব। সকলোৱে তেওঁলোকক বাঃ বাঃ দিবলৈ ধৰিলে।

ঘোষণাটো আছিল এনেধৰণৰ, যে যোৱা কালি ৰাজধানী শিলঘাটত অসমৰ বিভিন্ন স্তৰত কিদৰে অসমীয়া ভাষা প্ৰৱৰ্তন কৰিব পাৰি তাৰ পৰ্য্যালোচনাৰ বাবে এখন সমিতি গঠন কৰি দিয়া হৈছে। সমিতিৰ সদস্য সংখ্যা বৰ্তমানে পাঁচজন হ'ব যদিও অদূৰ ভৱিষ্যতে প্ৰয়োজনত সালসলনি কৰিব পৰা যাব। সমিতিৰ প্ৰধান সদস্য তথা সভাপতি শিক্ষা বিভাগৰ আয়ুক্ত মিঃ পি, ৰাঘৱন, আই, এ এছ। বাকী কেইজন মহাবিদ্যালয়ৰ অধ্যাপক আৰু বিভিন্ন সম্প্ৰদায়ৰ মাজৰ লোকৰ পৰা নিৰ্বাচিত। সমিতিৰ বিভিন্ন খৰচৰ বাবে পাঁচ লাখ টকাৰ এক পুঁজি আছুতীয়াকৈ ৰখা হ'ল।

ঘোষণাটোৱে এক মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। বিভিন্ন বিৰোধী গোটে ইয়াক ভেবোভাওনা বুলি অভিহিত কৰিলে আৰু আন ৰাইজে সভা-সমিতি পাতি ভোজ-ভাত খাই আদৰণি জনালে। কেউফালে এক উলাহপূৰ্ণ অৱস্থা দেখা গ'ল।

মুখ্যমন্ত্ৰীয়ে ঘোষণাৰ পিছতে এক ভোজ-মেল পাতি সদস্যসকলক আপ্যায়ণ কৰে। তাত সভাপতিয়ে অসমীয়া ভাষা প্ৰয়োগ কৰি কেনেকৈ আমি বিশ্বৰ এক নেতৃত্বপূৰ্ণ কৰ্তৃত্ব আয়ত্ব কৰিব পাৰোঁ তাকে কৈ বিপুল হাত চাপৰিৰে ভাষণ সামৰে। তাতেই তেওঁ ঘোষণা কৰে যে বিশেষ অসুবিধাৰ হেতু সমিতিৰ প্ৰথম অধিবেশন তিনিমাহৰ মূৰত বহিব।

তিনিমাহৰ পিছত নিৰ্ধাৰিত সময়ত সভা বহি সমিতিৰ নিয়মাৱলী বা সংবিধানৰ বাবে বিভিন্ন প্ৰস্তাৱ উত্থাপিত হয়। পুনৰ তিনিমাহৰ পিছত বহা সভাত সংবিধান বলবৎ কৰা হয়। এনেকৈয়ে এবছৰত চাৰিখন সভা পাতি কোনো বিশেষ মীমাংসাত উপনীত হ'ব পৰা নগ'ল।

এদিন এজনে এটা প্ৰস্তাৱ দিলে যে কৰ্ণাটকলৈ গৈ তাত কেনেকৈ এই কাৰ্য্য কৰা হৈছে তাৰ বিষয়ে ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰি অহা যাওক। সৰ্বসন্মতিক্ৰমে তেওঁলোক টালিটোপোলাৰ সৈতে এদিন কৰ্ণাটক পালেগৈ তাতে অসম ভৱনত থাকি প্ৰথম তিনিদিনমানলৈ গা টঙোৱাত ব্যস্ত থাকিল। তাৰ পিছত কেইবাদিনো চেষ্টা কৰি মুখ্য সচিবক লগ ধৰি আলোচনা কৰে। মুখ্য সচিবে আকৌ ভাষা বিভাগৰ আয়ুক্তক লগ ধৰাৰ কথা ক'লে। তেওঁক লগ ধৰিও কথা-বতৰা পতা হ'ল। বহুতো আলোচনা বিলোচনাৰ মাজত কেইদিনমান পাৰ কৰি তেওঁলোক ঘূৰি আহিল।

শিলঘাটলৈ আহি কেইবাদিনো মিলিত হৈ তেওঁলোকে ভ্ৰমণৰ টোকা প্ৰস্তুত কৰে। ইংৰাজীত লিখা টোকাটোৰ সাৰাংশ এয়ে হ'ল যে—তেওঁলোকে যি কামৰ কাৰণে গৈছিল তথা সমিতিৰ যি উদ্দেশ্য সি সফল হওঁহওঁ। তেওঁলোক যিহেতু অনা চৰকাৰী সমিতিৰ সদস্য গতিকে তেওঁলোকক এই বিষয়ৰ কাগজ-পত্ৰ তাৰ চৰকাৰৰ নিয়ম অনুসৰি দিয়া নহ'ল। গতিকে সমিতিয়ে এক বহুমূলীয়া সিদ্ধান্ত কৰে যে তেওঁলোকে এজন দায়িত্বশীল চৰকাৰী বিষয়াক কৰ্ণাটক ভ্ৰমণলৈ পঠাবলৈ প্ৰস্তাৱ দিব। লগতে সমিতিৰ ডেৰ বছৰীয়া কাৰ্য্যকাল শেষ হোৱাত নতুন সমিতিৰ নিৰ্বাচনৰ বাবে তেওঁলোকে এই পত্ৰৰ দ্বাৰাই আনুষ্ঠানিকভাৱে পদত্যাগ কৰি অসমীয়া ভাষাৰ উন্নতি কামনা কৰিছে।

'জয় আই অসম'। ***

দৃষ্টিভঙ্গী

# অসমৰ জনজাতীয় সমস্যা আৰু ইয়াৰ সমাধান

(বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাংস্কৃতিক বিভাগে আয়োজন কৰা উক্ত বিষয়ৰ প্ৰবন্ধ প্ৰতিযোগিতাৰ পৰা কেইখনমান ৰচনাৰ গুৰুত্বপূৰ্ণ কিছু অংশ সম্পাদিত ৰূপত ইয়াত প্ৰকাশ কৰা হ'ল ।—সম্পাদক । )

অসম এখন বহু জাতি-উপজাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা ৰাজ্য । কিন্তু, অসমৰ সাম্প্ৰতিক ঘটনাৱলী উদ্বেগেৰে লক্ষ্য কৰিলে দেখা যায় যে অসমৰ জনজীৱন এক দিশহাৰা আলি দোমোজাত ।....অসমত বাস কৰা বিভিন্ন জাতি উপজাতি আৰু জনগোষ্ঠী সমূহে তেওঁলোকৰ নিজ নিজ দাবিক লৈ আন্দোলনৰ পথত নামি পৰিছে । পৃথক গৃহভূমি, স্বায়ত্ব শাসিত জিলা, সংৰক্ষণ, অনুসূচীকৰণ, ভাষা আদি দাবিক কেন্দ্ৰ কৰিয়েই প্ৰায়বোৰ জনগোষ্ঠী আজি আন্দোলিত ।....

অসমৰ সংখ্যালঘু জনসাধাৰণৰ, প্ৰচলিত অৰ্থত জনজাতি সকলৰ, ওপৰত যুগ যুগ ধৰি চলি অহা বঞ্চনা আৰু নিপীড়নৰ ফলশ্ৰুতিতেই এই আন্দোলনবোৰ গা কৰি উঠিছে ।....

সাংস্কৃতিক দিশত অসমৰ জনজাতি সকলে বিভিন্ন প্ৰকাৰৰ সমস্যাৰ সন্মুখীন হ'ব লগীয়া হৈছে । ইয়াৰ ভিতৰত স্বকীয় অস্তিত্ব ৰক্ষাৰ সমস্যা, ভাষা সমস্যা, উন্নত সাংস্কৃতিক পৰম্পৰা গ্ৰহণৰ সমস্যা আৰু জাতীয় সংহতি তথা সাম্প্ৰদায়িক ঐক্য সম্প্ৰীতিৰ সমস্যাই প্ৰধান ।

....আমাৰ আৱেগপ্ৰৱণ আৰু সহজ সৰল জনজাতীয় ভাইভনীসকলে নিজৰ পূৰ্বৰ ৰীতি-নীতিকে কোঢ়ামুঠিয়াকৈ ধৰি থকাৰ ফলত তাৰ সংস্কাৰত আৰু সাংস্কৃতিক পৰিৱৰ্তন সমূহ গ্ৰহণৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে। ....'সাম্প্ৰদায়িক ঐক্য' আৰু 'জাতীয় সংহতি' মূলতঃ বুজাবুজি আৰু সহানুভূতিজনিত বিষয় । ইয়াক জোৰকৈ ক'তো প্ৰতিষ্ঠা কৰিব নোৱাৰি । কিন্তু বৰ্তমানৰ ভাৰতীয় প্ৰেক্ষাপটত ৰহতো ৰাজনৈতিক তথা অন্যান্য ক্ষমতালোভী শক্তিয়ে বিষবৃক্ষৰ বীজ সিঁচি থকা আৰু ৰুটিছে চলাই যোৱা "Divide And Rule policy"ৰ উত্তৰ সাধক হৈ থাকি যোৱাৰ ফলত এই সমস্যাই ক্ৰমাৎ ভয়াবহ ৰূপ ল'বলৈ ধৰিছে ।

....ভাৰতৰ সমগ্ৰ কৃষিজীৱী পৰিসংখ্যাৰ সিংহভাগ অধিকাৰ কৰা শতকৰা ৯৮ ভাগ জনজাতীয় লোকে আজি অৰ্থনৈতিক সমস্যাৰ কৰাল গ্ৰাসত পৰিছে । প্ৰধানকৈ ভূমিহীনতা, নিবনুৱা সমস্যা, মূলধনৰ অভাৱ আদি সমস্যাত এওঁলোকে হাবু-ডুবু খাইছে ।

অসমৰ জনজাতিসকলে মানৱ ইতিহাসৰ স্বাভাৱিক বৈশিষ্ট্য অনুসৰি ব্ৰহ্মপুত্ৰ তথা ইয়াৰ উপনৈ বিলাকৰ কাষতে নদীপৰীয়া সভ্যতা গঢ়ি তুলিছিল।....কিন্তু, নদীপৰীয়া মানুহবিলাক আজি যুগে যুগে 'নদীৰ ধ্বংসলীলাৰ সন্মুখীন হৈ থকাদি পৰ্বতীয়া জনজাতিসকল সমস্যাৰ গৰাহত পৰা নাছিল । কিন্তু বৰ্তমান সকলো ঠাইতে হোৱা প্ৰবল ভূমিস্খলন, গৰাখহনীয়া আৰু মাটিৰ উৰ্বৰতাহীনতাই এই সমস্যা সৃষ্টি কৰিছে । কোবাল গতিত বাঢ়ি অহা জনসংখ্যায়ো এই ক্ষেত্ৰত জ্বলা জুইত ঘি ঢালিছে ।'....

সংবিধান প্ৰণয়নৰ সময়তেই ভাৰতীয়-চিন্তাবিদসকলে এবাৰৰ বাবে মাথোন এই জনজাতীয় সকলৰ কথা ভাবিছিল । আৰু দহ বছৰৰ ভিতৰতে পিছপৰা জনগোষ্ঠীসমূহক বাকীসকলৰ সমপৰ্য্যায়লৈ অনাৰ আঁচনি গঢ়িছিল । কিন্তু পিছলৈ একো উল্লেখযোগ্য প্ৰগতি হোৱা যেন নেদেখি দহবছৰ দহবছৰকৈ মুঠ তিনিবাৰ এই সময় সীমা বঢ়োৱা হ'ল । অৱশ্যে জনজাতি সকলৰ হিতৰ কাৰণে নহয়, একমাত্ৰ ৰাজনৈতিক মুনাফা লাভৰ কাৰণে। ....এই সংৰক্ষণে এক মানৱীয় আবেদনত পৰিণত নহৈ কোনোবাই কাষোবাৰ প্ৰতি কৰা দয়াহে হ'লগৈ । আৰু এনেদৰেই আন্তৰিকতাহীনতাৰ বাবে জনজাতীয় সমস্যা জনজাতীয় সমস্যা হৈয়ে ৰ'ল । স্বাধীনতাৰ পূৰ্বৰ পৰা কৰি অহা দাবিসমূহৰ পৰিপ্ৰেক্ষিতত অসমৰ পৰা এখন এখনকৈ ৰাজ্য ভাগ হ'বলৈ ধৰিলে আৰু বৰ্তমানৰ ক্ষুদ্ৰ অসমখনতো ক্ষুদ্ৰ জাতি-সত্তাসমূহে স্বাধিকাৰ লাভৰ আশাত পৃথকতাবাদী ৰাজনৈতিক মঞ্চ তৈয়াৰ কৰা পৰিলক্ষিত হৈছে ।

....ৰাজনৈতিক দল, ৰাজনীতিজ্ঞ আৰু চৰকাৰ আদি ৰাজনীতিৰ সৈতে জড়িত সকলে অন্ততঃ নিজৰ ৰাইজৰ প্ৰতিনিধি তথা 'গণতন্ত্ৰ'ৰ বাহক হিচাপে নিজৰ স্বাৰ্থ চিন্তাৰ পৰা অলপ আঁতৰি এইচাম মানুহৰ সমস্যাৰাজিৰ এটা আন্তৰিক বিশ্লেষণ কৰি পৰ্য্যায়ক্ৰমে বিজ্ঞানসন্মত পৰিকল্পনাৰে এটা উন্নতিৰ পথ প্ৰশস্ত কৰাত নিয়োজিত হ'ব লাগে ।

—মঃ ছালিম আলি আহমেদ,
স্নাতক ২য় বৰ্ষ (কলা)।

* * *

"....অসমীয়া জাতি সংমিশ্ৰণৰ পৰা হোৱা জাতি ।....অসমীয়া জাতি গঠন হৈছে জনজাতি আৰু অজনজাতিৰ সমন্বয় আৰু ঐক্য সংহতিত ।....জনজাতি সকল অসমৰ ভূমিপুত্ৰ; আদিম অধিবাসী । বড়ো, টিৱা, ৰাভা, মিচিং, দেউৰী, ডিমাছা, লালুং, সোণোৱাল, কছাৰী আদিয়েই হৈছে অসমৰ জনজাতি ।

....জনজাতীয় ৰাইজৰ ৰক্ষণাবেক্ষণৰ নিমিত্তে ১৯৪৬ চনতে "অসম ভূমি ৰাজহ আইন, ১৮৮৬"ৰ আৱশ্যকীয় সংশোধনেৰে জনজাতি বসতিপ্ৰধান অঞ্চল সমূহত 'বেল্ট' আৰু 'ব্লক'ৰ সৃষ্টি কৰি আন্তৰিকতাৰ পৰিচয় দিয়া হৈছিল যদিও তাৰ পাছৰ সময়ছোৱাত কিন্তু অজনজাতীয় ৰাইজৰ ক্ৰমবৰ্ধমান ভূমি সমস্যাই অগ্ৰাধিকাৰ পাবলৈ ধৰাত জনজাতীয় সকলৰ স্বাৰ্থ তল পৰি থাকিল । সংৰক্ষিত জনজাতীয় আৱেষ্টনী সমূহত অজনজাতীয় আৰু বহিৰাগতৰ ক্ৰমাগত বেদখল আৰু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অমনোযোগিতাৰ ফলত জনজাতীয় সকলৰ ভূমি সমস্যাই এক গুৰুতৰ ৰূপ ধাৰণ কৰিছে ।....

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ সমূহত নিয়োগৰ ক্ষেত্ৰত জনজাতীয় ৰাইজৰ বাবে থকা ন্যূনতম সাংবিধানিক ৰক্ষণাবেক্ষণৰ নিয়ম

সঠিকভাৱে কাৰ্য্যকৰী নকৰাৰ ফলত প্ৰায় সকলো পৰ্য্যায়ৰ চাকৰিৰ ক্ষেত্ৰতেই এতিয়া ক্ৰমবৰ্ধমান "বেকলগ"ৰ সৃষ্টি হৈছে।....

স্বাধীনতাৰ পাছৰে পৰা ৰাজনৈতিক মঞ্চত নেতৃত্ব দিব পৰা জনজাতীয় নেতা নাই বুলি ক'লেও বঢ়াই কোৱা নহয়। যি দুই-চাৰিজন আছে তেওঁলোকেও জনজাতীয় ৰাইজৰ সত্য আৰু বাস্তৱ সমস্যা সমূহ প্ৰকাশ কৰিবলৈ টান পায়। দলীয় আৰু নিজ স্বাৰ্থ পূৰণতেই তেওঁ-লোক ব্যস্ত থাকি সমস্যাবোৰৰ পৰা গা এৰাই চলে। ফলস্বৰূপে মুষ্টিমেয় জনজাতীয় নেতাই মাত্ৰ ঐশ্বৰ্য্য সম্পদ গোটালে আৰু বাকী বোৰ য'ৰে মানুহ ত'তেই থাকি গ'ল....

....অসমৰ জনজাতীয় সকল শিক্ষাৰ ক্ষেত্ৰত আজিও বহুত পিছ পৰি আছে। জনজাতীয় সকলৰ মাজতেই নিৰক্ষৰতাৰ হাৰ অধিক। ..আৰ্থিকভাৱে অনগ্ৰসৰ জনজাতীয় সকলক শিক্ষা লাভৰ ক্ষেত্ৰত অৰ্থইও অন্তৰায় ৰূপে দেখা দিছে।....

অসমৰ প্ৰায়বোৰ জনজাতিৰেই নিজা নিজা ভাষা আছে। এই ভাষাসমূহৰ আজিও সম্পূৰ্ণ বিকাশ হোৱা নাই। বহুতো ভাষাৰ নিজা লিপি, অভিধান, ব্যাকৰণ আদি নাই।

জনজাতীয় কৃষ্টি আৰু সংস্কৃতি অসমীয়া লোক সংস্কৃতিৰ বুনিয়াদ স্বৰূপ। কিন্তু জন-জাতীয় লোক-কলা বা লোক-কৃষ্টি সমূহৰ বিকাশৰ সু পৰিকল্পিত ব্যৱস্থা আন্তৰিকতাৰে গ্ৰহণ কৰা হোৱা নাই বুলি ক'ব পাৰি। জনজাতীয় সমাজত প্ৰচলিত অনবদ্য লোক-নৃত্য তথা লোক-কলা সমূহক উদাৰচিত্তে স্বীকৃতি নিদিয়াটো তেওঁলোকৰ বাবে মানসিক আঘাত স্বৰূপ হৈ পৰিছে ।

জনজাতীয় সমস্যাসমূহৰ ৰাজনৈতিক সমাধানেই একমাত্ৰ পথ বুলি ক'ব নোৱাৰি। সুকীয়া ৰাজ্য কিম্বা স্বায়ত্ব শাসনে জনজাতীয় সমস্যা সমূহৰ সমাধান আনিব বুলি আশা কৰিব নোৱাৰি।....

**ভূপেন কুমাৰ নাথ,**
স্নাতক ১ম বৰ্ষ (কলা)।

* * *

..আধুনিক শিক্ষাৰ ক্ষেত্ৰত এতিয়াও যথেষ্ট পিছ পৰা অসমৰ জনজাতি সকলৰ মাজত উচ্চাকাংক্ষাৰ মধ্যবিত্ত শ্ৰেণী এটাই গঢ় লৈ নুঠা পৰ্য্যন্ত দীৰ্ঘদিনীয়া অৱহেলা আৰু বঞ্চনায়ো বহুদিনলৈকে তেওঁলোকৰ মাজত কোনো সমূহীয়া অসন্তোষৰ ভাব সৃষ্টি কৰিব পৰা নাছিল। কিন্তু, স্বাধীনোত্তৰ কালছোৱাত এই লোকসকলৰ নিমিত্তে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ প্ৰভাৱ আৰু আধুনিক শিক্ষাৰ ক্ৰমাগত প্ৰসাৰৰ ফলত এওঁলোকৰ মাজতো ক্ৰমান্বয়ে গা কৰি উঠা মধ্যবিত্ত শ্ৰেণীটোৱে স্বকীয় অস্তিত্ব আৰু স্বাৰ্থ হৃদয়ংগম কৰিব পৰা হোৱাৰে পৰাই পদে পদে অসমীয়া-ভাষী মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰতিপত্তি উপলব্ধি কৰিবলৈ আৰম্ভ কৰিলে। শ্ৰেণী গঠন প্ৰক্ৰিয়া-টোৰ একেবাৰে প্ৰাথমিক পৰ্য্যায়তে থকা শিক্ষিত জনজাতীয় মানুহচামে এতিয়াও ধনতান্ত্ৰিক প্ৰক্ৰিয়াটোৰ শোষণ আৰু শাসনৰ কথা উপ-লব্ধি কৰিব নোৱাৰি, সীমিত আশা-আকাংক্ষাৰ পথত প্ৰতিবন্ধক হিচাপে থিয় দিয়া অসমীয়া-ভাষী মধ্যবিত্তচামকে এওঁলোকে সম্প্ৰতি জন-জাতীয় ৰাইজৰ অনগ্ৰসৰতাৰ প্ৰধান কাৰণ হিচাপে সাব্যস্ত কৰি লৈ 'অসমীয়াভাষী অসমীয়া'ৰ বিৰুদ্ধে জনমত গঠনৰ বাবে উঠি-পৰি লাগিছে।....

..বিক্ষুব্ধ জনজাতীয় লোকসকলক সন্তুষ্ট কৰি ৰাখিবৰ বাবে সময়ে সময়ে যিবিলাক আঁচনি গ্ৰহণ কৰা হ'ল, সেইবোৰ কোনো পৰি-কল্পনা নোহোৱাকৈ জধে মধে হাতত লোৱাৰ ফলত সমস্যাৰ সমাধান নহৈ জটিলতাহে সৃষ্টি কৰিলে। ..সংৰক্ষিত জনজাতীয় আৱেষ্টনী সমূহত অজনজাতীয় লোকৰ ক্ৰমাগত বেদখলৰ ফলত জনজাতীয় সকলৰ ভূমি সমস্যাই এক গুৰুতৰ ৰূপ ধাৰণ কৰে।....

..জনজাতীয় গোটসমূহলৈ সাধাৰণ ক্ষমতা আৰু বিত্তীয় ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ বাবে সৰ্বগ্ৰহণযোগ্য ধৰণৰ ব্যৱস্থা এটা গ্ৰহণ কৰিব পৰা যায়। অৱশ্যে এনে এটা সিদ্ধান্তৰ বাবে সকলোতকৈ প্ৰয়োজনীয় দিশটো হৈছে অসমীয়া-ভাষী সকলৰ সদিচ্ছা আৰু আন্তৰিক সহানু-ভূতি।....

**মঞ্জিৰা শৰ্মা,**
স্নাতক ১ম বৰ্ষ (কলা)।

* * *

....অসমৰ জনজাতীয় মানুহখিনিৰ সুখ-দুখৰ অনুভূতিবোৰক বাস্তৱক্ষেত্ৰত উপলব্ধি নকৰাকৈয়ে ভুৱা আশ্বাসেৰে ক্ষমতাৰ গাদী দখল কৰি থকা সকলে নিৰ্বাচনৰ বাহিৰে আন সময়ত জনজাতীয় ভাই-ভনীহঁতৰ সমস্যাৰাজিৰ কথা ভাবিবলৈ সময় নাপায়।....

..যোৱা কিছু বছৰ ধৰি অসমত পৃথক ৰাজ্য আৰু ভাষিক অঞ্চলভিত্তিক স্বায়ত্ব শাসনৰ বাবে আন্দোলন তীব্ৰ হৈ উঠা পৰিলক্ষিত হৈছে। পৃথক ৰাজ্য সৃষ্টিৰ প্ৰক্ৰিয়াটোৱে যে প্ৰকৃততে মধ্যবিত্ত শ্ৰেণী এটাকহে লাভান্বিত কৰি আহিছে, সেই কথাৰ প্ৰমাণ ইতিমধ্যেই পোৱা হৈছে।..

.. পুৰণি কালত 'উচ্চ' হিন্দু সমাজত জনজাতীয় সকলৰ প্ৰতি দেখুওৱা অৱহেলাৰ মনোভাৱ আজিকালিৰ সমাজত কমিছে যদিও একেবাৰে নাই বুলিব নোৱাৰি. এনে মনো-ভাৱে জনজাতীয় ভাই সকলৰ মনত বহু দিনৰে পৰা ক্ষোভ সঞ্চিত কৰি আহিছে।....

..পৰিস্থিতিৰ গুৰুত্বলৈ চাই জনজাতীয় 'বেল্ট' আৰু 'ব্লক'বোৰ পুনৰ গঠন কৰাৰ আৱশ্য-কতা আহি পৰিছে। জনজাতীয় লোক সকলৰ খেতিৰ মাটি পুনৰুদ্ধাৰ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। এই সম্পৰ্কীয় আইনবোৰ আখৰে আখৰে পালন কৰাটো অতি প্ৰয়োজনীয়।..

**বিদ্যুৎ বৰা,**
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)।

* * *

..ভূমি সমস্যা জনজাতীয় সকলৰ এক ডাঙৰ সমস্যা। জনজাতীয়সকলে স্থায়ী ভূমিৰ অভাৱৰ বাবে বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয়।....

শিক্ষাৰ বিস্তৃত প্ৰসাৰ নোহোৱা বাবে জন-জাতীয় লোকসকল বিভিন্ন ধৰণৰ কু-সংস্কাৰৰ বলি হ'ব লগা হৈছে; যাৰ ফলত সামাজিক সমস্যা কিছুমানে তেওঁলোকক গ্ৰাস কৰাৰ সুবিধা পাইছে।....

জনজাতীয় লোক সকলৰ মাজৰ পৰাই নিৰ্বাচিত হৈ যোৱা প্ৰতিনিধি সমূহে 'ঘৰ শত্ৰু বিভীষণ'ৰ ভাও লৈ ৰাজনৈতিক সমস্যা কিছু-মানৰ সৃষ্টি কৰে। নিৰ্বাচিত প্ৰতিনিধিবোৰে নিজৰ 'খণ্ড', নিজৰ 'সমষ্টি'ৰ উন্নয়নৰ পৰি-বৰ্তে নিজৰ পৰিয়ালৰ 'উন্নতি'ৰ বাবেহে অধিক মনোযোগ দিয়াটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক ।

..জনজাতীয়সকল অসমৰ আদিম বাসিন্দা, ভূমিপুত্ৰ। বৰ্তমান অসমৰ সন্মিলিত জাতি-সত্তা আৰু ভাষা-সংস্কৃতি গঢ়ি তোলাত এই জনজাতীয় লোকসকলৰ অৰিহনা আটাইতকৈ বেছি। বিভিন্ন দিশৰ পৰা যাতে জনজাতীয় লোকসকল শোষিত নহয় তাৰ বাবে অজন-জাতীয় লোকসকল সজাগ হোৱা উচিত।

জনজাতীয় সমস্যাৰ অন্তৰালত চৰকাৰৰ নীতি আৰু কাৰ্য্যক্ৰমকো আমি দায়ী বুলি ক'ব পাৰোঁ। শাসনৰ বাঘজৰীডাল ধনিক শ্ৰেণীৰ

হাতত। উৎপাদনৰ আহিলা সমূহৰ মালিকী-স্বত্বও এই শ্ৰেণীৰ হাততে। নিজৰ শ্ৰেণী-স্বাৰ্থৰ বাবেই জনজাতীয় সকলৰ বাবে থকা সংবিধান প্ৰদত্ত সা-সুবিধা, অধিকাৰ আৰু আইনৰ সুৰক্ষা সমূহ কাৰ্য্যকৰী কৰা হোৱা নাই। ফলত সমস্যাই মূৰ দাঙি উঠিবলৈ বাধ্য হৈছে।....

ভাৰতত সমাজবাদ প্ৰতিষ্ঠা হ'ব তেতিয়াহে, যেতিয়া দেশখনৰ সমূহ জনসাধাৰণে 'এক মঞ্চ'ৰ জৰিয়তে জনজাতীয় সমস্যাকে ধৰি বিভিন্ন সমস্যা সমূহ সমাধান কৰাৰ বাবে বাস্তৱ দৃষ্টিভংগী দাঙি ধৰিবলৈ সক্ষম হ'ব।

**অপৰ্ণা দেৱী,**
স্নাতকোত্তৰ মহলা, প্ৰাৰম্ভিক বৰ্ষ।

* * *

..সমাজৰ নিম্ন স্তৰত জনজাতীয় সকলৰ অৱস্থিতিৰ হাৰ ক্ৰমান্বয়ে বাঢ়িবলৈ লৈছে;---তেওঁলোক জাতিগতভাৱেই দুখীয়া আৰু শোষিত হৈ পৰিছে। এহাতে অজনজাতীয় কৃষক সন্তান সকলৰ বৃহৎ সংখ্যকেই চহৰমুখী হৈ চহৰবাসী নিম্ন মধ্যবিত্ত হৈ পৰিছে, আনহাতে জনজাতীয় সকলৰ প্ৰায় ভাগেই উদ্যোগ প্ৰতিষ্ঠানৰ শ্ৰমিকলৈ ৰূপান্তৰিত হৈছে। জনজাতীয় এলেকা সমূহতো আধি-খেতিয়কৰ মাটিৰ মালিক হিচাপে অ-জনজাতীয় চহকী লোকৰ প্ৰাচুৰ্য্য দেখা যায়। জনজাতীয় লোকৰ মাটি সংৰক্ষণৰ ব্যৱস্থা থকা 'বলক', 'বেল্ট'বোৰতো ধনী অজনজাতীয় লোকে আইনৰ নানা সুৰুঙাইদি বহু খেতি-মাটি দখল কৰি পেলাইছে।....

..অসমৰ সকলোজাতি-জনজাতিৰে দুখীয়া কৃষক, কৃষি-শ্ৰমিকৰ অৱস্থা অতি ভয়াবহ। 'আধিয়াৰ প্ৰথা'ৰ অধিকাৰ বিৰোধী ভাগ-বটোৱাৰা, হালোৱা আৰু কৃষি খণ্ডৰ দিন হাজিৰা কৰা শ্ৰমিকৰ অতি নিম্ন হাৰৰ মজুৰি, আৰু উন্নত কৃষি পদ্ধতিৰ বাবে চৰকাৰী আৰু ব্যক্তিগত মূলধনৰ অভাৱ আদিৰ বাবে খেতিয়ক সকল সমস্যাৰ সন্মুখীন হৈছে। অৱশ্যে ব্যক্তিগত প্ৰচেষ্টাৰ অভাৱো বিশেষ তাৎপৰ্য্যপূৰ্ণ। বেংকৰ ঋণৰ দুৰ্নীতি, জটিলতা আদিৰ বাবে মহাজন অথবা আন ব্যক্তিগত পুঁজিৰ পৰা ধাৰে লোৱা ধনৰ উচ্চহাৰৰ সুত শোধাবলৈ গৈ কৃষক সকল সৰ্বহাৰা হোৱাৰ উপক্ৰম ঘটিছে। এইবিলাকৰ লগতে বানপানীৰ অত্যাচাৰৰ ফলত অসমৰ দুখীয়া খেতিয়ক শ্ৰেণীৰ আৰু বিশেষকৈ---জনজাতীয় সকলৰ জীৱন অসহায় ভাৱে দুৰ্বহ হৈ পৰিছে।

**শঙ্কৰ কৃষ্ণ দাস,**
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান)।

* * *

..ভাৰতবৰ্ষৰ আন আন ঠাইৰ জনজাতীয় লোকসকলৰ দৰেই আন বহুতো অজনজাতীয় লোকতকৈ শিক্ষা, জীৱিকা আৰু আৰ্থিক দিশত অসমৰ জনজাতীয় লোকসকল পিছপৰি আছে।

..কৃষি ব্যৱস্থাত অসমীয়া কৃষকে এতিয়াও বহুলভাৱে বৈজ্ঞানিক প্ৰণালীৰ প্ৰয়োগ কৰা নাই। সাধাৰণতে জনজাতীয় অঞ্চলসমূহ অনুন্নত। ..গতিকে এনে অঞ্চলত উন্নত কৃষি ব্যৱস্থাৰ প্ৰয়োগ নোহোৱাটো স্বাভাৱিক। অনুন্নত পদ্ধতিৰে খেতি কৰি এনে লোকসকলে কোনোৰকমেহে জীৱিকা নিৰ্বাহ কৰি থাকে। ..

জনজাতীয় লোকসকলৰ অঞ্চলসমূহ অনুন্নত হোৱাৰ প্ৰধান কাৰণ হ'ল শিক্ষাৰ অভাৱ।.. জনজাতীয় লোকসকলৰ যিবোৰ পিছপৰা ঠাই সেইবোৰত মাদক দ্ৰব্য, সুৰা আদিৰ প্ৰচলনে পৰিবেশটোক অস্বাভাৱিক কৰি ৰাখে।....

পৰিবহন ব্যৱস্থা সুচল নোহোৱা কাৰণেও কেতবোৰ জনজাতীয় এলেকা অনুন্নত হোৱা দেখা যায়। ইয়াৰ উপৰিও শিক্ষানুষ্ঠানৰ অভাৱতো বহুতো জনজাতীয় এলেকা পিছপৰা। দূৰৈৰ বা চহৰৰ শিক্ষানুষ্ঠানত তেওঁলোকৰ ল'ৰা-ছোৱালীক শিক্ষা দিয়াত আৰ্থিক দিশৰ পৰাও অসুবিধা হয়।

সৰহভাগ জনজাতীয় লোকৰে পৰিয়ালৰ জনসংখ্যা সৰহ। অনুন্নত কৃষি ব্যৱস্থাৰে যি হয় তাৰে নিজৰ পৰিয়ালক ভৰণ-পোষণ দিবলৈও নাটেগৈ।..

..অসমৰ জনজাতীয় লোকসকলৰ জীৱন সমস্যাবহুল। আৰ্থিক দিশতেই হওক, শৈক্ষিক দিশতেই হওক বা জীৱিকাৰ ক্ষেত্ৰতেই হওক, এই লোকসকলৰ সৰহভাগেই ভুক্তভোগী। কোনো কোনো জনজাতীয় লোকৰ মনত বাহ লোৱা আঞ্চলিক ভাবটোও এনে এক সমস্যা। দেশ এখনক উন্নতিৰ পথত আগবঢ়াই নিব লাগিলে ইয়াৰ প্ৰতিটো দিশেই আগবাঢ়ি যাব লাগিব।..সেয়ে দেশখনৰ প্ৰগতিৰ বাবে এই সমস্যাবহুল জনজাতীয় লোক সকলকো আগবঢ়াই নিব লাগিব।..

**ৰীণা ৰাণী বৰদলৈ,**
স্নাতক ৩য় বৰ্ষ (কলা)।

* * *

..জনজাতীয়সকলে তেওঁলোকৰ আন্দোলনৰ সমৰ্থনত নানান বন্ধ আৰু অন্যান্য কাৰ্য্যসূচী হাতত লৈছে।..এই আন্দোলনসমূহৰ মূল কথা হৈছে অসমক পুনৰ গঠন কৰিব লাগে; ই জনজাতীয় সকলৰ পৃথক ভূমিয়েই হওক বা ফেডাৰেল গাঁথনিয়েই হওক। কিন্তু ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ কিমান উপকাৰ হ'ব বা তেওঁলোকৰ অৰ্থনৈতিক সমস্যাসমূহৰ সমাধান হ'বনে সেই কথাই বিশেষ গুৰুত্ব পোৱা নাই। সঁচা কথা যে স্বাধীনোত্তৰ কালৰ প্ৰতিটো প্ৰশাসনেই অনুন্নত লোকসকলৰ আৰ্থসামাজিক উন্নয়নৰ বাবে যিমানখিনি কৰিব লাগিছিল, সিমান খিনি কৰা নাই। সেই বুলি মাথোন পৃথক পৃথক গোট গঠন কৰিলেই এই সমস্যাসমূহৰ সমাধান হ'ব বুলি আশা কৰিব নোৱাৰি। আজি ক্ষুদ্ৰ অসমৰে আৰ্থিক বিকাশ ভাৰতৰ আন ৰাজ্যৰ তুলনাত কম; ক্ষুদ্ৰতৰ কিছুমান গোট এই অসমৰ পৰাই সৃষ্টি কৰিলে, সেই বিলাকৰ অৱস্থা তদনুৰূপ বা অধিক শোচনীয় হোৱাৰ সম্ভাৱনা নথকা নহয়। সম্প্ৰতি আৱেগিক দৃষ্টিভংগীয়ে বেছি গুৰুত্ব পাইছে আৰু জাতিগত প্ৰশ্নত সেইটো হোৱা প্ৰায়েই দেখা যায়।

..অতি গুৰুত্বপূৰ্ণ কথা যে সৰ্বসাধাৰণ জনজাতীয় আৰু অজনজাতীয় লোকৰ মাজত কোনো বিৰূপ মনোভাৱ নাই।..জনজাতীয় সমস্যাৰ দৰে আন বহুতো সমস্যাৰ সৃষ্টিৰ মূলতে হ'ল বিভাজনবাদী নীতি আৰু সিবোৰৰ সৈতে হাত উজান দিয়া এচাম সুবিধাভোগী।

..জনজাতীয় সকলে অনুভৱ কৰিছে যে তেওঁলোকৰ ভাষা-সংস্কৃতিৰ নিৰাপত্তা অসমত নাই। আনকি বেদখলকাৰীৰ বাধাহীন প্ৰতাপত তেওঁলোকৰ জীয়াই থকাৰ নিশ্চয়তাও হ্ৰাস পাব ধৰিছে। চৰকাৰে এই সমস্যাসমূহৰ ক্ষেত্ৰত আন্তৰিকতা প্ৰদৰ্শনত ব্যৰ্থ হোৱা যেন লাগে।..

..অসমৰ জনজাতীয় সমস্যাটো সমাধানৰ ক্ষেত্ৰত বাস্তৱ কাৰ্য্যপন্থা হাতত লোৱাৰ সলনি সংশ্লিষ্ট প্ৰায় সকলো পক্ষই আন পক্ষসমূহৰ দোষাৰোপ কৰিয়েই নিজৰ স্থিতি শক্তিশালী কৰাৰ আত্মঘাতী প্ৰয়াস চলাই আছে।..আমাৰ ভুলৰ বাবেই বৰ অসমৰ পৰা অৰুণাচল, নাগালেণ্ড, মেঘালয়, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰাৰ জন্ম হ'ল। বৰ্তমান অসমৰ যি সংকটেই দেখা নিদিয়ক, অসমীয়াই পুনৰ ভুল কৰিব নালাগে।....

**অনুৰাধা বৰুৱা,**
স্নাতক ১ম বৰ্ষ (কলা)।

# চাহ শ্ৰমিকৰ সমস্যা

অমৰজ্যোতি তাঁতী,
স্নাতকোত্তৰ (উদ্ভিদ বিজ্ঞান)।

যদিও ১৮২৩ চনতেই থলুৱা চাহগছ অসমত প্ৰথমে আৱিষ্কাৰ হৈছিল, "ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চীনদেশৰ লগত চাহ ব্যৱসায়ত তেওঁলোকৰ একাধিপত্য প্ৰতিষ্ঠা কৰিব নোৱৰাতহে অসমত চাহ খেতিৰ প্ৰতি মনোযোগ দিয়ে। ভাৰত চৰকাৰে পোন প্ৰথমবাৰৰ বাবে ১৮৩৩ চনত অসমৰ তেতিয়াৰ লক্ষীমপুৰ জিলাত এখন চাহ বাগান প্ৰতিষ্ঠা কৰে। ১৮৩৯ চনত 'অসম চাহ কোম্পানী' স্থাপিত হয় আৰু জয়পুৰৰ চৰকাৰী বাগিছা এই কোম্পানীৰ হাতলৈ ১৯৪০ চনত হস্তান্তৰ কৰা হয়। সু-পৰিচালনা আৰু তত্ত্বাৱধানৰ অভাৱত ১৮৪৬-৪৭ চনত কোম্পানী জটিল সমস্যাৰ সন্মুখীন হয়।

১৯৫২ চনলৈ কোম্পানীৰ অৱস্থা কিছু উন্নীত হয় আৰু সেই সময়তে কেইজনমান ব্যৱসায়ী চাহ খেতিৰ বাবে আগবাঢ়ি আহে। ১৮৫৯ চনত অসমত দ্বিতীয়টো চাহ কোম্পানী—'যোৰহাট চাহ কোম্পানী' স্থাপিত হয়। ১৮৫৯-৬৬ কালছোৱাত অসমত কেইবাখনো বাগান প্ৰতিষ্ঠা হয়।

অসমৰ চাহ বাগিছাত কাম কৰিবৰ বাবে চাহ খেতিয়কসকলে প্ৰথমতে চীনদেশৰ পৰা শ্ৰমিক আনিছিল যদিও আৰ্থিক তথা বিভিন্ন দিশৰ ফালৰ পৰা ই সম্পূৰ্ণ ভাৱে ব্যৰ্থ হয়। থলুৱা শ্ৰমিকো যথেষ্ট সংখ্যক নাছিল। গতিকে অসমত চাহ খেতিৰ পৰিসৰ বৃদ্ধি কৰিবৰ বাবে দেশৰ বিভিন্ন প্ৰদেশৰ পৰা অসমলৈ অনা শ্ৰমিকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। সেই সময়ত দেখা দিয়া হাইজা, কলেৰা আদি ৰোগত বহুতো শ্ৰমিক মৃত্যু মুখতো পৰে। "অসমত গছৰ গুৰি খুচৰিলেই সোণ পোৱা যায়"—ঠিক সেই ধাৰণা লৈ, মূলতঃ জীৱিকাৰ সন্ধানতেই ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰাই সেইচাম লোক নিজ নিজ ৰাজ্য (বেঙ্গল, উৰিষ্যা, বিহাৰ, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, অন্ধ্ৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আদি) এৰি অসমলৈ আহে।

ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আহিলেও অসমৰ সেউজী পাতৰ মাজে মাজে প্ৰতিটো সম্প্ৰদায়ে সম্পূৰ্ণ স্বকীয়তা, এৰাধৰা, দিয়া-লোৱাৰ অৱশেষত এটি সম্প্ৰদায়ত পৰিণত হ'ল—চাহ-মজদুৰ, চাহ-বনুৱা বা চাহ-শ্ৰমিক সম্প্ৰদায়।

অসমত বৰ্তমানে চাহ-শ্ৰমিক সম্প্ৰদায়ৰ লোকৰ সংখ্যা ৪৫ লাখতকৈও অধিক। ১৯৮৬ চনৰ শেষৰ পৰিসংখ্যা মতে ইয়াৰে মাত্ৰ ৩,৮৮,৬৯৮ জন স্থায়ী শ্ৰমিক আৰু ১,৮২,১৫৩ জন অস্থায়ী শ্ৰমিক। গতিকে সম্প্ৰদায়টোৰ প্ৰায় ৮৮ % লোকেই বৰ্তমান শ্ৰমিক নহয়।

প্ৰাক স্বাধীনতা কালৰে পৰাই চাহ-শ্ৰমিক সকল ৰাজনৈতিক ভাৱে একেবাৰে অসচেতন। সেই সময়ত চাহ-শ্ৰমিকসকল শিক্ষাৰ পোহৰৰ পৰা সম্পূৰ্ণভাৱে বঞ্চিত হৈ আছিল। দেশৰ অন্যান্য লোকৰ তুলনাত এতিয়াও চাহ-শ্ৰমিক সকলৰ শিক্ষিতৰ হাৰ একেবাৰে নগণ্য।

বাস্তেখনৰ ৰাজনৈতিক দিশ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত অসমৰ দ্বিতীয় প্ৰধান জনগোষ্ঠী চাহ মজদুৰ সকলক ট্ৰেড্ ইউনিয়ন সমূহে প্ৰভাৱ বিস্তাৰ কৰি অহা দেখা গৈছে। যদিও ট্ৰেড্ ইউনিয়ন সমূহ অৰাজনৈতিক সংগঠন, শ্ৰমিক সংগঠন তথা ট্ৰেড্ ইউনিয়ন সমূহ দলীয় ৰাজনৈতিক কাৰ্য্যকলাপেৰে ভৰপূৰ। অন্য কথাত ক'বলৈ হ'লে—অধিকাংশ ৰাজনৈতিক দলৰে, ৰাজনৈতিক মুনাফা আদায়ৰ বাবে, নিজা শ্ৰমিক সংগঠন থাকে। অতি দুখৰ কথা—কেৱল নিৰ্বাচনৰ সময়তহে শ্ৰমিক সকলে বিশেষ গুৰুত্ব লাভ কৰে। সেই কাৰণেই হয়তো নিৰ্বাচনটোক শ্ৰমিক সকলৰ বেছি ভাগেই এক 'বিশেষ উৎসৱ' বুলিয়েই গণ্য কৰে। নিৰ্বাচনৰ সময়ত মজদুৰৰ ভোটক লৈ কৰা লীলা খেলাই ভাৰতৰ অন্যান্য অঞ্চলৰ লগতে আমাৰ ৰাজ্যতো যে এক ব্যাধিৰূপে দেখা দিছে, ই সৰ্বজনবিদিত।

স্বাধীনতাৰ পাছৰে পৰা চলি থকা এনেবোৰ কাৰ্য্যকলাপে সহজ-সৰল বুলি জনাজাত এই চাহ-শ্ৰমিক সকলৰ স্বভাৱ স্বাভাৱিকতে 'লুতুৰা' প্ৰকৃতিৰ কৰি তুলিব। চাহ-বাগিছা সমূহত আগতকৈ লুটপাত, চুৰি কাৰ্য্য আদি বৃদ্ধি পাবলৈ ধৰিছে। চাহ শ্ৰমিক সকলৰ অৰ্থনৈতিক, শৈক্ষিক দিশৰ প্ৰতি যদি চৰকাৰে অধিক গুৰুত্ব নিদিয়ে, নিবনুৱাৰ হাৰ যদি বৃদ্ধি পাই গৈ থাকে, তেন্তে সকলো জঘন্য কু-কাৰ্য্য এই গোষ্ঠীটোত সোমাই পৰিবলৈ বেছিদিন নালাগিব।

চাহ-শ্ৰমিক সকলৰ শিক্ষা, চিকিৎসা, বেচন আদি কিছুমান বিষয় বাগিছা কৰ্তৃপক্ষৰ ওপৰত নিৰ্ভৰ কৰে যদিও, আৰু 'বাগিছা শ্ৰমিক আইন, ১৯৫১' (The Plantation Labour Act, 1951)ত থকা কিছুমান সুৰুঙা বা শিথিলতাৰ বাবেই শ্ৰমিক সকলে মালিকৰ পৰা প্ৰাপ্যখিনি পোৱাত অসুবিধাৰ সৃষ্টি হৈছে। ইয়াৰ বাবে মালিকৰ লগতে চৰকাৰ তথা শ্ৰমিক সংগঠন সমূহো সমানে জগৰীয়া বুলিব পাৰি। শ্ৰমিক সকলৰ দৰৱ্ দৰবাৰৰ পৰা উপলব্ধি কৰাটো সঁচাই কঠিন।

অপ্ৰিয় হ'লেও সত্যক ঢাকি ৰখাটো কেতিয়াও শুভলক্ষণ নহয়। শুনি ভাল নালাগিলেও এটা কথা সঁচা যে চাহ শ্ৰমিক সকলৰ এক বুজন সংখ্যকে এতিয়াও অসমীয়া ঘাই সুঁতিৰ পৰা নিজকে পৃথক বুলি এটা ধাৰণা পুহি ৰাখিছে। তেওঁলোক যে অৱহেলিত সেই কথা চকুৰে মুখে স্পষ্ট। ই বৰ পৰিতাপৰ কথা।

চাহ শ্ৰমিকৰ নেতা এজন সক্ৰিয় ৰাজনীতিত থাকিলেই যে তেওঁলোকৰ বিশেষ কিবা স্বাৰ্থৰক্ষা পৰিব—এই ধাৰণা ভুল। পক্ষপাতিত্ব-মূলক ৰাজনৈতিক সিদ্ধান্ত বা সাম্প্ৰদায়িকতা জন-জীৱনৰ বাবে অতিশয় ক্ষতিকাৰক। তেওঁলোক যে অৱহেলিত নহয়, তাক কামে কাজে বিশ্বাস জন্মাব নোৱাৰিলে চাহ-শ্ৰমিক সকলৰ সমস্যাৰ সমাধান কেতিয়াও নহয়।

●

# শিৱসাগৰৰ অৱহেলিত ঐতিহাসিক কীৰ্তিচিহ্ন

জ্যোতি প্ৰসাদ শইকীয়া,
স্নাতক ১ম বৰ্ষ (কলা)

এখন দেশ বা এটা জাতিৰ সংস্কৃতি ঘাইকৈ নিৰ্ভৰ কৰে সেই দেশ বা জাতিৰ ইতিহাসৰ ওপৰত। অসমীয়া জাতি তথা অসমদেশৰ ইতিহাস ৰোমন্থন কৰিবলৈ যাওঁতে, আমাৰ মনত স্পষ্টভাৱে জিলিকি উঠে ছশ বছৰীয়া আহোম ৰাজত্বৰ এক দীঘলীয়া অধ্যায়। শিৱসাগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত ব্যাপি থকা পুৰণি কীৰ্তিচিহ্নবোৰেই ইয়াৰ প্ৰধান সাক্ষী।

যদিও ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে শিৱসাগৰত মৰাণ, বৰাহী, চুতীয়া, কছাৰী, বড়ো আদি জাতিয়ে বাস কৰিছিল তথাপি ১২২৮ খৃষ্টাব্দত আহোমৰ প্ৰথম ৰজা চুকাফাই বাট কাটি চৰাইদেউত আহোম ৰাজত্বৰ ভেটি স্থাপন কৰাৰ লগে লগে এই জাতি সমূহৰ প্ৰভাৱ কমি আহে। ১২২৮ খৃষ্টাব্দৰ পৰা ১৮২৬ খৃষ্টাব্দলৈকে এই ৬০০ বছৰ কালত আহোম সকলে অসমীয়া ভাষা, সংস্কৃতি আৰু হিন্দু ধৰ্ম গ্ৰহণ কৰি পাটকাইৰ পৰা কৰতোৱালৈকে ৰাজ্যৰ সীমা বঢ়ায়। এই সময়ছোৱাৰ ভিতৰতে শিৱসাগৰ নগৰত গঢ়ি উঠিছিল মঠ-মন্দিৰৰ উচ্চ সৌধ, আলিবাট, খন্দোৱা হৈছিল বিভিন্ন পুখুৰী।

শিৱসাগৰ নগৰৰ মূল কীৰ্তিচিহ্নবোৰৰ ভিতৰত প্ৰথমে উল্লেখনীয় নগৰখনৰ মাজ-মজিয়াতে অৱস্থিত অসমৰ ভিতৰতেই আটা-ইতকৈ ওখ দ'ল শিৱদ'ল আৰু তাৰ কাষতেই আছে বিষ্ণুদ'ল আৰু দেৱীদ'ল । ১৭৩৩ খৃষ্টাব্দত স্বৰ্গদেউ শিৱসিংহৰ দ্বিতীয়া পত্নী অম্বিকা কুঁৱৰীয়ে দ'ল তিনিটা সজোৱায় । ইয়াৰ ঠিক কাষতে আছে অম্বিকা কুঁৱৰীয়ে খন্দোৱা শিৱসাগৰ পুখুৰীটো । পাৰ ধৰি পুখুৰীটোৰ মাটিকালি প্ৰায় ২৫৭ একৰ ।

শিৱসাগৰ নগৰৰ মাজমজিয়াৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ দক্ষিণে বুৰঞ্জী প্ৰসিদ্ধ জয়-সাগৰত ১৬৯৭ খৃষ্টাব্দত স্বৰ্গদেউ ৰুদ্ৰ সিংহই মাতৃ সতী জয়মতীৰ স্মৃতিত খন্দোৱা জয়সাগৰ পুখুৰী অৱস্থিত । এই পুখুৰীটোৰ মাটিকালি প্ৰায় ৩১৮ একৰ । ইয়াৰ পাৰত ক্ৰমে জয়দ'ল, ঘনশ্যাম দ'ল, দেৱীদ'ল আৰু বিষ্ণুদ'ল আজিও বিৰাজমান । আকৌ এই জয়সাগৰতে অৱস্থিত ৰংঘৰ আৰু তলাতল ঘৰ । ১৭৪৬ খৃষ্টাব্দত স্বৰ্গদেউ প্ৰমত্ত সিংহই ৰংঘৰটি সজাইছিল । স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়া সকলে ম'হ-যুঁজ, হাতী-যুঁজ আদি বিভিন্ন খেলা এই ঘৰটিৰ পৰাই উপভোগ কৰিছিল । তলাতল ঘৰটি ভাৰতৰ বিভিন্ন ঠাইৰ পৰ্য্যটকৰ বাবে বেছ আকৰ্ষণীয় । ইয়াৰ মাটিৰ তলৰ সুৰংগৰ দ্বাৰ দুৰ্ঘটনাৰ আশংকা কৰি বন্ধ কৰি দিয়া হৈছে।

শিৱসাগৰ নগৰৰ কিছু দূৰত গড়গাঁও অৱস্থিত । এই গড়গাঁও আছিল আহোমসকলৰ এসময়ৰ ৰাজধানী । ইয়াতে থকা বৰ্তমানৰ কাৰেংটি চুক্লেংমুং গড়গঞা ৰজাই কাঠ-শিলৰ দ্বাৰা নিৰ্মাণ কৰাইছিল । স্বৰ্গদেউ প্ৰমত্ত সিংহ আৰু ৰাজেশ্বৰ সিংহই এই কাৰেংটিৰ সৌন্দৰ্য্য বৃদ্ধিৰ বাবে সম্পূৰ্ণৰূপে পকী কৰায় । আকৌ শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১৪ কিলোমিটাৰ দূৰৈত গৌৰীসাগৰ অৱস্থিত । ইয়াতেই স্বৰ্গ-দেউ শিৱসিংহৰ পত্নী ফুলেশ্বৰী কুঁৱৰীয়ে বৰ্তমানে থকা গৌৰীসাগৰ পুখুৰী আৰু দ'লবিলাক নিৰ্মাণ কৰোৱায় । নামদাং শিলৰ সাঁকো ইয়াতেই অৱস্থিত । শিৱসাগৰ নগৰৰ অন্যান্য কীৰ্তিচিহ্ন বোৰৰ ভিতৰত গড়গাঁওত অৱস্থিত ৰংনাথ শিৱদ'ল, ৰাজেশ্বৰ সিংহই নিৰ্মাণ কৰোৱা হৰ-গৌৰীদ'ল, লক্ষ্মীসিংহই নিৰ্মাণ কৰোৱা গৌৰী-বল্লভ দ'ল, ইয়াৰ উপৰিও জয়সাগৰৰ আশে-পাশে খন্দোৱা পুৰণি-পুখুৰী, ন-পুখুৰী, বগী ৰাজমাও পুখুৰী, মেছাগৰৰ পুখুৰী, কোঁৱৰপুৰৰ বিক্ৰমপুৰ পুখুৰী আদি উল্লেখযোগ্য । জয়-সাগৰৰ দক্ষিণে বৰপাত্ৰ পুখুৰী আৰু পাৰত জগদ্ধাত্ৰী আৰু বিষ্ণুদ'ল অৱস্থিত । ইয়াৰ উপৰিও শিৱসাগৰ জিলাখনত ৬০০ৰো অধিক ৰজাদিনীয়া পুখুৰী, ভালেমান ওখ গড়, শিলৰ আৰু ইটাৰ সাঁকো, মৈদাম আদি বিভিন্ন স্থানত বিয়পি আছে ।

কিন্তু অতি পৰিতাপৰ বিষয়, ইতিহাসে গৰকা শিৱসাগৰ জিলাৰ অতীজৰ এই সুন্দৰ কীৰ্তিচিহ্নবোৰ আজি বিলুপ্তিৰ পথত । ন-পুখুৰীৰ কাষত তেল আৰু প্ৰাকৃতিক গেছ আয়োগে ৰখা পাইপ, বিভিন্ন লোহাৰ যন্ত্ৰপাতিয়ে ইয়াৰ বৰ্তমানৰ সৌন্দৰ্য্য ম্লান কৰিছে । ৰংঘৰ আৰু তলাতল ঘৰ দুয়োটাৰে অৱস্থা সংকট-জনক । সৌন্দৰ্য্যবৰ্ধনৰ বাবে ফুলনি আদিৰ ব্যৱস্থা কৰাটো দূৰৈৰে কথা । গৌৰীসাগৰ দ'ল, জয়সাগৰৰ বিষ্ণুদ'ল, গড়গাঁওৰ হৰ-গৌৰীদ'ল, ৰংনাথ শিৱদ'ল আদিক গছ-লতাই আৱৰি ধৰিছে । জগদ্ধাত্ৰী দ'লৰ কথা শিৱসাগৰৰে বৰ্তমান উঠি অহা ছাত্ৰ-ছাত্ৰীয়ে গম পায়নে তাত সন্দেহৰ অৱকাশ আছে । কিছুদিনৰ আগতে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ আৰ্থিক অনুদানত এই শিৱ দ'ল, বিষ্ণুদ'ল, তলাতলাঘৰ, ৰংঘৰ আদিৰ কিছু মেৰামতিৰ কাম হাতত লোৱা দেখা গৈছিল । কিন্তু সেয়া ভাত ৰান্ধিবলৈ চৌকা সাজোতেই সকলো শেষ হোৱাৰ দৰে হ'ল । অতীজৰ এই ঐতিহাসিক কীৰ্তিচিহ্ন-বোৰ সংৰক্ষণৰ অভাৱত, গৰু-ছাগলী আনকি মানুহবো উপদ্ৰৱত শোচনীয় ৰূপ পাইছে । অথচ এই পৌৰাণিক কীৰ্তিচিহ্নবোৰ ভালদৰে সংৰক্ষণ কৰি যদি কাষৰীয়া ঠাইবোৰ আকৰ্ষণীয় কৰি সজাই তোলা হয় তেন্তে ই অসমৰ বুকুত পৰ্য্যটকৰ অধিক আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিব, লগতে বিদেশী মুদ্ৰা আৰ্জন আৰু স্থানীয় ব্যৱসায়ৰ বিকাশতো অৰিহনা যোগাব ।

পুৰণি ঐতিহ্যৰ ধৰণীস্বৰূপ এই প্ৰাচীন সুন্দৰ স্থাপত্যকলাৰ নিদৰ্শনৰ দ'ল-দেৱালয় সমূহ তথা অনান্য স্মৃতিচিহ্ন সমূহক যদি বৰ্তমানতেই সংৰক্ষণ কৰা নহয়, তেন্তে হয়তো অদূৰ ভৱিষ্যতে এই সম্পদসমূহে কেৱল ইতি-হাসৰ পাততহে আশ্ৰয় ল'ব লাগিব ।

অসমৰ পুৰাতাত্বিক বিভাগে এই কীৰ্তি চিহ্নবোৰৰ অধিক সংৰক্ষণৰ ব্যৱস্থা হাতত ল'ব নোৱাৰেনে ? বিভিন্ন দ'ল, ৰংঘৰ, তলাতল ঘৰৰ চাৰিওফালে পকী দেৱাল আৰু বেৰত কোনেও লিখিব নোৱৰাকৈ ৰখীয়াৰ ব্যৱস্থা কৰিব নোৱাৰিনে ? তলাতল ঘৰ আৰু ৰংঘৰৰ কাষৰ চৰকাৰী মাটিত বৰ্তমান বে-দখল চলিছে, অথচ চৰকাৰ নিমাত ! আশা কৰিছোঁ ৰাইজৰ সহযোগ আৰু চৰকাৰৰ গুৰুত্বই এই স্মৃতিচিহ্ন সমূহৰ আধুনিক আৰু বিজ্ঞানসন্মত সংৰক্ষণেৰে অসমৰ গৌৰৱ বৃদ্ধিত সহায় কৰিব ।

# মানৱৰ ঐতিহ্য

এম্ আব্দুল হক,
স্নাতক ৩য় বৰ্ষ (কলা)।

ঐক্যই মানৱৰ ঐতিহ্য । প্ৰকৃতিয়ে মানৱক এক জাতি, এক প্ৰাণ হিচাপে সৃষ্টি কৰিছিল। পৱিত্ৰ ধৰ্ম গ্ৰন্থত উল্লেখ আছে—"কা-নান্নাচু উম্মাতাও ৱা-হিদাহ ।" অৰ্থাৎ আৰম্ভণিতে মানৱৰ এটাই জাতি আছিল । কিন্তু শেহত এচাম ধূৰ্ত মানুহে নিজ স্বাৰ্থৰ অনু-কূলে (আজিকালিৰ অধিকাংশ ৰাজনীতিবিদৰ দৰে) ঐক্যৰ এনাজৰীডাল চিঙি মানৱজাতিক ক্ৰমে বিভিন্ন জাতি, দল, উপদলত বিভক্ত কৰিলে । এয়া মানৱ জাতিৰ ইতিহাসত এটি সহজে মচিব নোৱৰা কলঙ্ক ।

কুৰি শতিকা অতিক্ৰম কৰিব খোজা 'অত্যাধুনিক' (ultra-modern) মানুহখিনিয়ে আমাৰ সোণোৱালী অতীতক ৰোমন্থন কৰিবৰ হ'ল । আমি বিশ্বৰ সকলো মানুহ ভাই-ভাই । সেয়ে আমি পুনৰ একতাৰ ডোলেৰে বান্ধ খোৱা উচিত । প্ৰণিধানযোগ্য যে কোনো দিনে পিছলি নপৰাটো কৃতিত্ব (credit) নহয়; বৰং পিছলি পৰাৰ পিছত ঠিয় হ'ব পৰাটোহে কৃতিত্বৰ পৰিচয় ।

সম্প্ৰতি বিশ্বৰ চুকে কোণে মানৱৰ মাজত বাৰুকৈয়ে বিচ্ছিন্নতাবাদী লক্ষণবোৰ জাতি ধৰ্ম ভাষা আদিৰ নামত প্ৰস্ফুটিত হ'ব ধৰিছে। আমাৰ সোণৰ অসমতো বিচ্ছিন্নতাবাদী ৰোগৰ জীৱাণুবোৰ সক্ৰিয় হৈ উঠিব ধৰিছে । সেয়ে ইয়াৰ প্ৰতিকাৰৰ বাবে প্ৰত্যেকজন নাগৰিকে অধিক সচেতন হ'বৰ সময় হ'ল । এইখিনিতে আমি স্পষ্টকৈ বুজা দৰকাৰ যে বিশ্বক ভাল পাবলৈ হ'লে প্ৰথমতে নিজৰ দেশখনক ভাল পাবলৈ শিকিব লাগিব । আমি আমাৰ সংকীৰ্ণ ভাববোৰ পৰিহৰি এক জাতি হিচাপে লগ হৈ আমাৰ মাতৃভূমি অসম তথা অসমৰ ৰাইজক সেৱা কৰিলে সাৰ্বভৌম ভাৰতবৰ্ষৰ অখণ্ডতা ৰক্ষাত সহায়ক হ'ব । এনেকৈ ক্ৰমে বিশ্বৰ সকলো মহাদেশৰ অখণ্ডতা ৰক্ষাহে অৱশেষত বিশ্বমানৱ সভ্যতাৰ অখণ্ডতা জয় জয় ময় ময় হ'ব,—ই ধ্ৰুৱ ।

আজি আমাৰ এচাম মানুহে বিচ্ছিন্নতা-বাদক প্ৰশ্ৰয় দি নিজকে "বৰ ডাঙৰ মুছলমান',

বুলি ফিতাহি মাৰি অইন ধৰ্মক সমালোচনা কৰা দেখা যায় । অথচ কোৰ্আন শ্বৰীফ বা হাদিছ শ্বৰীফত 'মুছলমান' বোলা কোনো ধৰ্মৰ উল্লেখ নাই । মুছলমান শব্দটো প্ৰকৃততে এটা অতি তাৎপৰ্য্যপূৰ্ণ ঐতিহাসিক শব্দ । পক্ষান্তৰে বহুতো মানুহে নিজকে এজন প্ৰকৃত "হিন্দু ধৰ্মাৱলম্বী" বুলি অইনক সমালোচনা কৰা দেখা যায় । দৰাচলতে বেদ বা উপনিষদ আদিত 'হিন্দু' বোলা কোনো ধৰ্মৰে উল্লেখ নাই । হিন্দু ধৰ্মৰ নাম যে প্ৰকৃততে 'সনাতন' ধৰ্ম তাক হয়তো অতি কম সংখ্যক লোকেহে জানে ।

গুৰুত্বপূৰ্ণ কথা এই যে আমি "হিন্দুৱেই হওঁ" বা "মুছলমানেই হওঁ", সেয়া বহু পিছৰ কথা; প্ৰধান কথা হ'ল, আমি তথাকথিত 'হিন্দু-মুছলমান'খিনি প্ৰথমতে "মানুহ" । গতিকে মানুহ হিচাপে আমি এক জাতি, এক প্ৰাণ । সাহিত্যৰথী বেজবৰুৱাদেৱে এই সন্দৰ্ভত বাঁহীৰ' ৪ৰ্থ বছৰৰ দ্বাদশসংখ্যাৰ সম্পাদকীয় চ'ৰাত লিখিছে— "অসমীয়া জাতীয় মন্দিৰ গঠনত আমি আমাৰ মহম্মদীয় ভাই সকলক বাদ দিলে নচলিব । মহম্মদীয় ভাইসকল আমাৰ অৰ্ধ শৰীৰ । আপোনালোক আটায়ে সাম্প্ৰদায়িকতাৰ সংকীৰ্ণতা পৰিহাৰ কৰি জাতীয় ভাৱত অনুপ্ৰাণিত হৈ বিৰাট অসমীয়া জাতি গঠন কৰক । এয়ে আমাৰ ইচ্ছা আৰু প্ৰাৰ্থনা" ।

সেয়ে আমি প্ৰত্যেকজন সচেতন ব্যক্তিয়ে একতাৰ ডোলেৰে বান্ধ খাই সমাজ গঠনত ব্ৰতী হোৱা উচিত । তেতিয়া হ'লে এই পৃথিৱীত মানৱৰ ঐতিহ্য যুগমীয়া আৰু জয় জয় ময় ময় হ'ব ।

## চিঠি লিখাৰ চলেৰে

(তোমাৰ দৰে বহুতো বন্ধুলৈ)

অমৰেন্দ্ৰ কলিতা,
স্নাতক ৩য় বৰ্ষ (কলা) ।

বন্ধু, শিৰোনামা দেখি চাগৈ তুমি ভয়ে খাইছা । মইনো চিঠি লিখাৰ চলেৰে কি সৰকাব খুজিছোঁ । মই কেৱল মোৰ মনত সততে দেখা দিয়া চিন্তা কিছুমানৰ এই মুহূৰ্তত মনত পৰা গোটাদিয়েকৰ প্ৰসংগত তোমাৰ সৈতে দুআষাৰ আলাপ কৰিব বিচাৰিছোঁ । মই জনাত তুমিও নিজকে মোৰ দৰে এজন 'স্বয়ম্ভু সাহিত্যিক' বুলি মনতে ভাবি ৰঙ পোৱা । বন্ধু, সাহিত্যিকৰ দায়বদ্ধতা কিন্তু বহুত । সমাজৰ শান্তি প্ৰগতিৰ লক্ষ্যেৰে সাহিত্যিক সামগ্ৰী ৰচনা কৰাৰ গধুৰ দায়িত্ব । তোমাকতো আজি কালি বাহিৰত নেদেখাই হ'ল ; বোধহয় এই বড়ো আন্দোলন, কাবি আন্দোলন, আহোমৰ আন্দোলন, 'সম্ভাব্য কলিতাৰ আন্দোলন, 'লগুণধাৰী' (তোমাৰ শব্দ) ৰ আন্দোলন ইত্যাদিৰ বিষয়ে চাগৈ কিবা চিন্তা-চৰ্চা কৰি আছা ।

তেতিয়া মই প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ । এদিন প্ৰায় চাৰে দহ বজালৈ নিৰ্দিষ্ট শিক্ষকজন আহি পোৱা নাই । সেই আনন্দতে তিনি চতুৰ্থাংশ মান বন্ধুৱে লগ লাগি এক কোড়াল সৃষ্টি কৰিছে । চাৰে আহি বোধহয় বাহিৰত হুলস্থুলখিনি শুনিলে । সোমাই আহিয়ে চাৰে এচাৰি এপাত ল'লে আৰু প্ৰায় পঞ্চাশ জন ছাত্ৰক গাৰ বলেৰে একোটাকৈ পূৰ্ণহতীয়া কোব মাৰিলে । মই শিয়ৰি উঠিলোঁ । অৱশেষত চাৰে মোক মোৰ ভাগৰ কোবটো সোধালে । মোৰ চকু পানীয়ে বাট নেদেখা কৰিলে । প্ৰচণ্ড আক্ৰোশ আৰু ন্যায়ৰ মৃত্যু দেখি মই বিচলিত হ'লো । অন্য এচাম ছাত্ৰৰ হুলস্থুলৰ ফলত নিৰপৰাধী চামেও শাস্তি পালোঁ । ঘটনাটো মোৰ আজিও মনত আছে । আজিকালিৰ চাৰ সকলে হাতত এচাৰি নলয় । পিছে এচাম ছাত্ৰৰ মানসিক অধঃপতন আৰু অপৰাধে ঠিক অন্য এচামক আজিও নীৰৱে শাস্তি প্ৰদান কৰিয়ে আছে । তুমিও বাৰু এজন তেনেকুৱা উলুৰ লগৰ বগৰী নেকি ?

হাইস্কুলীয়া পৰ্য্যায়ত পঢ়া-শুনাত কিছু ভাল বুলি পৰিচিত আছিলোঁ । বহুতে জোৰ কৰিলে 'চায়েন্স' পঢ়িব লাগে । ডাক্তৰ, ইঞ্জিনিয়াৰ কিবা এটা হ'ব লাগে । অৱশেষত মই 'আৰ্টচ'তে ভৰ্তি হ'লোঁ । খবৰটো পাই বহুতে মোক শুধিলে চায়েন্সত 'চিট' নেপালি নেকি ? আজিকালি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল চায়ে এজন ল'ৰাক চোকা বা সাধাৰণৰ শাৰীত পেলোৱা হয় । ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাৰ আশাত আমাৰ 'চোকা' হঁতেও 'চায়েন্স' পঢ়িবলৈ ঢাপলি মেলে । কিন্তু কটন কলেজৰ মজিয়াৰ পৰাই হিচাপ কৰি চাই দেখিছোঁ— বহুতো চোকা পুনৰ দিকভ্ৰষ্ট হয় । বৰ দুখ লাগে অৱস্থাটো লক্ষ্য কৰি । আৰু এটা কথা, বৰ্তমানে "জেনেৰেল" (আৰ্টচ) পঢ়া বুলি জানি বহুতে কয়—"ভালে কৰিছা, আমাৰ প্ৰশাসনত ভাল মানুহ নাই, আই-এ-এছ, আই-পি-এচ, এ-চি-এচ ইত্যাদিত কম্পিট কৰা" । অথচ আমি এই বিলাক শুনি শুনি অনুপ্ৰাণিত হোৱাৰ বিপৰীতে শংকিতহে হওঁ । আমাৰ দৰে 'মধ্যমীয়া বুদ্ধিৰ চায়েন্সত চিট নোপোৱা'খিনিৰ ওপৰত আকৌ আই-এ-এছ, আই-পি-এছৰ গধুৰ দায়িত্ব !

মোৰ এজন বন্ধুই খুউব ধুনীয়া তবলা বজাইছিল । স্কুলৰ সভাবোৰত সি তবলা সংগত নকৰিলে নহয় । বৰ্তমানে সি ৰঙালাউ, জিকা, আলু, পিয়াজৰ 'বিজিনেছ' কৰে । মোৰ অন্য এজন বন্ধুই খুউব বঢ়িয়া আৰ্ট কৰিছিল । মানুহক চাই হুবহু প্ৰতিকৃতি আঁকি দিব পাৰে । গছ-লতা, চৰাইৰ ছবিৰতো কথাই নাই । তাৰোপৰি সি ভাল কবিতাও লিখিছিল । বৰ্তমানে সি 'বি-এছ-এফ'ত চাকৰি কৰে । অন্য এজন বন্ধুই ধুনীয়া গীত-মাত, অভিনয় আদি চৰ্চা কৰে, বৰ্তমানে তেওঁ ৰেলৱেত চাকৰি এটি বিচাৰি আছে । এই যে প্ৰতিভাৰ অপমৃত্যু তাকে দেখি সময়ত বৰ হতাশ হওঁ । মোৰ এই কেইজন বন্ধুৰ দৰে আৰু কতজন অচিনাকি বন্ধুৱে চাগৈ ফুটবল খেলা বাদ দি, অভিনয়ৰ কথা পাহৰি, গীত গাবলৈ এৰি খাদী ব'ৰ্ড, ইলেকট্ৰিচিটি নাইবা ইৰিগেচনত চাকৰি বিচাৰিছে । বৰ দুখ লাগে ভাবিলে ।

অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ বুলিয়েই মনে মনে হ'লেও খেতি পথাৰখনলৈ, বজাৰৰ অৱস্থাটোলৈ, বেংকৰ কাৰ্য্য প্ৰণালী ইত্যাদি লক্ষ্য কৰিবলৈ মন যায় । অৰ্থনীতিৰ গধুৰ তত্ত্বোৰ (মাহে পাঁচ-ছশ টকা খৰছ কৰি) আওৰাই আওৰাই পৰীক্ষা লিখি টোপনি খতি কৰোঁ । পিছে যেতিয়া দেখো আমাৰ খেতি পথাৰবোৰ বছৰৰ মি কেইটাদিন বানপানীৰ পৰা ৰক্ষা পৰে তেতিয়া চৰহা পোক, উদভীয়া গৰু, চৰাই আদিয়ে নষ্ট কৰে । পানী যোগানৰ নামত ঠিকাদাৰী চলে, সাৰ প্ৰয়োগৰ নামত গ্ৰাম সেৱকৰ 'সেৱা' চলে, বুঢ়া গৰু খেদি আমাৰ খেতিয়কে খেতি কৰে; অথচ সকলোৱে দেখিও একো নকৰে । বজাৰৰ সংজ্ঞা, পাৰ্ফেক্ট কমপিটিচন, ডুৱ'পলি, অলিগ'পলি, মন'পলি আদিৰ পাৰ্থক্য জনাৰ পিছতো মোৰ বাস্তৱ অভিজ্ঞতাই কয়—আজিকালিৰ সকলো বজাৰে মন'পলি । দহ হেজাৰ টকীয়া বেংক ঋণ এটি ল'লে কৰ্মচাৰী সকলক এহেজাৰ টকা ভেটি দিব লাগে । এনেবিলাক কথা লক্ষ্য কৰিলে নিজকে দোষী দোষী লাগে; তাতকৈ ভাবো ইংৰাজী সাহিত্যৰ 'ৰোমান্টিক' কবিতা পঢ়ি সময় কটোৱাই ভাল আছিল । বন্ধু, তুমি আকৌ কিবা নতুন অৰ্থনৈতিক তত্ত্ব খটুৱাই সমবায় খোলাৰ কথা ভবা নাইতো ? নে চৰকাৰী চাকৰিৰ চকৰিত হেৰাই যাব খুজিছা ?

বন্ধু, তোমাৰ চাগৈ মনত আছে এদিনৰ

আড্ডাত ওলাল—'প্ৰেম হেনো স্বৰ্গীয় মৰতভো নাই'। টপৰাই তুমিয়েই ক'লা যে 'Love', now a days, is a process to choose a life-partner"। আজিকালিৰ প্ৰেমত তুমি একো স্বৰ্গীয় উপলব্ধি দেখা নোপোৱা। মোৰো তেনেকুৱাই লাগে। এই যে আমাৰ লগৰে বহুতে প্ৰেয়সীবোৰক লৈ খাৰঘুলি পাহাৰ, চিৰিয়াখানা, বশিষ্ঠ, পানবজাৰৰ দিনতে আন্ধাৰ ৰেষ্টোৰাঁ আদিলৈ যায়, তেওঁলোকক দেখিয়ে মই তোমাৰ সৈতে একমত হৈছোঁ। মোৰ অনুমান প্ৰত্যেক ডেকা ল'ৰাই অন্ততঃ তিনি চাৰিবাৰ স্বৰ্গৰ দুৱাৰলৈ যোৱাৰ কছৰৎ কৰে। বাৰু যিয়েই নহওক এই যে আমি স্বৰ্গীয় প্ৰেমৰ কিম্বা life partner সংগ্ৰহৰ আড্ডা দি থকা সময়তে বহুতো ডেকাই বড়োৰ সুকীয়া ৰাজ্য দাবি কৰি প্ৰাণ পৰ্য্যন্ত দিছে, অন্য দুজন মানে জাতি গঠনৰ প্ৰক্ৰিয়া অধ্যয়ন কৰি প্ৰবন্ধ আদি লিখিছে, ঠিক তেনেদৰে কিছুমানে আন্দোলন, চান্দা, লিখিত চুক্তি, নিৰ্বাচন আদিৰ কথা ভাবিছে এনে সময়তে তোমাক কথা এটি গুপুতে কৈছোঁ; আমি সকলোৱে লগ লাগি এখন চুক্তি নকৰোঁ কিয় যে প্ৰত্যেক অসমীয়া ডেকাই অন্য এক সম্প্ৰদায়ৰ এজনীহে life partner কৰিম (ভূপেনদাইয়ে কৈছিল—"মৰমে নেজানে কোনো জাতিকুল")। তুমি 'লগুণধাৰী'য়ে আমাৰ কলিতাৰ লচপচী এজনী, কোনোবা ব্ৰহ্মই মিচিং এজনী, কোনোবা আহমেদে তালুকদাৰ, তালুকদাৰে বুঢ়াগোহাঁইক, বৰগোহাঁয়ে গোস্বামী নাইবা দাস বড়োক ইত্যাদি। চুক্তিখনৰ নাম হ'ব 'Love Accord'। তুমি কি কোৱা? 'চুক্তি' কৰিলেই অৱশ্যে দায়িত্ব শেষ নহয়, সেই কথা অভিজ্ঞতাই কয়।

বন্ধু তুমি এটা কথা লক্ষ্য কৰিছা নে? বৰ্তমান আমাৰ অসমত সঘনে আলোচিত এটি বিষয় হৈছে অসমীয়া ভাষাৰ বানান শুদ্ধিৰ আলোচনা। অসমীয়া ভাষাৰ 'পণ্ডিত' কিছুমানে বিষয়টো ইমান অগ্নিগৰ্ভ কৰি তুলিছে যে শুনিলে ভয়ে লাগে। আমেৰিকাৰ পৰা এজন দত্তইতো কৈয়ে আছে যে অসমীয়া ভাষাৰ চ, ছ, জ, ঝ, ট, ত, ঠ, থ, দ, ড, শ, ষ, স আদিৰ কিছুমান বাদ দিব লাগে। তেতিয়া বোলে ভাষাটো শিকাত সহজ হ'ব। কথাটো পেলাই দিবলগীয়া বিধৰ নহয়। এই সময়তে আমাৰ ভাষাটোৰ এটা নিৰ্দিষ্ট ৰূপ দি এনে এখন 'Act' কৰিব লাগে যাতে ইয়াৰ পিছত কোনোৱে বানানৰ ভুল উলিয়াব নোৱাৰিব। তুমি কি কোৱা বন্ধু। নহ'লে আমি অন্য এটি কাম কৰিব পাৰোঁ; নতুন ভাষা (সকলো ভুল শব্দ লগ লগাই) এটি সৃষ্টি কৰিব পাৰোঁ। নাম হ'ব 'ন অসমীয়া ভাষা' আৰু এই ভাষাটো '৬৬ চন আৰু '৭১ চনৰ মাজত অসমলৈ অহা 'বিদেশী" খিনিয়ে ভোটাধিকাৰ নথকা দহ বছৰত কোৱা মেলাত ব্যৱহাৰ কৰিব। বন্ধু, ক'বলৈ লাজ নকৰোঁ নিজে অসমীয়া হৈও অসমীয়া ভাষাটোৰ বাবে একো কৰিব পৰা নাই। কিয়নো সৰুতে যে কুঁহিপাতত পালোঁ—এক্কা গাড়ীত উঠি ৰমেন নে কোনোবা এটা মক্কা চহৰলৈ গ'ল, পাৰ চৰাই এটি গোটেই শুকুৰবাৰটো ওখ ঘৰটোত উঠি থাকিল—তাৰ পিছতে ভাবিবলৈ ল'লোঁ কিহৰ দুখত পাৰ চৰাইটো ওখ ঘৰটোত উঠি থাকিল একো নোখোৱাকৈ, এক্কা গাড়ীখনৰ 'স্পিড' বা কিমান আছিল, ল'ৰাটোৰনো অকলে মক্কালৈ যাবলৈ ভয় লগা নাছিল নে। তাৰোপৰি বভ্ৰুবাহন, ঘটোৎকচ্ছ, ডিব্ৰুগড়, ঘড়িয়াল, এনে কিছুমান শব্দৰ শিকনে মোক আজিও ভাষাটোৰ প্ৰতি ভয় আঁতৰাব পৰা নাই। বন্ধু, ভৱিষ্যতে তুমি ল'ৰা-ছোৱালীক কি মাধ্যমত পঢ়ুৱাবা চিন্তা কৰিছানে নাই? মই আকৌ চিন্তা কৰিছোঁ ভৱিষ্যতে মোৰ ল'ৰা-ছোৱালীক টেনিছ ক্ৰিকেট আদি খেলা, ডিস্কো নচা, মাতৃভাষা শিকা, কেৰেট মৰা, কম্পিউটাৰ শিকোৱা ইত্যাদিকে ধৰি বা কেইটা টিউচনৰ প্ৰয়োজন হয়।

বন্ধু, শেষত অনুৰোধ এটি থাকিল, সেই যে তোমাৰ ঘৰৰ ওচৰৰে কোনোবা এজনীয়ে তোমাক যুউব 'ডিচটাৰ্ব' কৰে তেওঁক বুজাই দিবা তেওঁ যেন তোমাক পাহৰি যায়; কিয়নো তুমি 'Love Accord' ৰূপায়ণৰ বাবেহে চেষ্টা কৰিবা। পাৰিলে অমুকাকো এই ক্ষেত্ৰত সহায় কৰিবা! আজিলৈ সামৰিছোঁ।

●

# কটন কলেজ ঃ মোৰ বাবে এক দীঘল কবিতা

**আকাশ কানন লহকৰ,**
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান)।

"চিৰ যৌৱনা কটন কলেজ
তিৰিশৰ ভালপোৱা নালাগে তোমাক
চিৰ ওচৰৰ লগত তোমাৰ প্ৰেম।"—অমলেন্দু গুহ।

তাৰ পিছত কেইবাটাও ৰাতি মোৰ এনেকুৱা লাগিল—মই বৰ অকলশৰীয়া। জোনাকত বহিলেও, ব্ৰহ্মপুত্ৰৰ পানী যুৱলিত বহিলেও, মমবাতিৰ কঁপি থকা নিস্তেজ পোহৰত বহিলেও মোৰ এনে লগা হ'ল—মোৰ পিছফালে এখন সেউজীয়া অৰণ্য আৰু মোৰ সমুখৰ বহুযোজন পথ—এক বিশাল মৰুভূমি। ইনটেলেক্চুৱেল মানুহৰ দৌৰত যোগ দিব নোৱৰা মই যেন এক পাখি ভগা চৰাই। মৰুভূমিৰ বেদুইন যাত্ৰী। প্ৰাণ ভৰি উশাহ এটা ল'বলৈকো মোৰ শংকা হ'ল—কিজানিবা সংৰক্ষিত ৰায়ুকণো শেষ হৈ যায়।

"এতিয়া তাৰ জীৱনৰ একমাত্ৰ ধ্যান-জ্ঞান, একমাত্ৰ উচ্চাকাংক্ষা হ'ল ডাঙৰ হৈ কটন কলেজত পঢ়িবলৈ যোৱা—যি কটন কলেজে পৃথিৱীৰ জ্ঞান-ভাণ্ডাৰৰ দুৱাৰ তাৰ চকুৰ আগত মুকলি কৰি দিব আৰু জীৱনটোক পৰিণত কৰিব বিচিত্ৰ ছন্দময় এটা দীঘল কবিতাত।"
—বৰগোহাঞিৰ "বাপুকণে" কটন কলেজ সম্পৰ্কে যি সপোন দেখিছিল আৰু মোৰ ৰূঢ় বাস্তৱে মোক যি ধ্বংসস্তূপলৈ পৰ্য্যবসিত কৰিছিল তাৰ মাজত মই আজিও কোনো আত্মিক এনাজৰী উপলব্ধি কৰিব পৰা নাই। মই উপলব্ধি কৰিব পৰা নাই বা কৰাৰো চেষ্টা কৰা নাই—মোৰ বিপৰ্য্যস্ত হিপ'ক্ৰেটিক ইপ্সিত বাসনাৰ গভীৰতা কিমান।

কটন কলেজে মোক কি দিলে কি নিদিলে—তাৰ দোমোজাত থিয় হৈ মই মোৰ মৰমৰ কলেজখনৰ বিবেকত দুখ দিবলৈ নাযাওঁ। কটন কলেজখন মোৰ দৰে অকালপক্ক হিপ'ক্ৰেটৰ পুৰ্ত্তি নিশা-প্ৰভাত অহা নাই—কিন্তু, আহিব; সিও নিশ্চিত—সেই কথা অৱশ্যে মই ক'মেই। কাৰণ, মোৰ বিবেকটো "হতাশাৰ ফচল" হ'লেও অনায়াস-লব্ধ নহয়, স্থবিৰ নহয়। অৱশ্যে তাৰ বাবে মই কাকো দায়ী কৰিব নোৱাৰোঁ। কাৰো আগত তাৰ বাবে অভিমান কৰাৰো মোৰ অধিকাৰ নাই। আন সকলোকে খলনায়ক হিচাপে চিত্ৰিত কৰি নিজকে এজন আদৰ্শবান, দৰদী নায়ক হিচাপে প্ৰতিপন্ন কৰাৰ মোৰ বিন্দুমাত্ৰও অভিপ্ৰায় নাই। কাৰণ—"All power is within you; you can do anything and everything. Believe in that. Do not believe that you are weak, donot believe that you are half crazy lunatics, as most of us believe now-a-days. You can do anything and everything, without even the guidance of any one. All power is there. Stand up and express the divinity within you."

(স্বামী বিবেকানন্দ) । পিছে সকলো কথাৰে শেষত "কিন্তু" এটা লগাই দিলে নদীয়ে গতি সলনি কৰাৰ দৰে সকলোবোৰৰেই নতুন দিক্-দৰ্শন নহয় জানো ?

সাউদৰ নাৱত উঠি আহিছিলোঁ কটন কলেজলৈ । তাৰ পিছত বহু উজুতি আৰু হাম কুৰিব অন্তত মই উপলব্ধি কৰিছিলোঁ গ্ৰীক নাটৰ বিয়োগান্তক ট্ৰেজেদি । সেই সময়ত মই নিজৰ বাহিৰে আন কাকো বিশ্বাস কৰিব পৰা অৱস্থাত নাছিলোঁ। কটন কলেজত তিষ্ঠি থাকিব পৰাকৈ মানসিক অথবা শাৰীৰিক কোনোফালৰ পৰাই মোৰ সাহসৰ পৰিপুষ্টি কম আছিল । মোৰ এই অযোগ্যতাই মোক এক গভীৰ Inferiority complex অলৈ ঠেলি নিলে । যাৰ বাবে, ঠিক তেনে মুহূৰ্ততেই মই উপলব্ধি কৰিলোঁ—মই মোৰ মগজু আৰু জীৱনটো 'মাইক্ৰোস্কোপ'ত পৰীক্ষা কৰাৰ বৰ প্ৰয়োজন। মোৰ এই আত্মক্ষয়ী complexটো দূৰ কৰিবলৈ মই কিবা কিবি লিখাটোকে ঠিক কৰিলোঁ । 'জাবৰে'ই লিখিলো যদিও সেইবোৰৰ মাজতে মোৰ যে এক কিছু পৰিমাণে সবল মনো থাকিব পাৰে তাক আৱিষ্কাৰ কৰিছিলোঁ । এই 'জাবৰ-সংগ্ৰহে'ই মোক ৰোমান্টিক বিৰহীৰ ঠাইত বাস্তৱৰ 'পেৰাচাইট' হোৱাৰ সুযোগ দিলে । সেই বছৰেই "কলেজ সপ্তাহ"ত দুটামান পুৰস্কাৰ (!) পোৱাৰ বাবে 'চুড্ মাৰ্চন হল'ৰ শেষৰ শাৰীৰ সচেতন কটনিয়ান সকলে মোক বিৰল প্ৰশংসা-বাণীৰে (?) চৌৱাই দিয়াৰ পাছত মই ঠিক কৰিলোঁ—মই আৰু কটন কলেজত থকালৈকে কোনো সভা-সমিতিলৈ নাহোঁ, কোনো পুৰস্কাৰ-ৰূপী অপমান নলওঁ ।

সেই ৰাতিৰ দৰে মই বহুবাৰ অনুভৱ কৰিছিলোঁ—মোৰ আঁঠুৱাৰ ভিতৰত এটা বিবাট মহ । সি মোৰ সোঁবাহুৰ তেজ পি কুৎসিত, নোদোকা হৈ পৰিছে । মই মহটো মাৰিবলৈকো শক্তি গোটাব পৰা নাই ।....

ভয়ানক ৰ'দত মই হেফাই-ফোপাই গোলাপ বাগিচাৰ ছাঁত জিৰাম বুলি গৈছিলোঁ । মালী-জনে তাচ্ছিল্যৰ হাঁহি মাৰি কৈছিল—"অ তুমি ! কিয় আহিছা সাগৰ-ফেনাৰ ৰাজ্যলৈ ?" কোনোবাই গদ্ গদ্ স্বৰেৰে দেৱী পূজাৰ স্তুতি আওৰাইছিল..

"সৃক্কদ্বয়গলদক্ত ধাৰা বিস্ফোৰিতা ননাম ।"

(দেৱীৰ দুয়ো কোৱাৰিৰে বাগৰি অহা তেজে মুখমণ্ডল প্লাবিত কৰিছে ।..)

কটন কলেজৰ শিক্ষা গুৰুসকল নিঃসন্দেহে খুব ভাল মানুহ । কিন্তু, শ্ৰেণীকক্ষৰ চাৰিবেৰৰ মাজত মই ক'ব নোৱৰা কিছুমান চিন্তা কৰিছিলোঁ । শ্ৰেণীকক্ষই মোৰ আশাৰ তিলটোমানো পূৰাব নোৱাৰিলে । (অৱশ্যে তাৰবাবে দায়ী নিশ্চয় মোৰ বাহিৰে আন কোনোকে নকৰোঁ ।) কোনো এগৰাকী অধ্যাপক-অধ্যাপিকাই মোৰ মনত অকণো প্ৰভাব পেলাব নোৱাৰিলে । পাঠশালা স্কুলৰ সেই শিক্ষকজনক মনত পেলাই যেনেকৈ আজিও সাহ পাওঁ, তেনেকৈ মই কটন কলেজৰ শিক্ষকসকলৰ পৰা সাহ পাম জানো?.. ..কোনোবা এটা পৰীক্ষাত মোৰ শ্ৰদ্ধেয়া এগৰাকী অধ্যাপিকাই মোক চকুপানী ওলাই যোৱাকৈ গালি পাৰিছিল—, "ৰুমালখন পৰিলে আমাক ক'ব লাগে । Do you know the regulations of the examination hall ? .." মোৰ ক'বলগীয়া একো নাছিল যদি মোৰ সমুখৰ চোকা ল'বাজনে ক্ষুদ্ৰতম সহায়ৰ বাবে লৈ অহা কাগজৰ টুকুৰাটো দেখিও মোৰ শ্ৰদ্ধেয়া অধ্যাপিকাই আওকাণ নকৰিলেহেঁতেন অথবা Discussion Meeting বিলাকত পৰীক্ষা গৃহৰ নিয়মাৱলীখিনি বুজাই দিলেহেঁতেন । তেতিয়া,

কোন বাৰু সেইজন মৃত্যু পথিক  
কুঁৱলিয়ে ঢকা মাজনিশা

এন্ধাৰ বুটলি ফুৰে—এই বুলি মই নিশ্চয় নাভাবিলোঁহেঁতেন ।

ঠিক তেনেকুৱা এটা সময়তেই মোক কোনোবাই কৈছিল—"Just as alcoholism is a disease because the American Medical Association says it is, so drunkness is a crime because the lawmakers says it is...." তাৰ পিছত বহুদিন পাতালৰ পতিতালয় আৰু দুৰ্গন্ধেৰে পূৰ্ণ এলেকাৰ আশে পাশে ঘূৰিলোঁ আৰু মই অনুভৱ কৰিলোঁ—মোতকৈও অৰ্থ-হীন জীৱন আন কাৰোবাৰো থাকিব পাৰে । ইতিমধ্যে মোৰ মনত অহৰ্নিশে চলি থকা "আত্মহত্যা-প্ৰত্যাশা"ৰ সাময়িক পৰিসমাপ্তি ঘটিছিল ।

মোৰ চৌকাষে থকা কটনিয়ান সকলৰ কথা ক'বলৈ কিবা জানো বাকী ৰ'ল ? যি সকলৰ শেষৰ শাৰীত সম্পূৰ্ণ অকলশৰীয়াভাৱে মই আছিলোঁ তেওঁলোকৰ বিষয়ে মোৰ ক'ব-লগীয়ানো আছে কি ?

কটন কলেজ সম্পৰ্কে ক'বলৈ হ'লে মই মোৰ এজন বিশেষ বন্ধুৰ কথা কেতিয়াও পাহৰিব নোৱাৰোঁ । সেইজন আছিল বিজিত; বিজিত কুমাৰ শৰ্মা । আমাৰ দুজনৰ মাজত বহুকথাতেই মিল আছিল—অতি সূক্ষ্ম ভাৱে । আৰু আমাৰ দুয়োৰে নীৰৱ বন্ধু আছিল—মহাবাহু ব্ৰহ্মপুত্ৰ আৰু শুক্লেশ্বৰ ঘাটৰ আবেলি । দৰাচলতে আমি দুয়োজনেই আছিলোঁ—Self made mad man....

সাউদৰ ডিঙা বহু ধুমুহাৰ মাজেদি পাৰ হৈ আহিল । আহোঁতে জৰ্জৰিত ডিঙাৰ ভিতৰত বাকী থাকিল মাথোন কেইটামান বঙ-বিৰঙৰ সাগৰীয় শুকান শামুকৰ খোলা আৰু এটা পাখি ভগা চৰাই ।

জীৱনৰ সঞ্জীৱনী সুধা কটন কলেজে কিমান দিলে—মই তাৰ হিচাপত এতিয়া আত্মবিভোৰ নহওঁ । কিন্তু, কটন কলেজে মোক বহু কিবা-কিবি দিলে, বহু কিবা-কিবি নিদিলে—যাৰ তুলনা মই আন কাৰোবে সৈতে কৰিব নোৱাৰোঁ । সাগৰীয় মুকুতাৰ বাবে পাল তৰি যোৱা মানুহ-জনে মুকুতা পাওকেই বা নাপাওকেই তেওঁৰ বাবে অভিযানটোৰ এক অনিৰ্বচনীয় পুলক থাকে, গভীৰ তৃপ্তি থাকে, অৱসাদৰ সৈতে । সেই বাবেই কটন কলেজ মোৰ বাবে এক অসমাপ্ত দীঘল কবিতা—

"And I recall how often I and Thou  
In closest converse sank the sun to sleep  
and so remembering......

***

# ভাৰতলৈ নেলচন মেণ্ডেলাৰ চিঠি



পত্নী উইনী মেণ্ডেলাৰ সৈতে নেলচন মেণ্ডেলা।

[ আফ্ৰিকাৰ অপ্ৰতিদ্বন্দ্বী, বৰ্ণবৈষম্য বিৰোধী মুক্তি-যোদ্ধা নেতা নেলচন মেণ্ডেলাই দক্ষিণ আফ্ৰিকাৰ পলচ্ ম'ৰ কাৰাগাৰত সাতাইশ বছৰৰো অধিক কাল ধৰি বন্দী জীৱন কটাব লগা হয়। তেওঁৰ একমাত্ৰ দোষ আছিল তেও তেওঁৰ দেশৰ মানুহক ভাল পায়, সেই সকলৰ বঞ্চিত অধিকাৰৰ কাৰণে মাত মাতে আৰু বগাপ্ৰভু সকলৰ দাসত্বৰ পৰা দেশৰ মানুহক মুক্ত কৰিব বিচাৰে। কাৰাগাৰৰ ক্ৰুৰ দেৱালৰ মাজত সুদীৰ্ঘ দিন ৰুদ্ধ জীৱন-যাপন কৰা মেণ্ডেলা স্তব্ধ হৈ যোৱা নাই, কাৰাগাৰৰ বাহিৰত তেওঁ এতিয়াও প্ৰতিটো মুহূৰ্ততে সংগ্ৰাম কৰিব লাগিছে বৰ্ণবাদৰ বিৰুদ্ধে, অসমতা আৰু মানৱতাৰ ক্ষয়িষ্ণু পৃথিৱীখনৰ সৈতে অহৰহভাৱে।

নেলচন মেণ্ডেলা আজি পৃথিৱীত আটা-ইতকৈ জনপ্ৰিয় আৰু খ্যাতিবান লোক সকলৰ অন্যতম। বৰ্ণবাদৰ বিৰুদ্ধে কৰা জীৱন-জোৰা সংগ্ৰামৰ বাবে এই নিগ্ৰো নেতা গৰাকীলৈ বিভিন্ন দেশে বহুতো দুৰ্লভ সন্মান আগবঢ়া-ইছে। ভাৰতেও ১৯৭৯ চনত আন্তৰ্জাতিক বুজাবুজিৰ বাবে তেওঁক আন্তঃৰাষ্ট্ৰীয় 'জৱাহৰ-লাল নেহৰু বঁটা' প্ৰদান কৰে। নেলচন মেণ্ডেলাৰ পক্ষে নিজে আহি এই সন্মান গ্ৰহণ কৰা সম্ভৱ নাছিল, তাৰোপৰি দক্ষিণ আফ্ৰিকাৰ চৰকাৰে তেওঁৰ হৈ পত্নী উইনী মেণ্ডেলাকো এই বঁটা গ্ৰহণ কৰাত বাধা আৰোপ কৰে। সেয়েহে আফ্ৰিকা জাতীয় কংগ্ৰেছৰ সভা-পতি অলিভাৰ টম্ব'ই ১৯৮০ চনত নতুন দিল্লীত এক গুৰু গম্ভীৰ অনুষ্ঠানত মেণ্ডেলাৰ হৈ এই বঁটা গ্ৰহণ কৰে। মেণ্ডেলাই এই বঁটা গ্ৰহণ কৰাৰ বাবে সন্মতিজনাই ৰোবেন আই-লেণ্ড জেলৰ পৰা এখন অবিস্মৰণীয় চিঠি লিখে। অৱশ্যে এই চিঠিখনো কাৰাগাৰ কৰ্তৃ-পক্ষই হস্তগত কৰে। সৌভাগ্যক্ৰমে ১৯৮১ চনৰ ২৬ আগষ্টত চিঠিখন ভাৰতীয় সাং-স্কৃতিক পৰিষদৰ হাতত গোপনে পৰেহি আৰু পিছত ৰাষ্ট্ৰসংঘৰ দ্বাৰা প্ৰচাৰিত হয়।

নেলচন মেণ্ডেলাৰ উক্ত চিঠিখনৰ (কিছু পৰিমাণে হ'লেও) গুৰুত্বপূৰ্ণ অংশ অনুবাদ কৰি সহৃদয় পাঠক-পাঠিকালৈ আগবঢ়োৱা হ'ল। অনুবাদ কৰিছে স্নাতক ১ম বৰ্ষ (কলা)ৰ ছাত্ৰ হীৰেন শইকীয়াই। ]

* * *

"মোক ১৯৭৯ চনৰ "জৱাহৰলাল নেহৰু বঁটা" আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ বাবে প্ৰদান কৰি সন্মানিত কৰিব বিচৰা কাৰণে মই ভাৰতীয় সাংস্কৃতিক সম্পৰ্কৰক্ষী পৰিষদক মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই সন্মান যদিও মোক নিৰ্দিষ্টকৈ দিয়া হৈছে, মই নিশ্চিত যে, মোক মাত্ৰ এক মাধ্যম হিচাপে ধৰি লৈ এই সন্মান আমাৰ দেশৰ জনসাধা-ৰণক দিয়া হৈছে——যিটো তেওঁলোকৰ হে-প্ৰাপ্য।

আমাৰ জনসাধাৰণে মহত্ব আৰু একে সময়তে গৰ্ব অনুভৱ নকৰাকৈ থাকিব নোৱাৰে যে তেওঁলোকৰ মাজৰে এজন সদস্যক অতী-তত একে সন্মানেৰে সন্মানিত হোৱা বিশিষ্ট পুৰুষ আৰু মহিলাৰ শাৰীত যোগ দিবলৈ বাছনি কৰাহৈছে।

মই সেই লোকসকলৰ নাম স্মৰণ কৰিছোঁ যি সকলে এই বঁটাৰ পৰিসৰ আৰু প্ৰকৃতিক প্ৰতিনিধিত্ব কৰাই নহয়; জৱাহৰলাল নেহৰু, যাৰ নামত এই বঁটা নামাংকৃত কৰা হৈছে, তেওঁলৈও উপযুক্ততৰ শ্ৰদ্ধাঞ্জলি ৰূপে পৰিগণিত হৈছে। এওঁলোকৰ জীৱন আৰু প্ৰত্যেকজনৰে ভিন্ন বৰগুণিবোৰে কিছু ক্ষেত্ৰত পণ্ডিতজীৰ ঐশ্বৰ্য্যশালী আৰু বহুমুখী জীৱনকে প্ৰতিবিম্বিত কৰে। এই লোকসকল হ'ল: স্বাৰ্থৰহিত মানৱতাবাদী মাদাৰ টেৰেছা, আন্তঃ-ৰাষ্ট্ৰীয় ৰাজনীতিবিদ যোচেফ ব্ৰজ টিটো, উল্লেখনীয় ৰাজনীতিবিদ জুলিয়াচ ন্যায়াৰে আৰু কেনেথ কৌণ্ডা, চিকিৎসা বিজ্ঞান হিতৈষী জোনাচ চাল্ক আৰু নাগৰিক অধিকাৰৰ নেতা মাৰ্টিন লুথাৰ কিং।..

যুদ্ধোত্তৰ এছিয়া আৰু আফ্ৰিকাত উপ-নিবেশী শাসন বিৰোধী আৰু স্বাধীনতাকামী সংগ্ৰামেৰে মুখৰিত সময়ছোৱাত সম্ভৱতঃ এনেকুৱা এটা ভাৰতীয় বিপ্লৱ বা জাতীয় নেতা নাছিল যিয়ে কোনো প্ৰকাৰে জৱাহৰলাল নেহৰু আৰু সৰ্বভাৰতীয় জাতীয় কংগ্ৰেছৰ চিন্তা-ধাৰা, কৰ্মপ্ৰণালী আৰু উদাহৰণেৰে পুষ্ট হোৱা নাছিল। যদি মই মোৰ ৰাজনৈতিক শিক্ষা আৰু উত্তৰণৰ বিষয়ে ৰোমন্থন কৰোঁ, মোৰ

স্বকীয় চিন্তাধাৰা কেনেকৈ তেওঁৰ অভিজ্ঞতাৰ দ্বাৰা প্ৰভাৱিত হৈছিল তাক অতি সহজেই উপলব্ধি কৰিব পাৰোঁ ।

যেতিয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ ৰাজনীতিত সোমাই পৰোঁ, প্ৰথমবাৰৰ বাবে সেই সময়ত এই বিখ্যাত লোক জনৰ নামৰ সৈতে পৰিচিত হওঁ । চল্লিশৰ দশকত মই তেখেতৰ অন্যতম ৰচনা "ভাৰতৰ ঐক্য" (Unity of India) নামৰ কিতাপখন প্ৰথমবাৰৰ বাবে পঢ়োঁ । তেওঁৰ এই গ্ৰন্থখনে মোৰ মানসপটত মচিব নোৱৰা প্ৰভাৱ ৰাখি থৈ যায় । তেতিয়াৰ পৰাই মই তেওঁৰ যিকোনো ৰচনা পোৱাৰ লগে লগেই সংগ্ৰহ কৰিছিলোঁ, অধ্যয়ন আৰু সংৰক্ষণ কৰিবলৈ লৈছিলোঁ ।....

তেওঁ লিখিছে, "প্ৰাচীৰ হ'ল ভয়াবহ সঙ্গী । সিহঁতে প্ৰায়ে বাহিৰৰ বেয়াৰ পৰা মুক্ত কৰি ৰাখে আৰু অসম্ভাষিত অনধিকাৰ প্ৰৱেশকাৰীক বাহিৰত ৰাখে । কিন্তু সিহঁতে আপোনাক এজন কয়েদী আৰু দাসত পৰিণত কৰে; আৰু আপুনি স্বাধীনতাৰ বিনিময়ত তথাকথিত বিশুদ্ধতা আৰু অসংক্ৰমনতাৰ গৰাকী হয় । তাতোকৈ ভয়ানক প্ৰাচীৰ হ'ল—যি আমাৰ মনোজগতত গঢ় লৈ উঠে । যিয়ে আমাক প্ৰাচীন বুলি গ্ৰহণ কৰি অহা প্ৰথাগত কু-সংস্কাৰসমূহ নিৰ্মূল কৰাত বাধা ৰূপে থিয় দিয়ে আৰু নতুন সত্য গ্ৰহণ কৰাৰ পৰা বিৰত কৰে ।"

"আমাৰ দৰে একে পৰিবেশৰ বেছি ভাগ যুৱকৰ দৰে, ৰাজনৈতিক ভাৱে সচেতন আমাৰ চাম যুৱকো এক হৈছিল এক নিবিড়, কিন্তু ঠেক গণ্ডীৰ জাতীয়তাবাদৰ দ্বাৰা । তথাপি আমাৰ নিজৰ দেশ আৰু আন আন দেশত ঘটা কিছুমান ঘটনাৰ পৰা লব্ধ অভিজ্ঞতাৰাশিৰ পৰা আমি এক নতুন দৃষ্টিভঙ্গী লাভ কৰোঁ আৰু ডেকাকালৰ কিছুমান ধাৰণাৰ অমূলকতাৰ বিষয়ে সজাগ হ'বলৈ যত্ন কৰোঁ । সময়ে আমাক শিকাইছিল ;—যেনেকৈ পণ্ডিতজীয়ে কৈছিল যে '..জাতীয়তাবাদ ইয়াৰ ঠাইতে ভাল, কিন্তু ই এজন অনিৰ্ভৰযোগ্য বন্ধু আৰু নিৰাপত্তাৰহিত বুৰঞ্জীবিদ্ । ই আমাক বিভিন্ন পৰিঘটনাৰ ক্ষেত্ৰত অন্ধ কৰে, আৰু কেতিয়াবা সত্যক বিকৃত কৰে, মুখ্যতঃ সেই সময়ত-যেতিয়া ই আমাৰ আৰু আমাৰ দেশৰ লগত জড়িত হৈ পৰে—" ।

"যিখন পৃথিৱীত প্ৰযুক্তিবিদ্যা আৰু যোগাযোগ ব্যৱস্থাৰ শ্বাসৰুদ্ধকৰ অগ্ৰগতিয়ে পূৰ্বৰ প্ৰতিবন্ধকতাপূৰ্ণ দূৰ দেশৰ মাজৰ দূৰত্ব কমাই আনিছে; য'ত সময় উকলি যোৱা বিশ্বাস আৰু কল্পিত পাৰ্থক্যবোৰ মানুহৰ মাজৰ পৰা দ্ৰুত গতিৰে নিৰ্মূল হ'ব ধৰিছে, য'ত অসহযোগিতাৰ ঠাই সহযোগিতা আৰু আন্তঃনিৰ্ভৰশীলতাই দখল কৰি ল'ব ধৰিছে—তেনে ক্ষেত্ৰত আমিও আমাৰ ঠেক দৃষ্টিভঙ্গী নাইকিয়া কৰিবলৈ আৰু সতেজ বাস্তৱৰ সৈতে একাত্ম হ'বলৈ বাধ্য হৈছিলোঁ ।

উপনিবেশী জগতৰ অন্যতম মুখ্য স্বাধীনতা আন্দোলন 'সৰ্ব ভাৰতীয় জাতীয় কংগ্ৰেছ'ৰ দৰে আমিও বিশ্ব পৰিপ্ৰেক্ষিতত (in a global context) আমাৰ অৱস্থাৰ মূল্যায়ন কৰিবলৈ লৈছিলোঁ । আমি অতি সোনকালেই এজন মহান ৰাজনৈতিক চিন্তাবিদ আৰু শিক্ষকৰ উপদেশ হৃদয়ঙ্গম কৰিছিলোঁ যে কোনো মানুহে পৃথিৱীৰ এটা অংশত মুক্ত হ'লেই প্ৰকৃত অৰ্থত স্বাধীন নহয় যদিহে আন এটা অংশতো বিদেশী শাসনৰ দ্বাৰা ভাতৃসকল অধীন হৈয়ে থাকে ।'

যিসময়ত ইথিঅ'পিয়ান সকলৰ দেশখন 'ফেচিষ্ট' (fascist) ইটালীয়ে লণ্ডভণ্ড কৰিছিল সেইসময়ত সৰ্বভাৰতীয় কংগ্ৰেছে ইথিঅ'পিয়াৰ জনগণৰ লগত থিয় দি যি ভূমিকা পালন কৰিছিল, তাক আমাৰ জনসাধাৰণে আদৰ্শ বুলি গ্ৰহণ কৰে । স্পেইন গণৰাজ্যৰ প্ৰতি জাতীয় কংগ্ৰেছে সাহসেৰে দেখুৱা সহানুভূতিও আমি লক্ষ্য কৰিছিলোঁ । আমি উৎসাহিত হৈছিলোঁ— যেতিয়া ১৯৩৮ চনত কংগ্ৰেছৰ চিকিৎসক মিছন চীনদেশলৈ গৈছিল। আমি স্পষ্টভাৱে লক্ষ্য কৰিছোঁ যে যেতিয়া সাম্ৰাজ্যবাদী শক্তি সমূহে আশা কৰিছিল, আনকি নাজী সকলৰ বৰ্বৰ বাহিনীয়ে ছোভিয়েট ইউনিয়ন আক্ৰমণ কৰিবলৈ আগুৱাইছিল, সেই সময়ত মুছ'লিনীক দেখা কৰিবলৈ কৰা এটা হেচা পণ্ডিতজীয়ে ৰাজহুৱাভাৱে দলিয়াই পেলাইছিল আৰু দুবছৰ পাছত নাজী জাৰ্মানীৰ এটা আমন্ত্ৰণো তেওঁ প্ৰত্যাখ্যান কৰিছিল । তাৰ সলনি তেওঁ জেকোশ্লাভিয়ালৈ যাবলৈ বাছি লৈছিল—যিখন দেশক অবিখ্যাত 'মিউনিখ বুজাবুজি'ৰ দ্বাৰা প্ৰতাৰিত আৰু উলাই কৰা হৈছিল । "..

দক্ষিণ আফ্ৰিকাৰ আটাইতকৈ পুৰণি অস্তিত্ব থকা ৰাজনৈতিক সংগঠন 'নাটাল ভাৰতীয় কংগ্ৰেছ' প্ৰতিষ্ঠা কৰা হৈছিল মহাত্মা গান্ধীৰ দ্বাৰা, ১৮৯৪ চনত । তেওঁ ইয়াৰ প্ৰথম সচিব হৈছিল আৰু আমি লক্ষ্য কৰোঁ-- দক্ষিণ আফ্ৰিকাত থকা একৈশ বছৰত তেওঁৰ জ্ঞান আৰু সংগ্ৰামৰ পদ্ধতি বিলাকৰ জন্ম হৈছিল, যিবিলাকে ভাৰতীয় জনসাধাৰণ আৰু দক্ষিণ আফ্ৰিকাৰ ইতিহাসত এক অপৰিসীম প্ৰভাৱ পেলাইছিল । আচলতে দক্ষিণ আফ্ৰিকাৰ মাটিতে মহাত্মাজীয়ে সত্যাগ্ৰহ দৰ্শনক প্ৰতিষ্ঠা কৰি জীৱনৰ ব্ৰত ৰূপে লৈছিল ।

আমাৰ কাৰণে ভাৰতে কৰা কাম কাজে এক বৃহত্তৰ গুৰুত্ব লাভ কৰিছে, কিয়নো আমি বিবেচনা কৰোঁ যে আমাৰ দেশখনো ১৫৩ জনীয়া দেশ পৰিয়ালৰে এখন আৰু আমাৰ ২১ নিযুতৰো অধিক জনসাধাৰণো বিশ্ব জনসংখ্যাৰে এটা অংশ মাত্ৰ । তাৰোপৰি, আমাৰ সমস্যা যদিও ডাঙৰ তথাপিও বিবাদ, যুদ্ধ, দুৰ্ভিক্ষ, পুষ্টিহীনতা, বেমাৰ, দাৰিদ্ৰ, নিৰক্ষৰতা আৰু হিংসাই আগুৰি ৰখা পৃথিৱীখনৰ তুলনাত সৰু হৈ পৰিছে ।

সংক্ষেপতে, ই বিশ্বক্ৰমনিকাত ভাৰতৰ এটা উদাহৰণযোগ্য ভূমিকা, সেয়েহে ই আমাক মনত পেলাই দিয়ে যে 'আমাৰ তীক্ষ্ণসমস্যাবোৰ মানৱজাতিৰে সমস্যা সমূহৰ এটা অংশ । আৰু পৃথিৱীৰ কোনো অংশৰ লোকেই নিজকে মুক্ত বুলি ক'বলৈ সাহস কৰিব নোৱাৰে যেতিয়ালৈকে পৃথিৱীৰ প্ৰতিটো কোণৰ পৰা মানৱসৃষ্ট যন্ত্ৰণাৰ শেষ পদচিহ্নও নিচিহ্ন হৈ নাযায় ।.."

# ড. লক্ষ্মী দেৱী ঃ এটি শ্ৰদ্ধাঞ্জলি



১৯৬৫ চনৰ ফেব্ৰুৱাৰী মাহত কটন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত প্ৰবক্তা হিচাপে কামত সোমাই পিছলৈ বিভাগটোৰ মূৰব্বী অধ্যাপিকা হোৱা প্ৰয়াত ডঃ লক্ষ্মী দেৱী অকল কটনিয়ান সকলৰে নহয়, সমগ্ৰ অসমৰে পঢ়ুৱৈ সমাজৰ এটি চিনাকি নাম। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সম্মানীয় 'ডক্টৰেট্' উপাধি লাভ কৰা প্ৰথম গৰাকী মহিলা হোৱাৰ উপৰিও বিশেষকৈ অসম বুৰঞ্জী সম্বন্ধীয় পুথি গৱেষণা, প্ৰবন্ধ ইত্যাদিৰ যোগেদি এখেতে যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে।

ডঃ লক্ষ্মী দেৱীৰ জন্ম হয় ১৯৩১ চনৰ ১৯ জুন তাৰিখে গুৱাহাটীত। ১৯৪৪ চনত তেখেতে পানবজাৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। বুৰঞ্জী বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থানেৰে তেখেতে ১৯৪৮ চনত সন্দিকৈ মহাবিদ্যালয়ৰ পৰা বি.এ. ডিগ্ৰী লাভ কৰে। ১৯৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পুনৰ দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থানেৰে তেখেতে বুৰঞ্জী বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। উল্লেখযোগ্য যে দুয়োবাৰেই কোনেও প্ৰথম শ্ৰেণী অধিকাৰ কৰিবলৈ সমৰ্থ হোৱা নাছিল। ইয়াৰ পিছত তেখেতে গুৱাহাটীৰ আৰ্য্যবিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতেই প্ৰয়াত ডঃ লক্ষ্মী দেৱী প্ৰখ্যাত বুৰঞ্জীবিদ সচ্চিদানন্দ ভট্টাচাৰ্য্যৰ সান্নিধ্যলৈ আহে। প্ৰেচিডেন্সী কলেজৰ পৰা তেখেতে আহি গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মূৰব্বী অধ্যাপক হৈছিলহি। ভট্টাচাৰ্য্যদেৱে ডঃ দেৱীক গৱেষণাৰ বিষয় নিজে বাছি দিছিল আৰু এই ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল। আহোম স্বৰ্গদেউ সকলৰ সৈতে অসমৰ জনজাতীয় লোকসকলৰ সম্পৰ্কৰ বিষয়ে মূল্যবান বিশ্লেষণ আগবঢ়োৱা এই গৱেষণা পত্ৰখন চমুকৈ "Ahom-Tribal Relations" নামেৰে জনা যায়। এই গৱেষণাৰ বাবেই ১৯৫৭ চনত ডক্টৰেট্ ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম মহিলা ডক্টৰেট্ হোৱাৰ গৌৰৱ অৰ্জন কৰে। এখেতৰ গৱেষণাৰ Guide আছিল স্বনামধন্য বুৰঞ্জীবিদ ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱ। 'কামৰূপ অনুসন্ধান সমিতি'ৰ যোগেদি এখেতৰ সৈতে ভূঞাদেৱৰ ঘনিষ্ঠতা হয়। এই অনুষ্ঠানৰ যোগেদি তেখেতসকলে আন সহযোগীৰ সৈতে বহুতো বিষয়ত আলোচনা, গৱেষণা, আদি চলাই বিশেষকৈ বুৰঞ্জী বিষয়ৰ চৰ্চা অব্যাহত ৰাখিছিল। প্ৰয়াত ডঃ দেৱীৰ গৱেষণা-পুথিখনে বিভিন্ন জনৰ উচ্চ প্ৰশংসা লাভ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে এই পুথিখন পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত কৰিছিল।

১৯৫৯ চনত ডঃ লক্ষ্মী দেৱীয়ে গুৱাহাটীৰ আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ (অস্থায়ী) হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। অৱশ্যে মহাবিদ্যালয়খনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰাৰ পাছত তেখেতে প্ৰবক্তা হিচাপে শিক্ষকতা কৰিবলৈ লয়। ১৯৬৩ চনত তেখেতে গুৱাহাটীৰ পানবজাৰ নিবাসী আইনবিদ শ্ৰীধৰণীধৰ শৰ্মাৰ সৈতে সংসাৰ আৰম্ভ কৰে। ১৯৬৫ চনত তেখেতে কটন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত প্ৰবক্তা হিচাপে কামত সোমাই পিছলৈ অধ্যাপিকা পদলৈ উন্নীত হয়। মুখ্য-অধ্যাপক অৰুণ বৰুৱাদেৱে অৱসৰ লোৱাৰ পাছত ডঃ দেৱী বিভাগটোৰ মুখ্য-অধ্যাপিকা হয়।

প্ৰয়াত ডঃ লক্ষ্মী দেৱীয়ে অসম বুৰঞ্জীৰ বিষয়ে ভালেকেইখন কিতাপ লিখি থৈ গৈছে। তেখেতে লিখা 'অসমৰ বুৰঞ্জী' আৰু 'সমাজ বিজ্ঞান' নামৰ কিতাপ দুখন উচ্চ মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈছিল। তেনেদৰে শেহতীয়া পুথি 'অসম দেশৰ বুৰঞ্জী' খন বি, এ, মহলাৰ পাঠ্যপুথি। ইয়াৰ উপৰিও তেখেতে কেইখনমান শিশুপযোগী কিতাপ ('অসম দেশৰ সাধু' ইত্যাদি) ৰচনা কৰি যায়। বিভিন্ন আলোচনী আৰু সংকলনত প্ৰকাশিত বহু সংখ্যক মূল্যবান আৰু চিন্তাগধুৰ প্ৰবন্ধৰাজিয়ে তেখেতৰ কৃতিত্ব প্ৰকাশ কৰিছে। ইয়াৰোপৰি, অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনৰ বুৰঞ্জী শাখাৰ সভানেত্ৰীৰ দায়িত্ব তেখেতে সুচাৰুৰূপে পালন কৰিছিল।

কটন মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ মুখ্য অধ্যাপিকা হৈ থাকোঁতেই ১৯৮৭ চনত তেখেতে শাৰীৰিক অসুস্থতা আৰু দুৰ্ঘটনাজনিত কাৰণত শয্যাশায়ী হ'ব লগা হয়। ১৯৮৮ চনৰ ৩১ মে' তাৰিখে তেখেতে কটন মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। আৰু অৱশেষত ১৯৮৯ চনৰ ৩ মাৰ্চৰ নিশা তেখেতে মৃত্যুক সাৱটি লয়। তেখেতৰ জীৱনৰ শেষ আশা আছিল অসম বুৰঞ্জীৰ বিষয়ে ইংৰাজীতে আধা লিখা কিতাপখন সম্পূৰ্ণ কৰা। শাৰীৰিক অসুস্থতাৰ হেতু তেখেতৰ সেই আশা অপূৰণ হৈয়েই ৰ'ল।

কটন মহাবিদ্যালয়ত শিক্ষকতা কৰা কালছোৱাত বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহণৰ উপৰিও তেখেতৰ একাণপতীয়া পাঠদানেৰে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰিয়ভাজন হৈ পৰিছিল। তেখেতৰ বিয়োগত কটন মহাবিদ্যালয়ৰ লগতে সমগ্ৰ অসমে এগৰাকী কৃতী শিক্ষয়িত্ৰী আৰু বুৰঞ্জী বিষয়ৰ গৱেষিকাক অকালতে হেৰুৱালে। অসমৰ নতুন চামৰ বাবে চিৰদিন তেওঁ প্ৰেৰণা হৈ ৰওক, এয়ে আমাৰ আশা। ***

# পুথি-পৰিচিতি

## কটনিয়ানৰ নিৰ্বাচিত গল্প ঃ

'কটনিয়ানৰ নিৰ্বাচিত গল্প'—কটন মহাবিদ্যালয়ৰ মুখপত্ৰ 'কটনিয়ান'ত প্ৰকাশিত উনত্ৰিশটা গল্পৰ এটি সংকলন। কটন কলেজ সাহিত্য সভাই প্ৰস্তুত কৰা এই সংকলন (প্ৰথম খণ্ড)ত ১৯৩২ চনৰ পৰা ১৯৭৬ চনলৈকে প্ৰকাশ হোৱা 'কটনিয়ান' সমূহৰ মাজৰে তেইশ খনৰ পৰা এই উনত্ৰিশটা গল্পক ঠাই দিয়া হৈছে। সংকলনটিৰ 'আগকথা'ত কটন কলেজ সাহিত্য সভাৰ তৎকালীন সভাপতি ডঃ ৰামচৰণ ঠাকুৰীয়া দেৱে কৈছে—'সংকলনটো যুগুত কৰোঁতে অসমীয়া গল্প সাহিত্যৰ বিৱৰ্তিত যুগ-বিভাজনৰ কথা সমূলি চিন্তা কৰা হোৱা নাই, আৰু গল্প সমূহৰ বাছনিৰ ক্ষেত্ৰত শ্ৰেষ্ঠত্বৰ বিচাৰৰ কথাও অলপো মনলৈ অনা হোৱা নাই। ইয়াত অন্তৰ্ভুক্ত কৰা গল্প আৰু গল্পকাৰ সকলক বিবেচনা কৰা হৈছে কেৱল 'কটনিয়ান'ৰ গল্প আৰু গল্পকাৰ হিচাপেহে।..দুই-এক ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত গল্পকাৰ দুই এজনৰ বিশেষৰূপে পৰিচিত দুই এটি প্ৰসিদ্ধ গল্পকো এই সংকলনৰ বাহিৰত ৰাখি আপেক্ষিকভাৱে কম পৰিচিত দুই এটি গল্পহে ইয়াত সন্নিৱিষ্ট কৰা হৈছে।'

'কটনিয়ানৰ নিৰ্বাচিত গল্প'ত অন্তৰ্ভুক্ত হোৱা গল্প সমূহৰ বিষয়ে বিশিষ্ট সমালোচক সাহিত্যিক শ্ৰীযুত উপেন্দ্ৰনাথ শৰ্মাদেৱে "কটনিয়ান'ৰ গল্প ঃ এটি সমীক্ষা" নামেৰে এটি বিশ্লেষণাত্মক আলোচনা সংকলনটিৰ আৰম্ভণিতে দাঙি ধৰিছে। সংকলনটিৰ প্ৰসঙ্গতে তেখেতে কৈছে—'১৯৪২ চনৰ সৰ্বাত্মক আন্দোলনে লেখকসকলৰ এটা ইতিবাচক আদৰ্শৰ প্ৰতি দায়বদ্ধতাৰ কথা সোঁৱৰায়। ঔপনিবেশিক অৱক্ষয় আৰু সাম্যবাদৰ ধ্যান-ধাৰণাইও লেখক সকলক প্ৰভাৱান্বিত কৰে। ..এই দশকতে যুদ্ধ আৰু দুৰ্ভিক্ষ অসমৰ দুৱাৰডলিত উপস্থিত হয়। গুৱাহাটী আৰু আন চহৰত বিদেশী সৈন্যৰ দপদপনি, সুস্থিৰ জীৱন-যাত্ৰাৰ ভাঙোন, ক'লা-বজাৰ আদিয়ে সম্ভাৱনাপূৰ্ণ অসমীয়া সাহিত্যিকৰ কৈশোৰ আৰু যৌৱনক আজুৰি যায় আৰু সময়ত এই চেতনা সাহিত্যত প্ৰকাশ পাবলৈ ধৰে। কাগজৰ মহাৰ্ঘ আৰু আলোচনীৰ অৱলুপ্তি সত্ত্বেও বিচিত্ৰ অভিজ্ঞতা প্ৰকাশৰ বাবে পঞ্চম দশক উপযুক্ত 'ভাজিন চয়ল'। কটনিয়ানৰ গল্পত ভালেমান গল্প লেখকে এই পৰিস্থিতি সমূহৰ আলমত গল্প প্ৰকাশ কৰিছে।'

বিশিষ্ট সাংবাদিক, সাহিত্যিক শ্ৰীযুত হোমেন বৰগোহাঞিদেৱে প্ৰতিটো গল্পৰ আৰম্ভণিতে দিয়া 'গল্পকাৰ আৰু গল্প পৰিচিতি'য়ে সংকলনটিত সোণত সুৱগা চৰাইছে। এই পৰিচিতিৰ লগত সম্ভৱপৰ প্ৰায়সকল লেখকৰে পাৰপত্ৰ আকাৰৰ 'ফটো' ছপোৱা হৈছে। সংকলনটিৰ সম্পাদক প্ৰশান্ত কুমাৰ মহন্তই 'সম্পাদকৰ দুআষাৰ'ত কৈছে—'কটন কলেজৰ প্ৰতিটো ঘৰ, শিক্ষক, ছাত্ৰ-সংগঠন, অনুষ্ঠান, কাৰ্য্যকলাপৰ একোটা বিশেষ ইতিহাস আছে—যিবোৰ অসমৰ পটভূমিত অন্য শিক্ষানুষ্ঠানতকৈ অলপ সুন্দৰ, বেছি বেলেগ। অসম তথা ভাৰতৰ এটা বিশেষ সন্ধিক্ষণত সমবেত হোৱা এই ছাত্ৰসকলে অৰ্থাৎ যুৱ সম্প্ৰদায়ে জীৱনক কেনেদৰে গ্ৰহণ কৰিছে, কি দৃষ্টিভঙ্গীৰে মূৰ্ত কৰিছে তাৰ সম্ভেদ 'কটনিয়ানৰ নিৰ্বাচিত গল্প'ই দিব বুলি আশা কৰিব পাৰি।'

## ব্যক্তি আৰু ব্যক্তিত্বৰ সুৰভি ঃ

কটন কলেজ ছাত্ৰ সন্থাই প্ৰকাশ কৰা 'কটন কলেজৰ ভৱন স্মাৰক—ব্যক্তি আৰু ব্যক্তিত্বৰ সুৰভি' এখন জীৱনী সংকলন। কটন কলেজৰ প্ৰশাসনীয় ভৱন, পুথিভঁৰাল, প্ৰেক্ষাগৃহ, ছাত্ৰাবাস-ছাত্ৰীনিবাস আদি যিসকল মহান ব্যক্তিৰ নামেৰে নামাঙ্কিত, তেখেত সকলৰ জীৱন আৰু দৰ্শনৰ বিষয়ে গ্ৰন্থখনে আলোকপাত কৰিছে।

সংকলনটিৰ প্ৰসঙ্গত তত্বাৱধায়ক অধ্যাপক ডঃ ৰমেশ পাঠকদেৱে 'সম্পাদকীয়ৰ পৰিৱৰ্তে' ত লিখিছে—"১৯০১ চনতে স্থাপিত কটন কলেজত বহুতো ভৱন আছে। আগতে এই ভৱনবোৰ কোনো ব্যক্তিৰ নামেৰে নামাঙ্কিত কৰা হোৱা নাছিল (চুডমাৰ্চন হ'ল ব্যতিক্ৰম)। ছাত্ৰাবাসৰ নাম আছিল 'ফ ষ্ট-মেছ', 'চেকেণ্ড-মেছ', 'থাৰ্ড-মেছ', 'মুছলিম হোষ্টেল', 'ডি. এচ. হোষ্টেল', 'নিউ হোষ্টেল', 'কস্মো-পলিটান হোষ্টেল', 'চি জি ৱান', 'চি জি টু' ইত্যাদি। ১৯৮৫-৮৬ চনৰ কটন কলেজ ছাত্ৰসন্থাৰ সিদ্ধান্ত মৰ্মে এইবোৰ মহান ব্যক্তি একোজনৰ নামেৰে নামাঙ্কিত কৰাৰ সিদ্ধান্ত লয় আৰু সেই মৰ্মে আগৰ নাম সলাই নতুন নাম দিয়া হয়।"

উল্লেখযোগ্য যে এই সঙ্কলনটি গতানুগতিক জীৱনী সঙ্কলন নহৈ প্ৰয়াত ব্যক্তি সকলৰ জীৱন আৰু দৰ্শনত গভীৰ অধ্যয়ন থকা আৰু সান্নিধ্য লাভ কৰা বৰ্তমান অসমৰ কেইবা গৰাকীও ন-পুৰণি লেখক-বুদ্ধিজীৱী, সাহিত্যিক-শিক্ষাবিদৰ লেখাৰে সমৃদ্ধ কৰি আটকধুনীয়াকৈ সজাই পৰাই সঙ্কলিত কৰা হৈছে। জীৱনীৰ লগতে ব্যক্তিসকলৰ আলোকচিত্ৰ অথবা হাতে অকা প্ৰতিচ্ছবি ছপোৱা হৈছে। ইতিপূৰ্বে অপ্ৰকাশিত বহুতো তথ্যই সঙ্কলন খনিক বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

## আশীৰ দশকৰ অসমীয়া সাহিত্য ঃ

কটন কলেজ সাহিত্য সভাই ইয়াৰ তৃতীয় বাৰ্ষিক অধিবেশন উপলক্ষে স্মৰণিকাৰ সলনি 'আশীৰ দশকৰ অসমীয়া সাহিত্য' নামেৰে এখনি প্ৰবন্ধ সংকলন প্ৰকাশ কৰিছে। সংকলনটিত আশীৰ দশকৰ অসমীয়া কবিতা, গল্প, অনুবাদ, নাটক, সংবাদ পত্ৰ আৰু উপন্যাসৰ লগতে অসমীয়া গীতি-সাহিত্য, নাট্যকৰ্ম আৰু ধাৰাবাহিকতা, চলচ্চিত্ৰ আৰু অসমীয়া সাহিত্য, লোক সংস্কৃতি আৰু সাজপাৰ ইত্যাদি বিষয়ক মুঠ দহটা প্ৰবন্ধ প্ৰকাশ পাইছে।

আশীৰ দশকৰ অসমীয়া সাহিত্যৰ গতিধাৰাৰ বিষয়ে প্ৰবন্ধ সংকলনখনিয়ে ইয়াৰ সীমিত পৰিসৰতে মূল্যবান আলোচনা আগবঢ়াইছে।

***

কটন কলেজ ছাত্র সন্থা
কটন কলেজ, গুৱাহাটী-৭৮১ ০০১
COTTON COLLEGE UNION SOCIETY
COTTON COLLEGE, GUWAHATI-781 001
Session—1988-89

Phone : 23138

## ছাত্র উপ-সভাপতিৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতি গভীৰ আস্থা ৰাখি যিসকল কটনিয়ানে মহাবিদ্যালয়ৰ ১৯৮৮-৮৯ চনৰ নিৰ্বাচনত বিপুল সংখ্যক ভোটত জয়ী কৰি ছাত্ৰ উপ-সভাপতি হিচাপে কটন কলেজৰ সেৱা কৰিবলৈ মোক সুবিধা দিলে, সেই সমূহ কটনিয়ান বন্ধু-বান্ধৱীলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষা সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ঐতিহ্যমণ্ডিত কটন কলেজৰ এজন ছাত্ৰ হিচাপে মই মাজে সময়ে অনুভৱ কৰোঁ——আমি যেন এটা বৰ ঠেক পৰিধিৰ মাজত আৱদ্ধ হৈ পৰিছোঁ। "আজিৰ কটনিয়ানে যি ভাৱে কাইলৈৰ অসমবাসীয়ে তাকেই ভাবে" এইবুলি সদায়ে প্ৰতিপন্ন কৰি অহা আমি কটনিয়ান সকলে আজি কেৱল স্থিতাৱস্থাকেই শক্তিশালী কৰি আছোঁনে সৃষ্টিৰ পৰিবেশ গঢ়ি তুলি সময়ৰ সৈতে খাপ খোৱাকৈ স্থিতাৱস্থাক সলনি কৰিবলৈ চেষ্টা কৰিছোঁ। বিভিন্ন দিশত কটন কলেজে বহন কৰি অনা ঐতিহ্যয়ো যেন আমাৰ মাজত সমাদৰ লাভ কৰা নাই আৰু ই যেন ক্ৰমাৎ ম্লান হৈ পৰিব ধৰিছে।

একবিংশ শতিকালৈ আৰু মাত্ৰ কেইটামান বছৰহে বাকী। এনে সময়তে প্ৰত্যেকজন সচেতন কটনিয়ানৰ মাজত এটা প্ৰশ্ন উদয় হৈছে যে এই কৰ্মব্যস্ত আৰু প্ৰতিযোগিতামূলক পৃথিৱীত আমি নিজকে কিমান দূৰ খাপ খুৱাইছোঁ। এনেদৰে আত্মবিশ্লেষণ কৰি দেখিবলৈ পাওঁ যে ১৯০১ চনতে আৰম্ভ হোৱা কটন কলেজৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমি আজি কেৱল বিশ্ববিদ্যালয়ৰ পৰীক্ষা সমূহৰ মাজতে নিজকে সীমাবদ্ধ ৰাখিছোঁ, কিন্তু আমি আনকি তাৰ বহু পাছত প্ৰতিষ্ঠিত ভাৰতবৰ্ষৰ আন আন মহাবিদ্যালয় বা বিশ্ববিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৈতেও সমানে আগুৱাই যাবলৈ সমৰ্থ হোৱা নাই। আজিও আমাৰ মাজত সৰ্বভাৰতীয় পৰ্য্যায়ত অনুষ্ঠিত হোৱা প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে যি পৰিবেশ গঢ়ি উঠিব লাগিছিল, সি গঢ় লৈ উঠা নাই।

উত্তৰ পূৰ্বাঞ্চলৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান কটন কলেজত বৰ্তমান এটা Career Information Centreৰ আৱশ্যক। কলেজৰ পুথিভঁৰালত প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ বাবে আৱশ্যকীয় কিতাপ-পত্ৰ, দুই এখন বিদেশী পত্ৰিকাৰ যোগান ধৰা হোৱা নাই। ইয়াৰ উপৰিও সৰ্বভাৰতীয় পৰ্য্যায়ৰ প্ৰতিযোগিতা মূলক পৰীক্ষাৰ বাবে ইচ্ছুক কটনিয়ান সকলৰ মাজত এটা প্ৰাক্ পৰীক্ষা প্ৰশিক্ষণ কেন্দ্ৰৰ অৱস্থান অতি গুৰুত্বপূৰ্ণ। নিৰ্বাচনত জয়লাভ কৰাৰ পাছত আমি ৰাজ্যৰ শিক্ষামন্ত্ৰীৰ সৈতে এই বিষয়ে আলোচনা কৰো আৰু মন্ত্ৰী মহোদয়েও আমাক এই অভাৱবোৰ পূৰণ কৰা হ'ব বুলি আশ্বাস দিছিল যদিও আজিলৈকে চৰকাৰৰ তৰফৰ পৰা তেনে কোনো ব্যৱস্থা লোৱা আমাৰ চকুত পৰা নাই।

যোৱা ১৯৮৮ চনৰ ডিচেম্বৰ মাহত এই বিষয়ে বিতংকৈ আলোচনা কৰিবলৈ মই এখন সভা আহ্বান কৰোঁ। উক্ত সভাত মহাবিদ্যালয়ৰ ভালে কেইজনমান অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল। উক্ত সভাই কটনিয়ানসকলৰ মাজত এটা সংগঠনৰ প্ৰয়োজনীয়তাৰ বিষয়ে যথেষ্ট গুৰুত্ব আৰোপ কৰে, যি সংগঠনৰ জৰিয়তে কটনিয়ানসকলে নিজৰ গঠনমূলক কাৰ্য্য-কলাপেৰে নিজৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰাৰ লগতে কটন কলেজত এক সুষ্ঠ, শৈক্ষিক পৰিবেশ গঢ়ি তুলিব পাৰে।

এই উদ্দেশ্য আগত ৰাখি ফেব্ৰুৱাৰী ('৮৯) মাহত কটন কলেজৰ মানচিত্ৰত Forum For Better Cottonian নামৰ এটা নতুন সংগঠনে জন্ম লাভ কৰে। অধ্যাপক ডঃ প্ৰবীন দত্ত চাৰৰ সভাপতিত্বত এখন নতুন সমিতিয়ে উক্ত Forum ৰ বিভিন্ন কাৰ্য্যভাৰ গ্ৰহণ কৰে।

Forum For Better Cottonian এ জন্ম লগ্নৰে পৰা মহাবিদ্যালয়ৰ সকলোবোৰ দিশতে সুষ্ঠ পৰিবেশ গঢ়ি তুলিবলৈ নানা ধৰণৰ কাৰ্য্যাৱলী হাতত লৈছে। ইতিমধ্যে 'ফৰামে' মহাবিদ্যালয়ৰ মাণিক চন্দ্ৰ বৰুৱা প্ৰশাসনীয় ভৱনত (০০৫ নং কোঠাৰ সন্মুখত ) এখন Career Information Bulletin Board স্থাপন কৰিছে। ইয়াৰ উপৰিও 'ফৰাম'ৰ তত্বাৱধানত কটনিয়ান সকলৰ মাজত এটা যোগাসনৰ প্ৰশিক্ষণ কেন্দ্ৰ ইতিমধ্যে আৰম্ভ হৈছে। Computer Programming ৰ পাঠ্যক্ৰমৰ বাবে 'ফৰামে' ইয়াৰ সদস্য সকলৰ নিৰ্দিষ্ট মাচুল বেহাইৰ ব্যৱস্থা কৰিছে।

ইয়াৰ উপৰিও ৭ ডিচেম্বৰ ('৮৯) তাৰিখে ফৰামৰ দ্বাৰা প্ৰকাশিত পত্ৰিকা ENCOMIUM (Career Oriented Journal) ৰ প্ৰথমটো সংখ্যাৰ উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ শ্ৰীযুত নৱকান্ত বৰুৱা দেৱে।

Forum For Better Cottonian এ ইয়াৰ উপৰিও নানা ধৰণৰ ভৱিষ্যত কাৰ্য্যসূচী হাতত লৈছে। কিন্তু আৰ্থিক সংকটেই আমাৰ আকাংক্ষিত সকলো উন্নয়নমূলক কামৰ হেঙাৰ হৈ পৰে। চৰকাৰে এই দিশত চিন্তা কৰা উচিত।

কটন কলেজ ছাত্ৰ সন্থাৰ সংবিধান বিধি অনুসৰি ছাত্ৰ উপ-সভাপতিৰ ক্ষমতা তেনেই সীমিত। এই সীমিত পৰিধিৰ মাজত থাকিও মহাবিদ্যালয়খনৰ উন্নতিৰ অৰ্থে যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। কাৰ্য্যক্ষেত্ৰত কিমান দূৰ সফল হ'লোঁ, সেই বিচাৰৰ ভাৰ কটনিয়ানৰ হাতত থাকিল।

শেষত কাৰ্য্যকালত সহায় সহযোগিতা আগবঢ়োৱা সকলোলৈ আন্তৰিক কৃতজ্ঞতা আৰু সহকৰ্মীসকলৰ প্ৰতি শলাগ যাচি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

মকছুদ ৰহমান বৰা,
ছাত্ৰ উপ-সভাপতি।

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ আৰম্ভণিতে, মোৰ সমস্ত শক্তি আৰু কৰ্মপ্ৰেৰণাৰ উৎস, স্বদেশ আৰু স্বজাতিৰ মুকুতিৰ বাবে, দাসত্বৰ শৃঙ্খল চূৰ্ণ কৰিবলৈ চলোৱা সংগ্ৰামত ত্যাগৰ আদৰ্শেৰে মহীয়ান হোৱা প্ৰতি গৰাকী ছহিদলৈ শ্ৰদ্ধাৰ অৰ্ঘ নিবেদন কৰিছোঁ। অসমৰ উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান কটন কলেজৰ জন্ম আৰু শ্ৰীবৃদ্ধিত নিজকে জড়িত কৰি, ইয়াৰ গৌৰৱোজ্জ্বল পৰম্পৰা ৰচনা কৰা সকলো ব্যক্তিলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। সেই সকল কটনিয়ানৰ শুভইচ্ছা আন্তৰিকতাৰে সৈতে গ্ৰহণ কৰি কৃতাৰ্থ মানিছোঁ. যি সকলৰ আশাশুধীয়া চেষ্টাৰ ফলত, মই কটন কলেজক সেৱা কৰাৰ যোগ্যতা লাভ কৰিছিলোঁ।

অসমৰ বুকুত, এক সুস্থ শৈক্ষিক পৰম্পৰা স্থাপনৰ কটন কলেজৰ মহান দায়িত্বৰ কথা কাৰ্য্যকালত সদায়ে মনত ৰাখিবলৈ যত্ন কৰিছিলোঁ। সেয়ে, মহাবিদ্যালয়ৰ বিদ্যায়তনিক উন্নয়নৰ ওপৰত আমি আটাইতকৈ গুৰুত্ব আৰোপ কৰিছিলোঁ।

মই বিশ্বাস কৰোঁ যে, কটন কলেজৰ দৰে এখন বিশাল কলেজত ছাত্ৰ-শিক্ষক আৰু কৰ্মচাৰীৰ মাজত সু-সম্পৰ্ক ৰক্ষা কৰাৰ ক্ষেত্ৰত আমি লাভ কৰা সফলতাৰ বাবেই কাৰ্য্যকালছোৱাত আমি কলেজখনিৰ উন্নয়নৰ ক্ষেত্ৰত সক্ষম হৈছিলোঁ।

কলেজখনৰ বিভিন্ন সমস্যা সম্পৰ্কত আমি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিছিলোঁ, আৰু এইবোৰৰ সমাধানৰ ক্ষেত্ৰত আমি সফলতা লাভ কৰিছিলোঁ। বিগত কালছোৱাত সফলতাৰে ৰূপায়ণ কৰা বিভিন্ন অনুষ্ঠানৰ বিষয়ে উল্লেখ কৰিছোঁ—

বাৰ্ষিক মহাবিদ্যালয় উৎসৱ : কটন কলেজৰ অধ্যক্ষ ডঃ কমলেন্দু দেৱ ক্ৰোৰীয়ে পতাকা উত্তোলন কৰি ১৯৮৮-৮৯ চনৰ বাৰ্ষিক মহাবিদ্যালয় উৎসৱ ২৬ নৱেম্বৰ '৮৮ তাৰিখে আনুষ্ঠানিকভাৱে মুকলি কৰে।

আবাসসমূহে কটন কলেজৰ পৰা 'মাৰ্চ-পাষ্ট' কৰি সিদিনাই ৯ বজাত 'নিউ ফিল্ড'লৈ যাত্ৰা কৰে। উক্ত অনুষ্ঠানত কটন কলেজৰ বহু অধ্যাপক-অধ্যাপিকাই যোগদান কৰি অনুষ্ঠানটি সফল কৰি তোলে। পাঁচ দিনীয়া কাৰ্য্যক্ৰমনিকাৰে যথেষ্ট উৎসাহ-উদ্দীপনাৰে এই বাৰ্ষিক উৎসৱটি পালন কৰা হয়। শেষৰ দিনা (৩০ নৱেম্বৰ '৮৮) বঁটা বিতৰণী সভা আৰু এখনি সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। এই ছেগতে যথেষ্ট সফলতাৰে স্বকীয় বিভাগ সমূহৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা বাবে সতীৰ্থ সম্পাদক সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া মহোৎসৱ : ১৯৭২ চনৰ পিছত, এই বছৰ কটন কলেজত, পুনৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হয়। বিভিন্ন জনৰ একান্ত সহযোগিতাৰ ফলত ১১ ডিচেম্বৰ তাৰিখৰ পৰা নিউ ফিল্ড, নেহৰু ষ্টেডিয়াম আৰু কটন কলেজত এই মহোৎসৱ অনুষ্ঠিত হয়। বহু সংখ্যক কলেজে যোগদান কৰে এই মহোৎসৱ মুকলি কৰে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে। বিশ্ববিদ্যালয়ৰ পতাকা উন্মোচন কৰে, সন্মানীয় উপাচাৰ্য্য শ্ৰীযুত দেৱপ্ৰসাদ বৰুৱাদেৱে। অনুষ্ঠানত বিভিন্ন ক্ৰীড়াবিদ আৰু শিক্ষাবিদৰ উপৰিও ক্ৰীড়া মন্ত্ৰী আৰু কৃষি ৰাজ্য মন্ত্ৰীয়ে যোগদান কৰে।

এই মহোৎসৱৰ সামৰণি পৰে ১৩ ডিচেম্বৰ তাৰিখে। সামৰণি উৎসৱত বঁটা বিতৰণ কৰে শিক্ষামন্ত্ৰী ডাঙৰীয়াই।

আৰ্থিক দুৰৱস্থাৰ মাজতো ক্ৰীড়া সঞ্চালকালয়ৰ কৰ্মচাৰী আৰু শুভাকাংক্ষী সকলৰ সহযোগত আমি আটকধুনীয়াকৈ এই অনুষ্ঠান পালন কৰোঁ। সুখৰ বিষয় এই যে সমগ্ৰ অনুষ্ঠানৰ পাছত প্ৰায় ৮০,০০০ টকা ৰাহি হয়। এই প্ৰতিবেদনেৰেই উক্ত ধন কলেজৰ গঠনমূলক কামত ব্যয় কৰিবলৈ, মই সাংগঠনিক সমিতিক অনুৰোধ জনালোঁ। এই মহোৎসৱৰ সফল ৰূপায়ণে কটন কলেজৰ গৌৰৱ বৃদ্ধি কৰে আৰু এই প্ৰচেষ্টাত সহায়ৰ হাত আগবঢ়োৱা সকলোটিলৈ আমি কৃতজ্ঞতা জনালোঁ। উল্লেখযোগ্য যে উক্ত মহোৎসৱত কটন কলেজে শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়।

**নৱাগত আদৰণি সভা :** পৰম্পৰানুসৰি, নৱাগত সকলক আদৰণি জনাবলৈ ১৫ চেপ্তেম্বৰ '৮৯ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। হাঁহি-ধেমালিৰ মাজেৰে মুকলি চ'ৰা পৰিচালনা কৰা হয়। গধূলি এখনি সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। সভাত অধ্যক্ষ মহোদয়ে বছৰৰ Diploma প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক Diploma বিতৰণ কৰে। কটন কলেজ ছাত্ৰ সাহায্য পুঁজিৰ পৰা সৰ্বমুঠ ৮জন আবাসীক এহেজাৰ টকাকৈ আৰ্থিক সাহায্য আগবঢ়ায়।

**মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা :** ১৯৭৯ চনৰ পৰা কটন কলেজ ছাত্ৰ সন্থাই উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত আয়োজন কৰি অহা তৰ্ক প্ৰতিযোগিতাখনি এইবাৰ পূৰ্বাঞ্চল ভিত্তিত অতি সফলতাৰে ১৪ চেপ্তেম্বৰ '৮৯ তাৰিখে অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাত Indian Express কাকতৰ তৎকালীন সম্পাদক খ্যাতনামা সাংবাদিক শ্ৰীঅৰুণ শ্বোৰী আৰু সাংসদ শ্ৰীদীনেশ গোস্বামী উপস্থিত আছিল। উল্লেখযোগ্য যে উক্ত প্ৰতিযোগিতাৰ ব্যয়ৰ এক বৃহৎ অংশ Oil India Limited য়ে বহন কৰিছিল। প্ৰতিযোগিতাখনিত কটন কলেজ শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়।

বিগত কাৰ্য্যকালছোৱাত কটন কলেজ তথা কটনিয়ান সকলৰ সামূহিক মংগলৰ বাবে উন্নয়নৰ দিশত আমি যথেষ্ট অগ্ৰগতি লাভ কৰিছিলোঁ। সেই বিষয়ে এটি থুলমূল আভাষ দিয়াৰ যত্ন কৰিছোঁ।

**ছাত্ৰ সাহায্য পুঁজি :** কটন কলেজলৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা আৰ্থিকভাৱে পিছপৰা কটনিয়ান সকলক বিভিন্ন ধৰণে সহায় কৰাৰ উদ্দেশ্যে আমাৰ অনুৰোধত কলেজৰ অধ্যক্ষই এটি নতুন ছাত্ৰ সাহায্য পুঁজি সমিতি গঠন কৰি দিয়ে। আমি কটন কলেজ ছাত্ৰ সন্থাই এই পুঁজিলৈ আমাৰ বাৰ্ষিক বাজেটৰ পৰা পঞ্চাশ হাজাৰ টকা বৰঙণি হিচাপে আগবঢ়াওঁ। উক্ত ধন বৰ্তমান Assam Co-Operative Apex Bank ৰ শিলপুখুৰী শাখাত Fix Deposit কৰি ৰখা হৈছে।

আনহাতে প্ৰতি কটনিয়ানৰ পৰা এই পুঁজিলৈ পাঁচ টকাকৈ বছৰি বৰঙণি সংগ্ৰহৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ফলত বৰ্তমান বছৰি প্ৰায় পঁচিশ হাজাৰ টকা দুখীয়া তথা মেধাৱী ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিতৰণৰ ব্যৱস্থা কৰিব পৰা হৈছে। বিগত কালছোৱাত ছাত্ৰ সাহায্য পুঁজিৰ পৰা ৫০ জনতকৈও অধিক দুখীয়া ছাত্ৰ-ছাত্ৰীক প্ৰয়োজন অনুসৰি আবাসৰ খৰচ, কিতাপ কিনা খৰচ আৰু চিকিৎসা সাহায্য দিয়া হয়।

যোৱা বছৰৰ মাৰ্চ মাহত অসমৰ শিক্ষা সঞ্চালকৰ বিশেষ পুঁজিৰে কটন কলেজৰ প্ৰায় ২৬ জন ছাত্ৰ-ছাত্ৰীক কটন কলেজ ছাত্ৰ সন্থাৰ উদ্যোগত আৰ্থিক সাহায্যৰ ব্যৱস্থা কৰি দিয়া হয়।

**ইন্দোৰ ষ্টেডিয়াম :** কটন কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্তৃপক্ষৰ তৰফৰ পৰা বহুদিন ধৰি এটি ইন্দোৰ ষ্টেডিয়ামৰ প্ৰয়োজনীয়তা দোহাৰি থকা হৈছিল। অৱশেষত ক্ৰীড়া সঞ্চালক মহোদয়ৰ পৰামৰ্শক্ৰমে অসমৰ মুখ্য সচিব ডাঙৰীয়াই Meclan and Megure Tea Co. ৰ পৰা ১৫ লাখ টকাৰ ব্যৱস্থা কৰি দিয়ে। উক্ত ইন্দোৰ ষ্টেডিয়ামৰ আধাৰশিলা ১১ চেপ্তেম্বৰ, '৮৯ত স্থাপন কৰে। সভাত মুখ্যমন্ত্ৰীয়ে ভৱিষ্যতে কটন কলেজত এটি চুইমিং পুল নিৰ্মাণৰবাবে অনুদান দিয়াৰ আশ্বাস দিয়ে। ইতিমধ্যে, গড়কাপ্তানী বিভাগে ষ্টেডিয়ামটি নিৰ্মাণৰ দিশত আগবাঢ়িছে।

**বৃক্ষৰোপণ :** গছ-গছনিৰ ৰক্ষণাবেক্ষণৰ বাবে সচেতনতা বৃদ্ধিৰ উপৰিও গুৱাহাটী মহানগৰীৰ একেবাৰে মাজমজিয়াত থকা আমাৰ কলেজখনৰ সৌন্দৰ্য্য বৃদ্ধিৰ উদ্দেশ্যেৰে বনমন্ত্ৰী মহোদয় আৰু মুখ্য বন সংৰক্ষকৰ সহযোগিতাত আমাৰ কলেজৰ সন্মুখ ভাগ, অৰ্থাৎ নবীন চন্দ্ৰ বৰদলৈ হলৰ পৰা পানবজাৰ চাৰিআলিলৈ প্ৰায় ৫০০তকৈও অধিক গছপুলি ৰোপণ কৰা হয়। ৪ চেপ্তেম্বৰ '৮৯ত এই উপলক্ষে অনুষ্ঠিত সভাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ উপস্থিতিত বনমন্ত্ৰী মহোদয়ে মহাবিদ্যালয়খনিৰ চাৰিওকাষলৈ এই আঁচনিৰ সম্প্ৰসাৰণৰ আশ্বাস দিয়ে।

**কলেজ বাছ :** ৰাতিপুৱা ৯-৩০ বজা আৰু নৈশ ভাগত গুৱাহাটীৰ বিভিন্ন অঞ্চলৰ পৰা অহা স্থানীয় ছাত্ৰ-ছাত্ৰী সকলে কলেজ বাছৰ দাবি বহুদিনৰে পৰা কৰি আহিছিল। এইবাৰ অসম ৰাজ্যিক পৰিবহন নিগমৰ পৰিচালন সঞ্চালক আৰু উপ প্ৰধান সঞ্চালকৰ সহযোগিতাত বছৰি ৫০ হেজাৰ টকাত খানাপাৰা, নুনমাটি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পুৱা ৯-৩০ বজাত কলেজলৈ আৰু কলেজৰ পৰা সন্ধিয়া, উল্লিখিত স্থানবোৰলৈ প্ৰত্যাৱৰ্তনৰ বাবে তিনিখন বাছৰ ব্যৱস্থা কৰা হয়। উক্ত ধনৰ ব্যয় বহন কৰিবলৈ চৰকাৰৰ ওচৰত দাবি জনাইছোঁ।

**খোৱা পানীৰ ব্যৱস্থা :** কটন কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে পানী খাবলৈ প্ৰশাসনীয় ভৱনৰ পৰা কিছু দূৰলৈ যাব লাগিছিল। আমাৰ কাৰ্য্যকালত ক্ৰীড়া সঞ্চালকালয়ে এটা আৰু শিক্ষা সঞ্চালকালয়ে দুটা Water Cooler আগবঢ়ায়। তাৰে দুটা প্ৰশাসনীয় ভৱনত আৰু এটা প্ৰাণীবিদ্যা বিভাগত বহুওৱা হয়।

**স্নাতকোত্তৰ শ্ৰেণীত আসন বৃদ্ধি :** ছাত্ৰ-ছাত্ৰীৰ বৰ্দ্ধিত চাহিদালৈ লক্ষ্য ৰাখি কটন কলেজ ছাত্ৰ সন্থাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য দেৱক অনুৰোধ জনাই অসমীয়া, ইংৰাজী, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু গণিত বিভাগৰ আসন পঞ্চাশৰ পৰা ষাঠি খনলৈ বৃদ্ধিৰ ব্যৱস্থা কৰে।

সাঙ্খ্য শাখাত পৰিসংখ্যা বিজ্ঞান : উচ্চতৰ মাধ্যমিক শ্ৰেণীত ঐচ্ছিক গণিত বিষয়টো উঠাই দিয়াৰ পাছত পৰিসংখ্যা বিষয়ৰ বৰ্ধিত চাহিদালৈ লক্ষ্য ৰাখি সাঙ্খ্য বিভাগত পৰিসংখ্যা বিজ্ঞান প্ৰৱৰ্তনৰ দাবি জনাওঁ আৰু সফল হওঁ।

নৃতত্ব বিভাগত স্নাতকোত্তৰ শ্ৰেণী প্ৰৱৰ্তনৰ প্ৰচেষ্টা : কটন কলেজৰ বিভাগ সমূহৰ ভিতৰত গুৰুত্বপূৰ্ণ নৃতত্ব (Anthropology) বিভাগত স্নাতকোত্তৰ শ্ৰেণী নাই। আমাৰ কাৰ্য্যকালত উক্ত বিভাগৰ অধ্যাপক-অধ্যাপিকা সকল, অধ্যক্ষ আৰু কটন কলেজ ছাত্ৰ সন্থাৰ প্ৰচেষ্টাৰ ফলস্বৰূপে বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য আৰু অসম চৰকাৰৰ শিক্ষা আয়ুক্তৰ পৰা স্নাতকোত্তৰ শ্ৰেণী প্ৰৱৰ্তনৰ ক্ষেত্ৰত আমি স্পষ্ট প্ৰতিশ্ৰুতি পাওঁ আৰু আমি আশা ৰাখিছোঁ যে বিভাগীয় আনুষ্ঠানিকতাৰ পাছত সোনকালে নৃতত্ব বিভাগত স্নাতকোত্তৰ শ্ৰেণী প্ৰৱৰ্তন কৰা হ'ব।

স্বৰ্গীয় মাণিক চন্দ্ৰ বৰুৱা দেৱৰ প্ৰতিমূৰ্তি : স্বৰ্গীয় মাণিক চন্দ্ৰ বৰুৱা দেৱৰ অপৰিসীম ত্যাগ আৰু প্ৰচেষ্টাৰ ফলতেই অসমৰ বুকুত ১৯০১ চনত কটন কলেজৰ জন্ম হৈছিল। এইজনা ব্যক্তিৰ এটি প্ৰতিমূৰ্তি কটন কলেজৰ প্ৰশাসনীয় ভৱনৰ সন্মুখত স্থাপন কৰাৰ দাবি ১৯৬৮ চনৰ পৰাই কটন কলেজ ছাত্ৰ সন্থাই বিভিন্ন মহলত উত্থাপন কৰি আহিছিল। অৱশেষত অসম চৰকাৰে স্বৰ্গীয় বৰুৱা দেৱৰ এটি ব্ৰঞ্জৰ প্ৰতিমূৰ্তি কটন কলেজত স্থাপনৰ সিদ্ধান্ত লয় আৰু মহাৰাষ্ট্ৰৰ বিখ্যাত স্থপতিবিদ শ্ৰীএছ. ডি. সাথেক এই প্ৰতিমূৰ্তিটো নিৰ্মাণৰ দায়িত্ব দিয়ে।

'ব্যক্তি আৰু ব্যক্তিত্বৰ সুৰভি' প্ৰকাশ : যি সকল মহান ব্যক্তিৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ, কলেজৰ ভৱন সমূহ উচৰ্গা কৰা হৈছিল, সেই ব্যক্তি সকলৰ জীৱন কথাৰ লগত কটনিয়ান সকলক পৰিচয় কৰি দিয়াৰ লগতে তেওঁলোকৰ আদৰ্শ আৰু ব্যক্তিত্ব উত্তৰ পুৰুষৰ বাবে সংৰক্ষণ কৰাৰ অৰ্থে অসমৰ কেইবাজনো প্ৰথিতযশা সাহিত্যিকে এখন জীৱনী-সংকলন লিখি উলিয়ায়। পুথিখনি প্ৰকাশৰ বাবে প্ৰয়োজনীয় ধন কটন কলেজ ছাত্ৰ সন্থাৰ পুঁজিৰ পৰা দিয়া হয় আৰু শিক্ষা বিভাগৰ পৰাও আৰ্থিক সাহায্যৰ ব্যৱস্থা কৰি দিয়ে।

কলাগুৰু বিষ্ণুৰাভাৰ সোঁৱৰণত পুথি : মহান সংগ্ৰামী শিল্পী বিষ্ণুৰাভাৰ জীৱন আৰু আদৰ্শ সমগ্ৰ ভাৰতবৰ্ষতে প্ৰচাৰ কৰাৰ বাবে ইংৰাজীতে এখনি পুথি প্ৰকাশৰ পৰিকল্পনা কটন কলেজ ছাত্ৰ সন্থাই গ্ৰহণ কৰে। আশা ৰাখিছোঁ অতি কম সময়ৰ ভিতৰতে এই প্ৰচেষ্টা সফল হ'ব।

আবাসৰ বাবে পায়খানা, গা-ধোৱা ঘৰ নিৰ্মাণ : কটন কলেজৰ ছাত্ৰাবাস সমূহৰ অতি নিম্নমানৰ পায়খানা আৰু গা-ধোৱা ঘৰৰ পৰিবৰ্তে গোটেই কেইটা আবাসৰ বাবে নতুনকৈ এইবোৰ নিৰ্মাণৰ বাবে ৮ লাখ ৩০ হেজাৰ টকাৰ প্ৰশাসনীয় অনুমোদন লাভ কৰা হয়।

আলোচনা চক্ৰৰ বাবে পুঁজিৰ ব্যৱস্থা : কটন কলেজ ছাত্ৰ সন্থাৰ উপৰিও কটন কলেজৰ চৌহদত থকা কটন কলেজ সাহিত্য সভা, Forum for better Cottonian আদিৰ দৰে অনুষ্ঠানবোৰক গঠনমূলক কামত সহায় আগবঢ়াবলৈ বছৰি প্ৰায় বিশ হেজাৰ টকাৰ এটি Seminar fund আমাৰ কাৰ্য্যকালতে গঠন কৰা হয় আৰু ই ইতিমধ্যেই নিজৰ কাৰ্য্যসূচী আৰম্ভ কৰিছে।

আবাস আৰু বিভাগৰ ঘৰ মেৰামতি : কটন কলেজৰ ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ পি. জি. ব্লক আৰু নৃতত্ব বিভাগৰ ঘৰ দুটিৰ উন্নয়নৰ বাবে প্ৰায় ৬২ হেজাৰ টকাৰ চৰকাৰী অনুদানৰ ব্যৱস্থা কৰি মেৰামতি কৰোৱা হয়।

আবাস সমূহলৈ ক্ৰীড়া সামগ্ৰী : অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সহযোগত কটন কলেজ ছাত্ৰ সন্থাৰ তৰফৰ পৰা প্ৰতিটো আবাসলৈ ক্ৰীড়া সামগ্ৰী যোগান ধৰা হয়।

মাইক ছেট ক্ৰয় : কটন কলেজত বছৰি বিভিন্ন অনুষ্ঠান পৰিচালনাৰ বাবে মাইকৰ ভাড়াত যথেষ্ট ধন ব্যয় কৰা হয়। এই বছৰ সেয়ে শিক্ষা সঞ্চালকালয়ৰ আৰ্থিক সাহায্যেৰে এটি মাইক ছেট ক্ৰয় কৰা হয়।

অন্যান্য : ১৯৮৮ চনৰ অনুমোদনৰ ভিত্তিত কাম আৰম্ভ হোৱা কলেজ কেন্টিনখন ১৫ আগষ্ট '৮৯ ত মুকলি কৰা হয়। কিছু আনুষংগিক সমস্যা সমাধান কৰাৰ পিছত আবাস সমূহলৈ গেছৰ যোগান আৰম্ভ কৰা হয়। আমাৰ কাৰ্য্যকালতে বহুদিন বন্ধ হৈ থকাৰ পিছত বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগে কটন কলেজলৈ পুনৰ অনুদান আগবঢ়োৱা আৰম্ভ কৰিছে।

অধ্যাপক আৰু কৰ্মচাৰী সকলৰ বাসগৃহ নিৰ্মাণৰ বাবে এটুকুৰা মাটিৰ ব্যৱস্থা কৰাৰ দিশত অগ্ৰগতি লাভ কৰা হয়। আনহাতে অধ্যাপক সকলৰ বৰ্তমানৰ বাসগৃহ আৰু ছাত্ৰীনিবাস সমূহৰ দীৰ্ঘদিনীয়া খোৱা পানীৰ অভাৱ দূৰীকৰণৰ বাবে এটি সুকীয়া পানী লাইনৰ অনুমতি আমি গুৱাহাটী পৌৰ নিগমৰ পৰা লাভ কৰোঁ।

এনেদৰে বিভিন্ন কাৰ্য্যসূচীৰ যোগেদি আমি কটন মহাবিদ্যালয় আৰু ইয়াৰ লগত জড়িত বিভিন্নজনৰ সেৱা কৰাৰ চেষ্টা

কৰোঁ। আমাৰ অসম্পূৰ্ণ কামবোৰৰ ৰূপায়ণেৰে আৰু বহুতো নতুন নতুন উন্নয়নমূলক কামেৰে অনাগত দিনৰ কটনিয়ান সকলে কটন কলেজৰ গৌৰৱোজ্জ্বল ইতিহাস আৰু অধিক জিলিকাই তুলিব বুলি আশা কৰিলোঁ।

শেষত, মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে সহায় কৰা বিভিন্ন জনলৈ হিয়া ভৰা কৃতজ্ঞতা জনাই জ্ঞাত-অজ্ঞাত ছহিদৰ পবিত্ৰ সোঁৱৰণেৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

বিনীত--

**হিমন্ত বিশ্ব শৰ্মা,**

সাধাৰণ সম্পাদক।

●

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন :

প্ৰথমতেই ন পুৰণি সকলো কটনিয়ানলৈ বিপ্লৱী শুভেচ্ছা জ্ঞাপন কৰিলোঁ। যিসকলৰ উদগনি তথা সহযোগিতাই মহাবিদ্যালয় খনক সেৱা আগবঢ়াবলৈ এটি সুবিধা দি ধন্য কৰিলে সেইসকললৈ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ।

মহাবিদ্যালয়খনত যিদৰে কৰিবলগীয়া বহুতো কাম আছে, সেইদৰে কাৰ্য্যক্ষেত্ৰত আছে বহুতো বাধা আৰু সমস্যা। অধ্যয়ন কাৰ্য্যত ব্যস্ত ছাত্ৰৰ দ্বাৰা ইয়াক পূৰ্ণতা দিয়া সম্ভৱ নহয়। বহু ক্ষেত্ৰতেই চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱাত যথেষ্ট সময়ৰ প্ৰয়োজন হয়। অৱশ্যে কৰ্তৃপক্ষ তথা ছাত্ৰ-ছাত্ৰী সকলৰ নিষ্ঠা আৰু সততাই যদি এটা সুস্থ পৰিকল্পিত ৰূপত বিকশিত হয়, এদিন এই বাস্তৱৰ কটনখনক সকলোৰে কল্পনাৰ প্ৰকৃত জ্ঞানৰ পবিত্ৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ নিশ্চয় সম্ভাৱনা নথকা নহয়। ছাত্ৰ-ছাত্ৰীৰ মনৰ আভ্যন্তৰীণ স্তৰত মহাবিদ্যালয় খনৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মানৰ সৃষ্টি কৰিব লাগিব, প্ৰতিজন কটনিয়ানৰ নৈতিকতা সবল হোৱা প্ৰয়োজন। যদি অনুশাসনৰ অধীন নহয় তেন্তে শৃংখলা বজাই ৰখা সম্ভৱ নহয়। এই ক্ষেত্ৰত ছাত্ৰ সকল স্বয়ংক্ৰিয় ভাৱে আগুৱাই আহিব লাগিব। পূৰ্ণ মৰ্য্যাদা পাবলৈ আৰু সমতাৰ খাতিৰত মহাবিদ্যালয়খনত ইউনিফৰ্মৰ অত্যন্ত প্ৰয়োজন। কটনৰ বুকুৰেদি বৈ অহা অন্তৰ্গামী বিভাজনৰ সোঁতটোক (সাম্প্ৰদায়িকতা) ৰোধ কৰিবই লাগিব। ইয়াক ইয়াতেই যদি নাশ কৰা নহয় তেন্তে বৃহত্তৰ অসমীয়া জাতি গঢ়াৰ আশা তথা ৺মাণিক চন্দ্ৰ বৰুৱাদেৱৰ কটন প্ৰতিষ্ঠাৰ উদ্দেশ্যক উলাই কৰা হ'ব। গতিকে কটনক সমন্বয়ৰ সেতুৰূপে গঢ়ি তুলিবলৈ মই প্ৰতিজন কটনিয়ান, শিক্ষাগুৰু তথা কৰ্তৃপক্ষ আৰু অভিভাৱক সকললৈ অনুৰোধ জনালোঁ।

কৰ্তৃপক্ষই আমাক নিৰাপত্তা দিব নোৱাৰিলে ছাত্ৰ সকলৰ সৰ্বাংগীন বিকাশ সম্ভৱ নহয়। ছাত্ৰ-ছাত্ৰীসকলে কটনৰ প্ৰতিটো অনুষ্ঠানত সহযোগিতা আগবঢ়োৱা উচিত। জাতি গঠনৰ ঐতিহ্য ৰক্ষাৰ পবিত্ৰ দায়িত্ব ভাৰ প্ৰতিজন কটনিয়ানে মূৰ পাতি লোৱাৰ যোগ্যতা অৰ্জন কৰক। কটনৰ পৰাই জাতিটোৰ স্বকীয়তা ৰক্ষা পৰক, ই প্ৰতিজন অসমীয়াৰ বুকুৰ সপোন, ইয়াক বাস্তৱত পৰিণত কৰিবলৈ প্ৰতিজন কটনিয়ান দৃঢ় সংকল্পবদ্ধ হওক। এনেবোৰ উদ্দেশ্যেৰে অনুপ্ৰাণিত হৈ কটন কলেজ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ গধুৰ দায়িত্বভাৰ কান্ধ পাতি লৈছিলোঁ। কিমান সফল হ'লোঁ নাজানো, কিন্তু বৰ্তমান কটনিয়ান সকল সুখ নিদ্ৰাত মগ্ন জানি আচৰিত হ'লোঁ। এনেদৰেই এটা বৰ্ষ অতিক্ৰম কৰিলে।

সামৰণিত প্ৰতিজন কটনিয়ানৰ প্ৰেৰণা লগতে সহায়-সহযোগিতাৰ বাবে চিৰ ঋণী হৈ ৰ'লো।

বিনীত,

**ৰাজেশ কুমাৰ চায়েঙীয়া,**

সহকাৰী সাধাৰণ সম্পাদক।

●

## ছাত্ৰী জিৰণি কোঠা বিভাগৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ মোখনিতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত জয়ী কৰি বিভাগটোলৈ কিছু সেৱা আগবঢ়াবলৈ দিয়া বাবে সমূহ কটনিয়ানলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শুভেচ্ছা জনাইছোঁ। যি সকলৰ সহায়-সহযোগিতা আৰু উৎসাহক সাৰথি কৰি মই মোৰ গুৰু দায়িত্ব পালন কৰাত সমৰ্থ হৈছিলোঁ, সেই সকলক মই কৃতজ্ঞতাৰে সুঁৱৰিছোঁ।

কটন মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ অহা ছাত্ৰীৰ সংখ্যা বৰ কম নহয়। এই বৃহৎ সংখ্যক ছাত্ৰী সকলৰ প্ৰয়োজন আৰু অভাৱো যথেষ্ট। বহু অসুবিধাৰ মাজতো আমাৰ কাৰ্য্যকালছোৱাত বান্ধৱী সকলৰ প্ৰয়োজনৰ প্ৰতি যথাসম্ভৱ লক্ষ্য ৰাখি সমাধানৰ চেষ্টা কৰিছিলোঁ।

মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰী জিৰণি কোঠা বিভাগৰ তৰফৰ পৰা পুষ্প সজ্জা, ৰন্ধন প্ৰতিযোগিতা, 'ফেশ্বন শ্বো' আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে এই মুকলি প্ৰতিযোগিতাসমূহত ভালে সংখ্যক ছাত্ৰী-বান্ধৱীৰ লগতে দুই এক ছাত্ৰ-বন্ধুৱেও যোগ দি (আনকি পুৰস্কাৰ লাভ কৰিও) এক আনন্দমুখৰ পৰিবেশ গঢ়ি তুলিছিল। প্ৰতিযোগিতা সমহত

অংশ গ্ৰহণ কৰা সমূহ প্ৰতিযোগী, বিচাৰক মণ্ডলী আৰু সহায়কাৰী সকললৈ এই ছেগতে মোৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই ক্ষেত্ৰত ছাত্ৰী নিবাস দুটিৰ ছাত্ৰী সকলৰ সহায়ৰ কথা বিশেষভাৱে উল্লেখযোগ্য।

কটন মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠা নিম্নমানৰ নহয় যদিও তাত বহুতো সামগ্ৰী আৰু সা-সুবিধা দিয়াৰ আৱশ্যকতা আছে। ভৱিষ্যতে ছাত্ৰ একতা সভা আৰু কৰ্তৃপক্ষৰ সহযোগত এই প্ৰয়োজনসমূহৰ যোগান ধৰা হ'ব বুলি আশা ৰাখিলোঁ। শেষত সকলোলৈকে পুনৰ ধন্যবাদ আৰু কৃতজ্ঞতা জনাই প্ৰতিবেদন ইয়াতে সামৰিছোঁ।

গীতাশ্ৰী গগৈ,
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।

## তৰ্ক আৰু আলোচনা বিভাগৰ প্ৰতিবেদন :

আমাৰ কাৰ্যকাল শেষ হ'ল। নতুন জনক দায়িত্বভাৰ দিয়াৰ লগে লগে বিগত দিনত আমাৰ কাৰ্য্যপৰিক্ৰমা সম্পৰ্কে এবাৰ জুকিয়াই চাবৰ সুযোগ পালোঁ।

গতানুগতিক ভাৱে বহু আশা আৰু প্ৰতিশ্ৰুতিৰ মাজেৰে আমি কটন কলেজ ছাত্ৰ সন্থাৰ বিষয়ববীয়া নিৰ্বাচিত হোৱা নাছিলোঁ। যিখিনি প্ৰতিশ্ৰুতি আছিল তাত আমাৰ শক্তি সামৰ্থৰ বিচাৰ কৰি চাইছিলোঁ। সেয়ে কটন কলেজ ছাত্ৰ সন্থাৰ তৰ্ক বিভাগৰ সম্পাদক হিচাপে সন্মানিত বিভাগটোৰ সন্মান অক্ষুণ্ণ ৰাখিবৰ বাবে আমি যৎপৰোনাস্তি চেষ্টা চলাইছিলোঁ।

আমাৰ কাৰ্য্যকালত এই সন্মানিত বিভাগটোৰ যোগেদি প্ৰায় ৪০ খনৰো অধিক কুইজ আৰু বিভিন্ন পৰ্য্যায়ৰ তৰ্ক প্ৰতিযোগিতাত আমাৰ বিভিন্ন কৃতী ছাত্ৰ-ছাত্ৰীক কৃতকাৰ্য্যতাৰে অংশ গ্ৰহণৰ সুবিধা প্ৰদান কৰিবলৈ সুযোগ পাইছিলোঁ। প্ৰতিখন প্ৰতিযোগিতাতে আমাৰ অংশ গ্ৰহণকাৰীৰ সফলতাই কলেজলৈ সন্মান আনিছিল। আমাৰ কাৰ্যকালৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কাম হৈছে কটনিয়ানৰ ওচৰত দিয়া প্ৰতিশ্ৰুতি মতে মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনি উত্তৰ পূৰ্বাঞ্চলৰ পৰা পূৱ মণ্ডল ভিত্তিত সফলতাৰে উদ্‌যাপন কৰা। পূৱ মণ্ডলৰ প্ৰায় সকলো কেইখন ৰাজ্যৰ প্ৰতিনিধিত্বই আমাৰ প্ৰতিযোগিতাখনি প্ৰকৃতাৰ্থত সাফল্য-মণ্ডিত কৰিছিল।

### মহাবিদ্যালয় সপ্তাহৰ ফলাফল :

তৰ্ক প্ৰতিযোগিতা

১। গায়ত্ৰী শৰ্মা।
২। অপৰ্ণা দেৱী।
৩। ৰশ্মি বৰা।

বক্তৃতা প্ৰতিযোগিতা

১। মনোৰঞ্জন শৰ্মা।
২। কস্তুৰী শৰ্মা,
ছামিম আহমেদ।
৩। অমৰ জ্যোতি শৰ্মা।

কুইজ প্ৰতিযোগিতা

১। প্ৰীতম শইকীয়া,
চমজম ৰাজশেখৰ,
পাৰ্থজিৎ বৰুৱা,
নন্দন ফুকন।

২। মনালিচা বৰা,
দেৱযানী খাটনিয়াৰ,
ববিতা বৰুৱা,
মন্দিৰা শৰ্মা।

৩। উৎপল বৰপূজাৰী,
অলকেশ বৰুৱা,
চাহনাজ তাহেৰ,
উৰ্মি বুজৰবৰুৱা।

### নৱম মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী পূৱ মাণ্ডলিক তৰ্ক প্ৰতিযোগিতা :

ইংৰাজী শাখা :

১ম : দীপজ্যোতি গগৈ,
পশুচিকিৎসা মহাবিদ্যালয়, খানাপাৰা।
২য় : প্ৰসেনজিৎ বিশ্বাস,
গুৰুচৰণ কলেজ, শিলচৰ।
৩য় : সুনন্দন ৰয় চৌধুৰী,
প্ৰেচিডেন্সী কলেজ, কলিকতা।

অসমীয়া শাখা :

১ম : হিমন্ত বিশ্ব শৰ্মা,
কটন কলেজ, গুৱাহাটী।
২য় : ৰবী শৰ্মা,
জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট।
৩য় : কবীন্দ্ৰ দাস,
পাণ্ডু মহাবিদ্যালয়, পাণ্ডু।

শ্ৰেষ্ঠ তাৰ্কিক : দীপজ্যোতি গগৈ,
পশুচিকিৎসা মহাবিদ্যালয়,
খানাপাৰা।

শ্ৰেষ্ঠ দল : কটন কলেজ, গুৱাহাটী।

২য় শ্ৰেষ্ঠ দল : পশুচিকিৎসা মহাবিদ্যালয়,
খানাপাৰা।

শ্ৰেষ্ঠা প্ৰশ্নকৰ্তী : ছাবিবা হাছান,
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়।

কাম কৰাৰ প্ৰকৃত আকাংক্ষা থাকিলে কৰ্মক্ষেত্ৰত আত্ম-অনুপ্ৰেৰণা লাভ কৰা যায়, যি আচলতে মানুহক কৃতকাৰ্য্যতাৰ অনিৰুদ্ধ পথ নিৰ্দেশ কৰে। কাৰ্য্যক্ষেত্ৰৰ কৃতকাৰ্য্যতা-অকৃতকাৰ্য্যতা, সফলতা-বিফলতাৰ বিচাৰ কটনিয়ানৰ। কটনিয়ানৰ ইচ্ছা আকাংক্ষা আমাৰ কৰ্মপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

জয়তু কটন কলেজ,
**নৱ জ্যোতি বৰা,**
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ।

## টেনিছ বিভাগৰ প্ৰতিবেদন:

বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মোক কটন মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱলৈ সুযোগ দিয়া বাবে সমূহ কটনিয়ানলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আগৰবাৰৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহত টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বতৰ বেয়া বাবে, ফাইনেল পৰ্য্যায়ৰ খেল সমূহত গেমৰ সংখ্যা কমাই দিব লগা হয়। এইবাৰ মহাবিদ্যালয় সপ্তাহত বছৰটোৰ শ্ৰেষ্ঠ টেনিছ খেলুৱৈৰ সন্মান পাইছে ল'ৰাৰ বিভাগত চিৰঞ্জীৱ বৰুৱাই আৰু ছোৱালীৰ বিভাগত মৃন্ময়ী গোস্বামীয়ে।

এইবাৰ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া মহোৎসৱত কটন কলেজৰ লন টেনিছৰ দলে পুৰুষ আৰু মহিলা দুয়োটা বিভাগত চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে।

### মহাবিদ্যালয় সপ্তাহৰ ফলাফল:

ল'ৰাৰ একক:

বিজয়ী: চিৰঞ্জীৱ বৰুৱা (৬-৪, ৬-৩)।
ৰাণাৰ্চ আপ: সঞ্জয় বৰুৱা।

ল'ৰাৰ যুটীয়া:

বিজয়ী: চিৰঞ্জীৱ বৰুৱা আৰু সঞ্জয় বৰুৱা।
ৰাণাৰ্চ আপ: ফাল্গুনী ফুকন আৰু স্বপ্নীল ভৰালী।

ছোৱালীৰ একক:

বিজয়ী: মৃন্ময়ী গোস্বামী।
ৰাণাৰ্চ আপ: শ্ৰাৱন্তী হাজৰিকা।

মিশ্ৰিত যুটী:

যুটীয়া বিজয়ী: মৃন্ময়ী গোস্বামী-সঞ্জয় বৰুৱা,
শ্ৰাৱন্তী হাজৰিকা-চিৰঞ্জীৱ বৰুৱা।

### আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাৰ ফলাফল:

লৰাৰ শাখা:

কটন মহাবিদ্যালয়ৰ দল বিজয়ী।
অংশ গ্ৰহণকাৰী: সিদ্ধাৰ্থ ভূঞা (অধিনায়ক), চিৰঞ্জীৱ বৰুৱা আৰু সঞ্জয় বৰুৱা।

ছোৱালীৰ শাখা:

কটন মহাবিদ্যালয়ৰ দল বিজয়ী।
অংশ গ্ৰহণকাৰী: নিশা বৰুৱা, মৃন্ময়ী গোস্বামী আৰু ধৃতিমনি বনিয়া।

বিভিন্ন দিশত সহযোগিতা আগবঢ়োৱা বাবে বিভাগীয় তত্বাৱধায়ক প্ৰমুখ্যে বন্ধুবৰ্গলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ধন্যবাদেৰে,
**সিদ্ধাৰ্থ ভূঞা,**
সম্পাদক, টেনিছ বিভাগ।

## সঙ্গীত বিভাগৰ প্ৰতিবেদন:

প্ৰতিবেদনৰ আৰম্ভণিতেই কটন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দক মোৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ। যি সকলৰ ইচ্ছা আৰু সহযোগিতাৰে মই কটন মহাবিদ্যালয়ৰ সংগীত বিভাগৰ সম্পাদক হৈছিলোঁ, তেওঁলোক আটাইকে মোৰ কৃতজ্ঞতা জনাইছোঁ।

আমাৰ কাৰ্য্যকালত মোৰ বিভাগৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দায়িত্ব আছিল সংগীত বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা। সেই অনুসৰি মহাবিদ্যালয় সপ্তাহৰ সীমিত সময়সীমাৰ মাজতেই সংগীত বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ সুকলমে অনুষ্ঠিত কৰা হয়। অৱশ্যে বিশেষ দুই এবিধ শাখাৰ বাহিৰে আনবোৰ শাখাত প্ৰতিযোগীৰ সংখ্যা সিমান উৎসাহ-জনক নাছিল।

আমাৰ মহাবিদ্যালয়ত সংগীতৰ সৈতে ঘনিষ্ঠভাৱে জড়িত ছাত্ৰ-ছাত্ৰী, আনকি শিক্ষক-শিক্ষয়িত্ৰীও আছে। বিভিন্ন অনুষ্ঠান আদিত তেখেতসকলে অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ বৃদ্ধিত সহায় কৰি আহিছে। তথাপিতো এনে ধৰণৰ

অনুষ্ঠান আৰু চৰ্চা আদি আৰু বেছিকৈ কৰাৰ থল আছে। নতুন চাম ছাত্ৰ-ছাত্ৰীৰ মাজৰ প্ৰতিভা সমূহ চিনি উলিয়াই উৎসাহ দিবলৈও বাস্তৱ ব্যৱস্থা লোৱা দৰকাৰ। সংগীত বিষয়ত আলোচনা চক্ৰ, বিশেষ বক্তৃতা প্ৰদান আদিৰ যোগেদিও এনে পৰিবেশ গঢ়ি তুলিব পৰা যায়।

আমাৰ কাৰ্য্যকালত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত সংগীত বিভাগৰ দ্বাৰা আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল তলত দিয়া হ'ল।

**বৰগীত প্ৰতিযোগিতা :**

১ম : সংগীতা দাস।
২য় : মুনমুন দাস।
৩য় : দীপা চৌধুৰী।

**জ্যোতি-সংগীত প্ৰতিযোগিতা :**

১ম : সংগীতা দাস।
২য় : শতৰূপা দেৱী।
৩য় : দীপা চৌধুৰী,
মনোজ বৰুৱা।

**বিষ্ণুৰাভা গীত প্ৰতিযোগিতা :**

১ম : সংগীতা দাস।
২য় : দীপা চৌধুৰী।
৩য় : পৰশমনি দাস,
ৰঞ্জন বেজবৰুৱা।

**আধুনিক গীত প্ৰতিযোগিতা :**

১ম : সংগীতা দাস।
২য় : মাধৱ কৃষ্ণ দাস।
৩য় : দীপা চৌধুৰী।
উদগনি বঁটা : সুৰেখা ডেকা।

**ভজন প্ৰতিযোগিতা :**

১ম : দীপা চৌধুৰী।
২য় : সঞ্জয় শইকীয়া।
৩য় : সংগীতা দাস।

**খেয়াল প্ৰতিযোগিতা :**

১ম : সঞ্জয় শইকীয়া।
২য় : সংগীতা দাস।
৩য় : দীপা চৌধুৰী,
মুনমুন দাস।

**তবলা প্ৰতিযোগিতা :**

১ম : দেৱাশীষ ভট্টাচাৰ্য্য।
২য় : পাৰ্থপ্ৰতিম মহন্ত।
৩য় : ৰূপালী কেওট।

**সমবেত সঙ্গীত প্ৰতিযোগিতা :**

১ম : নলিনীবালা দেৱী ছাত্ৰীনিবাসৰ দল।
২য় : আকাশী হাজৰিকা আৰু তেওঁৰ সঙ্গীবৃন্দ।
৩য় : "ডি. এইচ. গ্ৰুপ"।

**বিহু-হুচৰি প্ৰতিযোগিতা :**

১ম : কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাসৰ দল।
২য় : "ডি. এইচ. গ্ৰুপ"।
৩য় : ছহিদ মোজাম্মিল হক ছাত্ৰাবাসৰ দল,
মহেন্দ্ৰনাথ ডেকাফুকন ছাত্ৰাবাসৰ দল।

**শ্ৰেষ্ঠ ঢুলীয়া :**

পাৰ্থপ্ৰতিম গোস্বামী,
("ডি. এইচ. গ্ৰুপ")।

**শ্ৰেষ্ঠা গায়িকা (১৯৮৮-৮৯) :**

সংগীতা দাস।

মহাবিদ্যালয় সপ্তাহৰ কালছোৱাত বিভিন্ন ধৰণে সহযোগিতা আগবঢ়োৱা বাবে প্ৰতিযোগী সকল, বিচাৰক মণ্ডলী আৰু মোৰ বন্ধুবৰ্গলৈ কৃতজ্ঞতা জনাইছোঁ। কটন মহাবিদ্যালয়ৰ সংগীতৰ ক্ষেত্ৰখন ভৱিষ্যতে আৰু অধিক সুমধুৰ হৈ উঠক, তাৰেই কামনাৰে এই প্ৰতিবেদন সামৰিছোঁ।

**সত্যদেৱ গোস্বামী,**
সম্পাদক, সংগীত বিভাগ।

## ক্ৰিকেট বিভাগৰ প্ৰতিবেদন :

পোনপ্ৰথমেই মই সমূহ কটনিয়ান আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী সকলক মোৰ শ্ৰদ্ধা আৰু আন্তৰিক শুভেচ্ছা যাচিছোঁ। কটন মহাবিদ্যালয়ৰ ক্ৰিকেট বিভাগৰ সম্পাদক ৰূপে মোক যথাসম্ভৱ সেৱা আগবঢ়াবলৈ সুবিধা দিয়া বাবে সকলোলৈকে মোৰ কৃতজ্ঞতা জনাইছোঁ।

আমাৰ কাৰ্য্যকালত ক্ৰিকেট বিভাগৰ তৰফৰ পৰা মহাবিদ্যালয় সপ্তাহ উপলক্ষে এখন আন্তঃ শ্ৰেণী সীমিত অভাৰ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰিও ছাত্ৰ সকলৰ হৈ সাধাৰণ সম্পাদক একাদশ আৰু শিক্ষক সকলৰ হৈ তথ্যক্ষ একাদশৰ মাজত এখন এদিনীয়া প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয় সপ্তাহৰ বাদে অন্য সময়ত কটন মহাবিদ্যালয়ৰ ক্ৰিকেট বিভাগ সক্ৰিয় হৈ থকাৰ বিশেষ সুবিধা নাই। সমগ্ৰ অসমতে প্ৰশিক্ষণ আৰু অনুশীলনৰ বাবে উৎসাহজনক পৰিবেশ নাই। তেনে স্থলত কটন মহাবিদ্যালয়ত বহুত কিবাকিবি বিচাৰিলো অৰ্থহীনেই। তথাপিতো অসমৰ বিভিন্ন প্ৰান্তৰ সম্ভাৱনাপূৰ্ণ ছাত্ৰসকলৰ মিলন ক্ষেত্ৰখনত ক্ৰীড়াৰ বিষয়ত অধিক

গুৰুত্ব দিলে ভৱিষ্যতে অসমৰ ক্ৰীড়াজগত উপকৃত হ'ব। কিয়নো ইতিমধ্যে ভালেকেইজন প্ৰাক্তন কটনিয়ানে অসমৰ ক্ৰিকেট দলনৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে।

### মহাবিদ্যালয় সপ্তাহৰ ফলাফল ঃ

বিজয়ী ঃ স্নাতক ৩য় বৰ্ষ।
ৰাণাৰ্ছ আপ ঃ স্নাতকোত্তৰ মহলা।

চূড়ান্ত খেলৰ

শ্ৰেষ্ঠ বলাৰ ঃ প্ৰণৱ চাণ্ডিল্য।

শ্ৰেষ্ঠ বেট্‌চমেন ঃ ৰাকেশ বেজবৰুৱা।
শ্ৰেষ্ঠ ফিল্ডাৰ ঃ জন চাকো।
মেন অব্‌ দা মেট্‌ছ ঃ প্ৰণৱ চাণ্ডিল্য।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী সকলক মোৰ আন্তৰিক ধন্যবাদ জনাই প্ৰতিবেদন সামৰিছোঁ।

প্ৰণৱ চাণ্ডিল্য,
সম্পাদক, ক্ৰিকেট বিভাগ।

## নৌচালনা, সাঁতোৰ আৰু শৰীৰচৰ্চা বিভাগৰ প্ৰতিবেদন ঃ

বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মোক কটন মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মই পোন প্ৰথমতেই সমূহ কটনিয়ানলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বৰ্তমান সময়ত বিশ্বৰ সকলো ঠাইতে খেল-ধেমালিয়ে এক উচ্চ স্থান লাভ কৰিছে। খেল-ধেমালিত পাৰদৰ্শিতাৰ মূলতে শৰীৰ-চৰ্চাৰো এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। সঁচা কথা ক'বলৈ হ'লে, শাৰীৰিক শক্তি আৰ্জন অবিহনে এই দিশত আগবঢ়া বৃথা।

খেল ধেমালিৰ ক্ষেত্ৰত কটন কলেজৰ শৰীৰ চৰ্চা বিভাগৰ এক পুৰণি ঐতিহ্য আছে। এই ঐতিহ্যৰ প্ৰতি সঁহাৰি দি সৌসিদিনা কটন কলেজত এখন 'ইণ্ডোৰ ষ্টেডিয়াম'ৰ আধাৰশিলা অসমৰ মাননীয় মুখ্য মন্ত্ৰীয়ে স্থাপন কৰে। ইয়াৰ লগতে থকাকৈ আধুনিক সা-সৰঞ্জামেৰে সজ্জিত এটা 'জিম্‌নাচিয়াম হল' হোৱাৰ আশ্বাসক বাস্তৱত ৰূপ দিবলৈ কৰ্তৃপক্ষৰ ওচৰত আমাৰ অনুৰোধ থাকিল।

আমাৰ কলেজৰে ছাত্ৰ শান্তনু ৰায়চৌধুৰীৰ তত্বাৱধানত এই বছৰ "Cotton College Yoga & Therapy Centre" এটা খোলা হয়। এই কেন্দ্ৰৰ পৰা হৰেন্দ্ৰনাথ নৰাং আৰু চন্দ্ৰাদিত্য গগৈয়ে জিলা পৰ্য্যায়ত সোণৰ পদক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত পঞ্চম স্থান পাই কটন কলেজলৈ সুনাম কঢ়িয়াই আনে।

এই বেলি মহাবিদ্যালয় সপ্তাহত দেহশ্ৰী, পাঞ্জা, শক্তি উত্তোলন, মুষ্টি যুদ্ধ আৰু সাঁতোৰ প্ৰতিযোগিতা বদ্ধিত কলেৱৰত অনুষ্ঠিত কৰা হয়।

আমাৰ মহাবিদ্যালয়তে অনুষ্ঠিত হৈ যোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া মহোৎসৱতো শৰীৰচৰ্চা বিভাগৰ অন্তৰ্গত বিভিন্ন খেলত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা হয়। জিমনাষ্টিক্‌চত ঘনজ্যোতি দাস, অৰবিন্দ হাজৰিকা আৰু নৰ গগৈ, আৰু সাঁতোৰত চয়নিকা বৰদলৈ, মীনাক্ষী কলিতা, ধীৰাজ চৌধুৰীয়ে বিভিন্ন বিভাগত পদক অৰ্জন কৰিবলৈ সক্ষম হোৱা বাবে তেওঁলোকলৈ অভিনন্দন জ্ঞাপন কৰিছোঁ।

### মহাবিদ্যালয় সপ্তাহৰ ফলাফল ঃ

পাঞ্জা ঃ

৪০-৫০ কে. জি. ঃ
বিজয়ী ঃ জিতেন ৰয়।
ৰাণাৰ্ছ আপ ঃ মনোজ মহন্ত।

৫০-৬০ কে. জি. ঃ
বিজয়ী ঃ নীলোৎপল বৰা।
ৰাণাৰ্ছ আপ ঃ পাৰ্থ তালুকদাৰ।

৬০-৭০ কে. জি. ঃ
বিজয়ী ঃ বুধীন্দ্ৰনাথ নৰাং।
ৰাণাৰ্ছ আপ ঃ দিকেছ হোজাইজা।

৭০-৮০ কেজি
বিজয়ী ঃ অৰ্জুন বয় খাকলাৰী।
ৰাণাৰ্ছ আপ ঃ ৰাহুল মেধি।

বক্সিং ঃ

ফ্লাই ৱেইট ঃ
বিজয়ী ঃ দিলীপ চন্দ্ৰ টাৰো।
ৰাণাৰ্ছ আপ ঃ অমৰ জ্যোতি বৰ্মণ।

ফিদাৰ ৱেইট ঃ
বিজয়ী ঃ ভুবন পেগু।
ৰাণাৰ্ছ আপ ঃ অভিজিৎ সিন্‌হা।

লাইট ৱেইট ঃ
বিজয়ী ঃ ৰাজীৱ বৰা।
ৰাণাৰ্ছ আপ ঃ বজিৎ দৈমাৰী।

ৱেল্টাৰ ৱেইট ঃ
বিজয়ী ঃ শব্দৰাম বাভা।
ৰাণাৰ্ছ আপ ঃ ৰাজেন সিং।

**লাইট মিড্‌ল বেইট ঃ**

বিজয়ী ঃ দিকেছ হোজাইজা ।
ৰাণাৰ্ছ আপ ঃ প্ৰকাশ বৰুৱা ।

**মিড্‌ল বেইট ঃ**

বিজয়ী ঃ অৰ্জুন বয় খাকলাৰী ।
ৰাণাৰ্ছ আপ ঃ স্বপ্নীল তৰালী ।

**লাইট হেভী বেইট ঃ**

বিজয়ী ঃ সুৰজিৎ শৰ্মা ।
ৰাণাৰ্ছ আপ ঃ অনুপম শৰ্মা ।

**সাঁতোৰ ঃ**

**৫০ মিটাৰ বেকষ্ট্ৰোক (ল'ৰা) ঃ**

১ম ঃ ধীৰাজ চৌধুৰী (৩৯ চে.) ।
২য় ঃ জীতেন বয় (৫২·৮৫ চে.) ।
৩য় ঃ প্ৰসন্ন নাৰায়ণ বৰা (৫৮ চে.)।

**৫০ মিটাৰ বেক ষ্ট্ৰোক (ছোৱালী) ঃ**

১ম ঃ চয়নিকা বৰদলৈ (৪৪·৫৩ চে.)।
২য় ঃ মীনাক্ষী কলিতা (৫৩·৯৫ চে.) ।
৩য় ঃ ধৃতিমনি বনিয়া (১ মি. ৩ চে.)।

**৫০ মিটাৰ বাটাৰফ্লাই (ল'ৰা) ঃ**

১ম ঃ ধীৰাজ চৌধুৰী (৪৪·৩৭ চে.)।
২য় ঃ ৰাজীৱ সন্দিকৈ (৫৬·২৩ চে.)।
৩য় ঃ প্ৰসন্ন নাৰায়ণ বৰা (৫৯·০৩ চে.)।

**৫০ মিটাৰ বাটাৰফ্লাই (ছোৱালী) ঃ**

১ম ঃ চয়নিকা বৰদলৈ (৪৮ চে.) ।
২য় ঃ মীনাক্ষী কলিতা (৫৩·৪১ চে.)।

**৫০ মি. ব্ৰেষ্ট ষ্ট্ৰোক (ল'ৰা) ঃ**

১ম ঃ ধীৰাজ চৌধুৰী (৪৪·৫১ চে.) ।
২য় ঃ অগ্নি প্ৰতিম দাস (৫৩·৮০ চে.)।
৩য় ঃ অৰুণ কুমাৰ বড়ো (১ মি. ৯ চে.)।

**৫০ মি. ব্ৰেষ্ট ষ্ট্ৰোক (ছোৱালী) ঃ**

১ম ঃ চয়নিকা বৰদলৈ (৫০·৫৬ চে.) ।
২য় ঃ মীনাক্ষী কলিতা (৫১·৪৪ চে.)।
৩য় ঃ ধৃতিমনি বনিয়া (১ মি. ৬ চে.)।

**৫০ মি. ফ্ৰি ষ্টাইল (ল'ৰা) ঃ**

১ম ঃ ধীৰাজ চৌধুৰী ।
২য় ঃ মনোৰঞ্জন তালুকদাৰ ।
৩য় ঃ বীনাৰাম খাওচেনচা।

**৫০ মি. ফ্ৰি ষ্টাইল (ছোৱালী) ঃ**

১ম ঃ চয়নিকা বৰদলৈ ।
২য় ঃ মীনাক্ষী কলিতা ।
৩য় ঃ ধৃতিমনি বনিয়া ।

**বেইট লিফটিং ঃ**

**গ্ৰুপ এ ঃ** নাকচ।

**গ্ৰুপ বি ঃ**

১ম ঃ অৰ্জুন বয় খাকলাৰী (৮০ কে. জি.)।
২য় ঃ অনুপম শৰ্মা (৬৫ কে. জি.) ।

**পাৱাৰ লিফ্‌টিং ঃ**

**গ্ৰুপ এ ঃ**

১ম ঃ দিকেছ হোজাইজা (২৮০ কে. জি.)।
২য় ঃ মৃণাল ফাংছো (২৭৫ কে.জি.) ।
৩য় ঃ অনুপম শৰ্মা (২৩০ কে. জি. ) ।

**গ্ৰুপ বি ঃ**

১ম ঃ জয়দীপ কলিতা (৪২০ কে. জি.।
২য় ঃ অৰ্জুন বয় খাকলাৰী (২৪৫ কে. জি.)
৩য় ঃ অনুপম শৰ্মা (২৩০ কে. জি. ) ।

**বডি বিল্ডিং ঃ**

১ম ঃ জয়দীপ কলিতা।
২য় ঃ বুধীন্দ্ৰ নাথ মৰাং।
৩য় ঃ ৰাজেশ চায়েঙীয়া।

**মিষ্টাৰ কটন (১৯৮৮-৮৯) ঃ**

জয়দীপ কলিতা ।

শেষত, বিভিন্ন ক্ষেত্ৰত বিভিন্ন জনৰ পৰা পোৱা পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মোৰ হিয়াভৰা কৃতজ্ঞতা জনাই সামৰিছোঁ।

জয়দীপ কলিতা,
সম্পাদক, নৌ-চালনা, সাঁতোৰ আৰু
শৰীৰ চৰ্চা বিভাগ।

---

**সম্পাদকৰ কৃতজ্ঞতা ঃ**

বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম,
কামৰূপা প্ৰকাশন, নৱগ্ৰহ ৰ'ড,
চেতনা প্ৰকাশ, ৰাজগড় ৰ'ড,
মনোৰঞ্জন ভট্টাচাৰ্য্য,
আৰু সহায়কাৰী বিভিন্নজন।



Statue of
**Sir Henry John Stedman Cotton.**



Newly constructed ground floor of
**Banikanta Kakati Bhavan.**



**College-Week Boxing ;**
a thrilling moment !



**College-Week Swimmers ;**
being ready to jump.



**'LAZ' (Shyness),**
a sculpture by Hiranya Kr. Nath.

## The Rank Holders : H.S. (Arts).



*Bidisha Chakrabarty, (1st, 888).



*Santanu Sarma Barua, (2nd, 853).



*Manashi Bora, (3rd, 840).



Shantanu Nandan Sarma, (4th, 835).



Shameem Ahmed, (5th, 834).



Bibhash Choudhury, (7th, 828).



Swapnali Das, (8th, 810).

## The Rank Holders : H.S. (Science).



***Iftikar Ali Ahmed,**
(1st, 955).



***Monalisa Bora,**
(2nd, 943).



***Dipangkar Malla Baruah,**
(3rd, 891).



***Nirmal Kumar Bhagabati,**
(5th, 887).





***Parthajit Baruah,**
(5th, 887).



***Devajani Khataniar,** (7th, 871).



***Subrata Barman,** (8th, 869).



***Sumita Sarma,** (9th, 866).

& *Hindole Datta, (6th, 881). [Photograph not availed].

## The T.D.C. (Science) Toppers.



**Neena Verma**, (Economics, 570, D).



**Utpal Borpuzari**, (Geology, 633, D).



**Mahadev Patgiri**, (Physics, 669, D).



**Sangeeta Barthakur**, (Statistics, 779, D, 'The Best Graduate').

& Biswajit Goswami, (Chemistry, 595) and Chhandashree Changkakati, (Zoology, 611, D).
[Photographs not availed].

## The Toppers of P.G. Exam., 1987 (held in 1989).



**Anuradha Das Purkayastha**,
(1st-Class-1st, Physics).



**Lopita Nath.**
(1st-Class-1st, History).

## The T.D.C. (Arts) Toppers.



**Eliza Medhi,**
(Anthropology, 652, D).



**Md. Abdul Haque,**
(Arabic, 540).



**Bibha Bharali,**
(Assamese, 570, D).



**Pori Hiloidari,**
(English, 562, D).



**Minakshi Phookan,**
(Geography, 594, D).



**Bhusan Ch. Pathak,**
(Hindi, 573).



**Atrayee Baruah,**
(History, 561).



**Nani Gopal Mahanta,**
(Pol. Science, 570, D).

& Mitali Das, (Economics, 564, D). [Photograph not availed].



**Md. Salim Ali Ahmed,**
The Best Literary Competitor
for 1987-88 & 1988-89.



**Sangeeta Das,**
The Best Singer for 1986-87,
1987-88 & 1988-89.



**Tridib Duvarah,**
A Table-Tennis Star
of National Repute.



**Siddhartha Bhuyan,**
Was Captain of Lawn-Tennis Team of
both Assam & G.U. in 1987 & 1989.



**Devajit Saikia,**
Wicket-Keeper of The Assam
State Cricket Team since 1985.



**Rituraj Medhi,**
Adjudged First in The All Assam
Poster Competition, 1989, organised
by the French Embassy.

**The Champion Team of Hockey, 1988-89.**
(Swahid Ranjit Borpuzari Hostel).



**Sitting (L. to R.) :**
Ashim Kr. Barua, Ratan Mazumdar, Dr. Tarakeswar Choudhury (Supdt.), Rajib Handique, Dharmendra Nath, Labanu Kishore Konwar.

**Standing (L. to R.) :**
Partha Pratim Narzary, Bhumidhar Ramchiary, Sanjib Kumar, Kalyan Doley, Bhargav Khound, Chabin Thakuria, *Bijoygiri Kuligam & Tridib Chetia (Capt.).*
(Absent : Munin Kr. Das).

**The Best Drama Team, 1988-89.**



Drama : 'Amarabatir Atithi',
by Pankaj Jyoti Bhuyan.

**Sitting (L. to R.) :**
Harekrishna Das (The Best Actor), Atul Ch. Kalita (The Best Director).

**Standing (L. to R.) :**
Devajit Bhuyan, Shameem Ahmed & Marami Talukdar (The Best Actress).

# COTTON COLLEGE UNION SOCIETY,

**Session — 1988-89.**



**Sitting (L. to R.) :** Dr. Ramesh Pathak (i/c., Cultural Affairs Section), Mrs. Lahari Das (i/c., Ladies' Common Room), Prof. Narayan Sarma (Vice-President, Athletic Section), Dr. Kamalendu Deb Krori (Principal), Prof. Rafiul Huq (Vice-Principal), Prof. Balit Kumar Deka (Vice-President, Cultural Section), Shri Suresh Ch. Bora (i/c., Music Section).

**Standing 1st Row (L. to R.) :** Siddhartha Bhuyan (Secy., Tennis Section), Amal Kr. Dewri (Secy., Hockey Section), Rajesh Kr. Chayengia (Asstt. Gen. Secy.), Bikash Hazarika (Secy., General Sports), Himanta Biswa Sarma (Gen. Secy.), Mokshud Rahman Bora (Student Vice-President), Shri Amlan Das (i/c., Tennis Section), Shri Ratul Ch. Rajkhowa (i/c., Football Section), Shri Prad p Sarma (i/c., Gen. Sports), Nabajyoti Borah (Secy., Debating & Symposium), Pranab Sandilya (Secy., Criket Section), Kumar Rajiv Gurung (Secy., Football Section).

**Standing 2nd Row (L. to R.) :** Rupak Kr. Roy (Secy., Social Service), Santanu Goswami (Secy., Boys' Common Room), Sofia Ahmed (Secy., Minor Games), Dwipen Sarma (Editor, 'Cottonian'), Satyadeb Goswami (Secy., Music Section), Ilius Dewan (Secy., Cultural Affairs) and Bharat (Union-Bearer).

# COTTONIAN

63rd Volume

**1988-89**

# ENGLISH SECTION

*Editor* : Dwipen Sarma

# Character of the Indian National Movement

**Deepak Kumar Sarma,**
*Department of History.*

In recent years the question of the character of the Indian National Movement has become a central controversy among historians who are working on the colonial period in India. Till now the national movement or nationalism as such has been interpreted in different ways. One could categorise them into three broad streams. They are :

1. Colonial School (within imperialist parameters)
2. Nationalist School
3. Marxist School.

The colonial school denies any real objective basis for the rise of nationalism in India, and therefore tends to look upon the existing ideology or politics of nationalism as 'false consciousness' or a false representation of so called national goals by a small section of Indian society ; who attempts to use 'nationalism' for their sectional interests. For example, Valentine Chirol denies any such concept as Indian nationalism. Anil Seal and Judith Brown say that the so-called Indian nationalism was engineered by small elite groups of traditional society like the *Bhadralok* in Bengal, the *Chitpavan Brahmin* in Maharashtra etc. for meeting their vested interests and the British Government was the protector of the cultivating and labouring masses against these high caste privileged groups. Moris D Moris maintains that during the British rule there was not any exploitation and tends to deny any fundamental economic changes which adversely affected India under imperial rule. On the contrary he argues that the British rule created the conditions for modern economic development. Another common assumption of the colonial school, represented by B.T. McCully, which continues till today, is that nationalism is a product of western education. This, on the one hand underestimated the basic causes such as the suppression of economic, political and cultural advance of the colonial people in giving rise to nationalism and on the other hand ignores the historical experience of a number of other colonial countries where nationalism spread primarily through the indigenous languages. Even in India, it was the indigenous vernacular press which was far more instrumental (and the British saw it to be so) in spreading nationalism among its people.

The historiography of the nationalist school questions the basic premises and the analysis of the colonial school and puts forward arguments and facts directly linked to the colonial character of the British rule. Dadabhai Naoroji pointed out the drain of wealth from India to enrich Britain, Ranade and Madan Mohan Malavya emphasised the gradual decline of indigenous cottage and handicraft industries due to the quite often unfair competition of foreign manufactured goods in the Indian markets. Many such examples prove the colonial exploitation which led India and her people to poverty and underdevelopment. The spread of modern and institutional education, its structure and pattern, aims, methods, curricula and content were all designed to serve colonialism. The colonial character reflects few other aspects of Indian education. They neglected to impart modern technical education which was a basic necessity for the rise and development of modern industry. They emphasised on English as the medium of instruction which prevented the spread of education to the masses (as many as 92 per cent of Indians were illiterate in 1921). It also created a wide linguistic and cultural gap between the educated and the masses. The nationalist school thus reflects their basic contradiction

against imperialism and flatly denies the benevolent nature of the British rule.

The Marxist historiography includes the nationalist school and emphasises the fundamental economic and social changes which imperialism affected within Indian society and points out that behind nationalism lay new economic forces. Although at first the social effects of these economic changes were somewhat limited, the war generated a quicker pace of capitalist development that transformed the whole character of Indian politics by bringing new classes into the struggle against imperialism. Scholars like Bipin Chandra assign the most important role in the rise of Indian nationalism to the formation of a detailed critique of imperialism by the Indian intelligentsia undermining imperialist hegemony over the minds of the Indian people. They exposed the real nature of imperialism and showed how it contradicted the interest of all classes of Indian people. The realisation of this problem by the intelligentsia and their consequent propaganda of the anti-imperialist ideology, which represented the common interest of all classes in India, gave rise to nationalism in India. Further, the early nationalist ideologies were not simply representatives of the middle class but were intellectual representatives of the nation as a whole against colonial exploitation. Their outlook was capitalistic because they believed that this was a genuine and in the context the only path for the development of India and not because they were the political representative of the Indian capitalist class.

Paradoxically all these schools negate certain fundamental issues in the process of analysing the class character of the Indian national movement. In one extreme we have the nationalist school which fails to bring out the development of different streams of class consciousness operating within nationalism and emphasises the role of the Congress in creating an all class anti-imperialist movement. On the other extreme, we have the orthodox Marxist who no doubt, identifies the complexities of the national movement in terms of the effects of colonial rule at the societal level and brings out the hegemony of the bourgeois character of the national movement in detail but negate a pertinent question *i.e.*, why the middle class continued in spite of the development of peasant and working class consciousness within nationalism ? In other words, the central question at the moment generating stormy discussions and polemics is the nature of framework which could explain not only the middle-class hegemony over the national movement as such but also the concrete historical conditions which helped the right-wing Congress leadership to perpetuate its ideological domination over the movement.

The analysis of different movements like the nationalist movement, the peasant and tribal protests and so on put forward by some of the recent Indian historians has brought to light some important features of a framework which we can use to analyse the above question though in a skeletal form.

We will bring out this framework in terms of different movements during the colonial period in India in the foregoing section.

Perhaps we can identify this framework in terms of three basic formulations.

(1) The effect of colonialism on India at the societal level generated anti-imperialist feelings which is termed as basic contradiction *i.e.* between the Indian people and colonialism. At that level operates nationalism as an unifying ideology for all social classes in a colonial situation.

(2) The development of 'class consciousness' of the social classes like peasants and workers is seen as taking its origin and operating within nationalism. Here by class consciousness we mean consciousness of basic contradiction against imperialism as well as internal class contradictions.

(3) The integration of the demands of this class *i.e.* the working class and the peasantry, with nationalism or anti-imperialist struggle ensure the replacement of class hegemony of the bourgeois with that of the subaltern classes. But the analysis of the different movements during the colonial period proves beyond doubt that at this third level the failure of the peasant and the working classes emerge resulting in the establishment of the bourgeois social development after 1947.

It is worth noting at the outset that the modern school of historical research admits in their writings the basic contradiction of the Indian people when they no longer endeavour to uphold the downright denials

of Seeleys and Stracheys that India is no nation, but further events proved the basic unity of all sections of people's integrity against colonialism. Vincent A. Smith says, "India beyond all doubt possesses a deep underlying fundamental unity, far more profound than that produced either by geographical isolation or by political suzernity ; the unity transcends the innumerable diversities of blood, colours, language, dress, manners and sect". This was the basis of the immense strength which the Indian National Movement projected in overthrowing the colonial rule. The Indian National Movement was the history of advanced consciousness of the masses, which prepared the way for still more far reaching social liberation beginning from a narrow circle of the rising bourgeois and professional strata.

In the passage of time the people of India consisting of different classes and groups realised that colonialism had become the major cause of Indian economic, social, cultural and political backwardness and gradually discovered that British rule was hampering their development in all basic aspects.

When we try to analyse the involvement of the different classes in the Indian National Movement we must note their participation keeping in mind the nature of their uprising in the particular Indian content in different periods. The peasant and tribal uprising in the later part of the 19th century were attempts of groups of peasants and tribals to affect change in their economic condition rather than aspiring for any political ambition. These uprisings were isolated instances against landlords and money lenders. These were class struggle and in the courses of time were provoked to armed struggle. The result was that the government was easily able to suppress their struggles in the name of law and order with the help of the entire police and judicial machinery. Some examples of such revolts are Rampa Rebellion in Andhra Pradesh, the Santhal Insurrection of 1955-56, the Deccan Peasant Riots in 1875 etc.

With the growth of modern industries there emerged a new social class in India—the working class. Though tiny in number and forming a small part of the population, this class represented a new social outlook. Their concentration in urban centres helped them to form a broader outlook of an all-India character compared to the peasants in the countryside. As usual the disadvantages of the factory conditions, when an economy is linked with the world capitalist system, showed itself. Summing up the conditions of Indian workers under British rule, the well known German economic historian Jurgen Kuejyaski wrote in 1938—"Underfed, housed like animals, without light and air and water, the Indian industrial workers is one of the most exploited of all in the world of industrial capitalism". So, seeking better working conditions and better wages the labour class organised strikes. In the first six months of 1920 there were as many as two hundred strikes involving half a million workers. The end of 1918 saw the first great strike affecting the entire cotton textile industry. The strike movement which swept the 1918, 1919 and 1920 was of overwhelming intensity.

Of course, the peasant and tribal uprisings and working class movements emerged in an attempt to get rid of their immediate exploitators and improve their economic conditions. Thus, by and large ignoring the overall system perpetrated by imperialism the overthrow of which was necessary for their and other Indian people's salvation. However, in the 1920s and 1930s of the twentieth century, the peasant and workers movement had acquired a certain political orientation and looked for a stable organisation advocating and identifying their economic demands as well as capable of formulating a national political outlook, and organisation which could act as a vanguard to lead them in their struggle. The Indian National Congress served their purpose and they willingly enrolled themselves as members. Here it should be noted that Congress was a people's organisation and its membership was open to all classes and sections of people. The advent of Gandhi further intensified in broading the social base of the Congress which aimed at involving all strata of the society to fight imperialism. Now onwards we find peasants and workers struggle under the banner of the Congress and guided by the basic technique and strategy of the Congress and these struggles identified themselves with the mainstream *i.e.* the Indian National Movement led by the Congress. Evidences of such mass participations are the Non-Cooperation and Civil Disobedience Movements and the Bardoloi Satyagraha.

However, there are instances of

the Congress withdrawing its support to peasant movements when it turned rebellious and became violent and began to go astray, defying the Congress's basic strategy and technique of 'pressure compromise and pressure' (PCP). Examples of this are the Mopalah rebellion of 1921 which bridged the period of pre-political party, peasant uprisings and that of peasant action sponsored by the Indian National Congress, and the Khilafat Movement which turned violent. Another example is the Chauri Chora incident which led to Gandhi's suspension of the Non-Cooperation Movement.

Now, at this point it is pertinent to discuss the Congress and the radical left-wing within the Congress. Significantly this small left groups of the early 1920s were all splinter groups from within the Congress. Their objective was to radicalise the Congress Movement by giving it a greater mass content and to introduce "in the Congress politics an element of strong opposition to vested interests in and out-side of it". They also openly declared that the achievement of "labour Swaraj by non-violent means and again urged the adoption of 'Gandhian' methods and tactics for achieving its end, including non-cooperation, passive resistance, constructive programme and civil disobedience as suited to labour and kissans, and such other ways and means for the speedy attainment of Swaraj." These radical leaders regarded the Congress "a well established and influential institution" and wanted to stick to it. At one time Dange said that instead of "hunting communism in European countries," it was necessary to develop the same in context of the Indian realities. He said this because, "India lacked the psychology of the highly advanced condition of European capital and proletarian organisations", and, so, the left-wing within the Congress should base their activities on an exact appraisal of the specific historical situation. It was true that the Congress as a people's organisation never obstructed the growth of the left-wing till it left the Congress of its own will.

